# অনন্ত আকাশৰ তলত

ঈশ্বৰ মহন্ত

ANANTA AKASHOR TALAT - a collection of short stories in Assamese, written and Published by Iswar Mahanta, Rajgorh, Road Chandmari, Guwahati - 3, Prices. Rs 30'00 (Rupees thirty) only

---

লিখক অ'রু প্ৰকাশক

ঈশ্বৰ মহন্ত

ৰাজগড়, চান্দমাৰী,

গুৱাহাটী — ৩

প্ৰথম প্ৰকাশ

অক্টোবৰ, ১৯৯৪ চন

মূল্য — ৩০'০০ ( ত্ৰিশ টকা ) মাত্ৰ

বেটুপাতৰ শিল্পী—

শ্ৰী ত্ৰৈলোক্য দত্ত

ছপাশাল

বি. ডি. কোম্পানী

ছাত্ৰীবাৰী

গুৱাহাটী ৮

# নিবেদন

১৯৫৬ চনতে "মৰহি যোৱা কঁহুৱা ফুল" উপন্যাসেৰে সাহিত্য সেৱা আৰম্ভ কৰিছিলো আৰু ইয়াৰ পিচতে ১৯৬২ আৰু ১৯৬৫ চনত আন দুখনি উপন্যাস যথাক্ৰমে "অৰণ্য" আৰু "ধূলি আৰু ধৰণী" প্ৰকাশ হৈছিল। আমাৰ চুটি গল্প ১৯৬৫ চনৰ পৰাহে আলোচনা, সংবাদপত্ৰ আদিত ছপা আকাৰে প্ৰকাশ পায়। চুটি গল্প লিখিবলৈ লোৱাৰ ক্ষেত্ৰত আমি তিনি গৰাকী, ব্যক্তিৰ ওচৰত ঋণী, যি কথা এইকণ সুযোগতে ব্যক্ত কৰি আমাৰ কৃতজ্ঞতা প্ৰকাশ কৰিলো। তেখেতসকল হ'ল আমাৰ পৰম শ্ৰদ্ধাভাজন, সু সাহিত্যিক স্বৰ্গীয় নিৰ্মলেশ্বৰ শৰ্মাদেৱ, গল্পকাৰ বন্ধুবৰ শ্ৰীযুত ভূবন মোহন মহন্তদেৱ আৰু তেতিয়াৰ আমাৰপ্ৰতিনিধি আলোচনীৰ সগত জড়িত আৰু পিচত ৰূপকাৰ আলোচনীৰ সম্পাদক শ্ৰীযুত পবিত্ৰ কুমাৰ ডেকাদেৱ। শ্ৰীযুত শৰ্ম্মাদেৱে তেখেতৰ দ্বাৰা সম্পাদিত জনশিক্ষা আলোচনীৰ বাবে আমাক কৈ কেইটামান চুটি গল্প লিখাই জনশিক্ষাত প্ৰকাশ কৰে। এয়ে আমাৰ গল্প লিখাৰ আৰম্ভণি। গল্পকাৰ শ্ৰীযুত মহন্তদেৱে জনশিক্ষাত প্ৰকাশিত গল্প কেইটিৰ গুণাগুণ বিচাৰ কৰি আমাক গল্প লিখিবলৈ অনুপ্ৰেৰণা যোগায়। শ্ৰীযুত ডেকাদেৱে আমি ১৯৭২ চনতে আমাৰ-প্ৰতিনিধি আলোচনীলৈ পঠোৱা গল্প এটি সেই বছৰৰে উক্ত আলোচনীৰ বৃহৎ কলেৱৰৰ ৰঙালী বিহু সংখ্যাৰ প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰে, যি কথাই আমাক অতি অনুপ্ৰাণিত কৰে। ১৯৭৪ চনৰ আমাৰ প্ৰতিনিধিৰ পূজা সংখ্যাত প্ৰকাশিত "এটা অন্তৰ উদ্ভৱ" নামৰ আমাৰ গল্পটো গুৱাহাটীৰ পৰা প্ৰকাশ পোৱা বঙালী ভাষাৰ আলোচনী "ফিনিক"ৰ সম্পাদকে বঙালী ভাষালৈ অনুবাদ কৰি প্ৰকাশ কৰিবলৈ ইচ্ছা কৰাত শ্ৰীযুত ডেকাদেৱে আমাৰ হৈ অনুমতি দিয়ে। উক্ত সংখ্যা ফিনিকৰ

শিতানত আছিল তিনিটা গল্প, তাৰে দুটা অনুবাদ। অনুবাদ দুটাৰ এটা এজনা চীনা সাহিত্যিকৰ আৰু আনটো আমাৰ, যাৰ বাবে কথাটো কেনেকৈ সম্ভৱ হ'ল ভাবি চিন্তিত হৈ হৈছিলো, কাৰণ আমাৰ শক্তি সমৰ্থ কিমান সেই কথা নিজে জানো। যি কি নহওক, ইয়াৰ বাবে অনুপ্ৰাণিত হৈছিলো ঠিকেই। সম্পাদকে পঢ়ুৱৈ সমাজলৈ বিশ্ব সাহিত্যৰ সোৱাদ আগবঢ়ায়েই সন্তুষ্ট নাথাকি আমাৰ দৰে এজন অখ্যাত লিখকৰ লিখনিৰ যোগেদি প্ৰকাশ পোৱা চিন্তা চৰ্চ্চা বোৰকো পেলনীয়া নকৰি তেখেতৰ আলোচনীত ঠাই দিয়াত আমি সম্পাদকৰ ওচৰত ঋণী হৈ ৰ'লো। সেই গল্পটিৰে নাট্যৰূপ ১৯৯২ চনত গুৱাহাটীৰ দূৰদৰ্শনৰ চিৰিয়েলত ( সমাধান নামকৰণেৰে ) প্ৰকাশ পায়। ১৯৬৫ চনৰে পৰা অদ্যবধি কেইবাখনিও আলোচনী, সংবাদপত্ৰ আৰু গল্প সংকলনত প্ৰকাশ পোৱা আমাৰ ডেৰশৰো ওপৰ চুটি গল্পৰ ভিতৰৰে তেত্ৰিশটি গল্পৰে এটি সংকলন "অনন্ত আকাশৰ তলত" নামকৰণেৰে সদাশয় পঢ়ুৱৈ সমাজলৈ আগবঢ়ালো। ইয়াৰে এটি গল্প ১৯৮৭ চনত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ সাহিত্য চ'ৰাৰ যোগেদি প্ৰচাৰিত হয়। এই সংক্ৰান্তত প্ৰখ্যাত গল্পকাৰ উপন্যাসিক শ্ৰীযুত অতুলানন্দ গোস্বামীদেৱক কৃতজ্ঞতা জনালো আৰু আমাৰ শুভাকাংখী প্ৰখ্যাত কবি, গল্পকাৰ শ্ৰীযুত ৰাজেন্দ্ৰনাথ বৰদলৈদেৱৰ প্ৰতিও কৃতজ্ঞ হৈ ৰ'লো। কেইটিমান গল্পৰ বঙালী অনুবাদ কেইখনিমান বঙালী আলোচনীত প্ৰকাশ হৈছে। প্ৰখ্যাত গল্পকাৰ সাহিত্য গৱেষক অধ্যাপক ড° পৰাগ কুমাৰ ভট্টাচাৰ্য্যদেৱ আৰু প্ৰখ্যাত গল্পকাৰ শ্ৰীযুত বিজু হাজৰিকাদেৱে তেখেতসকলৰ দ্বাৰা সম্পাদিত কেইবাখনিও গল্প সংকলনত আমাৰো একোটি গল্প সন্নিৱিষ্ট কৰি আমাক অনুগৃহীত কৰিছে। তেখেত সকলক আমাৰ কৃতজ্ঞতা জনালো। ৰামধেনু, নৱদূত, প্ৰকাশ, মোৰদেশ আৰু অন্যান্য আলোচনী, সংবাদপত্ৰৰ সম্পাদক আৰু গল্পসংকলনৰ সম্পাদক সকলকো আমাৰ কৃতজ্ঞতা জনালো।

পাঠক, পাঠীকা সকলে অকণমান সময় খৰচ কৰি গল্প কেইটি পঢ়ি চালে সেয়ে আমাৰ বাবে অনুপ্ৰেৰণাৰ কাৰণ হ'ব। শেষত সংকলনটি প্ৰকাশ কৰাত আমাৰ সহধৰ্মিনী শ্ৰীমতী চন্দ্ৰা দেৱীয়ে নানা প্ৰকাৰে সহায় কৰা বাবে আমি তেওঁৰো শলাগ ল'লো। সংকলনটি ছপা কৰি উলিওৱাত গুৱাহাটীৰ বি. ডি. কোম্পানীৰ স্বত্বাধিকাৰী প্ৰাক্তন অধ্যাপক শ্ৰীযুত বৰুণ দত্তদেৱ, ছপাশালৰ কৰ্মীসকল আৰু বেটুপাতৰ শিল্পী সুহৃদ, শ্ৰীযুত ত্ৰৈলোক্য দত্ত দেৱলৈয়ো আমাৰ কৃতজ্ঞতা থাকিল।

ঈশ্বৰ মহন্ত

ৰাজগড়,
চান্দমাৰী গুৱাহাটী-৩

## সূচীপত্ৰ


| | পৃষ্ঠা |
|---|---|
| শ্যামল উপত্যকাৰ ঠিকনা | ১ |
| ৰথযাত্ৰা | ১১ |
| এটা অন্বৰ উত্তৰ | ২১ |
| খোজ | ২৭ |
| দোকান | ৩৬ |
| বাট | ৪১ |
| কালকণ্ঠ | ৪৭ |
| নক্ষত্ৰৰ দৰে | ৫৬ |
| অদৃশ্য | ৬২ |
| শগুণ | ৬৭ |
| অমুক্ত | ৭৫ |
| এন্দুৰৰ গাঁতৰ ধান | ৮১ |
| মন | ৮৬ |
| প্ৰতীক | ১০০ |
| মেকুৰী নিগনি আৰু টিলিঙাৰ সাধু | ১০৫ |
| অৱলোকন | ১১৪ |
| ভোজ | ১১৮ |
| এলাহু | ১২৫ |
| মানসিকতা | ১৩৭ |
| হৃদয় | ১৪০ |
| মানুহ | ১৫০ |
| ৰহস্য | ১৫৬ |

| | |
|---|---|
| প্ৰত্যয় | ১৬৬ |
| জুয়ে পোৰা সোণ | ১৭০ |
| জাকজমকতাৰ ৰঙৰ তলত | ১৮০ |
| ভাত খুজি থাকে | ১৮৩ |
| সোণালী সূতাৰে গঁঠা | ১৮৭ |
| ফুল থকা চোলা | ১৯৭ |
| অস্তিত্ব | ২০৬ |
| অপেক্ষা | ২১৫ |
| গুঞ্জন | ২১৯ |
| ছিচাপ | ২২৭ |
| দধীচি | ২৩৫ |

# শ্যামল উপত্যকাৰ ঠিকনা

চৰায়ে বাহ সাজিবৰ বাবে কুটা গোটোৱাদি আঘোণাই পইচা গোটায়। জমা থয় সভাৰাম মাষ্টৰৰ ঘৰত। পইচা হাতত পৰাৰ দিনা সন্ধিয়া কামৰ পৰা বাহিৰে বাহিৰেই আঘোণা মাষ্টৰৰ ঘৰলৈ যায়। পিৰালিতে লেপেটা কাঢ়ি বহি, খোঁচোনাৰপৰা পইচা কেইটা উলিয়াই আনি আথেবেথে মাষ্টৰৰ হাতত দিয়ে। হিচাপ মাষ্টৰেই ৰাখে। আঘোণাই থয়হে। মাষ্টৰ বিশ্বাসৰ মানুহ। কোনোৰকম খাই-লৈ জীয়াই থকা মাষ্টৰ। জীৱনত একো কৰিব নোৱাৰিলে বুলি কতই হাঁহে! উপলুঙা কৰে! মাষ্টৰনীয়ে মাজে মাজে হুমুনিয়াহ একোটা কাঢ়ে। মাষ্টৰে হাঁহে মাত্র।

মাষ্টৰেও আঘোণাৰ পইচাকেইটাৰ হিচাপটো ভালদৰে ৰাখে। পইচাকেইটাও বাকচৰ এচুকত আটোম টোকাৰিকৈ থৈ যায়। ঘৰত পইচা থ'লে চোৰ-চাৰিলৈ ভয়। অভাৱ অনাটন বঢ়াৰ বাবেই চোৰ-চাৰিও বাঢ়িছে। মাষ্টৰৰো সাধাৰণ ঘৰ। মাটিৰ ভেটি। ভেটিও ওখ। সিন্ধি দিবলৈ সুচল। চিপৰাং লৈ এফালৰ পৰা পিৰালিৰ মাটি খহাই গ'লেই হ'ল। মাটিখনাৰ শব্দও নহয়।

তথাপি মাষ্টৰে পইচাকেইটা ৰাখে। ঘৰ এখন বান্ধিব খুজিছে মানুহঘৰে। যাৰ নিজৰ ঘৰ এখন নাই, সিহে বুজে ঘৰখনৰ মূল্য কিমান। নিজৰ ঘৰখনৰ সন্মুখত কৰি লোৱা সৰুকৈ শাকনি বাৰীখনৰ মেমেধু, লাই, লফা, চুকাকিডালিৰ মূল্য কিমান। দহিকচু, মধু-সোলেং, বাৰমহীয়া থকৱা বেঙেনা, আৰু জলকীয়া কেইজুপি, বতৰৰ মানিমুনি, মাটিকাঁহুৰী কেইডালৰ মূল্য কিমান!

এদিন মাষ্টৰে হিচাপ দিলে আঘোণাক, তোৰ জমা টকা বাৰকুৰি হ'ল।

আঘোণাই মাষ্টৰৰ ঘৰৰ পিৰালিতে বহি এটা প্ৰশান্তিৰ হুমুনিয়াহ কাঢ়িলে। ভাবি আচৰিতো হ'ল, তাৰদৰে ছালছগা ভিকছু এটাই এই চাবি বছৰৰ ভিতৰতে কেনেকৈ ইমান টকা গোটালে। বাৰকুৰি টকা। সিহঁতৰ নিজৰ উপাৰ্জনৰ টকা। নাখাই নবই গোটোৱা টকা। সি যেন বিশ্বাস কৰিবলৈকে টান পালে। বৈণীয়েকক খবৰটো দিবলৈ তাৰ মনটো উত্ৰাৱল হৈ পৰিল।

সভাৰাম মাষ্টৰে ক'লে, মাটিডোখৰ এতিয়া ৰেজিষ্টাৰী কৰাই নিজৰ কৰি ল।

পিছৰ সপ্তাহতে আঘোণাই দুফনাথ মহাজনক টকাখিনি দি মাটিখিনি নিজৰ কৰি ল'লে। সি সেই মুহূৰ্ত্তৰে পৰা একঠা তিনিলেচা মাটিৰ গৰাকী হ'ল। ইমান আনন্দ সি জীৱনত এই প্ৰথম পালে। আনকি কেৰকণৰ মাকক ঘৰলৈ অনাৰ দিনাও সি ইমানখিনি আনন্দ পোৱা নাছিল। আনি কি খুৱাব, কি পিন্ধাব, এয়েহে আছিল তাৰ চিন্তা। হ'লেও তাইৰো হাত দুখন আছে যেতিয়া তাৰেই কিবা এটা কৰি খাব আৰু, এয়েই আছিল তাৰ একমাত্ৰ সান্ত্বনা, উৎসাহ। ৰবপুত্ৰ কেৰকণৰ জন্মৰ দিনাও সি চিন্তাত বিমৰ্ষহে হৈছিল। পুত্ৰলাভৰ আনন্দত তাৰ মন উৎফুল্ল হোৱা নাছিল। সংসাৰ বাঢ়িছে হয়, কিন্তু উপাৰ্জন বঢ়া নাই। লোকৰ মাটিত থকা ঘৰ। লোকৰ মাটিত হালকোৰ বাই দি উলিওৱা জীৱিকা। খোৱা মুখ এখন বঢ়া মানেই চিন্তা বঢ়া। যাৰ মাটিত হাড়ক মাটি তেজক পানী কৰি, গাৰ ঘাম মাটিত পেলাই কাম কৰি দিছে, সেই গৃহস্থবোৰেও সিহঁতক কামত ফাকি দিয়া যেনহে দেখে।

সি জনামতে তাৰ ককাকৰো মাটি নাছিল। বাপেকৰতো নাছিলেই। কেৱল ওপঙি ফুৰা মানুহ, পুনীৰ দৰে আজি ইটো ঘাটত, কালি সিটো ঘাটত।

কিন্তু সি এটুকুৰা মাটি নিজৰ কৰি ল'লে, যিটো কাম তাৰ বাপেক- ককাকেও কৰিব পৰা নাছিল।

মাটিকণ কিনা দিন ধৰি ঘৰখনৰ এটা নহয় এটা মানুহ মাটি-ডোখৰলৈ গৈ চাই আহেগৈ। সাতবছৰীয়া ৰবপুত্ৰ কেৰকণে আধিত

অনা ছাগলীজনী তাতেই ভৰখ দিয়ে। ভৰখ দিও সি ঘৰলৈ ঘূৰি নাহে। সীমাৰ বগৰীজোপাৰ তলৰ ছাঁতে বহি থাকে। পকা বগৰী খাই খাই সি ছাগলীজনীলৈকে চাই থাকে। তাত গজা নিলাজীবন, দোৰোণ, ফুটুকানি কেইডালিও তাৰ আপোন আপোন যেন লাগে। মাকেও ছাগলীজনীক চাউল ধোৱা পানীকণ খুৱাবলৈ অহা ছলেৰে মাটিকণকে চাই যায়। আনকি পাঁচবছৰীয়া ল'ৰা কণটিলৌৱেও লগৰীয়াৰ লগত শহাপছুৰ লাদ লিচাৰি সেইখিনি পায়হি।

পথাৰলৈ যোৱা হাটীমতাই আঘোণাক বাটতে লগ পাই সোধে, হেৰৌ আঘোণা, মাটি কিনিলি বোলে? পিচে খেতি কৰিবিনে, থকা ঘৰ সাজিবি? আঘোণায়ো বিনয়েৰে উত্তৰ দিয়ে, একঠা ভিনি লেছা মাটিত কি আৰু খেতি হ'ব দেউতা? থকা ঘৰ এখনহে কৰিব লাগিব।

আঘোণাৰ ঘৈণীয়েক বসুমতী বৰ কেৰাণীৰ ঘৰলৈ যাওঁতে বৰকেৰাণীৰ ঘৈণীয়েকে সুধিলে, কি ঐ, মাটি লৈছ বোলে?

এৰা সংসাৰো বাঢ়িল নহয়। লোকৰ মাটিত ঘৰ। শুচ বুলিলেই যাব লাগিব। চেষ্টা কৰোচোন বাৰু, নিজৰ ঘৰ এখন কিজানি হয়েই বা!

হওক দে, তোৰ গাত লেঠা হ'বলা?

এৰা, লাজ লাজকৈ বসুমতীয়ে উত্তৰ দিলে। আই, সেন্দুৰ অকণমান দিবচোন। কেইবাদিনো কেঁৗট লোৱাই নাই।

বৰকেৰাণীৰ ঘৰত কিবা হ'লেই বসুমতী হাজিৰ। খবৰ নিদিলেও হয়। বনবাবিবোৰ তায়েই কৰি দিয়ে। তেনেকৈয়ে বনবাৰি কৰি তায়ো দুইপইচা আৰ্জি মাটি অকণ ল'বলৈ গিৰিয়েকক উৎসাহ যোগায়।

কিঐ আঘোণা, ঘৰ সাজিবৰ বাবে মাটি ললি বোলে, পিচে ঘৰ টিঙৰ কৰিবিনে ইটাৰ কৰিবি?

আঘোণাই কোনো উত্তৰ নিদিয়ে। সেমেনা-সেমেনি কৰি তলমূৰ কৰি সি কাষেদি পাৰ হৈ যায়। নৰনাথ মহাজনৰ কথাষোৰ বৰ গাজত লগা।

মাটি লোৱা হ'ল, এতিয়া ঘৰ সজা পাল। ঘৰ সাজিবলৈ লাগে বাঁহ, খেৰ, কৰা, কামী, তমাল, বেত। সভাৰাম মাষ্টৰে ক'লে, মোৰ বাৰীবেপৰা পূৰঠ চাই চাৰিটামান জাতিবাঁহ লৈ যাবি।

মাষ্টৰৰ বাঁহ সেই একেজোপাই। মাটিও কম।

গাঁওখনৰ একমাত্ৰ ভলুকাবাঁহ থকা গৃহস্থ নৱনাথ মহাজনক খুঁটাৰ কাৰণে বাঁহ দুটা খোজোতে মহাজনে ভেকাহি মাৰি ক'লে, বাঁহ মাগনাৰ বস্তু নহয় নহয়। গা খাটি দিলে বাঁহ পাবি। দুটা কিয় এশটা পাবি।

গা খাটি দিয়েই সি মহাজনৰ ঘৰৰ পৰা ভলুকাবাঁহ দুটা যোগাৰ কৰিলে।

আঘোণাই জোখ-মাফ কৰি ঘৰটো আৰম্ভ কৰিলে। দীঘলে দহ হাত, পুতলে ছয় হাত। অলপ আহল বহল লাগেই, দুটাকৈ ল'ৰা। চাৰিটা প্ৰাণী, দুখন শোৱা চাৰি ধৰিব লাগিব। এচুকত আখাও থাকিব। তাতে বৈণীয়েকৰ অশৌচৰ দিনো চমু চাপি আহিছে। ঘৰ বেছি ওখও কৰিব নোৱাৰি। বতাহ ধুমুহালৈ ভয়, তাতে পথাৰৰ মাজৰ ঘৰ। ভেটি বেছি ওখ হ'লে, সিদ্ধিখনা চোৰলৈয়ো ভয়। ভেটি চাপৰ কৰিলেও মস্কিল, বাৰিষা পানী সোমাব পাৰে, পথৰুৱা মাটি। খেতিৰ বাবেহে উপযোগী এইবোৰ মাটি, বস্তিৰ বাবে নহয়।

এই দুখন হাতেৰেই আঘোণাই অন্য কত মানুহক ঘৰ সাজি দিলে কেৱল নিজৰ চিন্তাৰে অকণো খোকোজা নলগাকৈ। কিন্তু নিজৰ ঘৰটো সজাৰ বেলিকাহে মনত বাহ বান্ধিছেহি ইমানবোৰ খেলিমেলি চিন্তাই। তথাপিও এটা জোখ-মাফ কৰি আঘোণাই ঘৰৰ খুঁটাৰ গাঁত খানিলে।

সভাৰাম মাষ্টৰৰ ঘৰৰপৰাই আঘোণাই ডবল কোৰ এখন যোগাৰ কৰিলে আৰু খুঁটা পোতা, মাৰলি বন্ধা আদি কাম শেষ কৰি অতাই দিনৌ কোৰ মাৰি ঘৰটোৰ ভেটি বন্ধা কাম আৰম্ভ কৰি দিলে। ইয়াৰ বাবে অতিৰিক্ত সময় খাটিব লগা হ'ল। খাদ্য কম, পৰিশ্ৰম বেছি। ফলত আঘোণাৰ স্বাস্থ্যৰ বহু অৱনতি ঘটিল। তথাপি মনত অফুৰন্ত আনন্দ। এয়া নিজৰ গৃহস্থালিখনৰ বাবে কৰা খাটনি।

এখন ঘৰ নিজাকৈ, যিটো কেইবা পুৰুষতো সম্ভৱ হোৱা নাছিল সিহঁতৰ পৰিয়ালত।

গা বেয়া যদিও বৈশীয়েকেও সেই দেহাৰেই নিজৰ ঘৰখনৰ দৈনন্দিন কাম বন কৰা আৰু পৰৰ ঘৰত গা খটাৰ উপৰিও নিজৰ নতুন ঘৰটোৰ কামো কৰি গিৰিয়েকক সহায় কৰে। দেহাটোত একোৱেই নাই, তথাপি মনত উৎসাহ। তাই তাৰে, ছটাকৈ অশৌচ খেদালে পৰৰ মাটিৰ ঘৰত। এইবাৰৰ অশৌচটো নিজৰ ঘৰতেই খেদাব পাৰিব। সিহঁতে আৰু এটা সন্তান আশা কৰা নাছিল। ছটা ল'ৰা, সেয়েই বহুত। কিন্তু আশা নকৰা সত্বেও ইচ্ছা বিৰুদ্ধ কাৰ্য্য ঘটি গ'ল। মুখ এখন বাঢ়িব। কাম কৰা হাত দুখনো থাকিব যদিও সেই হাতে পৰৰ সুখ-স্বাচ্ছন্দ্যৰ বাবেই খাটিব লাগিব। নিজৰ কাম সদায় এক্কাৰেই।

সাতবছৰীয়া বৰ ল'ৰা কেৰকণ পাঁচবছৰীয়া সৰুটো ল'ৰা কণটিলৌৱেও নিজ নিজ শক্তি অনুসাৰে কাম কৰে। বাপেকে বেৰৰ কামী বান্ধোতে কেৰকণে চুকি পোৱালৈকে বাপেকক বেৰত সূত সৰকাই দিয়ে। কণটিলৌৱেও তুলাই থোৱা বেতৰ সূত এডালকৈ বাপেকক আনি দিয়ে। বাপেকেও সিহঁতক এনেকৈয়ে কাম শিকায়। সিহঁতে এনেকৈয়ে খাব লাগিব। নিজেও এনেকৈয়ে শিকিছিল পৰৰ ঘৰত গেৰাৰী খাটি সিহঁতক পোহপাল দিয়া বাপেকৰপৰা।

খেৰৰ কাৰণে জানিবা আঘোণাৰ ঘৰ সজা কামত বাধা নজন্মিল। পথাৰত খেৰ পাৱলৈ প্ৰায় নোহোৱাৰ দৰেই হ'লহি। খেৰ বিচৰা মানুহ বেছি হ'ল। খেৰণিও কমিল। কিনিবলৈ গ'লেও দামো দুই হাই। আঘোণাই চাৰি বছৰ মানৰ আগৰে পৰাই ছেগ চাই খেৰণিৰপৰা দুই চাৰিটাকৈ খেৰ কাটি আনি গোটাই থৈছিল। নামতহে খেৰ। বন বিৰিণাই বেছি। যাব কেইদিন? হ'লেও নোহোৱাৰ দিনত এয়েই বহুত। তাকো ছেগ চাই গোটাই থৈছিল বুজিহে।

আলব বাবে কোমল বাঁহ দুটা মৰম কৰি বৰ কেৰাণীয়েই দিলে। বেত দুকাপ কিনিলে ৰবিবৰীয়া হাটৰপৰা। জাতি বাঁহ চাৰিটা মাষ্টৰৰ বাৰীৰপৰাই কাটি আনিলে। অতিৰিক্ত লগা বাঁহ কেইটা কিনিলে গাঁৱৰে এঘৰৰপৰা।

পুৰণি থকা ঘৰটো আঘোণাই নিজেই বস্তু গোটাই সাজি লৈছিল যদিও তাৰ কিছু সৰঞ্জাম আছিল মাটিৰ মালিকৰো। আঘোণাই ভাবিছিল, নিজৰ ঘৰটো সজাৰ সময়ত উৰুলি যাবলৈ উপক্ৰম কৰা পুৰণি ঘৰটোৰ কামী, বেৰ, বুকলিখেৰ কেইডালিকে আনিব। কিন্তু সৰ্ব্বজিত গৃহস্থই ক'লে, পুৰণি ঘৰটো মেৰামতি কৰাই তাতে আন এটা হালোৱা ৰাখিব। গতিকে তাৰ আশাৰ ওপৰত চেঁচা পানী পৰিল।

ঘৰটো আৰম্ভ কৰাৰ লগে লগেই বসুমতীয়ে বেৰ লিপিবৰ কাৰণে পথাৰৰ পৰা গৰুৰ গোবৰ বিচাৰি আনি গোটাই থৈছিল। আঘোণায়ো নদীৰ পাৰৰ আলতীয়া মাটি কেইভাৰমান আনি থৈছিল। বসুমতীয়ে নদী ঘাটৰ পৰা যুৰীয়া কলহেৰে পানী কঢ়িয়াই আনি মাটি আৰু গোবৰ একেলগ কৰি গোবাই থৈছিল। ঘৰটোৰ বেৰ-কুৰ দি শেষ কৰাৰ লগে লগেই বসুমতীয়ে গোবোৱা গোবৰ মাটিবোৰ ভৰিৰে গচকি গচকি মিহলি কৰি বেৰ লিপিবৰ বাবে উপযোগী কৰে। বৰ ল'ৰা কেৰকণে মাকক এই কামত সহায় কৰে। সৰুটো ল'ৰা কণটিলোকো কোনে পায়। সিও গোবৰ-মাটিবোৰৰ লগতে লেটি লৈ থাকে। তাৰ পিছত বসুমতীয়ে এখন এখন কৰি ঘৰটোৰ বেৰবোৰ লিপি যায়। এবাৰ লিপি লোৱাৰ পিছত আকৌ তাৰ ওপৰত ঢিলা মাটিৰে সোপ লেপ দিয়ে। তাই এই দুখন হাতেৰেই কিমানৰ ঘৰৰ বেৰ লিপিলে। এইবাৰ নিজৰ ঘৰ লিপিবলৈ লৈছে। খুজি অনা এলুমিনিয়ামৰ চৰিয়াটোত অলপ অলপ কৰি গোবৰ মাটি কঢ়িয়াই আনি বৰ পুতেক কেৰকণেও মাকক সহায় কৰে। সৰু পুতেক কণটিলোৱে লিপা বেৰখনৰ সি

টুকি পোৱা দুই এঠাইত তাৰ কণমাণি হাতখনৰ চাব দিয়ে। মাকে দেখিও ধমক নিদিয়ে। বুজে তাৰ অন্তৰতো নতুন ঘৰৰ আনন্দই দোলা দিছে।

কেৰকণে আধিত অনা ছাগলীজনীক ৰাতি বন্ধাৰ বাবে ঠাই ঠিক কৰিলেই। ৰাতি বাহিৰত থব নোৱাৰি। শিয়ালে নিব। বাহিৰত গড়াল এটা কৰিব নোৱাৰা পৰ্য্যন্ত ঘৰৰ ভিতৰতে বাখিব। তাই খেন দিবৰ হৈছে। খেন দিয়াৰ পিছত পোৱালি এটা ৰাখি বাকী কেইটা পোৱালিবে সৈতে মাকজনীক গৃহস্থক ঘূৰাই দিব লাগিব। নিজৰ ঘৰ এখন হোৱাৰ লগতে নিজৰ ছাগলী এজনীও হ'ব। তাইৰো পোৱালি হ'ব। পাঁচ বছৰীয়া কণটিলৌৱে ছাগলী পোৱালিৰ লগত উমলি বৰ ভাল পায়। সি লোকৰ ছাগলী পোৱালিকে টানি ফুৰে। নিজৰ ঘৰতে পোৱালি হ'লে সিও ভাল পাব। ঘৰ-খনৰ সকলোৰে মনত আশাৰ কুঁহিপাত মেলে।

মাটি ল'লে, ঘৰ হ'ল, এইবাৰ ঘৰ লোৱাৰ পাল।

ঘৰৰ বস্তু বুলিবলৈ তেনেকৈ নায়েই। ফটা নিহালী দুখন, শোৱা ঢাৰি দুখন, মাটিকলহ দুটা, টেকেলি এটা, কান এবোৱা ভাত ৰন্ধা ডেগ্‌চি এটা, আক নাল ছিঙা কেৰাহি এটা। ভাত খাবৰ বাবে বং এবোৱা টিঙৰ কাঁহী বাটি এযোৰ, দা এখন, কটাৰী এখন আৰু এটা চাকি। সম্পত্তি এইখিনিয়েই।

আধিত অনা ছাগলীজনী পঘা এডালেৰে বান্ধি পঘাডালৰ এটা মূৰ এখন হাতেৰে ধৰি আৰু আনখন হাতেৰে টেকেলিটো লৈ আগে আগে যায় বৰ ল'ৰা কেৰকণ। তাৰ পিছে পিছে হাতত চাকিটো লৈ, ছাগলীজনী খেদি খেদি কণটিলৌ। ঢাৰি দুখন একেলগে মেৰিয়াই বান্ধি কান্ধত লৈ ফটাকথা আৰু অন্যান্য বস্তুৰ টোপোলাটো লৈ পিছে পিছে আবোণা। মাটিকলহ দুটাৰ এটা চাৰতলিৰে চেপামাৰি ধৰি, এটা হাতত লৈ একেবাৰে পিছত খণীয়েক বসুমতী। কটনাকাটি, লোকৰ ঘৰত লেদেনা উকটি গোটোৱা

সম্পত্তিৰ সামন্ত এইখিনি বস্তুকে হাতে হাতে লৈ সিহঁতে দিনে পোহৰেই আহি নতুন ঘৰ ল'লেহি।

ঘৰৰ ভিতৰ সোমায়েই বসুমতীয়ে কোনখিনি ঠাই শোৱাৰ বাবে ব্যৱহাৰ কৰিব আৰু কোনফালে আখা পাতিব তাৰে চিন্তা কৰিবলৈ ধৰিলে। ৰব ল'ৰা কেৰকণে বাতি ছাগলীজনী কোনখিনিত বান্ধিব তাকে মনে মনে গুণাগথা কৰিলে। সৰু ল'ৰা কণটিলৌৱেও চিন্তা কৰিলে, তাৰ খেলৰ সামগ্ৰী বৰঘিলা, সৰুঘিলা, লেটাগুটিকেইটা আৰু লাটুমণিখিনি কোন ঠাইত থ'ব। সৰু ল'ৰা কণটিলৌৰ ভোক লাগিছিল যদিও সি মাকক ভোকৰ কথা নক'লে। নতুন ঘৰৰ আনন্দই তাৰ ভোকো দূৰ কৰিলে।

বসুমতীয়ে আগতেই উধান তিনিটা তৈয়াৰ কৰি শুকুৱাই ৰাখিছিল। সেই উধান তিনিটা আনি ঘৰটোৰ একোণত সুচল কৰি পাতি ল'লে। আজিৰ ৰাতিটো অকল লোণ-তেলেৰেই ভাতকেইটা খাব। শাক-শোকোতাৰ কথা কাইলৈহে চিন্তা কৰিব।

পিছদিনা বেলি দুপৰ হোৱাৰ ভালেখিনি আগতেই বসুমতীয়ে দৈনন্দিন কৰাৰ দৰেই গাঁৱৰ কেইবাঘৰতো কাম-বন কৰি আঁতাই হাতত লফাকেইডালমান লৈ ঘৰ পালেহি। আহি পায়েই আখলত জুই দিলে। ল'ৰাহালক ৰাতিপুৱাই কৰ্কৰা ভাত দুটামান খুৱাই গৈছিল। ভাত-আঞ্জা হোৱাৰ লগে লগেই আবোণাও গৃহস্থৰ পথাৰত হালবাই আহি ঘৰ পালেহি।

আঘোণাই ঘৰৰ কাথিতে বহি কাণৰ চেপত সুমুৱাই ৰখা আধাখোৱা বিৰিটো উলিয়াই আনি ঘৈণীয়েকে আনি দিয়া আঙঠাৰ জুইৰে জ্বলাই লৈ দুবাৰমান হুপিছেহে, এনেতে তাৰ দৃষ্টিয়ে এঠাইত থ'প পাতিলেগৈ। তাৰ পথকৰা মাটিৰ ঘৰটোৰ ফালেই পোনাই আহিছে এদল মানুহ। দূৰত মানুহবোৰ কোন চিনিব পৰা নাছিল যদিও দলটো আগবাঢ়ি অহাৰ লগে লগে সি চিনিব পাৰিলে একজন এসময়ৰ গাঁৱৰে আৰু পিছত জিলাৰ সদৰত ওকালতি কৰা

দিলবৰ উকীল, এজন শিৱৰাম মণ্ডল। বাকীকেইটা অ'ৰ ত'ৰ কাম বন কৰা ডেকা লৰা।

কিবা এক আশঙ্কাত আঘোণাৰ হৃদয় কঁপি উঠিল। আধাখোৱা বিৰিৰ টুকুৰাটো সি গম নোপোৱাকৈয়ে আঙুলিৰ চেপৰণৰ তলাই পৰিল।

কথা নাই, বতৰা নাই, মণ্ডলে মেপখন মেলি ল'লে। কামলা দুটাই মণ্ডলৰ নির্দেশমতে ফিতা লৈ মাটি জুখিবলৈ ধৰিলে। ফিতাই আঘোণাৰ নতুন ঘৰৰ সীমা অতিক্রম কৰিলেহি। উকীলৰ নির্দেশ-মতে তাতে কামলাই সীমাৰ খুটি পুতিলে। তাৰ পিছত দিলবৰ উকীলে গালি আৰম্ভ কৰিলে, চালা চুৰা খোৱা, লোকৰ মাটিত ঘৰ সাজ? ইমান সাহ?

বাহিৰত কোহ'াল শুনি আখলৰ ওচৰৰ পৰা বসুমতীয়ে লৰমাৰি বাহিৰ পালেহি। ল'ৰা দুটাও লৰমাৰি আহি মাকৰ ওচৰতে থিয় হৈ কঁপিবলৈ ধৰিলে। আঘোণাই কঁপি কঁপি হাতযোৰ কৰি ক'লে, মই লোকৰ মাটিত ঘৰবন্ধা নাছিলোঁ দেউতা। দুখনাথ মহা-জনে মোক সৌ বগৰীজোপা সীমা কৰি এইখিনি মাটিকে চম্‌জি দিছে। দেখা মানুহো আছে। অলপ ক্ষান্ত হওক দেউতা, মই লৰমাৰি দুখনাথ মহাজনক সুধি আহোঁগৈ।

উকীলে গর্জি ক'লে নাই, নাই, মই কোনো কথা নুশুনো। তই মোৰ মাটিত ঘৰ বান্ধিছ। মই ঘৰ ভাঙি দিম।

মইতো জনা নাছিলোঁ দেউতা, দুখনাথ মহাজনে মোক এনেকৈ ঠগিব বুলি। মই কাবৌ কৰি মাতিছোঁ, কেইদিনমান মোক থাকিবলৈ দিয়ক। আমাডিমা ল'ৰাপোৱালিহালৰ কথা বাদ দিছোঁ, কিন্তু মানুহজনীৰ অশৌচৰ সময়।

নহ'ব নহ'ব তইঁতৰ ওজৰ আপত্তি কোনদিনা শেষ হ'ব? দিন পালেই খেন পাবি। ভাঙ, ভাঙ ঘৰ ভাঙি দে'।

দুপৰীয়া পানী খুৱাবলৈ আনি ঘৰৰ পিৰালিৰ চাঁতে বান্ধি

খোৱা হাগলীজনীৰ গাৰ ওপৰত ঘৰ ভাঙোতে দমৰা এডাল পৰাত তাই লগেলগেই বিনচ কৰিলে।

ঘৰ ভঙা কাম সমাধা কৰি দলটো উভতি যায়গৈ। বসুমতীয়ে আই বসুমতীৰে বুকুত আশ্ৰয় কৰি, থকা ঠাইতে পোৱা বন কেইভালকে এখন হাতেৰে খামুচি আনখন হাতেৰে সক ল'ৰা কণটিলৈক সাৱটি ধৰি কঁপি থাকে। বাপেকক সাৱটি ধৰি কঁপি থাকে বৰ ল'ৰা কেৰকণে। সমদলটো দৃষ্টিৰ সীমাৰেখাৰ পৰা আঁতৰি যোৱাত কেৰকণে কান্দি কান্দি সুধিলে, ক'ত থাকিবি অ' পিতাই, আমাকতো আগৰ ঘৰতো থাকিবলৈ নিদিব ?

মূৰে-কপালে হাত দি থৰ লাগি থকা বাপেকে থোকাথুকি মাতেৰে ক'লে, দেখা যাওকচোন, গোটেই বসুন্ধৰাখনেই আছে, কিন্তু আমাৰ থাকিবৰ বাবে ঠাই এডোখৰ নাই। আমাৰ দৰে মাটি, ঘৰবাৰী নোহোৱা মানুহ আছে নহয়, সেইবোৰৰ লগলৈকে যাব লাগিব।

( নৱদূত—ইং ১৯৮৩ )

— x —

# বৰযাত্ৰী

শাওণী বুঢ়ীয়ে দোকানৰপৰা চেনি এপোৱা অনাই থৈছিল, ল'ৰাটোৰ বিয়াৰ দিনা গাঁৱৰে কণ কণ ল'ৰা-ছোৱালীমখাক খুৱাব, এই আশাৰে।

ধোৱা কাপোৰেৰে চিলাই লোৱা চোলাটো আৰু চুৰিয়াখন পিন্ধি, ডিঙিত নতুন গামোচাখন মেৰিয়াই লৈ দৰা অৰ্থাৎ শাওণী বুঢ়ীৰ ল'ৰা মহীধৰ চোতালতে বৈ আছিল। আগুৰি আছিল গাঁৱৰে বহুতো সৰু সৰু ল'ৰা-ছোৱালীয়ে। বুঢ়ীয়ে এবাৰ ছেগ বুজি ভিতৰলৈ গৈ, বেঙা মেলি সাৱধানে পাভটিখনত তুলি থোৱা টেকেলিটো নমাই আনি, ভিতৰৰপৰা চেনিৰ টোপোলাটো উলিয়াই খুলি হাতেৰে অকণ অকণ চেনি গোট খোৱা ল'ৰা-ছোৱালীমখাৰ হাতে হাতে দি, অৱশিষ্ট চেনিকণ আকৌ আটোমটোকাৰিকৈ টেকেলিটোৰ ভিতৰত সুমুৱাই থৈ আহিল গৈ। তাৰ পিছত বুঢ়ীয়ে ঘৰৰ পিৰালিতে ঢাৰিখন পাৰি লৈ বহি, অধীৰ আগ্ৰহেৰে কোন কেতিয়া আহে বাটলৈ চাই ৰ'ল।

শাওণী বুঢ়ীয়ে আগদিনাখনেই গাঁৱৰে কেইবাঘৰকো কৈ থৈছিল ল'ৰাটোৰ লগত কইনা ঘৰলৈ কোনোবা এটা যাব লাগিব। দৰাটো হে ইমানদূৰ বাট সি অকলেনো যায় কেনেকৈ? তাতে লঘোনে ভোকে আছে ল'ৰাটো।

হওঁতে সিহঁতৰ বাবে লঘোনে-ভোকে থকাটো একো নতুন কথা নহয়। লঘোনীয়া, আধাপেটীয়াকৈয়ে দিন পাৰ কৰি কৰিয়েই আজিৰ এই দিনটোত উপনীত হৈছেহি। মহীধৰৰ আগতে তিনিটাকৈ ল'ৰা সিফলীয়া হ'ল। মহীধৰ চতুৰ্থ। সিও গাভ থাকোতেই বাপেক মৰিল। তাৰ পিছৰেপৰাই শাওণীৰ সেই দুৰৱস্থা, দিনৌ টনা-আজোৰা, কত ধৰণৰ পয়মাল? সেই মহীধৰে এতিয়া কুৰি বছৰ হ'লহি।

লঘোনে-তোকে থকা কথাটো হওঁতে সিহঁতৰ বাবে নতুন কথা নহ'লেও দবা বুলি আজি ভাবো এটা বেলেগ ধৰণৰ মানসিকতা আছে। টোকোনা, লাওলোৱা হ'লেও বিয়াৰ দিনটোত দবা হৈ অকলে কইনা ঘৰলৈ যোৱাটো কোনেও নিবিচাৰে।

ছোৱালীৰ ঘৰ সাত মাইল দূৰৰ এখন ভিতৰুৱা গাঁৱত। ছোৱালীৰ ঘৰৰ অৱস্থাও তথৈবচ। অকল মাক আৰু এটা ভায়েক। ছোৱালীৰ বয়স ষোল আৰু ভায়েকৰ দহ। ভায়েকটো হোৱাৰ এবছৰৰ পিছতে হঠাতে মোৰ বেমাৰত পৰি বাপেকটো ঢুকাল। সম্বলহীন বাঁৰী-দুখিনী মাকজনীয়ে খুজি মাগি ল'ৰা-ছোৱালীহালক ডাঙৰ-দীঘল কৰিলে।

ল'ৰাৰ মাক শাওণীয়ে ল'ৰাৰ ওঠৰ বছৰ মানৰ পৰাই আলেঙে আলেঙে ছোৱালী চাই ফুৰিছিল যদিও ছোৱালী পোৱা নাছিল। ল'ৰাৰ স্বাস্থ্যপাতি ভাল যদিও সংস্থান নাই। পৰৰ ঘৰত বন্ধা। বন্ধা যি বন্ধাই। হাত-ভৰি-মুখ সকলো বন্ধা। এনে ল'ৰালৈ ছোৱালী যাচে কোনে? দুই এঠাইত ছোৱালীৰ সন্ধান পাইছিল যদিও বুঢ়ীয়ে খুজিবলৈ সাহ কৰা নাছিল। যি দুই এঠাইত সাহ কৰি খুজিছিল, তাতো নিৰাশ হৈছিল। সকলো অভিভাৱকেই জীয়ৰীক বস জীপ থকা ঘৰলৈ দিবলৈহে ইচ্ছা কৰে।

ইকালে ছোৱালীৰ মাক ৰসেশ্বৰীয়েও ছোৱালীজনী মানুহ হোৱাৰ পিছৰে পৰা ভাইক বিয়া দি আজৰি হোৱাৰ কথা চিন্তা কৰিছিল। ঠেক ছিগা অৱস্থাৰ মানুহৰ পদে পদে বিপদ বিঘিনি। ৰসেশ্বৰীয়ে বিয়াৰ দিনা ছোৱালীজনীক পিন্ধাই পঠাবলৈ বস্তা আঁচুৰ ফুলৰ বুটা তোলা কপাহী মেখেলা-চাদৰ এযোৰা যোৱাই আনি সাঁচি থৈছিল। সাপ্তাহিক হাটলৈ যাওঁতে মনোহাৰী দোকানৰ পৰা সোণালী ৰং দিয়া পিতলৰ খাৰু দুপাট আৰু কাণফুল এযোৰা আনি থৈছিল। বুঢ়ীয়ে আলেঙে আলেঙে দবাৰ খবৰ কৰি ফুৰিছিল। দৈৱাৎ

এৰেকেখন হাটলৈকে দুয়ো বুঢ়া বস্তু বেচিবলৈ গৈছিল। মহীধৰৰ মাকে নিছিল পুৰণি কুঁজী থেকেৰা আৰু তিতাফুল। দোৱালী সৰুমলাৰ মাকে নিছিল জলফাই। সাপ্তাহিক বজাৰখনো বহে দুয়োখন গাঁৱৰে ঠিক সোমাজতেই। হাটত বস্তু বেচিবলৈ বুলি দুয়ো বুঢ়ী ওচৰা-উচৰিকৈ বহিছিল। তাতেই দুয়োৰো মাজত চিনা পৰিচয় হ'ল। ঘৰত কোন কোন আছে তাৰে বুজ লৈ লগে লগে বিয়াখনৰো পকা বন্দোবস্ত হৈ গ'ল। অথাই সমুদ্ৰত কক্‌বকাই ফুৰা দুই সম্বলহীন বুঢ়ীয়ে যেন পাৰহে পালে!......

শাওণী বুঢ়ীয়ে কেইবাদিনৰো আগৰে পৰাই দৰাৰ লগত কইনা ঘৰলৈ যাবলৈ গাঁৱৰে কেইবাযোৰাও মানুহক অনুৰোধ কৰিছিল যদিও আৰু বিয়াৰ দিনাও পুৱাই গৈ মনত পেলাই দিছিল যদিও বেলি আকাশত ভালেখিনি উঠাৰ পিছতো দৰাৰ লগত যোৱা মানুহ কোনো নোলোৱাত বুঢ়ীৰ শোটোৰা-শোটোৰ গাল দুখনৰ ওপৰেদি দুধাৰি চকুলো বৈ আহিল। সাউংকৰে চকুলো দুধাৰি মচি, উঠি অহা বেলিটোৰ ফালে চাই বুঢ়ীয়ে নঙলাভাল খুলি গাঁৱলৈ ওলাই গৈ ইটো-সিটোক অনুনয়-বিনয় কৰি ক'লেগৈ, বোপাই অ', ল'ৰাটো কইনা ঘৰলৈ যাবলৈ ওলাই বৈ আছে। আজিৰ দিনটোত অকলেনো বাৰু সি কেনেকৈ যায়? কোনোবা এটা ওলাচোন।

কিন্তু বুঢ়ীয়ে তেনেকৈ ক'লে যদিও গাঁৱৰ কোনো মানুহৰে গা নলৰিল। সকলোৰে আপত্তি। কোনোটোৰ গৰুপাল আছে। কোনোটোৰ ঘৰত নৰিয়া। কোনোটোৰ আকৌ নিজৰে গা বাৰু নহয়।

চকুপানী টুকি টুকি ঘৰলৈ ঘূৰি আহি বুঢ়ীয়ে পুতেকক ক'লে, বোপাই অ', কোনো নেযায় বোলে তই অকলেই যাগৈ যা। বাটো বহু দূৰ।

বুঢ়ীয়ে ক'ব খুজিছিল, অকলেই যুঁজিব লাগিব। ময়ো অকলেই যুঁজি যুঁজি তোক ইমানটো কৰিলোঁহি। কিন্তু নক'লে। তাৰ আজিৰ দিনটোৰ মানসিকতা সুকীয়া।

মাকক সেৱা এটা কৰি মহীধৰ ওলাই গ'ল। তাৰো চুচকুৰেদি হোৰা হোৱে চকুলো ওলাল। বুকুখন কঁপি উঠিল। ভৰিহাল থৰক-বৰক লাগিল।

আগতে সি কইনা ঘৰলৈ যোৱা নাছিল যদিও চুবছৰমানৰ আগতে সেই গাঁওখনলৈ এবাৰ গৈছিল মহাজনৰ গাড়ীত। তেতিয়া গৈছিল যদিও ৰাস্তা পদূলিৰ কথা মনত ৰখাতকৈয়ো গুৰুত্ব দিছিল সেইখন গাঁৱৰে মানুহ এঘৰৰ পৰা ধান-সৰিয়হৰ বস্তা গাড়ীৰে মহাজনৰ ঘৰলৈ অনা কথাটোতহে। সেইবাবেই গাঁওখনৰ কথা তাৰ বিণি বিণিহে মনত পৰা যেন লাগে। তাতে গাড়ীত সি গাড়োৱানৰ সহায়কাৰী হিচাপেহে তেতিয়া গৈছিল। কাজেই ৰাস্তা পদূলিৰ কথা গাড়োৱানেহে ভালদৰে বুজি লৈছিল; তথাপি প্ৰয়োজনৰ বেলিকা চিন্তাটো গাঢ় কৰাত ৰাস্তা পদূলিৰ ক্ষীণ ছবি এখন তাৰ মনলৈ আহিল।

মহীধৰে গৈ গৈ থিয় চুপৰীয়া গাঁওখন পালেগৈ। লাজ, ভয়, শঙ্কা, এই তিনিওটা ভাৱেই তাৰ মন, শৰীৰ জৰ্জৰিত কৰি তুলিলে। ভৰি কঁপি উঠিল। আগবাঢ়িব নোখোজে ভৰিয়ে।

গাঁওখন চিনি পালেও মহীধৰে কইনাৰ ঘৰ চিনি নেপায়। ভৰিয়ে আগবাঢ়িব নুখুজিলেও মহীধৰে চুচুক-চামাক কৰি গাঁওখনৰ মাজেদি যোৱা ওখোৰা মোখোৰা ৰাস্তাটোৰেদি আগুৱাই গৈ থাকিল। কিছু দূৰ গৈ সি তাৰ নিজৰ ঘৰৰ দৰেই পৰিবেশৰ এটা জৰাজীৰ্ণ ঘৰৰ সম্মুখত এজাক সৰু সৰু ল'ৰা-ছোৱালী বৈ থকা দেখা পালে। সি তাতেই থমকি ৰ'ল।

দৰা আহিব দৰা আহিব বুলি আগ্ৰহেৰে বাটলৈ চাই থকা, ল'ৰা-ছোৱালীমখায়ো, পদূলিমুখতে থমকি বৈ চুচুক্-চামাক কৰি থকা, চাফা চোলা-চুৰিয়া পিন্ধা, তেল ঘঁহি, মূৰ ফণিয়াই অহা মহীধৰকে দৰা বুলি অনুমান কৰি, দৰা আহিছে দৰা আহিছে বুলি চিঞৰি উঠিল।

ল'ৰা-ছোৱালীমখাৰ চিঞৰ-বাখৰ শুনি উকথা পঁজাটোৰ ভিতৰৰ পৰা এগৰাকী অকাল বৃদ্ধা উত্ৰাৱল হৈ ওলাই আহিল। বুঢ়ী গৰাকীক মহীধৰে দেখিয়েই চিনি পালে কইনাৰ মাক বুলি। এবাৰ এইগৰাকী বুঢ়ীয়েই সিহঁতৰ ঘৰলৈ গৈছিল। সেইদিনাই সিও মহাজনৰ ঘৰৰপৰা কিছু সময়ৰ বাবে ঘৰলৈ আহিছিল। ঘৰ আহি পায়েই মাকৰ মুখে কইনাৰ মাক বুলি গম পাই সি নৰ'লেই। লাজতে আকৌ মহাজনৰ ঘৰ ওলালগৈ।

কইনাৰ মাকে লৰমাৰি একে চোতালতে থকা আন এঘৰ মানুহৰ ঘৰত সোমাই আকৌ নিমিষতে ওলাই অহা সি দেখিলে। মহীধৰে লক্ষ্য কৰিলে, ঠিক তাৰ নিজৰ ঘৰৰ দৰেই কইনা ঘৰতো বিয়া বুলি কোনো বয়সস্থ মানুহ গোট খোৱা নাই।

সৰু ছোৱালী এজনীয়ে মহীধৰক পদূলিমুখতে ভৰি ধুৱালে। তাৰ পিছতে তাক ভিতৰলৈ লৈ গ'ল।

ছখোটলীয়া জৰাজীৰ্ণ ঘৰটোৰ এটা কোঠাৰ গোবৰ-মাটিৰে চিকোণকৈ মচা মজিয়াতে ঢাৰি এখন পাৰি দি দৰাক তাতে বহুৱালে। মহীধৰে লাজতে ওপৰ মূৰ কৰিব নোৱাৰা হ'ল। হাত ভৰিত কঁপনি। বুকুৰ ভিতৰতো অজান ভয়ত কঁপনি। এক অসহায় ভাব।

বিয়াৰ সংজ্ঞা যিয়েই নহওক লাগিলে, ই কিন্তু সামাজিক শৃংখলা ৰক্ষাৰ বাবেই, মানুহে পাতি লোৱা এক সামাজিক ব্যৱস্থা। এই বিয়াৰেই ফল সতি-সন্ততি, যাৰ দ্বাৰাই কুল ৰক্ষা পৰে। সৃষ্টিৰ অন্তৰ্নিহিত ৰহস্য নিহিত হৈ আছে এই কুল ৰক্ষা কৰা কথাটোতেই। সেই বাবেই নাৰী আৰু পুৰুষৰ মাজত প্ৰকৃতিয়ে বৰষণ কৰিছে সহজাত আকৰ্ষণৰ, মিলনৰ আকাঙ্ক্ষাৰ। প্ৰেম, ভালপোৱা, এইবোৰ মানুহে দি লোৱা নাম। এই কুলৰক্ষা কাৰ্য্য চলি আহিছে সৃষ্টিৰ প্ৰথম পাতনিৰে পৰা আৰু বৰ্ত্তি থাকিব সৃষ্টি ধ্বংস নোহোৱা পৰ্য্যন্ত। প্ৰকৃতিৰ বিধান এয়েই।

ভূমিৰ লগত মিলন তথা বিবাহ হয় গুটিৰ অৰ্থাৎ কঠীয়াৰ।

তাৰ কলাকৃতিয়েই কৃষি, কৃষিজাত বস্তু। গছ-লতিকা, জীৱ-জন্তু সকলোৱেই প্ৰকৃতিৰ এই মিলন আৰু কুলৰক্ষা ধৰ্মকেই পালন কৰি আহিছে সৃষ্টিৰ প্ৰথম পাতনিৰে পৰা। কিন্তু ভাবিবলগীয়া কথা এয়ে যে মানুহ ব্যতিৰেকে সৃষ্টিশীলা প্ৰকৃতিৰ অন্যান্য সম্পদ জীৱ-জন্তু, গছ-লতিকা আদিৰ মানুহৰ দৰে কোনো দিনেই অসহায় অৱস্থা নহয়। হয়তো জ্ঞান-বুদ্ধিৰে গৰীয়ান হৈয়ো দ্বেষ-বিদ্বেষত লেটি লৈ থকাৰ কাৰণেই মানুহৰ এই অসহায়তা। ইটোৱে সিটোক মৰাৰ মানসিকতা।

কিন্তু এক অৰ্থত বিয়া হৈছে জীৱন যুঁজৰ বাবে সাজু হোৱাৰ এক ব্যৱস্থাহে। জীয়াতেই যি মৰাৰ লেখীয়া, ভয়-ভীতি নোপোৱা-হেকওৱাই যাৰ জীৱনৰ সম্পদ, এনে জীৱন চালিত কৰিবৰ বাবে লগৰীয়াৰ প্ৰয়োজন। এজন আনজনৰ লগৰীয়া, সুখ-দুখৰ লগৰীয়া।

মহীধৰে কিন্তু এইবোৰ কথা একো নুবুজে। তাৰ মাকেও নুবুজে। মাকে বুজে মাত্ৰ তেওঁ বুঢ়ী হৈছে। ল'ৰাটোৰ গত এটা লগাই দি তেওঁ শান্তিৰে মৰিব পাৰে। কোনো সংস্থান, সহায় সাৰথি নাই। মাটি-বাৰী নাই। বিপদৰ সময়ত বুধি ভাৰসা দিবলৈকো এটা প্ৰাণী নাই। দুয়োটাই ইটোৱে সিটোৰ সহায় সাৰথি হৈ কাম কৰি খাব। সিহঁতৰ সন্তান-সন্ততি হ'ব। ডাঙৰটো ধৰিব। সিহঁতৰ জীৱন এনেকুৱাই। অৰ্থাৎ বুঢ়ীয়েও এনেকৈয়ে ডাঙৰটো ধৰি এই পৰ্য্যায়ত উপনীত হৈছে। মহীধৰে কিন্তু এইবোৰ কথাও নুবুজে। বুজিবৰ হোৱা নাই। সি মাত্ৰ বুজে, মাকজনী বুঢ়ী হৈছে। কাম বনত সহায় লাগে।

কইনাৰ মাকে বোৱাই আনি সাঁচি ৰখা আঁচুৰ ফুলৰ বুটা তোলা মেখেলা-চাদৰ যোৰা কইনাক পিন্ধাই সেঁওতাত দীঘলকৈ সেন্দুৰ আৰু মুৰত দীঘলকৈ ওৰণিখন দি, ধৰি ধৰি দৰাৰ ওচৰ পোৱালেহি। তাৰ পিছত নাৰ্জিফুলৰ মালাডাল হাতত লৈ কঁপি থকা কইনাৰ হাত দুখন মাকে দুই হাতেৰে ধৰি, দৰাৰ মুৰৰকালে

আগবঢ়াই দিলে। কইনাই মালাডাল দৰাৰ মূৰত পিন্ধাই দিয়াৰ পিছত কইনাৰ মাকে ধৰি ধৰি দৰাক সেৱা কৰালে।

মহীধৰে, মাকে তাক লগত দি পঠোৱা মনোহাৰী দোকানৰ পৰা কিনা পিতলৰ আঙঠিটো চোলাৰ জেপৰপৰা উলিয়াই আনি কঁপা কঁপা হাতেৰে কইনাৰ হাতৰ আঙুলিত পিন্ধাই দিবলৈ চেষ্টা কৰি ব্যৰ্থ হোৱাত কইনাৰ মাকেই সহায় কৰি আঙঠিটো পিন্ধাই দিয়ে। বচ্, সিহঁতৰ বিবাহ কাৰ্য্য সম্পন্ন হ'ল। কইনাই হুক্‌হুকাই কান্দিলে। মাকেও কান্দিলে। সিও কান্দিলে। সিহঁত হালেই কম বয়সীয়া। কিটো বুজে? সুখ যি জীৱনত দেখি পোৱা নাই, এইকণ সুখৰ মুহূৰ্ত্তই সিহঁতৰ জীৱনৰ দুখখিনিকহে উথলাই তুলিলে। সেই মুহূৰ্ত্তৰে পৰা সিহঁতৰ দায়িত্ব বাঢ়িল। আজিৰ বাদে কাইলৈ সিহঁতেই মাক-বাপেক হ'ব। ঠালটো ধৰিব। কোনেও শিকাব নেলাগে এইবোৰ কথা। প্ৰকৃতিৰ সন্তানক প্ৰকৃতিয়েই সময় বুজি সকলো কথা শিকাই থাকে। প্ৰকৃতিৰ সন্তান মানুহ-পশু পক্ষী-গছ-লতিকা-কৃমি সকলোৱেই নিজৰ নিজৰ ঠালটো ধৰি ধৰি এই পৰ্য্যায় পাইছেহি আবহমান কালৰে পৰা আৰু চলি থাকিব আবহমান কাললৈ।

কইনাৰ মাক ৰসেশ্বৰীয়ে উচুপি উচুপি কান্দি জীয়েকক ধৰি ধৰি আকৌ সিটো কোঠালৈ লৈ যায়। তাৰ পিছত ভিজোৱা চিৰা, চেনি আৰু খিৰমণি কলেৰে দৰাক জলপান দিলে বহি থকা ঠাইতেই। মহীধৰে লঘোনে ভোকে আছিল যদিও জলপান চুলেহে।

বেলি পশ্চিমফালে লহিয়াবলৈ আৰম্ভ কৰাৰ লগে লগেই কইনাৰ মাক ৰসেশ্বৰীয়ে কান্দি কান্দি কইনাক উলিয়াই দিয়ে। লগত কইনাৰ দহ বছৰীয়া ভায়েকটো। তাৰ হাতত বায়েকে ঘৰত সলাবলৈ বুলি পঠোৱা পুৰণি মেখেলা-চাদৰযোৰৰ টোপোলাটো। কইনাই কান্দি গগন ফালিলে। মহীধৰৰো চকুত চকু পানী।

ওভতনি ৰাস্তাৰ চাৰি মাইল বাট অতিক্ৰম কৰি সিহঁত এজোপা বট গছৰ ছাঁতে জিৰালেহি। সি বুজিলে, কইনাৰো ভাগৰ লাগিছে।

দহ বছৰীয়া ভায়েকটোৰো। তুলনামূলকভাৱে তাৰ নিজৰ ভাগৰ অলপ কম। ভাগৰক প্ৰশ্ৰয় নিদিবলৈ সিহঁত বাধ্য। এই কুৰিবছৰীয়া দেহাটোৰে মহাজনৰ ঘৰত সি কম খাটনি কৰিবলগীয়া নহয়। লঘোনে-ভোকে থকা কথাবোৰ তাৰ সকৰে পৰাই চিনাকি যদিও মহাজনৰ ঘৰৰ বহু কথাই তাক কষ্ট দিয়ে। কত অত্যাচাৰ মহাজনৰ ঘৰত! বিয়াৰ বাবে মাকে তাৰ এসপ্তাহৰ ছুটী বিচৰাত মহাজনে গোৰগোৰাই উঠি ক'লে, বিয়া পাতিবলৈ সময় আৰু নেপালি? এই ভৰ খেতিৰ সময়। মহাজনে মাত্ৰ এদিন সময় দিলে। বিয়াৰ পিছদিনা হাল লৈ যোৱাৰ পৰত সি হাজিৰ হ'ব লাগিব। সিহঁতৰ ঘৰৰ পৰা মহাজনৰ ঘৰলৈ পাঁচ মাইল দূৰ। তাৰমানে ৰাতিৰ ভিতৰতে যাত্ৰা কৰিলেহে ধলপুৱাতে মহাজনৰ ঘৰ পাবগৈ। আকৌ বা মহাজনে কেতিয়া আহিবলৈ দিয়ে?

অলপ সময় জিৰায়েই সিহঁতে আকৌ খোজ লয়।

আধামান পথ অতিক্ৰম কৰাৰ লগে লগেই আকাশ ওন্দোলি আহিল। বিয়াৰ বতৰ। বৰষুণ যে পৰিবই ই ধুৰুপ। অকলে অহা হ'লে মহীধৰে খোজ ঘনাই দিলেহেঁতেন। কিন্তু লগত আছে ন কইনা আৰু কইনাৰ দহ বছৰীয়া ভায়েকটো। দুওঁতে তায়ো পথাৰে সমাৰে ঘূৰা গাঁৱলীয়া ছোৱালী। জীৱনক চালিত কৰিবৰ বাবে সকলোবোৰ অভ্যাসেই জীৱনৰ বান্ধৱ কৰি ল'ব লগা হৈছে তায়ো। প্ৰয়োজন হ'লে তায়ো খোজ ঘনাই দি বা দৌৰিও আগন্তুক বিপদৰপৰা উদ্ধাৰ পাবৰ বাবে চেষ্টা কৰিবই। তথাপি আজিৰ দিনটোত তাই কইনা। এনে এটা দিন তাইৰ বাবে আৰু দুনাই নাহে। মানুহৰ জীৱনলৈ এবাৰেই আহে এই দিনটো। গতিকে তাইৰ বাবে আজিৰ এই দিনটোৰ মানসিকতা সুকীয়া। সেয়েহে বতৰ ওন্দোলি আহিলেও একে খোজতে সিহঁত তিনিটা প্ৰাণী আগুৱাই গৈ থাকিল। বিজুলী চেৰেকনিৰ লগে লগে মনে ঘনেপতি উজুটি খালেও পথ অতিক্ৰমনত ভৰিয়ে উজুটি নাখাবলৈ চেষ্টা কৰিলে।

কিন্তু বেছি সময়লৈ মনৰ সেই বান্ধ নিটিকিল। বৰষুণ পৰিলেই আৰু তাৰ মুখৰ পৰাই 'দৌৰ' বুলি এটা শব্দ ওলাল আৰু তিনিওটাই দৌৰিবলৈ আৰম্ভ কৰিলে।

অলপ দূৰতে পথাৰৰ মাজত সৰু ষ্টেছনটো। দূৰতহে মানুহৰ ঘৰ আছে। সিহঁতে ষ্টেছনলৈকে উদ্দেশ্য কৰি দৌৰ দিলে। জুকলি জুপুৰি হৈ ষ্টেছন পাই বাৰাণ্ডাতে কুঁচিমুচি থাকিল। বৰষুণ যি আৰম্ভ হ'ল সি ক্ৰমে বাঢ়িহে গ'ল। বৰষুণৰ লগতে শিল ধুমুহাও। কিছু পিছতে এন্ধাৰো নামিল। বিয়াৰ নামত ৰেণ্ডাই উঠা সিহঁতৰ মনো এন্ধাৰৰ কলীয়া ডাৱৰে ঢাকি পেলালে।

যেতিয়া বৰষুণ এৰিল তেতিয়া প্ৰায় মাজ নিশা। নিজলাল ৰাস্তা পথ, ভয়াবহ. এন্ধাৰত ডুব যোৱা। ঘৰলৈ যাবৰ উপায় নাই। ভয় অকল জন্তু-জানোৱাৰলৈকে নহয়, ভয় মানুহলৈকো। মানুহৰ মাজতে কত অমানুহ! কাৰ সাধ্য চিনি উলিয়াবৰ।

তিনিওটাই ষ্টেছনৰ বাৰাণ্ডাৰ পকা মজিয়াতে বহি কুঁচিমুচি বেৰখনতে ভেজা দি ৰ'ল। মন অশান্ত। ভয়, শঙ্কা, পথাৰৰ মাজৰ নিৰ্জন ৰেল ষ্টেছন। ৰেলত যাবলৈ অহা মানুহো নাই।

হাতত ৰঙা আৰু সেউজীয়া পোহৰৰ দুমুখীয়া নিচানী লেমটো লৈ ৰাতিৰ চকীদাৰ সিহঁতৰ কাষ চাপি আহি সিহঁতৰ পৰিচয় বিচাৰিলে যদিও ভয়ত ত্ৰস্তমান হৈ পৰা বাবে তাৰ মুখৰপৰা ভালদৰে কথা নোলালেই। হ'লেও চকীদাৰে তাৰ ডিঙিত ফুলৰ মালা আৰু ছোৱালীজনীৰ শিৰত সেন্দুৰ আৰু ওৰণি দেখি ন দৰা-কইনা বুলি বুজি পালে আৰু ৰাতিটো তাতে নিৰ্ভয়ে থাকিবলৈ সিহঁতক আশ্বাস দি, প্ৰয়োজন হ'লে তেওঁক মাতিবলৈ ওচৰতে থকা নিজৰ কোৱাৰ্টাৰ-টোলৈ আঙুলিয়াই দেখুৱালে। হাততে স্বৰ্গ ঢুকি পোৱা যেন লাগিল অকল তাৰেই নহয়, কইনাৰো।

সিফালে শাওণী বুঢ়ীয়ে দৰা কইনা আহিব আহিব বুলি বাটলৈ চাওঁতে চাওঁতে চকু বিষাল। ধুমুহা বতাহত ঘৰৰ একমাত্ৰ

চাকিটো কেইবাবাৰো মুমাল। আকৌ জুইশলাকাঠি মাৰি চাকিটো জলালে। শোটোৰা-শোটোৰ গালৰ ওপৰেদি যি চকুলো ববলৈ ধৰিলে, সি আৰু মুগুকাল। চৰায়ে কন্দাৰ দৰে বুঢ়ীয়েও নীৰৱে কান্দিবলৈ ধৰিলে। কন্দাৰ সাক্ষী ৰ'ল মাত্র গালৰ মুগুকুৰা চকু-পানীখিনি। মেঘৰ গাজনিবোৰ যেন নিজৰ বুকুতহে বাজিল ! কাক ক'ব ? কাক মাতিব ? কোন আছে ? সকলোৱে নিজক লৈ ব্যস্ত। অৱস্থা ভাল হোৱা হ'লে বিয়াৰদিনা ল'ৰাটো অকলে কইনা ঘৰলৈ যাব লগা নহ'লহেঁতেন। নাইবা ল'ৰা ছোৱালীহাল নহাৰ কাৰণে খেদা মাৰি যাবলৈয়ো মানুহৰ অন্ত নহ'লহেঁতেন।

পিছদিনা বেলি পশ্চিম আকাশত লহিয়াবলৈ আৰম্ভ কৰাৰ লগেলগেই সিহঁতো ঘৰ পালেহি। মাজনিশা বৰযুণ এৰাৰ পিছৰে পৰা পদূলিমুখতে একোবাৰ বহি, একোবাৰ থিয় হৈ অপেক্ষা কৰি থকা, এবাতিৰ ভিতৰতে বহু বেছি বুঢ়ী হৈ যোৱা শাওণী বুঢ়ীয়ে দৰা কইনা দুয়োকে পদূলিমুখতে সাৱটি ধৰিলে। এইবাৰ বুঢ়ীয়ে নিজকে চম্ভালিব নোৱাৰিলে। কান্দোন শব্দ ৰূপত ওলাই আহিল।

মহীধৰে ঘৰৰ ভিতৰ সোমায়েই বৰযুণত ভিজি যোৱা দৰাৰ সাজযোৰ সলাই, কাছুটিখন আৰু ফটা গেঞ্জী চোলাটো পিন্ধি মাকক ক'লে, আই, মই যাওঁ দে, মহাজনে এদিনৰহে ছুটী দিছিল। পলমেই হ'ল।

বুঢ়ীয়ে কঁপা কঁপা মাতেৰে ক'লে, বোপাই অ,' জলপান এটা খাই যা। মই মহাজনক বুজাই ক'ম।

মহীধৰে ক'লে, বুজা মানুহ হ'লেহে বুজিব। কৈয়েই সি নৰ'লেই। তাৰ চকুতো চকুপানী। লাফমাৰি নঙলাডাল ডেওঁতে মাটিতে উবুৰি খাই পৰি থকা মলা এটাৰ ওপৰত তাৰ ভৰিটো পৰাত মলাটো ভাঙিচুৰ্ণাকৃত হ'ল।

চকুপানী টুকি টুকি শাওণী বুঢ়ীয়ে বোৱাৰীয়েকক ক'লে, আই অ,' তোৰ লগত অনা কাপোৰযোৰ তিতিল নহয়। মোৰে কাপোৰ এযোৰ সলাই ল। তাকো গামোছা এখন দে।

[ "অসমীয়া গল্প" নামৰ গল্প
সংকলনত প্রকাশ, ইং ১৯৮৭ ]

# এটা অঙ্কৰ উত্তৰ

মাষ্টৰ, স্কুলৰপৰাইনে ?

বজাৰ কৰা মোনাটো হাতত লৈ, কথাটোকে চিন্তা কৰি কৰি মই আহি আছোঁ। এনেতে নিচেই ওচৰতে চিনাকি মাত এষাৰ শুনি প্ৰায় উচাপ খোৱাৰ দৰে হ'লোঁ। মূৰ তুলি চাই দেখোঁ, পেটবঢ়াৰ পানীৰাম গাঁওবুঢ়া।

ক'লো, এৰা, স্কুলৰপৰাই বুলিব পাৰি। কেঞ্চাগোলাত সোমাই বস্তু কেইপদমান লৈ আহিলোঁ। সেয়েহে অলপ পলম হ'ল। পিচে ত'ত হাটৰপৰাই হ'বলা ?

এৰা, হাটৰপৰাই। পাণ চাৰিকুৰি আৰু পাৰ পোৱালি ছুযোৰ লৈ গৈছিলোঁ। পাৰ ছুযোৰ জানিবা সোনকালেই গ'ল। পাণখিনি যাওঁতেহে সময় হ'ল। মোৰ মুখলৈ নোচোৱাকৈয়ে গাঁওবুঢ়াই কথাকেইটা ক'লে।

গাঁওবুঢ়া আগ বাঢ়িল।

আনকাল হোৱাহ'লে ময়ো খোজ বঢ়াই দি অন্ততঃ কিছু বাটলৈকে তেওঁৰ লগ হ'লোহেঁতেন। আজি কিন্তু মোৰ অকলে যাবলৈহে মন গ'ল।

আজি পুৱা ওচৰৰে টিউছনটো কৰি আহি, গাটো ধুই, নাকে-মুখে ভাত এমুঠি গুজি স্কুললৈ যাবলৈ সাজু হওঁতেই ওলালহি মোলাৰামৰ বাপেক। আনকাল তেওঁ আহে অসমীয়া মাহৰ তৃতীয় সপ্তাহত। পুতেকৰ দৰমহা নিবলৈ। অসমীয়া মাহৰ তৃতীয় সপ্তাহতে যে ইংৰাজী মাহৰ পহিলা তাৰিখ পৰে সেই হিচাপ তেওঁৰ আছে।

মোলাৰাম মোৰ ঘৰত থকা পাঁচ বছৰেই হ'লহি। ন বছৰ বয়সতে তাক আনিছিলোঁ। প্ৰথমে আছিল বিনা-দৰমহাই,

এটাৰ খোৱা-পিন্ধা যোগোৱাৰপৰা বাপেকেও ৰেহাই পায়। বাপেকৰ বাবে সেয়ে বহুত। আমিও তাক বিহুৱে-সংক্ৰান্তিয়ে ঘৰলৈ পঠালে হাতত চাউল-পাতেই হওক বা গুৰ-চেনিয়েই হওক কিবা এটা টোপোলা পঠাওঁৱেই। মাজে সময়ে শ্ৰীমতীয়েও বায়েকহঁতলৈ পুৰণা ব্লাউজ, মেখেলা, চাদৰ কিবা এডোখৰ পঠায়। মাক-বাপেকেও ভাল পায়।

এনেকৈ দুটা বছৰ পাৰ হ'ল।

এবাৰ বাপেক আহি পুতেকৰ দৰমহাৰ কথা উলিয়ালেহি। ঘৰত খাৱৰীয়া বাঢ়িল। হাজিৰা কৰা পইচাৰে ঘৰ-সংসাৰ চলোৱা টান হৈ পৰিছে। হাজিৰা কামো নোপোৱা হৈ আহিছে। ইত্যাদি ইত্যাদি।

ময়ো ভেনচাৰ স্কুলৰ শিক্ষকহে। অভাৱৰ সংসাৰ। দৰমহা দি ঘৰত কাম বন কৰা ল'ৰা ৰখা মোৰ বাবে বিলাস বুলি ক'লেও বঢ়াই কোৱা নহয়।

দৰমহাৰ কথা শুনি শ্ৰীমতীয়েও এঙালে।

পিচে ল'ৰাটো এৰি দিবলৈ টানো লাগিল। স্বভাৱ-চৰিত্ৰ ভাল। ময়ো পুৱা-গধুলি টিউছনৰ কাৰণে প্ৰায় বাহিৰতে থাকিব লগা হয়। গৰু-গাইকেইটা চাবলৈ, বান্ধনীক লাগনী খৰি দুডালকে যতনাই দিবলৈ ঘৰখনত ল'ৰা এটা নহ'লে নচলা হৈ পৰিছে। শ্ৰীমতীৰো ল'ৰা-ছোৱালীকেইটাৰ ভাঁজ মাৰোঁতেই যায়। তাতে তেওঁৰ ৰান্ধনিশাল আৰু তাঁতখন আছেই। কাজেই বহু চিন্তা কৰি মাহে ৰূপ সাত টকাৰ বন্দোৱস্তত তাক ৰাখিলোঁ। বাপেকো সন্তুষ্ট হৈ গ'লগৈ।

তেনেকৈ আৰু তিনিটা বছৰ কাটি গ'ল।

মই নিজে ইংৰাজী মাহৰ পহিলা সপ্তাহতে দৰমহা নাপালেও মোলাৰামৰ বাপেক সেই সময়তে ওলায়হি, আৰু ময়ো যোগাৰ ৰাখোঁ।

সেয়েহে আজি ব্যতিক্ৰম হোৱাত মই আচৰিত নহ'লেও চিন্তিত যে হৈছিলোঁ সেই কথা ঠিক।

বাপেকে দুখ কৰি ক'লে, আজি এমাহে কাম-বন নাই। সোঁহাতখনত কিবা অচিন বোগ। দা-কুঠাৰ ধৰিব নোৱাৰে। বেজ-গিয়ানী লগায়ো কোনো ফল পোৱা নাই। ডাক্তৰি চিকিৎসা কৰিবলৈকো হাত উদং। ইফালে চাউলৰ দৰ উঠি উঠি বজাৰৰ আটাইতকৈ নিকৃষ্ট চাউলৰ কিলোও তিনি টকাত পৰিছেগৈ। ঘৰখনত সাতোটা খাবৰীয়া। সাজে প্ৰতি ডেৰ কিলোকৈ চাউল লাগে। খোৱামুঠিৰ বাহিৰেও কাপোৰ কানিৰ চিন্তা আছেই। দুজনীকৈ গাভৰু ছোৱালী। সিহঁত মুকলিলৈ ওলাব নোৱাৰা অৱস্থা। জিলাৰে চাহৰ হোটেল এখনত মোলাৰামক মাহে পোন্ধৰ টকা দৰমহাত গাঁৱৰে মানুহ এটাই খোৱাৰ বন্দোবস্ত কৰি আহিছে। কথাখিনি কওঁতে মোলাৰামৰ বাপেকৰ মাতটো থোকাথুকি হৈছিল।

মই যে ৰূপ পোন্ধৰ টকা দিব নোৱাৰোঁ সেই কথা তেওঁ জানে। তেৱেঁই নহয়, শিক্ষকৰ পইচা নাই বুলি সকলোৱেই জানে।

শ্ৰীমতীয়ে মোক কৈছিল, কৈ চাওকচোন, কিজানি দৰমানত মান্তি হয়েইবা!

মই শ্ৰীমতীক ক'লোঁ, তেওঁক মান্তি কৰোৱাটোৱেই কথা নহয়। এয়া উপাৰ্জনৰ কোনো পথ নথকা এখন ঘৰৰ প্ৰাণীকেইটাৰ বাচি থকাৰ প্ৰশ্ন।

পাবলগা দৰমহাখিনিৰ বাহিৰেও টকা দুটা বাট-খৰচ হিচাপে দিবলৈ শ্ৰীমতীক কৈ, বাপেকক মাত লগাই, মোলাৰামকো গালে-মুখে হাত ফুৰাই মাজে সময়ে আহি থাকিবলৈ কৈ মই স্কুললৈ বুলি খোজ ল'লোঁ। নঙলামুখ পোৱালৈকে মোলাৰামৰ উচুপনি মোৰ কাণত পৰিল। বৰ দুখ লাগিল ল'ৰাটোৱে ঘৰখন নিজৰ বুলি ভাবিছিল।

স্কুলতো ল'ৰাটোৰ উচুপনি, কথা কওঁতে বাপেকৰ থোকাথুকি হোৱা মাতটো, এমাহে ঘৰৰ মূল মানুহজনে বোগত ভুগি বিনা-চিকিৎসাই বহি থকা, ছৈধ্য বছৰীয়া ল'ৰাটোৰ উপাৰ্জনলৈকে সকলোৱে বাট চাই থকা আদি কথাবোৰে মোৰ মূৰৰ ভিতৰতে প্ৰতিক্ৰিয়া কৰি আছিল।

পানী খোৱা ছুটীৰ পিছৰ পিৰিয়ডটো মোৰ জিৰণি আছিল। কমন ৰুমত বহি বাতৰি কাকত এখন হাতত লৈ চকু ফুৰাইছোঁহে মাত্ৰ, এনেতে হেডমাষ্টৰে মতাই নি ক'লে শইকীয়া, ববকাকতীৰ আজি হাফ-ছুটী। অষ্টম মানত অঙ্ক আছে। যাওকচোন আপুনিয়েই।

যেনে হুকুম তেনে কাম।

হাতত চক-ডাষ্টাৰ লৈ অষ্টম শ্ৰেণী পালোঁগৈ। ল'ৰাহঁতক সুধিলোঁ, তহঁতে এতিয়া কি অঙ্ক কৰিছহঁক ?

ঐকিক অঙ্ক ছাৰ।

মই ভার্নাকুলাৰৰ শিক্ষকহে। অষ্টম মানত অসমীয়া পঢ়াওঁ। আগৰ দিনৰ নৰ্মাল পাছ বুলিয়েই ওপৰ শ্ৰেণীৰ অঙ্কৰ শিক্ষক নাথাকিলে হেডমাষ্টৰে মোকেই পঁাচে।

বাৰু, মই এটা অঙ্ক দিওঁ ৰহ, বুলি কৈ বোর্ডৰ ওচৰ পালোঁগৈ। বোর্ডত অঙ্কটো পাতি দিলোঁ। সাতোটা খাৱৰীয়াৰে এটা পৰিয়ালত দিনৰ আৰু ৰাতিৰ প্ৰতি সাজতে ডেৰ' কিলোকৈ চাউল লাগে। চাউলৰ কিলো তিনি টকা হ'লে পোন্ধৰ টকাৰে সেই পৰিয়ালৰ মানুহে ত্ৰিশদিনীয়া মাহৰ এমাহত কেইসাজ খাব পাৰিব ?

শ্ৰেণীৰ প্ৰথম ল'ৰা লম্বোদৰকে ক'লোঁ, যাচোন লম্বোদৰ, অঙ্কটো তয়েই কৰগৈ।

কোৱাৰ লগে লগেই লম্বোদৰে বহাৰপৰা উঠি আহি মোৰ হাতৰপৰা চকডোখৰ লৈ অঙ্কটো কৰাত লাগিল। ময়ো পুনৰ চকীখনতে বহি, প্ৰথম বেঞ্চৰ ল'ৰা এটাৰপৰা পাটীগণিতখন খুজি আনি ঐকিক অঙ্কৰ অধ্যায়টো উলিয়াই লৈ, অনুশীলনীটো চোৱাত লাগিলোঁ।

কিছু সময়ৰ পিছতে লম্বোদৰে মেজখনতে চকডোখৰ থৈ নম্ৰভাৱে ক'লে, ছাৰ, অঙ্কটো কৰা হ'ল।

হ'ল ?

মই বহাৰপৰাই বোর্ডলৈ লক্ষ্য কৰিলোঁ। কৰাৰ নিয়ম ঠিকেই হৈছে। উত্তৰটো হ'ল, এমাহত তিনি সমষ্টি তিনি ভাগৰ এক

সাজ খাব পাৰিব। তিনি সমষ্টি তিনি ভাগৰ এক সাজ খাব এমাহত? কেনেকৈ? উত্তৰে আকৌ মোকে প্ৰশ্ন কৰাত মই বিবুধিত পৰা যেন হ'লোঁ। হ'লেও অৱশ্যে লগে লগেই তাৰ সমিধানো পালোঁ। ব্যৱহাৰিক দিশৰপৰা এমাহত তিনি সমষ্টি তিনি ভাগৰ এক সাজ খোৱাৰ যি ধৰণৰেই বিচাৰ নহওক লাগিলে, অঙ্কৰ উত্তৰ কিন্তু শুদ্ধ হৈছে। পিচে সিচোন পৰিয়ালটোৰ মানুহে মাহেকত কেইসাজ লঘোনে থাকিব তাৰো হিচাপ উলিয়ালে। কিন্তু কিয়? অঙ্কত নথকা কথাটোৰো হিচাপ উলিওৱাত লম্বোদৰকে মোৰ মনত এটা ডাঙৰ প্ৰশ্নবোধক চিন যেন লাগিল।

বাক যা বুলি কৈ ল'ৰাহঁতক এইবাৰ অনুশীলনীৰ অঙ্ক এটা বহীত কৰিবলৈ দিবলৈ মনস্থ কৰি, পাটীগণিতখনৰ পাত লুটিয়াই চোঁহে মাত্ৰ, এনেতে ফুলবৰ নামৰ ল'ৰা এটাই খপকৈ উঠি ক'লে, ছাৰ, আধাপেটীয়াকৈ খালে মাহেকত ছয় সমষ্টি তিনি ভাগৰ দুই সাজেই খাব পাৰিব।

সেইটোতো অঙ্কটোৰ উত্তৰ হ'ব নোৱাৰে। ধমকিৰ সুৰত খপ-কৰে কথাষাৰ মোৰ মুখৰপৰা ওলাই আহিল। লম্বোদৰে কৰি উলিওৱা উত্তৰটোৱে ইতিমধ্যে মোৰ মূৰ গৰম কৰিছিলেই। তাতে আকৌ এই উত্তৰ? মোৰ ধমক খাই সি নিটাল মাৰিলে। মোৰো অনুশীলনীৰপৰা অঙ্ক দিয়াৰ উৎসাহ নোহোৱা হ'ল। মনত এটা কথাই লাগিল, ফুলবৰে মোক ইতিকিং কৰিলেনেকি?

কিন্তু ফুলবৰৰ উত্তৰটোৰ কথা দকৈ চিন্তা কৰি মই অভিভূত হ'লোঁ। লোকৰ ঘৰত মৰকীয়া বাই ঘৰ চলোৱা আৰু পৰিয়ালৰ প্ৰাণীকেইটাক এসাজো পেট ভৰাই খুৱাব নোৱাৰা তাৰ বাপেকে যি পদ্ধতিৰে অঙ্ক কৰি ঘৰ-সংসাৰ চলাই আছে, সেই একে পদ্ধতিৰেই ফুলবৰেও অঙ্কটো কৰি উলিয়াইছে। বেচেৰাৰ গাত কি দোষ? কিন্তু এনে অঙ্কৰ চলন্তি কেৱল ফুলবৰহঁতৰ ঘৰতহে হৈছে জানো? পাটীগণিতত নাথাকিলেও এনে অঙ্কৰ চলন্তি আমাৰ বহুতৰ ঘৰে ঘৰে।

হঠাতে মোৰ মনত এটা ভাব খেলালে। এইটো শ্ৰেণীৰ প্ৰায়েই শিক্ষকক প্ৰশ্ন সোধা ল'ৰা মীনধৰ আৰু গোলোকলৈ মোৰ সিমান চিন্তা নাই। কাৰণ সিহঁত অন্ততো সিমান বাৰু নহয়। তাতে মীনধৰ হৈছে অঞ্চলটোতে জমিদাৰ হিচাপে জনাজাত গুণমণি কাননগুৰ ল'ৰা আৰু গোলোক কাছাৰীৰ আমোলা হৰকান্তৰ ল'ৰা। পেট ভৰাই খালে মাহেকত তিনি সমষ্টি তিনি ভাগৰ এক সাজ বা আধাপেটীয়াকৈ খালে ছয় সমষ্টি তিনি ভাগৰ দুই সাজ খাব পৰা কথাবোৰ সিহঁতৰ বাবে অবোধ্য। কিন্তু এনে কথা থোৰতে বুজা, মুখচোকা, মগজুচোকা ল'ৰা এটা আছে। সি হৈছে মনচিত। সি বাঁৰী-দুখুনীৰ ল'ৰা। এবাৰু ল'ৰা-ছোৱালীবে গিজগিজাই থকা ঘৰখনত কাম-বন কৰিব পৰা সিয়েই একমাত্ৰ মুনিহ। তাৰ মুখখনো এনেয়ে চোকা হোৱা নাই। পেটত ঠিকমতে আহাৰ নপৰিলে মুখো চোকা হয়, মূৰো গৰম হয়। সোৱা সি মোলৈকে টেলেকা-টেলেকিকৈ চাই আছে। সি যদি এইবাৰ অঙ্কটোৰ উত্তৰ এইবুলি কয়, ছাৰ, পেট ভৰাই খাবলৈ হ'লে এসাজত যিমানখিনি চাউলৰ ভাত লাগে, তাৰ চাৰি ভাগৰ এভাগকৈ সাজে প্ৰতি খালে মানুহঘৰে মাহেকত তেৰ সমষ্টি তিনি ভাগৰ এক সাজেই খাব পাৰিব।

মই বোৰ্ডৰ অঙ্কটো লৰালৰিকৈ মোহাৰি ঘণ্টা পৰাৰ বহু আগতেই শ্ৰেণীৰ পৰা ওলাই আহিলোঁ। পিছত আন আন শ্ৰেণীত পঢ়া লৈ থাকোতেও চেৰেং চেৰেংকৰে মোৰ সেই কথাটোহে মনত পৰিল। অনুশোচনা জাগিল। ছেঃ, এনে এটা অঙ্ক ল'ৰাহঁতক কৰিবলৈ দিয়া উচিত নাছিলেই নেকি জানো! চাবলৈ গ'লে স্কুলবৰৰ উত্তৰটোও শুদ্ধ। হ'লেও এনে এটা অঙ্ক কৰিবলৈ দি মই যেন আজি বৰ লঘু হ'লো!

কিন্তু মোৰ অৱচেতন মনে এনে এটা উত্তৰ পোৱাৰ আশা পোষণ কৰিছিল বাবেই মই অঙ্কটো কৰিবলৈ দিছিলোঁ নেকি জানো? ★

[ আমাৰ প্ৰতিনিধি পূজা সংখ্যা—ইং১৯৭৪ আৰু 'ফিনকি' নামৰ বঙালী আলোচনীত বঙালী অনুবাদ প্ৰকাশ ইং ১৯৭৫ ]

# খোজ

অফিচৰ পৰা আহি ঘৰৰ বাৰাণ্ডাত ভৰি দিয়াৰ লগে লগেই অনুভৱ কৰিলোঁ যে ঘৰখনৰ পৰিবেশটোৱেই আজি অলপ বেলেগ ধৰণৰ। আনকাল পৰিবাৰক হয় বাৰাণ্ডাতে লগ পাওঁ নহয় বাৰাণ্ডাত ভৰি দিয়াৰ লগে লগেই তেওঁক ভিতৰৰপৰা ওলাই অহা দেখোঁ। আজি কিন্তু ব্যতিক্রম। বাৰাণ্ডাততো নেদেখিলোৱেই আনকি বাৰাণ্ডাত ভৰি দি গলহেকাৰি কেইটামান মৰা সত্ত্বেও তেওঁক ওলাই অহা নেদেখিলোঁ। এবাৰ ভাবিলোঁ তেওঁ বৰুৱাণীহঁতৰ ঘৰলৈকো যাব পাৰে। কাইলৈ বৰুৱাণীৰ মাজু ছোৱালীজনীৰ জোৰোণ। বিয়াখনত লাগিভাগি দিয়াটো ওচৰ-চুবুৰীয়া হিচাপে আমাৰো কৰ্ত্তব্য।

টোপোলাটো বনকৰা ছোৱালীজনীৰ হাতত ভিতৰলৈ পঠিয়াই দি বাৰাণ্ডাৰ চকীখনতে বহিলোঁ। এনেতে দেখিলোঁ পৰিবাৰে মুখখন এপাচিমান কৰি কিবা ভোৰভোৰাই চাঁতকৰে এবাৰ দেখা দি সিটো কোঠালৈ সোমাই গ'ল, আকৌ অলপ পিছতে বিজুলী-সঞ্চাৰে ওলাই আহি পুনৰ ভোৰভোৰাবলৈ ধৰিলে।

মই বহু চেষ্টা কৰি কথাৰ আঁতডাল বিচাৰি লৈ তাৰে সূত্ৰ ধৰি ধৰি পালোঁগৈ যে খং মোৰ ওপৰতে। অৰ্থাৎ ময়েই আমাৰ মন্দাকিনীক হোষ্টেলত ৰাখি পঢ়ুৱাবলৈ জোৰ কৰিছিলোঁ। কিন্তু গতানুগতিক জীৱনৰ ওপৰত আস্থা থকা মাকে তাই বি. এ. পৰীক্ষাটো পাছ কৰাৰ পিছত তাইৰ বিয়াখন পতাতহে গুৰুত্ব দিছিল।

চচমাযোৰ খুলি থোৱাৰ ছলতে ভিতৰলৈ গৈ মন্দাকিনীৰ কোঠাটোৰ ভিতৰলৈ এবাৰ ভুমুকিয়াই চালোঁ। দেখিলোঁ বিছনাখনতে উবুৰি খাই পৰি তাই উচুপি আছে। কথাটোৰ অৰ্থ কি বুজিব নোৱাৰিলোঁ। হ'লেও তাৰ মাজতে এটা কথা হ'লে বুজিলোঁ যে আমাৰ মন্দাকিনীক কেন্দ্ৰ কৰিয়েই কিবা এটা গুৰুতৰ সমস্যাৰ সৃষ্টি হৈছে।

পূজাৰ বন্ধত মন্দাকিনী ঘৰলৈ আহিছে। তাই ঘৰলৈ আহিবলৈ ইচ্ছা কৰা নাছিল। তাত ইউনিভাৰচিটিৰ লাইব্ৰেৰিৰ পৰা কিতাপ-পত্ৰ আনি পঢ়াৰ সুবিধা। লগৰ ছোৱালীও থাকিব। এয়া তাইৰ যুক্তি। কিন্তু মাকৰ যুক্তি অন্য ধৰণৰ। বন্ধ হৈছে যেতিয়া ঘৰৰ ছোৱালী ঘৰলৈ ঘূৰি আহিব লাগে। বন্ধৰ দিন কেইটা ঘৰতে কটালে খৰচৰ পইচা কেইটাও ৰাহি হয়। ইফালৰ পইচা সিফাল কৰি খৰচ নিমিটালে সংসাৰ অচল। এপদ-দুপদকৈ তাইলৈয়ো বস্তু গোটাবৰ হ'লহি। এয়া মাকৰ মনৰ ভাব। কিন্তু আচল কথাটো হৈছে একেজনী ছোৱালী। মাকে বেছি দিনলৈ এৰি থাকিবলৈ টান পায়। সেয়েহে মাকে চিঠি দি তাইক মতাই আনিলে।

মন্দাকিনীক কেন্দ্ৰকৰি কি ঘটনা ঘটিছে সেই কথাৰ বুজ লবলৈ মোৰ সত নগ'ল। তাতে ছোৱালীজনীৰ এনে অসহায় উচুপনিয়ে মোৰ বুকুৰ ভিতৰৰ কোনোবা এডোখৰ কোমল ঠাইত বৰকৈ খুন্দিয়ালে। শান্ত আৰু সমাহিত ব্যক্তিত্বৰ ছোৱালীজনী। কথা কম কয়। কিন্তু চিন্তা কৰে বেছি। এনে মানুহ সাধাৰণতে বেছি ভাবপ্ৰৱণ হয়েই। তাই নিশ্চয় কিবা এটা কথাত বৰ আঘাত পাইছে। হয়তো মাকেই তাইক আঘাত দিছে, কিন্তু কিয়?

হাতমুখ ধুই উঠি গামোচাৰে মুখ মচি মচি মই আকৌ বাৰাণ্ডাৰ চকীখনতে আঁউজি বহি ললোঁ। এনেতে মাকে চোঁ মাৰি আহি মোৰ সন্মুখত চিঠি এখন দাঙি ধৰি ক'লে, এয়া ছোৱালীৰ কীৰ্তি চাই লওক। মোৰ কথা শুনিছিল নহয়, এতিয়া কি কৰে কৰক।

মই অধৈৰ্য্য হৈ পৰিম বুলি হয়তো মাকে ভাবিছিল। কিন্তু বৰ বেছি যেন একো ডাঙৰ কথা এটা হোৱা নাই এনে মনোভাৱেৰেহে মই চিঠিখন হাত পাতি ললোঁ। কিন্তু মোৰ এনে উদাসীন মনোভাৱে তেওঁৰ মনৰ জুইকুৰা দুগুণে মাথোন বঢ়াইহে তুলিলে।

পৰিয়ালৰ মেজাজটো আগতে এনে খিটখিটীয়া নাছিল। কিন্তু সংসাৰৰ জ্বালা-যন্ত্ৰণাই তেওঁৰ মনৰ পৰা স্ফূৰ্তি-আনন্দ সকলো হৰি

নিছে। মাহৰ দৰমহাৰ পইচা কেইটা আনি তেওঁৰ হাতত শোধাই দিয়েই মই মুক্ত। কিন্তু মাহটো চলাব লাগে তেওঁহে পেটৰ ভোকৰপৰা আৰম্ভ কৰি সমাজত মান বচোৱালৈকে সকলো বিন্ধা মাৰিব লাগে তেৱেঁই। মোৰো নামতহে অফিচাৰৰ চাকৰি। গাঁৱৰ ঘৰৰপৰা কিবা অলপ সহায় পাবলৈকো সেইফালেও শূন্য। দেউতা আছিল পাঠশালাৰ পণ্ডিত। দেউতাই বহুতো আশা কৰি খেতিৰ মাটিকণ বন্ধকত থৈ একেটি ল'ৰাক পঢ়ুৱাইছিল। কিন্তু পঢ়িশুনি উঠিও মাটিকণ মহাজনৰ কবলৰপৰা উদ্ধাৰ কৰাৰ ক্ষমতা ল'ৰাৰ নহ'ল। দেউতা-মা ঢুকুৱাৰ পিছতে গাঁৱলৈ যোৱাটোও বাদ পৰিল। যিবা বাৰীখনৰে সৈতে পিতৃৰ ভিঠাটে আছিল, বৰ্ত্তমান সিও আনৰ কবলত। গাঁৱলৈ যোৱা মানেই কাজিয়া বঢ়োৱাহে।

মাজে মাজে পৰিবাৰে মোক কথাৰে দুই এটা খোঁচ নমৰাও নহয়। সৌ শইকীয়াৰ ঘৰলৈকে নাচায় কিয়? তেওঁচোন আপোনাতকৈয়ো তলৰ ৰেঙ্কৰহে। ল'ৰা-ছোৱালীও এসোপা। তিনিটাক হোষ্টেলত ৰাখি পঢ়ুৱাইছে। গুৱাহাটীত ঘৰে কৰিছে। সংসাৰখনো নিয়াৰি। মই হাঁহি হাঁহি কথাটো পাতল কৰি দি উত্তৰ দিওঁ, লক্ষ্মীয়ে ক'ত বসতি কৰিব লাগে জানে! মাজে মাজে খুলশালিটোৱেও মোক হাঁহে। বায়েকক কেতিয়াবা কয়, ভিনদেউৰ নিচিনা ভোলানাথ হ'লে তইঁতৰ এনে দশা হ'বই। সেইটো প'ষ্টত আন হ'ব লাগিছিল।

কেতিয়াবা পৰিবাৰে কয়, ব'লক আমি টাউনৰ বাহিৰলৈকে গৈ খেৰীঘৰ এটাতে থাকোঁগৈ। অন্ততঃ মাহে দুশটকা বাচিব। অফিচলৈ অহা-যোৱা কৰোঁতে আপোনাৰ অলপ কষ্ট হলেও হ'ব।

মই উত্তৰ দিওঁ, সেই কষ্টলৈ ভয় কৰা ভকত মই নহওঁ। কিন্তু এনে কৰিলে পলোৱা নহ'ব জানো?

তেওঁ কয়, নপলাই উপায় কি?

মই কওঁ, পলালে যে হৰা হ'ব। সমস্যা সমস্যা হৈয়ে ৰ'ব। কিন্তু বুকু ফিন্দাই থিয় হৈ বাধা দিলে এদিন সমস্যাৰ সমাধান হ'বই।

তেওঁ কয়, বুকু ফিন্দাই থিয় হ'বলৈ গ'লেচোন মৰণেহে গতি হ'ব ?

মই কওঁ, আমিতো এতিয়াও মৰাই। এনেও মৰণ, তেনেও মৰণ। কিন্তু সাহসেৰে মৰণক বৰণ কৰাটো মহাবীৰৰ লক্ষণ। ফল আজিতে নহলেও ই বীজ হ'ব। উত্তৰপুৰুষৰ বাবে ই আশীৰ্বাদ হ'ব। ঠাণ্ডা মগজত থাকিলে পৰিবাৰে মোৰ এইবোৰ কথা শুনি হাঁহি হাঁহি কয়, যাওক যাওক, অকলে যুঁজি আপুনি পৃথিৱীখন ওলোটাই পেলাব। ময়ো হাঁহি হাঁহি কওঁ, হেৰা, মই অকলে বুলি ভুল কৰা কিয় ?

কিন্তু তেওঁৰ মেজাজটো গৰমহে থকাৰ সময়ত মই যদি কেতিয়াবা কওঁ, হেৰা পৰিৱৰ্তনৰ নামত মৰা ধোঁৰা ছুটিছে বুলি ভাবিছা নেকি ? গুটিৰ পৰা গছ হ'বলৈকো এটা নিৰ্দিষ্ট সময়ৰ প্ৰয়োজন হয়, তবে মাউখে উটিব পাৰিব লাগিব, তেওঁ টিঙিৰিতুলা হৈ উত্তৰ দিয়ে, হৈছে হৈছে, মই মৰাৰ পিছত সিজনীৰ লগত তেতিয়াই মহা সুখে-সন্তোষে থাকিব। মই মুখ বন্ধ কৰিবলৈ বাধ্য হওঁ। তেওঁৰ খং বঢ়াবলৈ আৰু ইচ্ছা নহয়। বোকাত কোব মাৰিলে নিজৰ গালৈকে ছিটিকি পৰে। ৰান্ধনিঘৰৰ প্ৰধান সঁজুলি হেতাখনৰ এডোখৰ আৰু কেৰাহিটোৰ ধৰা নাল ঢুডাল ছিঙা কথাটো আজি এবছৰৰ আগৰ। ধোৱাপখলা কৰোঁতে ভগাডোখৰে তেওঁৰ কেইবাদিনো হাত কাটিছে। গৰম কেৰাহিটোৱে হাত পুৰিছেও। মই অহা মাহ অহা মাহ কৰি পিছুৱাই থাকোঁতেই আজি ইমান দিন।

পিন্ধা কাপোৰ-কানিৰ ভিতৰত সেই বিয়াৰে আৰু এতিয়া প্ৰায় মদৰুৱা বৰণ ধৰা পুৰণা পাটৰ কাপোৰযোৰৰেই এতিয়া তেওঁ বিয়া সবাহৰ কাম চলায়। মাজে মাজে তেওঁ মোক ধেমালি কৰি কয় অসীম চৌধুৰী বুলিলে এতিয়া চিনাকি মানুহৰ চকুত মাৰ্কামৰা গৰম-ঠাণ্ডা-ৰ'দ-বৰষুণ সকলো বতৰতে পুৰণি ডিজাইনৰ সেই একেটা টেৰেলিনৰ পেণ্ট, মটীয়াৰঙৰ চোলা আৰু তাপলি মৰা জোতা পিন্ধা এজন মানুহৰ ছবিহে ভাঁহি উঠা হ'বগৈ। তেওঁ ধেমালিতে কয় যদিও তাৰ মাজতে

দুখো থাকে। মই শুনি হাঁহো যদিও অক্ষমতাৰ দুখে মোৰ অন্তৰো বিন্ধে। আমি বুজি পাইছোঁ যে আমি বঞ্চিত হৈছোঁ। কিছুমান বুধিয়ক মানুহে আমাৰ সুখ-আনন্দ কাঢ়ি নি নিজৰ বিলাস বঢ়াইছে। কথাটো পুৰণি আৰু গভীৰ পানীৰ তলৰ কাঁইটৰ দৰে। পীড়িত মানুহখিনিয়ে ভাবিছিল যে শাসনৰ বাঘজৰী নিজৰ হাতলৈ আহিল যেতিয়া সকলোৱে এমুঠি পেট ভৰাই খাবলৈ পাবই: পিছে ফলত? কিন্তু ঘাই কথাটো গভীৰ পানীৰ তলৰ কাঁইটৰ দৰে হ'ল বুলিয়েই আমি সেই কাঁইট উভলাৰ কথা চিন্তা নকৰি কেৱল অদৃষ্টৰ কথাকে ধৰিয়াই হাত সাৱটি বহি থাকিমনে? ইচ্ছাই বাটৰ সন্ধান দিয়ে। চেষ্টাই বাটৰ ঠাল-ঠেঙুলি বঢ়ায়। প্ৰথম কাম হ'ল ইচ্ছা আৰু চেষ্টা। তেলপেৰা ঘানীৰ চকুবন্ধা গৰুৰদৰে ঘূৰ ঘূৰকৈ ঘূৰিয়াই থাকিলেই যে নিৰ্বিবাদে ঘূৰি থাকিব লাগিব সেইকথা জানো সদায় সম্ভৱ? দহজন বুধিয়ক আৰু এশজন ঘৰশত্ৰু বিভীষণৰ হাতত কোটিজনৰ ভাগ্য বন্দী হৈ থকাটো হাঁহি উঠা কথা। আচলতে আমি নিম্ন মধ্যবিত্তবোৰেই হে এই চতুৰালিৰ কথা ভালদৰে বুজি পাওঁ। দিন মজুৰ বা খেতি কৰি খোৱা শ্ৰমিকসকলে সাধাৰণতে ভাগ্যৰ ওপৰতে সকলো সপি দি সান্ত্বনা লভে।

নিম্ন মধ্যবিত্ত আৰু শ্ৰমিক দুয়ো সহোদৰ। এই দুই ভাইৰ মাজত বিৰোধ ভাব এটা জীয়াই ৰাখিবলৈ বুধিয়কসকলে সদায় চেষ্টা কৰেই আৰু পীড়িতৰ ঘৰৰে মধ্যজীৱী ঘৰশত্ৰুবোৰক নিজৰ অস্ত্ৰৰূপে ব্যৱহাৰ কৰে। এই কথা সকলোৱে বুজি পাবৰ হ'ল।

গতিকে মোৰ ঘৰৰ এই অৱস্থা আৰু ঘৰ চলোৱা মানুহজনীৰ মেজাজ এই দুইৰ মাজত সমন্বয় ৰক্ষা হ'ব পাৰে কেনেকৈ? কুৰুক্ষেত্ৰ নহলেও মাজে মাজে ঘৰত ভূমিকম্পৰ জোকাৰণি দুই এটা নোহোৱাকৈ নেথাকে। গতিকে ঘৰত ভূমিকম্পৰ উপক্ৰম দেখিলেই মৌনব্ৰতেৰে সাৱধনতা অৱলম্বন কৰাটো বৰ্তমান মোৰ অভ্যাসত পৰিণত হৈছে।

মোৰপৰা কোনো সহানুভূতিসূচক উত্তৰ নেপাই ভোৰভোৰাই পৰিবাৰ ভিতৰলৈ গ'লগৈ।

মই চিঠিখন ওপৰে ওপৰে পৰীক্ষা কৰিলোঁ। শিৰোনামাত মন্দাকিনীৰ নাম আৰু ঘৰৰ ঠিকনা। আখৰবোৰ সুন্দৰ আৰু বৰ যত্ন কৰি লিখা।

চিঠিখন কোনে দিছে চালোঁ। কোনোবা জয়ন্ত দত্ত। ডাকত অহা চিঠি। মাকে সন্দেহক্ৰমে পঢ়ি চালে।

চিঠিখন পঢ়িবলৈ মোৰ ইচ্ছা নগ'ল। কিন্তু নপঢ়িলেও কথা-বোৰ বুজি পোৱাত মোৰ অকণো অসুবিধা নহ'ল। কাৰণ একেবোৰ কথাই যুগে যুগে নব নব ৰূপত পুনৰাবৃত্তি ঘটি আহিছে। কলা-কৌশলৰ ফালৰপৰা ইয়াৰ কিবা সালসলনি ঘটিলেও মূল সুঁতি বা সূত্ৰ একেটাই। ই চিৰন্তন। ইয়াৰ বাবে কাৰোবাক শাস্তি বিহি বা কাৰোঁবাৰ ওপৰত দোষ জাপি দি পাৰ পাব নোৱাৰি। এইকণ পৰাতে কোনোবা এক সজীৱ মুহূৰ্তত জীৱনটো প্ৰাণৱন্ত হৈ উঠেই। ইয়াক অস্বীকাৰ কৰাৰ উপায় নাই।

মোৰ বৰ্তমানৰ এই বয়সত এনে এটা চিন্তা নিতান্ত অশোভনীয় যদিও কোনোবা এক মুহূৰ্তত কোনোবা এটা সুৰুঙাই দি মোৰ মনটোৱে চিঠিখনৰ কথাটোৰ সূত্ৰ ধৰি ধৰি অতীতৰ স্মৃতিৰ সেন্দুৰীয়া আলিটোৰেদি বগুৱাবাই গৈ থাকিল। গৈ গৈ পালেগৈ আজিৰ পৰা সাতাইশটা বছৰৰ আগৰ এটা দিন, এটা মুহূৰ্ত। মোৰ তেতিয়াৰ তেইশ বছৰীয়া হৃদয়খনত তোলপাৰ লগোৱা মধুৰ স্মৃতি বিজড়িত এটা নাম, সৰোজনী। এটা সাধাৰণ নাম। কিন্তু ইয়েই আছিল মোৰ তেতিয়াৰ কল্পনা-জল্পনাৰ একমাত্ৰ উৎস। বেনাৰচ বিশ্ববিদ্যালয়ত মই এম. এ ক্লাছত নাম লগাইছিলোঁ। নাম লগাইছিল সৰোজিনী দেৱীয়েও। জোখতকৈ অলপ কম ওখ, সককৈ অণ্ডাকৃতিৰ মুখায়বৰ লাহী পূৰঠ দেহৰ টলকাটলক, চকুযুৰিৰে কাৰোবালৈ চালে ভেলেঙী পছৰ দৰে কিছুক্ষণ ৰ লাগি চাই থকা, উচ্চ মিঠাবৰণীয়া এজনী

ছোৱালী, নাম সৰোজিনী। যিদিনা মোৰ চকুৱে তেওঁৰ চকুৰ মণিত চিনাকি চিনাকি ভাবৰ সঁফুৰা বিচাৰি পাইছিল, সেই ক্ষণটো মোৰ জীৱন ইতিহাসৰ এখিলা সোণালী পাত যেন লাগিছিল। সৰোজিনীয়েও মোৰ দৃষ্টিৰ পৰা তেওঁৰ দৃষ্টিক একৰাই নিয়াৰ চেষ্টা কৰা নাছিল। কিবা এক সূত্ৰৰ গইনা লৈ আমি ওচৰ চাপি আহিছিলোঁ। চিনাকি হৈছিলোঁ। পিছত আমাৰ দেখা নোপোৱাৰ মুহূৰ্তবোৰ একো একোটা যুগৰ দৰে লগা হৈছিল। ইউনিভাৰচিটিৰ কেম্পাচৰ ভিতৰৰ সেই গছৰ তলে তলে আমি ফুৰিছিলোঁ। কথা পাতিছিলোঁ। কিন্তু তথাপি আমাৰ আচল কথাটোৱেই কোৱা হৈ নুঠিল।

কিন্তু ডেৰটা বছৰ পুৰ হ'বলৈ নৌ পাওঁতেই হঠাতে ঘৰৰ পৰা খবৰ আহিল যে সৰোজিনী দেৱীৰ বিয়া। গতিকে তেওঁ তেতিয়াই ঘৰলৈ ঘূৰি যাব লাগে। মাক-বাপেকৰ আদেশ। গতিকে মাক-বাপেকৰ একান্ত বাধ্য সন্তান সৰোজিনী দেৱীয়ে দুগাল উপচি যোৱা চকুলোৰে তেতিয়াই ইউনিভাৰচিটিৰ পৰা বিদায় ল'লে।

যোৱা বছৰ গুৱাহাটীৰ কাঁচি বজাৰতে অপ্ৰত্যাশিত ভাৱে লগ পাই গলোঁ সেই সৰোজিনী দেৱীক। তেৱেঁই মোক প্ৰথম চিনি পালে। মাত দিলে, অসীম, চিনি পাইছা?

দুটা যুগতকৈয়ো অধিক কালৰ ব্যৱধান হ'লেও চিনাকি মাতষাৰে মোৰ স্নায়ুত ঝঙ্কাৰ তুলিলে। চকিত দৃষ্টিৰে তেওঁলৈ চাই মই ক'লোঁ পাইছোঁ!

তেওঁ আকৌ প্ৰশ্ন কৰিলে, তুমি ইয়াত?

ময়ো তেওঁৰ দৰেই সেই একে মাতেৰে উত্তৰ দিলোঁ, ইয়াত নহয়, তেজপুৰত। অফিচৰ কামত আহিছিলোঁ। তুমি?

ডিব্ৰুগড়ত। সৰুকৈ সৰোজিনীয়ে উত্তৰ দিলে।

এই পঞ্চাছ বছৰ বয়সতো মোৰ মাতটো প্ৰথম যৌৱনৰ পছোৱাই মনপ্ৰাণ উতলা কৰা লাজুক ডেকাই মনে মিলা বান্ধৱীৰ লগত প্ৰথম কথা পাতোঁতে কঁপি উঠাৰ দৰে অৱস্থা এটা হ'ব পাৰে বুলি ভাবিব পৰা নাছিলোঁ। মনতে এটা হিচাপ কৰি চালোঁ, আজি কিমান দিনৰ মূৰত সৰোজিনীক দেখিলোঁ? সাতাইছটা বছৰৰ মূৰত। এজন

ভাৰতীয় মানুহৰ বয়সৰ প্ৰায় আধা সময়। তেওঁৰ চুলিত বয়সে কোবাইছে। কিন্তু মোতকৈ কম।

সৰোজিনীয়ে সুধিলে সেই একে মাতেৰেই, তোমাৰ ল'ৰা-ছোৱালী কিমান ডাঙৰ হৈছে?

মই নিজকে চম্ভালি ল'বলৈ চেষ্টা কৰি উত্তৰ দিলোঁ, মোৰ ছোৱালী এজনীয়েই। তাই গুৱাহাটী ইউনিভাৰচিটিত বুৰঞ্জীত এম. এ পঢ়ে। আৰু তোমাৰ?

সৰোজিনীয়ে ক'লে, মোৰ ল'ৰাটোৱে এম. এ পাছ কৰি ঘৰতে আছে। ছোৱালীজনীয়ে এইবাৰ পি. ইউ দিব। ইহঁত দুটাই।

আমি ইজনে সিজনৰ চকুলৈ চাবলৈ চেষ্টা কৰিছিলোঁ। আমাৰ বয়স, সময় এইবোৰ কথা তুচ্ছ হৈ পৰিছিল। আমি তাত কিমান সময় বৈ আছিলোঁ খবৰ নাছিল। আমাৰ মনে বেনাৰচ ইউনিভাৰচিটিৰ সেই গছৰ তলৰ স্মৃতিৰ মাণিক বোটলাত ব্যস্ত আছিল। কিন্তু এক অপৰাধবোধে মোৰ মনটো যেন গধূৰ কৰি তুলিছিল! আমি প্ৰত্যেকেই বেলেগ বেলেগ সংসাৰ বন্ধনৰ মাজত আবদ্ধ। গতিকে আমাৰ দ্বাৰা কিবা যেন সামাজিক অপৰাধ সংঘটিত হৈছে!

এনেতে দুজনী পাত গাভৰু ছোৱালী আগবাঢ়ি আহি সৰোজিনীক মাহীদেউ বুলি মতাত আমাৰ দুয়োৰো তন্দ্ৰা ভাগিল আৰু কেতিয়াবা ডিব্ৰুগড়লৈ গ'লে তেওঁলোকৰ ঘৰত সোমাবলৈ দঢ়াই দঢ়াই কৈ সৰোজিনীয়ে বিদায় ল'লে। কিন্তু তেওঁ বিদায় ল'লে যদিও স্মৃতিয়ে বেছি খোপনিহে পুতিলে মোৰ অন্তৰত। এই পঞ্চাছ বছৰ বয়সতো যে স্মৃতিচাৰণৰ এই মধুৰ উপলব্ধিয়ে হৃদয় তোলপাৰ লগাব সেইকথা ভাবি নিজেই লাজ পালোঁ।

পিছে আজি নিজৰ জীয়ৰীৰ কথাৰ সূত্ৰ লৈ নিজৰ পুৰণা দিনৰ স্মৃতিৰ চন্দুক খুঁচৰিব লগা অৱস্থা এটাৰ অৱতাৰণা হোৱাৰ বাবে নিজকে বৰ দোষী দোষী যেন লাগিছে।

কিন্তু মোৰ নিজৰ জীয়ৰী মন্দাকিনীক মই এতিয়া কি বুলি বুজাওঁ? সৰোজিনী আৰু মোৰ মাজৰ সম্বন্ধ আছিল এনে ধৰণৰ। আমি আমাৰ এই বুজাবুজিক ফুলৰদৰে গণ্য কৰিছিলোঁ৷ আৰু সেই ফুলক গছত ৰাখিয়েই তাৰ সৌন্দৰ্য্য দূৰৰ পৰাই উপভোগ কৰিবলৈ সক্ষম হৈছিলোঁ। সেয়েহে এই বয়সতো তাৰ সুৰভিয়ে মাজে মাজে মনপ্ৰাণ ভৰাই তোলে। গতিকে মাকে মোক হেঁচা দিছে যদিও মই মন্দাকিনীৰ ওপৰত কি ব্যৱস্থা লওঁ তাকে ভাবি পাৰ পোৱা নাই। মাকৰ চিন্তা, নিম্ন মধ্যবিত্তৰ জীৱনত এনেয়ে সুকণ্ঠা বেছি। মাজপানীত বৈ থকা টুলুঙা নাৱৰ দৰে জীৱন থৰক-বৰক। প্ৰতি ক্ষণতে ভয়, সঙ্কট, শঙ্কা। তাতে যদি আকৌ ছোৱালীজনীৰ কথাটো লৈ বেলেগ ধৰণৰ অথন্তৰৰ সৃষ্টি হয়?

সেই চিন্তা কেৱল মাকৰে নহয়। একে চিন্তাই মোৰ মনৰ মাজতো লেটা কুন্দাইছে। যদিও আমাৰ খাই-বই জীয়াই থাকিব পৰাটোৱেই বৰ্তমান প্ৰধান প্ৰশ্ন হৈ পৰিছে, সেই প্ৰশ্নৰ তুলনাত মন্দাকিনীৰ প্ৰশ্নটো অতি নগণ্য। কিন্তু নাওখন বুৰিবলৈ সৰু ফুটা এটাই যথেষ্ট, যদিহে তাক অৱহেলা কৰা যায়। হওঁতে তাইৰ চিন্তা, বিচাৰ, এই কথাবাৰত খুঁত নাথাকিবও পাৰে। কিন্তু হ'লেও তাইক জানো একেবাৰে এৰি দিব পৰা যায়? ৰাস্তা-পথৰ জ্ঞান তাইৰ এতিয়াও পূৰা হ'বলৈ বাকী। নিজৰ সন্তানৰ আগত এইবোৰ কথা খুলি কোৱাও সম্ভৱ নহয়। কিন্তু নক'লেও নচলাৰ ক্ষণ উপস্থিত। গতিকে এই সমস্যাটো সমাধান কৰা যায় কেনেকৈ সেইটোৱেই প্ৰধান চিন্তা হৈ পৰিছে। কিন্তু এটা কথা হ'লে ঠিক যে সিহঁতে খোজ কাঢ়োতে যাতে বৰ সাৱধান হয়। কাৰণ সিহঁতে এই বয়সৰ চকুৰে আলিটো দূৰৰ পৰা যিমান মসৃণ দেখিছে আচলতে বাস্তৱৰ আলিটো এনে নহয়। বৰ পিছল। চাইচিতি খোজ নিদিলে হানি হোৱাৰে সম্ভাৱনা প্ৰচুৰ। এই কথাটোকে তাইক পাকে-প্ৰকাৰে বুজাব লাগিব। + +

[ আমাৰ প্ৰতিনিধি পূজা সংখ্যা—ইং ১৯৭৯ ]

# দোকান

চিটিবাহু ৰোৱা ঠাইডোখৰৰ যাত্ৰী ৰোৱা চালিখনৰ তলতেই সনাতনৰ দোকানখন। কাঠৰ সৰু চাপৰ মেজখনৰ ওপৰত কটা তামোল-পাণ অলপমান, চাধা-বিড়ি-জ্বিয়াচলাইৰ পেকেটকেইটামান, এটা চুণৰ ভুৰুকা আৰু বিড়ি জ্বলাবৰ বাবে সাফৰ নথকা টেমা এটাৰ ভিতৰত জ্বলাই ৰখা এটা কেৰাচিনৰ চাকি। সন্তৰ্পণে এই সামগ্ৰীখিনিকে আগত লৈ সনাতনে পুৱা-চাৰে আঠ বজাৰ পৰা ৰাতি সাত বজালৈকে আমন-জিমনকৈ ভঙা মূঢ়াটোৰ ওপৰতে বহি থাকে। উৎকণ্ঠাৰে ওচৰতে কোনোবাৰ বহি, কোনোবাৰ থিয় হৈ থাকে হয় মাহমানৰ আগতে বিয়া কৰাই অনা তাৰ ঘৈণীয়েক সত্যৱতী। ঠায়ে ঠায়ে ফিচিকা কপাহী চাদৰখনৰ আগ এটা একোবাৰ কামুৰি একোবাৰ গাঁঠি দি, আকৌ খুলি তাই থাকে কোনোবাৰ ৰাস্তাৰ ফালে পিঠি দি, আকৌ কোনোবাৰ টেৰেচীয়াকৈ। মুখত ভয়, লাজ আৰু সঙ্কোচৰ প্ৰলেপ। মনত আশা আৰু নিৰাশাৰ লুকাভাকু। সংসাৰ হাটত বেহোৱা জীৱনৰ আচল দোকানখন চলাবলৈ যাওঁতে প্ৰতি খোজতে উজুটি।

চিটিবাহুৰ যাত্ৰী ৰোৱা 'চালিৰ তলৰ তামোল-পাণৰ দোকানত চিটিবাহুৰ যাত্ৰীৰ তামোল-চাধা কিনি খাবলৈ সময়েই বা ক'ত? তথাপি তাৰ মাজতে দুই এজনে কিনে। পইচাৰ টেমাটোৰ ভিতৰৰ পৰা ওলোৱা 'ঝনক' শব্দটোৱে স্বামী-স্ত্ৰী দুয়োৰে মনত আশাৰ ৰেঙনি তোলে।'

ৰাজ আলিয়েদি বহু মানুহৰ আহ-যাহ চলে, মুনিহ, তিৰোতা ল'ৰা, ছোৱালী। তাৰ মাজতে সত্যৱতীৰ দৰেই গাত বিয়াৰ মাহ-হালধিৰ গোন্ধ এতিয়াও প্ৰায়ে লাগি থকা বহু ন ছোৱালীও।

সত্যৱতীৰ চকুৰ পৰ্দাত বাজআলিৰ সেই ৰঙীন দৃশ্যই বিজুলীৰ চমকনি তোলে। কিন্তু শীতকালৰ ৰ'দ চেৰেঙাৰ দৰে উম লাগি উঠা সত্যৱতীৰ মনটো সেমেকি যাবলৈকো বেছি পৰ নেলাগে। সিহঁতৰ আশা আকাংক্ষাবোৰৰ ভিত্তিত, হাতত, ভৰিত শিকলিৰ বান্ধ। একেই মানুহ যদিও, মন-অনুভূতি, মান-সন্মান, লাজ-শঙ্কা, ভোক-পিয়াহ একেই যদিও মানুহৰ শাৰীত সিহঁত নাই। পুৱাই গিৰিয়েক আৰু তাই শুদা নিমখ অকণমানৰে সৈতে আধা পেটীয়াকৈ কৰ্কৰা ভাত কেইটামান খাই আছিছে। তেতিয়াৰে পৰা এতিয়ালৈকে সিহঁতৰ এইকণেই আহাৰ। বেজি-বটিয়াই ধৰি ৰাখিবলৈ অপাৰগ হৈ অহা তাইৰ এই পিন্ধি থকা মেখেলা চাদৰযোৰা আৰু এমাহমান যায় বা নেযায়? বাহিৰলৈ ওলালে পিন্ধা কাপোৰো তাইৰ এইযোৰেই। তাতে তাই গাভৰু ছোৱালী, দেহেই যাৰ শত্ৰু, যদি ভালদৰে আবৰিব পৰা নাযায়। গিৰিয়েকৰো এই একেযোৰেই পোছাক, টাপলি মাৰিবলৈ আৰু ঠাই নথকা।

মাত্ৰ ছমাহৰ আগতে বিয়াৰ নামত কেৱল মালা পিন্ধাই, গাঁৱৰে গোটখোৱা দুই চাৰিজন অভ্যাগতক একোকাপ শুদা চাহ আৰু একোখনি তামোল খুৱাই জীৱনৰ লগৰী কৰি লোৱা, উকা ভিতি-কাণৰে ন-ছোৱালী সত্যৱতীক সনাতনে দোকানৰ তামোল-পাণ কটা বেচা আদি কামৰ ব্যস্ততাৰ মাজতে কোনোবাৰ নিৰীক্ষণ কৰি, বিগত জীৱনৰ কথাবোৰ জুকিয়াই চায়। তাৰ নিজৰ জীৱনটোৰ নিচিনাকৈয়ে ঘৈণীয়েক সত্যৱতীৰ জীৱনটোও লোকচানৰেই ভৰা। সত্যৱতীৰ ঘৰত বিধবা মাক, দুটা সৰু ভায়েক আৰু লোকৰ মাটিত গৃহস্থৰ অনুগ্ৰহৰ ওপৰতে কোনোৰকম বৰ্তি থকা এটা জুপুৰি ঘৰ। তাৰ নিজৰ ক্ষেত্ৰত সিও শূন্য। দুইফালৰ লোকচান মিলিয়েই আৰম্ভ হৈছে সংসাৰ হাটত বেহোৱা সিহঁতৰ জীৱনৰ আচল দোকানখন। তাকে বৰ্তাই ৰাখিবলৈকে শেষত আৰম্ভ কৰিছেহি পদপথত এই তামোল-পাণৰ দোকান। জীৱিকা প্ৰদায়িনী, আহাৰ দায়িনী যি কিয়েই নহওক ইয়াৰ নাম।

ন-ছোৱালী সত্যৱতীৰ ভৰিৰ আঙুলিৰ ফাঁকত, ভৰিৰ নখৰ চেপত এতিয়াও বিচাৰিলে ওলাব বিয়াৰ আগে পিছে লোকৰ খেতিৰ মাটিত ভুই ৰোওঁতে লাগি ধৰা বোকাপানীৰ দাগ। হাতৰ আঙুলিৰ ফাঁকত ওলাব লোকৰ পথাৰত ধান দাওঁতে কাঁচি নবাৰ ধঁহনি লাগি ছাল ছিগাৰ চিন। আৰু ওলাব গৃহস্থৰ ঘৰলৈ ধানৰ ডাওৰি যুৰত বৈ আনোতে তেলৰ অভাৱত ৰঙচুৱা হৈ পৰা চুলিৰ ফাঁকত ধানৰ শুং।

তাৰ নিজৰ ক্ষেত্ৰতো বিচাৰিলে ওলাব, লোকৰ পথাৰত হালবাই দিওঁতে হাতৰ তলুৱাত জ্বলাফুটাৰ চিন। গৃহস্থৰ পথাৰৰ পৰা ধানৰ ভাৰ কঢ়িয়াওঁতে কান্ধত বহা বাওকাৰ সাঁচ আৰু কত কি? বিয়াৰ পিছতে ন দৰা-কইনাই জীৱনৰ আচল দোকানখন বৰ্তাই ৰাখিবলৈ যুটীয়াভাৱে আৰম্ভ কৰা এয়া শ্ৰমৰ চানেকি। সিহঁতৰ সংগ্ৰামৰ অন্ত নাই। কিন্তু সকলোতে লোকচান ভৰি ভৰি শেষত আৰম্ভ কৰিছেহি এই জীৱিকাৰ দোকানখন। ইয়াতোবা কি?

কিন্তু ইয়াতো সেই হৰাৰেই লক্ষণ। সংসাৰ হাটত বেহোৱা সিহঁতৰ জীৱনৰ আচল দোকানখন বৰ্তাই ৰাখিবলৈ যিখিনি মূলধনৰ সাধাৰণতে প্ৰয়োজন হয়, তাৰ থলা সম্পূৰ্ণ শূন্য। তথাপি সিহঁতে সংসাৰ হাটত জীৱনৰ আচল দোকানখন বেহাই লৈ গৈ আছে। কেনেকৈ, সেই প্ৰশ্নৰ উত্তৰ পোৱা টান। আগবেলা এই জীৱিকা প্ৰদায়িনী দোকানখন খোলাৰ লগে লগেই ৰেঙাই উঠা সিহঁত দুয়োৰে আশাভৰা মনৰ অৱস্থা, বেলি পৰি অহাৰ লগে লগেই সন্ধিয়াৰ আকাশৰ দিশহাৰা চৰাইৰ লেখীয়া হ'বলৈকো বেছি পৰ নেলাগে।

বেলি পৰাৰ লগে লগেই সনাতনে দোকানখন সামৰি ঘৰলৈ উভতি যোৱাৰ সময়ত ভয়ে ভয়ে পইচা থোৱা টেমাটোৰ সাফৰখন খুলি, পইচাখিনি উলিয়াই আনি, চাই দেখে, পাঁচ টকা হ'বলৈ এতিয়াও পঞ্চাছ পইচাই বাকী! এই কেইটা পইচাৰেই দুটা মানুহৰ দিনটোৰ আহাৰৰ ব্যৱস্থা কৰাৰ উপৰিও ইয়াৰ পৰাই মিলাব লাগিব

কাইলৈৰ বাবে এই জীৱিকা প্ৰদায়িনী দোকানখন চলাই ৰাখিবৰ বাবে প্ৰয়োজনীয় মূলধনখিনিও।

সি নক'লেও, ঘৈণীয়েক সত্যৱতীয়েও টেমাটোৰ ভিতৰৰ অঙ্কটোৰ উমান নোপোৱাকৈ নেথাকে। গ্ৰাহকক বস্তু দিয়া, তামোল-পাণ কটা আদি কামত ব্যস্ত হৈ থাকিব লগা হোৱাৰ বাবে গিৰিয়েকে টেমাটোৰ গৰ্ভৰ ভিতৰৰ যিটো কথা নেজানে, তাই ৰাস্তাৰ ফালে কোনোবাৰ পিঠি দি, কোনোবাৰ টেৰেচীয়াকৈ থাকিও সেই কথা জানে।

দোকানখন সামৰি, মেজখন কান্ধত আৰু মূঢ়াটো হাতত লৈ আগে আগে আগবাঢ়ে গিৰিয়েক। দোকানৰ অৱশিষ্ট বস্তুখিনিৰ টোপোলাটো হাতত লৈ পিছে পিছে যায় ঘৈণীয়েক। জীৱন যুদ্ধৰ দুই ভাগৰুৱা সৈনিক। মন ভিন্ন হ'লেও চিন্তাৰ সোঁত একেটাই। লক্ষ্য পাহাৰৰ ওপৰত থকা খেৰৰ সৰু জুপুৰীটো, একোছাটি পাতলীয়া ধুমুহাতে যাৰ স্থিতি বিপন্ন। সংসাৰ ধুমুহাত সিহঁতৰ নিজৰ জীৱনো যেনেকৈ বিপন্ন।

সমতল ভূমিখণ্ড পাৰ হৈ পাহাৰত উঠিবলৈ আৰম্ভ কৰাৰ লগে লগেই সনাতনে ঘৈণীয়েকক ক'লে, এন্ধাৰ নামিলেই, সাৱধানে উঠিবি। তোৰ গাটোও ভাল নহয়।

ভোক আৰু ভাগৰৰ হাঁমি এটা কাঢ়ি, ঘৈণীয়েকে ক'লে মোৰ কাৰণে চিন্তা নকৰিবা। তোমাৰ বোজা মোতকৈয়ো বেছি। মই উঠিব পৰা হৈছোঁ। অভ্যাসেই মোক পৰা কৰিছে। তাকো কৰিব। একেদৰেই হাঁমি এটা কাঢ়ি সিও লগে লগেই উত্তৰ দিলে, তই ঠিকেই কৈছ। তোৰ খোপনিয়েই তাৰো খোপনি। খোপনি ধৰিব জানিলে উঠাতো সুবিধা আৰু পিছলাৰো ভয় নেথাকে।

সি তেনেকৈ ক'লে যদিও লগে লগেই প্ৰচণ্ডভাৱে আন এটা চিন্তাই তাৰ মনৰ আঁতডাল জোকাৰি দিলে। ভৰিৰ খোপনি ৰাখিবলৈ দেহত শক্তিৰ প্ৰয়োজন। কিন্তু এই শক্তিকো দেহে

প্ৰয়োজনীয় আহাৰখিনি পালেহে জন্ম দিব পাৰে। আনহাতে সিহঁতৰ দেহত শক্তি যোগাওঁতা, জীৱিকাৰ একমাত্ৰ সম্বল এই আহাৰদায়িনী দোকানখন বৰ্তাই ৰাখিবলৈকো মূলধনৰ প্ৰয়োজন। কিন্তু দিনৰ দিনটো দোকানদাৰী কৰি গোটোৱা এই চাৰে চাৰি টকাৰে সিহঁতৰ দুটা দেহৰ বাবে দিনটোৰ আহাৰকে কিনিব নে কাইলৈৰ বাবে প্ৰয়োজনীয় দোকানৰ বস্তুখিনি কিনি আহাৰদায়িনী এই দোকান-খনেই বৰ্তাই ৰাখিব?

কিন্তু অনতি পলমে অনিশ্চয়তাই লেজুৰাই নিয়া তাৰ বিক্ষিপ্ত চিন্তাবোৰেও এঠাইত খোপনি পুতি ব'লগৈ। ৰাস্তা পিছল বুলিয়েই জানো খোজকঢ়া বাদ দিব?

অশান্ত হৈ উঠা মনটোৰ লেকামডাল ঠিকমতে ধৰি সি থিয় গড়াটোত উঠিবলৈ ভৰিৰ দহো আঙুলিৰে ভালকৈ খোপনি ধৰিলে।

[ অসমবাণী ইং ১৯৮৬ ]

# বাট

গেলা ডাবৰীয়া। ওপৰে নেক্‌নেকীয়া বৰষুণ। তলে পেন্‌পেনীয়া বোকা। বাঁহনিৰ মাজে মাজে লুংলুঙীয়া বাটটো। ঠাইডোখৰ জয়াৰ। দিনতেই এন্ধাৰ। ভয় লগা। বাতি কুৰ্‌কুৰীয়া হুহুৱে বাঁহনিখন তেনেই ডুফাল কৰি ৰাখে।

বাটটো ওখোৰা মোখোৰা। ঠায়ে ঠায়ে গৰা। কোনো কোনো ঠাইত ওলাই আছে গছৰ ডাঙৰ ডাঙৰ শিপাবোৰ। দুয়োকাষে চোৰাত, বাঘ আঁচোৰা লতাৰে ভৰা। গছৰ ডালে-পাতে বাঘমকৰা, বৰল, আমৰলি পৰুৱাৰ বাহ।

গোটেই গাঁওখনৰ মানুহ পথাৰলৈ যোৱা বাট সেই একেটাই। নামতহে বাট। আচলতে পটিহে। বহলে ই দুহাত মানহে হ'ব। এঠাইত সোমাজতে এজোপা স'ৰাগছ। গছজোপা কোনোৱা কাহানিতে গজা যদিও বৰ বেছি বাঢ়িব নেজানিলে। বাটেদি অহা-যোৱা কৰা গৰু ম'হে পাতচোত্‌ খাই গছজোপা তেনেই লঠঙা কৰিলে। এতিয়া মূঢ়াটোহে বাকী বৈছেগৈ। গৰু ম'হৰ খুৰা লাগি গছজোপাৰ কিনাৰৰ মাটি খহি গৈ গুৰিটো উ'ইহঁাফলু যেন হৈ পৰিছে। বছৰৰ পিছত বছৰ ধৰি গাঁওখনৰ মানুহ এই বাটেৰেই পথাৰলৈ গৈছে। খেতি কৰিছে। মৃতকক শ্মশানলৈ নিছে। সৰু সৰু ল'ৰাবোৰেও দুই-তিনিটা মিলি এই বাটেৰেই পথাৰ ওলাই গৰুখিচ বিচাৰি পনপনাই ফুৰিছে। কোনোবাই ছিটিকা পাতি বগলী বা কণামুচৰিকে ধৰিছে। বা কোনোবাই শহাপছুৰ গাঁত বিচাৰি চলাথ কৰিছে। কিন্তু গছ-জোপাৰ মূঢ়াটো গুচাই কাষৰ হাবি-বন কাটি বাটটো মোকলাই ল'বলৈ গাঁওখনৰ কাৰো উৎসাহ নাই।

লুংলুঙীয়া বাটটোৰেদি খুপি খুপি পথাৰলৈ যায় খুপিতৰা। আগে আগে ভায়েক মনেশ্বৰ। দুয়োৰে মূৰত জাপি। মনেশ্বৰৰ

হাতত জলপানৰ টোপোলাটো। থুপিতৰাৰ হাতত পানীভৰা কঁহৰ লোটাটো আৰু দুটা ভীমকল। বাপেক বগীৰামে থুপিতৰাৰ হাতে পকাসাজ নেখায়। আবিয়ৈ ছোৱালী। তেওঁ ভকতীয়া লোক।

মনেশ্বৰৰ পাতল ভৰি দুখনে তাক বহু দূৰ পোৱালেগৈ। কিন্তু থুপিতৰাই ভায়েকৰ লগত সমানে খোজ দিব পৰা নাই। যিমানেই তাই পিছ পৰে তিমানেই তাইৰ মনত আশঙ্কা জন্মে। গাত গামোছা লোৱাৰ আগৰে পৰা আৰম্ভ কৰি এই বয়সলৈকে ভুঁই ৰুবলৈ, ধান দাবলৈ, মাহ সৰিয়হ তুলিবলৈ বা বাৰিষা জকাই জুলুকিকে বাবলৈ এই বাটেৰেই তাই সদায় আহ-যাহ কৰে। এই জাবণি-ডোখৰতে তাইৰ সদায় সেই একে ভয়।

গছ-বাঁহৰ ফাঁকেদি মুকলি আকাশ দেখা পাই থুপিতৰাই উশাহ সলালে। জাবণিডোখৰ পাৰ হ'বলৈ আৰু বেছি দেৰি নাই। অলপ পিছতেই তাই মুকলি পথাৰ পাব। কঁকালত কাছুটি পিন্ধি মূৰত জাপি লৈ হাল বাই থকা ৰিণি ৰিণি দেখাপোৱা মানুহবোৰৰ ভিতৰতে কোনোবা এজন তাইৰ বাপেক। অকল বাপেকেই নহয়, সেই মানুহবোৰৰ ভিতৰতে তাইৰ.... হঠাতে ডেকাল'ৰা এটাৰ প্ৰতিকৃতি এটা মনলৈ অহাৰ লগে লগে তাইৰ গাল-মুখ ৰঙা পৰি উঠিল।

এনেতে তাই বাঁওভৰিৰ তলুৱাত বিষ বিষ ভাব এটা অনুভৱ কৰি লোটাটো আৰু কল দুটা এঠাইত থৈ ভৰিখন ওপৰলৈ দাঙি চাই দেখিলে, শুকান নিলাজী বনৰ কাঁইট এডাল ভৰিৰ তলুৱাৰ মঙহৰ মাজত সোমাই আছে।

নখ দুটাৰে চিকুটি চিকুটি হুলডাল উলিয়াই পেলাই বস্তুকেইটা হাতত লৈ তাই খৰখেদাকৈ যাবলৈ ধৰোতেই ওচৰতে মাত এষাৰ শুনি তাইৰ গাটো জিকাৰ খাই উঠিল। বাঁহজোপাৰ তলৰফালে চাই দেখিলে হাতত এছাৰি এডাল লৈ থিয় দি আছে পদ্মধৰ, যাৰ কথা অলপ আগতে হালবাই থকা মানুহবোৰৰ মাজত কল্পনা কৰি তাইৰ শৰীৰ ৰোমাঞ্চিত হৈ গৈছিল।

ভৰিত মঘা সোমালনেকি অ' থুপি? পদ্মধৰৰ মাতত মৰমৰ সুৰ।

মঘা নহয় নিলাজী বনৰ কাঁইটহে। থোকাথুকি মাতেৰে কথাষাৰ কৈয়েই বহুদূৰ আগবঢ়া ভায়েকৰ ফালে শঙ্কিত নয়নে এবাৰ চাই যন্ত্ৰচালিতৰদৰে তাই পদ্মধৰৰ কাষ পালেগৈ।

আজি হালনৈ নগলি হ'বলা?

হালৰ পৰাই আহিছোঁ থুপি। মাটি বোকা দিছো। কঠীয়াখিনি আনিবলৈ আহোঁতেই তোক দেখি....।' জাতিবাঁহৰ কোমল লেকেটি এডাল হাতত পকাই পকাই পদ্মধৰে উত্তৰ দিলে।

থুপিতৰাই তেতিয়াহে মন কৰিলে পদ্মধৰৰ গোটেই গাতে বোকাৰ প্ৰলেপ। গাল-মুখতো বোকাৰ ছিটিকনি। মূৰত জাপিটো আছে যদিও পিন্ধা কাছুটিখন তিতি বোকা পানীবোৰ কঙ্গাফুলৰ ওপৰেদি চিৰচিৰকৈ বৈ গৈছে।

হঠাতে পদ্মধৰৰ সোঁকলাফুলটোৰ ওপৰতে জেপেটিয়াই লাগি থকা চেলাপেটী জোকটোৰ ওপৰত চকু পৰি তাইৰ গাটো সিৰসিৰাই উঠিল। তাৰ ভৰিটো ৰাঙলী হৈ পৰিছে। কিন্তু তাৰ সেইফালে ভ্ৰুক্ষেপ নাই। সি তাইক লগ পোৱা, কথা পতাৰ আনন্দখিনিৰ মাজতে ডুবি আছে। জোকটোৱে থুপিতৰাৰ নিজৰ বুকুতে কামোৰা যেন লাগিল।

তাই জোকটোৰ কথা পদ্মধৰক কোৱাত সি একো হোৱা নাই ভাবত সেপ অকণ লগাই জোকটো একৰাই দূৰলৈ দলিয়াই দি কামোৰা ঠাইডোখৰ খজুৱাই খজুৱাই তাইক ক'লে, তোক বৰ ডাঙৰ কথা এটা ক'ব লগা আছে অ' থুপি। কথাটো তলে তলে শিপাই বহু দূৰ পাইছেগৈ। তই এইবোৰৰ একো ভু নেপাৱ। মই ৰাসৰ ৰাতিৰ কথাই চিন্তা কৰিছোঁ। ইয়াৰ বাহিৰে আন একো পথ দেখা নাই। পিছে মই ভাবিলেও তোৰ মতামতৰ ওপৰতহে সকলো নিৰ্ভৰ কৰিছে বুজিছ? পৰহিলৈ মই এনে সময়তে ইয়ালৈকে

আছিম। পিতায়েৰক জলপান দিয়াৰ ছলতে মোক লগ ধৰি মতামত জনাবি। এতিয়া যাগৈ যা।

থুপিতৰাই করুণ আৰু অসহায় দৃষ্টিৰে তাৰ্লৈ চাই বিনাবাক্যব্যয়ে বাঁহজোপাৰ তলৰ পৰা আঁতৰি আহি নিজৰ বাট ধৰি যাবলৈ ধৰিলে। যাওঁতে তাই কেইবাবাৰো বাঁহজোপাৰ তললৈ ঘূৰি ঘূৰি চাই গ'ল। আৰু নোহোৱালৈকে তাই দেখিলে পদ্মধৰে বাঁহৰ কোমল লেকেচি-তাল হাতত পকাই পকাই একান্ত মনে তাই যোৱাৰ ফালেই চাই আছে। এনে ভাবৰীয়া বতৰতো তাইৰ কপালেদি বিন্দু বিন্দু ঘাম ওলাই আহিল। দূৰৰ ফালে চাই দেখিলে ভায়েক মনেশ্বৰ সিহঁতৰ মাটি পাওঁ পাওঁ হ'লগৈয়ে। বাপেকে যদি একেলগে অহা দুটা মানুহৰ এটা কিয় পিছ পৰিল বুলি প্ৰশ্ন কৰে? কিজানি পদ্মধৰে তাইক লগ ধৰাৰ কিবা পঁজাল পায়? তাইৰ বুকুখন কঁপি উঠিল।

পদ্মধৰে নিজৰ মতামত তাইক জনালেও তাতে হয়ভৰ দিবলৈ তাইৰ সাহ হোৱা নাই। সিও কেৱল এটা কাৰণতে। সেয়া হ'ল চোৰ নাম ল'বলৈ তাইৰ ইচ্ছা নাই। কিন্তু ইমান প্ৰতিবন্ধকতাৰ মাজত সাহসেৰে বাট চিকুণাই ওলাই যোৱাও উলামুলা কথা নহয়। অতদিনে সেই পুৰণি বাটেদি গমন কৰি কাৰ কিমান হানি বিঘিনি হৈছে তাৰ হিচাপ সময়ৰ বুকুত টোকা হৈ আছেই। সময়েই সিহঁতৰ অন্তৰতো জগাই তুলিছে এনে ধৰণৰ ভাব। সেয়া হৈছে চিৰাচৰিত সেই সকলো বাটেই সকলোৰে বাবে কণ্টকহীন নহয়। সেয়েহে সিহঁতৰ মনত আজি এনে ধৰণৰ প্ৰশ্ন আহি পৰিছে, সিহঁতে জানো সেই কাঁইটীয়া বাটেদি বাট বুলিব?

কিন্তু নিজৰ ইচ্ছা-অনিচ্ছাৰ কথাবোৰ চিতাৰ ওপৰত তুলি দি সেই বাটেদি যাবলৈকে তাইক সকলো ফালৰ পৰা হেঁচা দিয়া হৈছে। হৰিহৰ বায়নৰ পুতেক সুনন্দলৈ থুপিতৰাক নিয়াৰ মন। সুনন্দহঁতৰ অৰ্থ সম্পত্তি প্ৰতিপত্তিক চাই বাপেকৰো দিয়াৰ ইচ্ছা। কিন্তু সুনন্দ মদাহী। তাৰ কাম-বনো নাই। ধিতিঙালি কৰি দিন কটোৱা, অ'ত

ত'ত জগৰ লগাই বুৰাই তাৰ বন। তাৰ ওপৰত মাতোতাও নাই। অকল সিমানেই নহয়। সি এজনী বিয়াও কৰাইছিল। কিন্তু তাই গিৰিয়েকৰ অত্যাচাৰত তিষ্ঠিব নোৱাৰি মাকৰ ঘৰলৈ উভতি যোৱা আজি দুবছৰেই হ'বৰ হ'লহি। বেচেৰী মাকৰো অৱস্থা তথৈবচ। বাঁৰী দুখুনী। ছোৱালীজনীৰ বাহিৰেও কেও কিছু নাই। মাটি বাৰী সা-সম্পত্তিৰ ফালেও আধ্যা। থুপিতৰাৰ বাপেকহঁতৰ মতে এইবোৰ দোষে পুৰুষক নেপায়। আনহাতে ছোৱালী জোঁৱায়ে নিলেও নিয়া, যমে নিলেও নিয়া।

আৰু পদ্মধৰ? সিহঁতৰ গাঁৱৰ ওচৰৰে ল'ৰা এই পদ্মধৰৰ লগত তাইৰ সকৰে পৰাই মনৰ মিল। পদ্মধৰৰ ভনীয়েক ৰাসন্তীৰ লগত তাইৰ বন্ধুত্বৰ সূত্ৰতে তাই সিহঁতৰ ঘৰলৈ অহা-যোৱা কৰিছিল। সেই অলমতে সিহঁতৰ মাজত এটা মিলাপ্ৰীতিৰ ভাব গঢ়ি উঠিছিল।

সৰুতে তাই পথাৰলৈ বাপেকক চাহ-জলপান, মলাধঁপাত দিবলৈ যাওঁতে পদ্মধৰে পদুমৰ চকা, শেলেকু, মকুৰা, নিকৰী আদি বস্তু বিচাৰি আনি তাইক খাবলৈ দিছিল। কেতিয়াবা একেলগে মাছলৈ গ'লেও থুপিতৰাই মাছ নেপালে পদ্মধৰে নিজৰ ভাগৰে দুটামান তাইক দিছিল।

ইমানেই নহয়। তাই পদ্মধৰৰ ঘৰলৈ গৈ প্ৰায়েই নৰিয়া পাটীত পৰি থকা তাৰ কফ-বেমাৰী মাকক পতি কৰিছিল। তাৰ মাকে মৰমতে তাইক বোৱাৰী বুলি জোকাইছিল। এইবোৰ সৰুকালৰ কথা।

ডাঙৰ হৈ অহাৰ লগে লগে কোনোবা এটা মুহূৰ্তত তাইৰ অন্তৰত তাৰ প্ৰতি আপোন আপোন ভাব এটা জাগি উঠিছিল। এসময়ত তাই উপলব্ধি কৰিছিল পদ্মধৰৰ বাহিৰে যেন পৃথিৱীত আন কোনো মানুহৰে অস্তিত্ব নাই। পদ্মধৰ কৰ্মী, সুঠাম আৰু সৎ। তাৰ ব্যক্তিত্বই তাইক আকৃষ্ট কৰিছিল। কিন্তু সিহঁতৰ মৰমক চিৰদিনৰ কাৰণে সাঙুৰি ৰখাৰ পথত প্ৰধান অন্তৰায় হ'ল পদ্মধৰহঁতৰ কুল।

তাই মাকক সকলো কথা খোলাখুলিকৈয়ে কৈছিল। মাকে প্ৰথমে মানি ল'বলৈ টান পাইছিল যদিও পাছত কোমল হ'ল। কিন্তু

সিহঁতৰ গাঁৱৰে কেইজনমান মুখিয়াল লোকে পূৰণি বাটপথৰ হাবি-জঙ্গলবোৰ কোনো পধ্যেই চিকুণাব নোখোজে। কোনোবাই এই ক্ষেত্ৰত কিছু কোমল হ'ব খুজিলেও এওঁলোকে নানা যুক্তি ফন্দিৰে ভেটা দিয়ে। সমাজত সকলো ফালৰ পৰা জুকলা বাপেকৰো হাবি-বন চিকুণাই ওলাই আহিবলৈ শক্তি নাই। গতিকে বাপেকে বাইজৰ লগতে সুৰ মিলাই সুনন্দৰ লগতে জীয়েকৰ বিয়া পাতিবলৈ পাঙি আছে। কিন্তু মাকেহে কথাটো হেঁাহকা পিছলা কৰি আছে। মাকৰ মতে জাতকুল মানুহে সৃষ্টি কৰি লোৱা কথা। বৰণত সুনন্দ সিহঁতৰ লগত একে হ'লেও সি অসৎ। কিন্তু আনহাতে পদ্মধৰ তলখাপৰ হ'লে কি হ'ব? তাৰদৰে গুণী জ্ঞানী, কৰ্মঠ ল'ৰা বিৰল। সি এক আদৰ্শ। তালৈ ছোৱালীজনী দিলে তাইৰ জীৱন মধুৰ হ'ব।

বাপেকে যুক্তি দৰ্শায়, সমাজ কেনেকৈ এৰো?

মাকেও উত্তৰ দিয়ে, এৰিবলৈ কোৱা নাই। কিন্তু এলাণ্ডুবোৰ গুচাওক।

এই দোধোৰ-মোধোৰ অৱস্থাৰ মাজেদিয়েই আজি এটা বছৰ অতিবাহিত হৈছে। কিন্তু গাঁৱত এতিয়া বুবু বাবাকৈ এনে ধৰণৰ কথা ওলাইছে যে সুনন্দই বোলে তাইক ধৰি নিব। পদ্মধৰকো ওপৰলৈ হাত মেলাৰ বাবে এপালি দিব।

দিনৰ পিছত দিন গাঁওখনৰ মানুহ এই বাটেৰেই পথাৰলৈ গৈ খেতি-বাতি কৰিছে। কিন্তু বাটটোৰ অৱস্থা একেই। গছৰ শিপাত উজুটি খাই কাৰোবাৰ ভৰিৰ নখ ছিগিছে। কাৰোবাৰ ভৰিত মৰা সোমাই চিৰদিনৰ কাৰণে ঘুণীয়া কৰিছে। কাৰোবাক চোৰাত, চামচৰিয়াই ডাকি, বাঘআচোৰা কাঁইটে ফালি, বৰল-মজাৰলি আমৰলি পকৱাই কামুৰি জীয়াতু ভুঞ্জাইছে। অথচ কোনেও হাবি-বন কাটি বাটটো অঁতাই নলয়। বা কোনোবাই অঁতাব খুজিলেও কিছুমানে প্ৰাচীৰৰূপে থিয় দিয়ে।

কিন্তু এই প্ৰাচীৰ আৰু কিমান দিন টিকিব? বাটটো এদিন মুকলি হ'বই। +

[ আমাৰ প্ৰতিনিধি পূজা সংখ্যা—ইং১৯৭৬ ]

# কালকণ্ঠ

হাস্পতালৰ সন্মুখৰ মুকলি পকা এডোখৰতে নিটাল মাৰি বহি একান্তমনে বিড়ি এটা হুপি থকা বৰুণৰ ফালে চাই মৃণালে উৎসাহেৰে ক'লে, অলপ বহ, চাহকে অনাওঁ। কৈয়েই মৃণালে জেপৰপৰা টকা এটা উলিয়াই আনি, সিহঁতৰ সন্মুখেদি সুহুৰিয়াই সুহুৰিয়াই খালী গিলাচ দুটা হাতত লৈ পাৰ হৈ যোৱা চাহ দিয়া ল'ৰা পোৱালিক মাতি আনি ক'লে, পোৱালি, আমাকো দুগিলাচ চাহ আনি দেচোন। এটা সক ল'ক আৰু এটা খালী গিলাচো আনিবি, বুজিছ?

পোৱালিয়ে চকুৰেই সন্মতিসূচক ইঙ্গিত এটা দি, মৃণালৰ হাতৰপৰা টকাটো লৈ সুহুৰিয়াই সুহুৰিয়াই হাস্পতালৰপৰা অলপ নিলগতে থকা সি কাম কৰা চাহৰ দোকানখনলৈ গ'ল আৰু কেইমিনিটমানৰ ভিতৰতে সকলোখিনি বস্তু লৈ হাজিৰ হ'লহি।

সুমিত্ৰায়ো এই দুদিনতে চিনাকি হোৱা নাৰ্চ দুজনীমানক মাত লগাই আহি ইতিমধ্যে সিহঁতৰ ওচৰতে লেপেটা কাঢ়ি ৰহিলহি। মৃণালে খালী গিলাচটোত দুয়োটা গিলাচৰপৰা অলপ অলপ চাহ নিজৰ বাবে ৰাখি, গিলাচ দুটা পৰম আগ্ৰহেৰে বৰুণ আৰু সুমিত্ৰালৈ আগবঢ়ালে।

ল'ফটোৰ ওপৰৰ বংচঙীয়া কাগজখন একৰাই দিয়াৰ লগে লগেই ল'ফটোৰ গাত গজি উঠা সেউজীয়া ৰঙৰ দীঘল দীঘল নোমবোৰ ওলাই পৰিল।

ল'ফটো ভেঁকুৰা অ'। ই ক'ৰপৰা আনিলে জানো? মৃণালৰ মনৰ উৎসাহবোৰ যেন হঠাতে হেৰাই গ'ল।

ফুকলীয়া ল'ৰা পাই দোকানীয়ে ঠগিলে। একো নহয় দে। মোহাৰিলেই ভাল হ'ব। বৰুণে সহানুভূতি জনালে।

তিনিও ল'ফৰ ওপৰৰ ভেঁকুৰখিনি হাতেৰে মোহাৰি, গৰম চাহত তিয়াই তিয়াই খালে। কিন্তু মৃণালে অন্তৰৰ কোনোবা এঠাইত কিবা এক দাৰুণ যন্ত্ৰণা অনুভৱ কৰিলে। কিবা এক নিবিড় আনন্দত টকাটো খৰচ কৰি সি চাহখিনি অনাইছিল।

এনেতে পানীকেঁচুৱাৰ কান্দোনৰ শব্দ ভাঁহি আহিল সুমিত্ৰাৰ কোলাৰপৰা। মৃণাল আৰু বৰুণে চাহ খোৱা এৰি সুমিত্ৰাৰ কোলাৰ ফালে অধীৰ আগ্ৰহেৰে লক্ষ্য কৰিলে। সুমিত্ৰায়ো চাহৰ গিলাচটো পকাৰ ওপৰতে থৈ, কাপোৰৰ মুৰাৰ মাজত সুমুৱাই ৰখা ফুলকলিহেন কেঁচুৱাটো আলফুলকৈ জোকাৰি জোকাৰি নিচুকাবলৈ লাগিল। চাহ খোৱা হ'লত বৰুণে খালী গিলাচটো পকাৰ ওপৰতে থৈ জেপৰপৰা এটকীয়া নোট দুখন উলিয়াই আনি মৃণালৰ হাতত দি ক'লে, হাতত মাত্ৰ টকা দুটাই আছিল। ৰাখি থচোন। মই উঠো। গোটেই বাঁতিটো অ'ভাৰটাইম কৰিলোঁ। আজিও বোলে অ'ভাৰটাইম কৰিব লাগিব।

মৃণালে আগ্ৰহেৰে টকা দুটা হাত পাতি লৈ জেপত ভৰাই থ'লে। তাৰ মুখৰপৰা কথা নোলাল। বৰুণ মটৰ মেকানিক। নিশকতীয়া দেহাৰে গধুৰ বস্তুৰ লগত দিন-ৰাতি প্ৰায় সমানে যুঁজি যুঁজি সি একেবাৰে ধেনুখনৰ দৰে কুঁজা হৈ পৰিছে। তথাপিও তাৰ এটা চাকৰিয়েই আছে। মাহেকৰ মূৰত নিয়মিতভাৱে কেইটামান টকা হাতলৈ আহে। চাকৰিটো থকা বাবেই তাক ঘৰৰ মালিক বা চুবুৰীয়া দোকানীয়েও সন্দেহ নকৰে।

কুঁজাকুঁজিকৈ খোজ কাঢ়ি কাঢ়ি বৰুণ গ'লগৈ।

ৰাস্তাতে ৰিক্সা এখন লওঁগৈ ব'ল সুমি।

কেঁচুৱাটোক আলফুলকৈ গাখীৰ খুৱাই থাকি তাৰফালে নোচোৱা-কৈয়ে উত্তৰ দিলে সুমিত্ৰাই, ৰিক্সা নেলাগে। খোজ কাঢ়িয়েই যাম।

নাই, খোজ কাঢ়ি যোৱা উচিত নহ'ব। কথাষাৰ কণ্ঠৰপৰা ওলাই আহোঁতে তাৰ যথেষ্ট কষ্ট হ'ল।

খোজ কাঢ়িয়েই যাম। কিমাননো বাট? সৌৰাহে কালাপাহাৰ।

মৃণালে একো নক'লে। মেডিকেলৰপৰা কালাপাহাৰলৈ কিমান দূৰ বাট—সেই হিচাপ তাৰ আছে। সুমিত্ৰায়ো সেই হিচাপ নজনা নহয়। তাই ইয়াৰে ছোৱালী। সকুতে মাকে এই অঞ্চলতে মানুহৰ ঘৰে ঘৰে চুৱা কাঁহী-বাটি ধুই, বন-বাৰী কৰি ফুৰোঁতে তায়ো প্ৰায়ে মাকৰ লগে লগে ফুৰিছিল। চেমনীয়া অৱস্থাতো ৰাস্তাৰ গোবৰ আৰু পেলনীয়া খৰি বিচাৰি পিতপিতাই ফুৰিছিল এইবোৰ ঠাইতে। মাক মৰাৰ পিছতে জীৱনৰ গতিধাৰা সলনি হৈ গ'ল যদিও সেইবোৰ ঠাইৰ লগত তাইৰ সম্বন্ধ এতিয়াও ছেদ হোৱা নাই। হ'লেও সৌৰাহে কালাপাহাৰ বুলি তাই যিটো সুৰত কথাষাৰ ক'লে, সেই সুৰৰ ভাষা সিও বুজি পায়। এই উপলব্ধিৰ মাজেদিয়েই চলি গৈ আছে সিহঁতৰ জীৱনৰ ৰথৰ চকৰি।

পোৱালিক গিলাচ তিনিটা চমজাই দি সিহঁত যাবলৈ উঠিল। মৃণালে কেঁচুৱাটো নিজৰ কোঁচলৈ আনিলে। কেনেবাকৈ নিজৰ শুকান হাড়কেইডালত খুন্দা লাগি কষ্ট পাই কেঁচুৱাটোৱে কান্দিব বুলি ভাবি সি সাৱধান হ'ল। সুমিত্ৰায়ো পিন্ধা কাপোৰ-কানিবোৰ ঠিকঠাক কৰি লৈ, বেচ উৎসাহেৰে অথচ লাহে লাহে গিৰিয়েকৰ কাষে কাষে খোজ দিলে। হাতত তাইৰ কাপোৰৰ টোপোলাটো।

দুদিনৰ আগতে সিহঁত হাস্পতাললৈ আহোঁতে বিক্সাতেই আহিছিল। তাই তেতিয়া খোজ কাঢ়িব পৰা অৱস্থাত নাছিল। হাস্পতাললৈ অহাৰ কথা তাই সপোনতো ভবা নাছিল। মাকহঁতেও হাস্পতাললৈ অহাহে নালাগে ধাইৰো সহায় নোলোৱাকৈয়ে সিহঁতক জন্ম দিছিল। মাকৰ মুখে এইবোৰ সঁচা সাধু সিহঁতে শুনিছিল। সময় চমু চাপি অহাৰ লগে লগে নিজৰ অকলশৰীয়া অৱস্থাটোৰ কথা ভাবি মাজে মাজে তাই ভয়তে পেপুৱা লাগিছিল যদিও তাৰ মাজতে ধৈৰ্য্য ধৰি আছিল। দিনটোৰ বেছিভাগ সময় মৃণাল থাকিব লগা হয় বাহিৰতে। পালে কাম কৰে আৰু কাম নথকা সময়খিনি

কাম বিচাৰে। সিও কিবা এটা আশঙ্কা কৰিয়েই সেইদিনা ঘৰতে আছিল আৰু ঘৈণীয়েকৰ লক্ষণ বাৰু যেন নেদেখি ততাতৈয়াকৈ তাইক হাস্পতাললৈ লৈ আহিল। ওচৰৰে ভাৰাঘৰ এটাত থকা কেৰামত বিস্মাৱালাও ভাগ্যক্রমে সেই সময়ত ঘৰতে আছিল আৰু কেৰামতে কথাটোৰ সম্ভেদ পাই নিজেই বিস্মাৰে মেডিকেলত থৈ গ'লহি। সি বিস্মাৰ ভাৰাও নল'লে।

হাস্পতাললৈ আহোতে সিহঁত গিৰিয়েক-ঘৈণীয়েক দুয়োটাই আহিছিল। যাওঁতেহে এয়া তিনিটা হ'ল। কি নাম থ'ব বাৰু ইয়াৰ? ৰজা, হীৰা? মাকে ভাবিলে।

একে সময়তে একেটা কথাকে বাপেকেও ভাবিলে। চিনাক্তকৰণৰ কাৰণে যি কোনো এটা নাম হ'লেই হ'ল। পোছাকী নামৰ প্ৰয়োজন কি? জীৱনৰ বাটত সিহঁতে যি হাবুডুবু খাইছে, তাৰো সেই একে গতিহে হ'ব। সুমিত্রাৰ মাক অৰ্থাৎ তাৰ শাহুৱেকে লোকৰ ঘৰত চুৱা কাঁহী-বাটি ধুই সন্ধিয়া নিজৰ ঘৰখনলৈ উধাতু খাই উভতি আহোঁতে এদিন বাটতে মটৰে চেপিলে। শহুৰেকেও সংসাৰৰ বোজা কঢ়িয়াব নোৱাৰি নিৰুদ্দেশ হ'ল। তাৰ নিজৰ মাক-বাপেকেও সংসাৰখনক সি চিনি উঠাৰ আগতেই তাক নিঠৰুৱা কৰি চিৰ-বিদায় ল'লে। সিহঁতৰ এই বংশধৰো সংসাৰলৈ আহিল যদিও তাৰো একে দশাহে হ'ব। পেটৰ জ্বালা নিবাৰণৰ কাৰণে ইও বলিয়া কুকুৰৰ দৰে ঘূৰি ফুৰিব লাগিব। কেউফালে আহাৰ, আমোদ-প্ৰমোদৰ মেলা। কিন্তু সিহঁতৰ বাবে এচিকটা আহাৰৰো অভাৱ। কেউফালে মাটি, ঘৰ, দালান, অট্টালিকা। কিন্তু সিহঁতৰ বাবে নিজাকৈ এচাহী মাটি, এডোখৰ চালিৰো অভাৱ। ইয়াক জন্ম দি মাথো সিহঁতে নিজৰ দুখৰ মাত্ৰাহে বঢ়ালে। তাৰো দুখৰ ভাগী হ'ল। কিন্তু? নাৰী-পুৰুষৰ মাজৰ সহজাত আকৰ্ষণ, জৈৱিক বাসনা, মিলন, সন্তান-জন্ম, জৰা, মৃত্যু—এই চক্ৰ, ইযে এক স্বাভাৱিক প্ৰক্ৰিয়া। কোনে জানে এই শিশুটিৰ অৱস্থা সিহঁতৰ দৰে গতানুগতিক

নহে ব্যতিক্রমো হ'ব পাৰে। সি অকল এখন মুখ আৰু এটা পেট লৈয়েই সংসাৰলৈ অহা নাই। কাম কৰিব পৰা দুখন হাত আৰু চিন্তা-চৰ্চা কৰিব পৰা মগজু ভৰা এটা মূৰো লৈ আহিছে। সিযে সিহঁতৰ নিচিনাকৈ ভাগ্যৰ ওপৰতে মূৰ দোঁৱাই লেকেচিয়াই লেকেচিয়াই জীৱনৰ বাট বুলিব, এনে কথা নহ'বও পাৰে। দুখৰ মাজতে এয়া সান্ত্বনা।

কিছুদূৰ আগবঢ়াৰ পিছত মনে নসহি সি পুনৰ ক'লে, সুমি, খোজ কঢ়াৰ অভ্যাস থাকিলেও এই গাৰে ইমান দূৰ বাট খোজ কাঢ়ি যোৱা কিন্তু উচিত নহয়। এইবুলি কৈয়েই উত্তৰলৈ বাট নেচাই ৰাস্তাৰ কাষতে ৰৈ থকা ৰিক্সাখনক সি মাতিলেই। কিন্তু সুমিত্ৰাই লগে লগেই ৰিক্সাৱালাটোক নাহিবলৈ কৈ, তাইৰ স্বভাৱসুলভ হাঁহিটো মাৰি গিৰিয়েকৰ কাষ চাপি আহি ক'লে, তোমাৰ যে ইমান ভয়! পিচে ইমান ভয় লৈ কেনেকৈ সংসাৰ চলাবা?

মৃণালে ভাবিলে, হওঁতে সুমিত্ৰাই এইষাৰ ঠিক কথাকেই কৈছে। সিহঁতৰ বাবে সাহসেইহে মূলধন। সাহসেই সিহঁতক ৰাখিছে। ভয়ক জিনিব পাৰিব লাগিব। জিনিছেও। কিন্তু পৰিস্থিতি বিশেষে সাহসেও হাৰ মানে।

সুমিত্ৰাই হাঁহি এটা মাৰি, কথাটো পাতল কৰি দি আকৌ ক'লে, তুমি একেটা কথাকে চিন্তা কৰি আছা? মই সঁচাকৈয়ে কৈছোঁ, খোজ কাঢ়িব পাৰিম। নাৰ্চ এজনীয়ে কি কৈছিল জানা? মই বোলে বেচ টান। ই হ'বৰ সময়তো মই নতুন তিৰোতাবোৰৰ দৰে হুলস্থুল কৰা নাই হেনো। ই হোৱাৰ অলপ পিছতেই মই স্বাভাৱিক হৈ পৰিছোঁ হেনো।

মৃণালে একো উত্তৰ নিদিলে। হিয়াৰ অতল তলিৰপৰা তপত হুমুনিয়াহ এটা ওলাই আহিল মাত্ৰ। সুমিত্ৰাৰ এই কথাকেইটাই তাৰ মনত একো বল যোগাব নোৱাৰিলে। এনেয়ে টান হোৱা আৰু এই দেহাৰে খোজ কাঢ়ি যোৱা একে কথা নহয়। সি সুমিত্ৰাৰ

মুখলৈ ভয়ে ভয়ে নিৰীক্ষণ কৰিলে। তাইৰ মুখখন উজ্জ্বল হৈ পৰিছে। অন্তৰৰ জোনাক মুখত বিকশিত হৈ পৰিছে। কিন্তু গাটো অসম্ভৱ শেঁতা।

তোৰ কষ্ট হৈছিল নেকি?

কৈছাহে!

এৰা, চেহেৰাটো দেখিয়েই মই অনুমান কৰিছিলোঁ। সিহঁতে আজি তোক ৰাখিবও পাৰিলেহেঁতেন।

কালিয়েই পঠাব খুজিছিল কিন্তু মই আপত্তি কৰাতহে।

বহুতো অকথিত কথা তাৰ হিয়াৰ গভীৰ তলিৰপৰা ওপৰ হুমুনিয়াহ আকাৰে ওলাই আহিল।

মনতে সি এটা হিচাপ কৰিলে। তাৰ হাতত থকা টকা দুটাৰ লগত বৰুণে দিয়া টকা দুটা লগ লগাই চাৰি টকা হ'ল। এই চাৰিটা টকাই সিহঁতৰ সম্বল। ক'ৰবাৰপৰা কেইটামান টকা ধাৰলৈ অনাৰো কোনো ৰাস্তা নাই। ৰাটৰ মানুহ বুলি ওচৰৰ দোকানীয়েও বাকী নিদিয়ে। মাহটোৰ যদি পোন্ধৰ দিন কাম কৰে, পোন্ধৰ দিন কাম বিচাৰি ফুৰে। অথচ সিহঁতৰ জীৱনৰ টুলুঙা নাও জোৱাৰৰ ঢৌৰ ফাঁকে ফাঁকে টলংভটং কৰি চলি গৈ আছে। নাও বুৰা নাই যদিও কোবাল ঢৌৱে, ধুমুহাই নাৱক বুৰাতকৈও অধিক কৰিছে।

তাৰ মূৰৰ ভিতৰতে অনেক যুক্তিয়ে থকা-খুন্দা লগালে। বিয়া এখন লোৱাই উচিত কাম হ'ব। সুমিত্ৰাই হাক দিছে যদিও সি তাকে মানি লোৱা উচিত হোৱা নাই। দেহাটো তাইৰে যদিও এই দেহাৰে খোজ কাঢ়ি যোৱা উচিত নে অনুচিত সেই গুৰুত্বপূৰ্ণ সিদ্ধান্তটো প্ৰকৃততে লোৱা উচিত সিহে। মাত্ৰ দুদিনৰ আগতে সন্তান জন্ম দি উঠা ছোৱালীজনীক গা-খালাচৰ পিছতে স্বাভাৱিক অৱস্থালৈ ঘূৰি অহাৰ বাবেই কোনোবা এজনী নাৰ্চে তাইক টান বুলি মন্তব্য কৰিলেও, সি তাকে মানি লোৱা উচিত হোৱা নাই। হাতত পইচা নথকা হ'লে অৱশ্যে কথা বেলেগ আছিল। বিয়াত

টকা আঢ়ৈটা যোৱাৰ পিছতো তাৰ হাতত টকা ডেৰটা থাকিব। কেতিয়াবাতো সিহঁতৰ হাতত এটা পইচাও নাথাকে। তথাপি জীৱনৰ ঘড়ী অচল হৈ যোৱা নাই। চলি গৈ আছে অনিশ্চয়তাৰ অনুপল-বিপল গণি গণি। নাইতকৈ এই ডেৰটা টকাই বহুত। সস্তীয়া হোটেলবপৰা এটকাৰে অকল ভাত কিনি আনি নিমখেৰে সিহঁত দুয়োটাই বাতি খাব। মাকৰ গাখীৰ আছে যেতিয়া কেঁচুৱাৰ কাৰণে চিন্তা নাই। তেতিয়াও তাৰ হাতত পঞ্চাশটা পইচা থাকিবগৈ। কালিলৈ সি নতুন কাম এটা পাই যাবও পাৰে। কিন্তু তাই নুবুজে। এনেবোৰ কথাত তাই সদায় আঁকোৰগোজ। খং উঠিব লাগিলে তাই কন্দাকটাই আৰম্ভ কৰি দিব, সন্দেহ নাই।

সি তাইক বুজালে, হাতত পইচা নাই বুলি চিন্তা হৈছে হ'বলা? পইচা আছে। তই অবুজ নহ'বি। বিস্রা এখন লও। তইতো তোৰ ভিতৰৰ যন্ত্রবোৰৰ অৱস্থাৰ কথা নাজান। তোৰ নাড়ী একেবাৰে ঢিলা হৈ আছে।

কিন্তু প্ৰবল যুক্তি দাঙি ধৰি সুমিত্ৰাই উত্তৰ দিলে, নেজানিলেও খোজকাঢ়ি যাব পৰা শক্তি মোৰ আছে নে নাই সেই কথা ভালকৈয়ে জানো। অবাবত টকা আঢ়ৈটা খৰচ কৰিবলৈ মই দিব নোৱাৰোঁ। মই খোজ কাঢ়িব পাৰিম। হাতত পইচা নথকা হ'লেতো খোজ কাঢ়িয়েই যাব লাগিলহেঁতেন। টকা আঢ়ৈটাৰে বহু কাম হ'ব। কেঁচুৱাৰ কাৰণে চোলা সিবলৈ এটুকুৰা কাপোৰ কিনিব পৰা যাব। টুপীও এটা লাগিব। ঠাণ্ডা পৰিলেই।

সিহঁত আগবাঢ়িল। কিছু সময় কাৰো মাতবোল নাই। কেঁচুৱাটোৰ কোমল মুখখনত মহ-মাখিয়ে কামুৰিব বুলি ভয় কৰি সি মাজে মাজে হাত এখনেৰে কেঁচুৱাটোৰ মুখখনৰ ওপৰত জোকাৰি গ'ল।

কাণিমুনি পোহৰত তাৰ ভবিহালৰ ফালে লক্ষ কৰি হঠাতে সুমিত্ৰাই প্ৰশ্ন কৰিলে, তোমাৰ ছেণ্ডেলযোৰ?

তাকে বেচিয়েইতো এই কেইদিন চলিছোঁ। বিবি কোম্পানী

এটাত চাইনবোৰ্ড লিখাৰ খবৰ এটা কালি পুৱাই বকণে দিছিল। কিন্তু মই যোৱাত দেখি কৰাৰ কাৰণে কামটো আনক দি দিলে।

সুমিত্ৰাই হুমুনিয়াহ এটা কাঢ়িলে। কালি ৰাতিপুৱা সি তাইৰ খবৰ ল'বলৈ হাস্পতাললৈ নগৈ পোনেই বিবি কোম্পানীটোলৈ যোৱাহ'লে কামটো সিয়েই পালেহেঁতেন, সন্দেহ নাই।

সিহঁত গৈ থাকিল। কিছু সময় কাৰো মাতবোল নাই। দুয়োৰে মন চিন্তাৰে ধুঁৱলী-কুঁৱলী আৰু দুয়োৰে মনৰ চিন্তাৰ জ্বালামুখীও একেটাই। সিহঁত এতিয়া ঘৰ-অভিমুখে ৰাওনা হৈছে হয়, কিন্তু ঘৰটো পোৱাৰ লগে লগেই যে সমস্যাও শেষ, এনে কথা নহয়। পেটৰ জ্বালা নিবাৰণৰ কাৰণে লাগে আহাৰ, লাজ আৰু জাৰৰপৰা ৰক্ষা পৰিবৰ কাৰণে লাগে কাপোৰ। আগতে সমস্যা আছিল দুটাৰ, এতিয়াৰেপৰা হ'ল তিনিটাৰ। য'ত আশ্ৰয় ল'বলৈ সিহঁত এয়া ৰাওনা হৈছে, সেই আশ্ৰয়ৰ স্থলো এনে এডোখৰ ঠাইত, য'ত নৰ্দমাৰ গেলা পানীৰ গোন্ধে বতাহ চৌবিছ ঘণ্টা উতলা কৰি ৰাখে, য'ত দিনে দিনে চকুত পৰে নতুন নতুন ভয়াল মুখ আৰু সন্দিহান চকু, আৰু য'ত প্ৰায়েই সংঘটিত হয় বহুতো ভয় লগা ঘটনা। সেই পুতিগন্ধময়, ভয়াল ঠাইৰে এটা সেমেকা জুপুৰি ঘৰত, মাহে দহ টকা ভাৰাৰ এটা কোঠাত সিহঁত থাকে। সেই কোঠাটোত আছে এখন বাঁহৰ চাং, এটা চৌকা আৰু কেইটামান খালী পাত্ৰ। আৰু আছে ভাৰাতীয়াই ভাৰা নিদি কিজানি পলাই যায়—সেই ভাবত মালিকৰ চোকা পহৰা।

সিহঁত গৈ আছিল লাহে লাহে এটা গলিয়েদি। কিছু সময় নীৰৱ।

ইতিমধ্যে এন্ধাৰবোৰে মহানগৰীখনক ছানি পেলাইছিল। বিজুলী-চাকিবোৰে নিজৰ অস্তিত্বক ৰক্ষা কৰিবলৈ এন্ধাৰবোৰৰ লগত প্ৰাণপণে যুঁজ কৰিছিল। সিহঁত গৈ আছিল লাহে লাহে ইখোজৰ পিছত সিখোজ পেলাই খোজ গণি গণি।

অকণমান ইয়াতে ৰওঁ দিয়ানা।

হঠাতে সুমিত্ৰাৰ মুখৰপৰা ওলোৱা দুৰ্বল মাতৰ এই আকস্মিক কথাষাৰত তাৰ বুকুখন কঁপি উঠিল। চলি গৈ থকা ভবিহাল আপোনা-আপুনি ৰৈ গ'ল। ধৈৰ্ণীয়েকৰ কাষ চাপি আহি ব্যগ্ৰ হৈ স্নেহসিক্ত মাতেৰে সি সুধিলে, সুমি, কিয় বাৰু? তই কষ্ট পাইছ নেকি?

নাইটোৰ তলতে ৰৰকৈ বিষাইছেচোন! মূৰটোও আচন্দ্ৰাই কৰা যেন লাগিছে।

এৰা, এনে অৱস্থাৰে তোক খোজকঢ়াই নিয়াটো মোৰেই ভুল হৈছে। মনৰ বলে আৰু কিমান জোৰ দিব? ব'ল, বিস্নাতে যাওঁ। এইবাৰ তই কিন্তু না নকৰিবি।

সুমিত্ৰাই সেমেকা চকুযুৰিৰে এন্ধাৰৰ মাজতে কেইপলকমান সময় গিৰিয়েকৰ চকুলৈ চাই থাকি কঁপা কঁপা মাতেৰে ক'লে, আৰু অলপ দূৰ যাব পাৰিম। অলপ আগৰপৰাই বিস্নাখন লম দিয়া। তেতিয়া কিজানি এটকা মানতে হ'ব।

মৃণালে চকু দুটা জোৰেৰে এবাৰ মুদি আকৌ মেলি দিলে। ওচৰেদি পাৰ হৈ যোৱা খালী বিস্নাখনক সঙ্কেত এটা দিয়াত বিস্নাখন ৰৈ গ'ল।

কেঁচুৱাটোৱে হঠাতে এবাৰ কেঁতকৰে শব্দ এটা কৰিলে। মৃণালৰ মনত এনে ভাব হ'ল, যেন কেঁচুৱাটোৱেও কিবা এটা কথা গভীৰভাৱে উপলব্ধি কৰিছে। সি যেন ক'ব—দেউতা, ময়ো এয়া দুখন শক্তিশালী হাত, উৰ্বৰ মগজু ভৰা এটা মূৰৰ উপৰিও নতুন প্ৰতিশ্ৰুতিও লৈ আহিছোঁ। তই অকলশৰীয়া নহয়।

[ মোৰ দেশ, বিশেষ গল্প সংখ্যা—ইং ১৯৭৮ ]

# নক্ষত্ৰৰ দৰে

আন ক'তো হাজিৰা নাপালে মানুহজনে ফুৰাকৈয়ে মাজে সময়ে মোৰ ঘৰলৈ আহে, মোৰ ঘৰৰ বাৰাণ্ডাৰ মজিয়াতে লেপেটা কাঢ়ি বহে আৰু মই নোকোৱাকৈয়ে বহুতো কথা বৰ আন্তৰিকতাৰে কৈ যায়।

মই মোৰ এই তিনিখোটলীয়া ঘৰটো বান্ধি ইয়াতে থাকিবলৈ লোৱা ওঠৰ বছৰেই হ'বৰ হ'লহি। ঘৰটো আৰম্ভ কৰোতেই দিনহাজিৰা কৰা কামালা হিচাপে তেওঁক লগাইছিলো আৰু তেৰোঁ তেতিয়া প্ৰায় কুৰি পঁচিছ দিনমান মোৰ ঘৰটোৰ কাম কৰিছিল। মোৰ লগত তেতিয়াই চিনাকি। মানুহজন তেতিয়া চফল ডেকা আছিল। তেতিয়া দিন হাজিৰা আছিল মাত্ৰ দুটকা।

তেওঁৰ ঘৰ ক'ত, কি নাম, কি ধাম এইবোৰ কথা বিতংকৈ নাজানিলেও মানুহজনক মোৰ কিবা এটা বৰ আপোন আপোন যেন লগা হ'ল। ঘৰটো সজা দিন ধৰি আজিৰ দিনটোলৈকে এই ওঠৰ বছৰৰ ভিতৰত পৃথিৱীখনৰ বহুতো পৰিৱৰ্তন ঘটিল। আমাৰ এই অঞ্চলত চলন্তি থকা তেতিয়াৰ দুটকা দিন হাজিৰাৰ ঠাইত এতিয়া কুৰি-বাইছ টকা হ'লহি। কিন্তু একো পৰিৱৰ্তন ন'হল এই মানুহজনৰ অৱস্থাৰ আৰু লগতে এক প্ৰকাৰ মোৰো। ঘৰ সজাওঁতে কামত লগোৱা সেই কুৰি-পঁচিছ দিনৰ বাহিৰেও এতিয়ালৈকে তেওঁ আৰু কমেও ডেৰকুৰি-দুকুৰি দিন মোৰ ঘৰত কাম কৰি দিছে।

যোৱা দুবছৰমানৰ ভিতৰতে মানুহজন বহু বুঢ়া হ'ল। ডাঢ়ি-চুলি পকিল। দাঁতো সৰিল। মঙহবোৰেও লোণ পমাদি পমি পমি শৰীৰৰ পৰা বিদায় ল'লে। থাকিল মাথো জেং জেং কৰে ওলাই পৰা হাড় কেইডাল, সিও বিদায় ল'ব নোৱাৰা বস্তু বাবেহে।

সেই ঘৰ সজা দিনৰ চিনাকিৰ সূত্ৰতে তেওঁ আন ক'তো কাম নোপোৱাৰ দিনা কেতিয়াবা মোৰ ঘৰলৈ ফুৰাকৈয়ে আহে আৰু আহোঁতেই যেতিয়া গম পায় যে চকোৱা দিয়া বা তেনে ধৰণৰ কিবা কাম আছে, তেতিয়া মোৰ ইচ্ছা অনুসৰিয়েই পিছদিনাখন সময়মতে আহি কামখিনি কৰি দিয়ে আৰু সন্ধিয়া পইচাকেইটা লৈ যায়। এনেয়ে ফুৰিবলৈ অহাৰ দিনাও মোৰ ঘৰৰ পদুলিমুখত গজা গহবা বন, কচু, বিহফুল আদি অলাগতিয়াল গছ-বন দেখিলেই মই নোকোৱাকৈয়ে মোনাৰ ভিতৰৰ পৰা দাখন সাউৎকৰে উলিয়াই আনি ঘপাঘপ কাটি দিয়ে। কোনো বিনিময় নিবিচাৰে। কেৱল আন্তৰিকতা।

যদিওবা দৰমহাৰ নামত, বয়সৰ এক নিৰ্দ্ধাৰিত সীমালৈকে নিয়মীয়াকৈ মাহে মাহে কেইটামান টকা অহাৰ মোৰ এটা ৰাস্তা আছে, যদিওবা দেখাত মোৰ নিজৰ অৱস্থা এই সাধাৰণ দিন হাজিৰা কৰি খোৱা মানুহজনতকৈ কিছু উৰ্দ্ধত, তথাপি চাবলৈ গ'লে মোৰ অৱস্থা আৰু তেওঁৰ অৱস্থাৰ মাজত বৰ বেছি তাৰতম্য নাই। কি কাৰণত নাজানো, মোৰ হৃদয়েও কিবা এক প্ৰশান্তিৰ জুৰণি অনুভৱ কৰে তেওঁলোকৰ ওচৰত থাকিয়েই আৰু মোৰ হৃদয়ত থকা এই আন্তৰিকতাৰ গোন্ধ পায়েই মানুহজন মোৰ ঘৰলৈ আহে। কিবা এক শান্তি পায় মোৰ ঘৰত। আহি কিবা এটা কথা ক'বলৈ বিচাৰে। থকাখিনিও হেকওৱাৰ কথা, ইমান খাটনিৰ যুৰতো নোপোৱা নোযোৱাৰ কথা। ফুটাই ক'ব নোৱাৰিলেও মানুহজনৰ অন্তৰৰ ভাষা মই ভালদৰে বুজি পাওঁ।

এই বস্তুৰ মহঙা দিনত দৰমহাৰ পইচাকেইটাৰে মোৰো নোজোৰে। হ'লেও মোৰ প্ৰাণ-মৰা অৱস্থা হোৱা নাই। অন্ততঃ দুবেলাৰ ভাত কেইটা আৰু দাইল-পানীকণকে যোগাৰ কৰি আছোঁ। কিন্তু এই মানুহজনৰ অৱস্থাটো দেখি এই মানুহখিনি কেনেকৈ জীয়াই আছে, সেই প্ৰশ্নটোহে মোৰ মনলৈ বাৰে বাৰে অহা হৈছে।

কেতিয়াবা মোৰ ঘৰৰ বাৰাণ্ডাৰ মজিয়াতে লেপেটা কাঢ়ি বহি মোৰ লগত কথা পাতি থাকিলেও তেওঁ খন্তেকপৰ তভক মাৰি থাকি, হুমুনিয়াহ একোটা কাঢ়ি কৈ উঠে, ঘৰত বা সিহঁতি কি খাইছে? ময়ো পঠাব পৰা নাই।

এদিন কথাৰ মাজতে তেওঁ মোক সুধিছিল, বাবুৰনো আচল ঘৰ ক'ত? ময়ো মোৰ জন্ম হোৱা আৰু ল'ৰালিৰ কালছোৱা কটোৱা ঠাইডোখৰৰ কথা ক'লো। তেওঁ সুধিলে, ঘৰত খেতিৰ মাটিবাৰী আছেনে? মই ক'লো সামান্য আছে। মই সুধিলো তোমাৰ? তেওঁ ক'লে, নাই বাবু। মাটিবাৰী নাই বাবেহে চহৰত হাজিৰা কৰিছোঁহি। একেবাৰেই যে নাছিল এনেও নহয়, এবিঘা মানেই আছিল। কিন্তু ৰাখিব নোৱাৰিলোঁ। আমাৰ বিপদো বেছি নহয়, বুলি কৈ তেওঁ হঠাতে বুৰ উত্তেজিত হৈ পৰিল।

মই তেওঁৰ অন্তৰত ভমক কৰে জ্বলি উঠা জুইকুৰাৰ কথা অনুভৱ কৰি নিমাতে ৰ'লোঁ। আমাৰ বিপদো বেছি নহয় বুলি কৈ তেওঁ যিটো কথা বুজাব খুজিছে, মই সেই কথা বুজিলোঁ। মই কিয়, সচেতন লোক সকলোৱেই এই কথা বুজিব। পাৰ্থক্য আগতে বহুতেই বুজা নাছিল বা বুজিবলৈ চেষ্টা কৰা নাছিল। আজিকালি এই কথা বহুতেই বুজা হ'ল বা বুজিবলৈ চেষ্টা কৰা হ'ল।

অলপ প্ৰকৃতিস্থ হৈ মানুহজনে ক'লে, বাবু, মাটিকণ যোৱা কুৰি বছৰেই হ'লহি। তেতিয়াৰে পৰাই হাজিৰা। কেতিয়াবা হাজিৰা পাওঁ, কেতিয়াবা নেপাওঁ। গাঁৱৰ ঘৰৰ ভেটিটোও লোকৰ। মালিকে সদায় যা যা কৰি থাকে। কোনদিনা ঘৰ ভাঙি দিয়ে ঠিকনা নাই। কিন্তু ক'লৈ যাওঁ? বনৰীয়া চৰাইটোৰো নিজাকৈ বাহ এটা থাকে। একেলেথাৰিয়ে তেওঁ কথাখিনি কৈ গ'ল।

শুনি মোৰ বৰ দুখ লাগিব। বনৰীয়া চৰাইটোৰো নিজাকৈ বাহ এটা থাকে। কিন্তু চৰাইতকৈয়ো উন্নত প্ৰাণী হৈয়ো, দেহভঙা খাটনি

কৰিও কিছুমানৰ নিজাকৈ ছালি এডোখৰো নাই। থকাবোৰকে আক লাগে। মাথোঁ যেনেতেনে গোটাব লাগে। কিন্তু তাৰ বাবে আন কাৰোবাৰ ক্ষতি হৈছে যদিও কোনো কথা নাই। একে মানুহ হৈও একে মানুহৰ প্ৰতি সহানুভূতি নাই। একে মানুহেই একে মানুহক বঞ্চিত কৰাৰ প্ৰতিযোগিতাত ব্যস্ত।

কিন্তু যি দেখিছোঁ, মানুহ যিমানেই সভ্যতাৰ ওপৰলৈ উথাইছে, হৃদয়ৰ দুৱাৰবোৰো ততোধিক বেছি সঙ্কুচিত হৈহে গৈছে। পিচে এই হৃদয় সঙ্কোচন কাৰ্য্য সম্ভৱ হৈছে হেকওৱাৰ ভয়ত নে আক বেছি আহৰণ কৰাৰ নিকৃষ্ট মানসিকতাত? প্ৰকৃতিৰ ওপৰতে নিৰ্ভৰ কৰি চলা জীৱবোৰৰ আহাৰ-আশ্ৰয়ৰ কোনোদিনে নাটনি নহয়। নাটনি হয় প্ৰকৃতিৰ বুকুৰ পৰা আঁতৰি গৈ কৃত্ৰিমতাৰ লেটাৰ মাজত পলুৰ দৰে সোমাই পৰা মানুহৰ।

কিছুদিনৰ পিছত এদিন বাটেদি যাওঁতে দেখিলো মানুহ এঘৰত কাম কৰি থকা অৱস্থাত এই মানুহজন। প্ৰকাণ্ড গছ এডালৰ টুকুৰা এডোখৰ বগৰাই অন্য ঠাইলৈ নিবলৈ আপ্ৰাণ চেষ্টা কৰিছে যদিও বলে পৰা নাই। শুকাই খাগৰি হেন হৈ পৰা বাহু দুখনিৰে ইমান প্ৰকাণ্ড গছডালৰ টুকুৰাটোক প্ৰত্যাহ্বান জনোৱা দৃশ্যটো দেখি মই খন্তেকলৈ হ'লেও তবধ নামানি নোৱাৰিলোঁ। ওচৰতে থিয় হৈ নিৰ্দেশ দি থকা অৱস্থাত আন এজন মানুহ। বোধহয় মালিক। মোৰ মনতে ভাব হ'ল, এই অকালবৃদ্ধ মানুহজনৰ শক্তিৰ জোখাৰে এইটো কাম নহয়। এইটো কাম কমেও দুজন ভৰ ডেকা মানুহৰ। কিন্তু পেটৰ তাগিদাতে মানুহজনে অকলেই কামটো কৰিবলৈ চেষ্টা কৰিছে। মোৰ মনটো কেনেবা কেনেবা লাগি গৈছিল।

প্ৰায় পাঁচ-ছয় মাহ মানেই মোৰ মানুহজনৰ লগত দেখা সাক্ষাৎ হোৱা নাছিল। এদিন হঠাতে ভেউ ওলালহি। হাতত থকা চট কাপোৰৰ উৱলি যোৱা মোনাটোৰ ভিতৰত লোকৰ হকে গা-খাটি দিওঁতেই জীৱন পাত কৰাৰ সাক্ষীস্বৰূপ ক্ষয় যোৱা দাখন।

তেওঁৰ ফটা মোনাটো আৰু এফাল ক্ষয় যোৱা দা, এই দুয়োটা বস্তুৱেই মোৰ চিনাকি। এই পাঁচ-ছয় মাহৰ ভিতৰতে তেওঁ বহু বুঢ়া হ'ল। পিন্ধা কাছুটিখনৰ বহু ঠাইতে ফটা বাবে টিকাৰ বহু অংশ মোৰ দৃষ্টিগোচৰ হ'ল। গাত এটা ফটা আৰু বাটিবলৈ ঠাই নথকা মলিয়ন বনিয়ন।

আহিয়েই পিৰালিৰ পকাতে লেপেটাকাঢ়ি বহি, মোনাটো ওচৰতে থৈ, আধাকটা ঠৰঙা ভাঢ়িবোৰ মোহাৰি মোহাৰি তেওঁ ক'লে, বহুদিন অহা নাই। বাবুৰ খবৰটোকে লৈ যাওঁ বুলিয়েই সোমালোঁ। এমাহমান আছিলোঁগৈ ঘৰত। বৰ টান নৰিয়া গ'ল। কোনো ৰকমেহে বাচিলো এইবাৰলৈ। অহা দুমাহ মানেই হ'লহি। পিচে আজিকালি অলপমান কাম কৰিলেই ভাগৰ লগা হ'ল, হাত-ভৰিবোৰ কঁপে। ঘৰত সিজনীয়ে আৰু কেইদিনমান জিৰাবলৈ কৈছিল। কিন্তু বহি থাকি সিহঁতক খুৱাও কি? নিজেও খাওঁ কি? করুণ চকু-যুৰিৰে মোলৈ চাই তেওঁ কৈ গৈছিল। ময়ো বোবাৰ দৰে হৈ তেওঁৰ মুখলৈকে চাই আছিলো। কি উত্তৰ দিওঁ? বুজনিৰ দ্বাৰা পেট নভৰে। মই তেওঁৰ মুখৰ কথাবোৰ শুনিবলৈ ইচ্ছা কৰো বুলি তেওঁ জানে আৰু সেই বাবেই মোৰ আগত কথাবোৰ কয়। কৈ কিবা এটা সান্ত্বনা বিচাৰে। জানে মই তেওঁক একো উপকাৰ কৰিব নোৱাৰোঁ।

দৰাচলতে এনেবোৰ কথা শুনিবলৈ ইচ্ছা কৰা মানুহৰ সংখ্যা কমেই। এনেবোৰ মানুহ যেন সমাজৰ আৱৰ্জনা, কালৰ সোঁতে যাক উটাই নিবৰ যোগ্য। কিন্তু মই ভাবো, তেওঁলোকক উটাই নিয়াৰ শক্তি কাৰো নাই। তেওঁলোক একো একোটা খুটিহে। এই মানুহজনেই সাক্ষী তাৰ। হাজাৰ দুৰ্যোগেও তেওঁক উটাই নিব পৰা নাই। তেওঁ যুঁজি আছে। দেহত শক্তি কম হলেও, যুঁজিবৰ জোখাৰে মনোবল আছে।

কিছুসময় নিটাল মাৰি থাকি তেওঁ ক'লে, মাহ শেষ হ'বলৈ এদিনহে বাকী। এই মাহত কাম পালো মাত্ৰ সাতদিন। পৰহিও

নাপালো। কালিও নাপালোঁ। আজিও নাপালো। বতৰ বেয়া। নিজে খাওঁতেই পোৱা পইচা কেইটা সাং হ'ল। ঘৰলৈকো পঠাব পৰা নাই। সিহঁতিবা কেনেকৈ চলিছে?

পৰিবাৰে দিয়া সান্দহ গুড়া কেইটাৰে চাহ কাপ বৰ তৃপ্তিৰে খাই নিজেই কাপ-বাটিযোৰা ধুই থৈ মানুহজন গ'লগৈ।

পিছদিনা মোৰ অফিচলৈ যোৱা ভালেখিনি সময় পলম হ'ল। চিটিবাছ ৰোৱা ঠাইডোখৰ পাওঁতেই চাৰে এঘাৰ বাজিলেই। চিটিবাছ ৰোৱা ঠাইতে মই চিটিবাছৰ কাৰণে অপেক্ষা কৰি থাকোতেই হাতত চট্ কাপোৰৰ টাপলি মৰা মানা এটা লৈ লৰ মাৰি ৰাস্তা পাৰ হোৱা অকালবৃদ্ধ মানুহ এজনলৈ মোৰ চকু গ'ল। ভালদৰে চাই দেখিলোঁ, সেই মানুহজন, ভগীৰথ। বুজিলোঁ তেওঁ আজিও কাম নেপালে।

[ আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ দ্বাৰা প্ৰচাৰিত ইং ১৯৮৭। অসমবাণী— ইং ১৯৯০ ]

# অদৃশ্য

হাতত কাঠৰ সৰু বাকচটোৰে সৈতে পানীৰ বটলটো আৰু ডুখৰি পীৰাখন লৈ জৰীয়া গাৰেই বলোভদ্ৰ লাহে লাহে ঘৰৰপৰা ওলাল তিনি আলিৰ মূৰলৈ বুলি উদ্দেশ্য কৰি। ভৰি থৰক-বৰক। এখন পুৰণি আৰ্চী, দুখন কেঁচী, দুখন ফণি, এডোখৰ ফিট্‌কিৰী, পেষ্ট, চাবোন, ব্ৰাছ আৰু এখন খুৰ সম্বলিত এই সৰু ৰং এৰোৱা কৌটিকলীয়া কাঠৰ বাকচটোৰে সৈতে পানীৰ বটলটো আৰু ডুখৰি পীৰাখনৰ ওজনকে তেওঁৰ সমস্ত পৃথিৱীখনৰ ওজন যেন লাগিল। যাওঁতে সতীৰ্থ প্ৰতিবেশী গোবৰ্দ্ধনে ৰিঙিয়াৰি সুধিলে, ডাক্তৰে কি ক'লে ?

বলোভদ্ৰই চাওঁ নেচাওঁকৈ গোবৰ্দ্ধনৰ ফাললৈ চাই, কওঁ নকওঁকৈ ক'লে, ঔষধৰ এখন দীঘল ফৰ্দ্দ। ইফালে ঘৰতো নাই এটাও ফুটা কড়ি। ঘটীটো বেচি, টকা দহোটা পাই তাকে ডাক্তৰক দি ফৰ্দ্দখন আনিলোঁ।

কৈ কৈ বলোভদ্ৰই তললৈ মূৰ কৰি মন্থৰ গতিৰে ইখোজৰ পিছত সিখোজ পেলাই আঁতৰাই গৈ থাকিল।

বলোভদ্ৰৰ একমাত্ৰ ল'ৰা মকৰন্দৰ আজি পোন্ধৰ দিন মানৰেপৰা অসুখ, টাইফইড্‌। যোৱা দুটা বছৰত বাকী দুটা ল'ৰাও আগা-পিছাকৈয়ে গ'ল এনেকৈয়ে। বচাব নোৱাৰিলে। মাকৰ ডিঙিৰ কাণৰ ৰূপৰ গহনা যি এডোখৰ আছিল তাকো বেচি চিকিৎসা কৰা সত্বেও।

পচা গলিটোৰপৰা ওলাই আহি বলোভদ্ৰই মুকলি আকাশৰ তলত উশাহ সলালে। গলিৰ ভিতৰৰ বন্ধ নলাৰ টেঙা টেঙা গোন্ধটো

তেতিয়াও বহু সময়লৈকে নাকত লাগি থাকিল। থৰক্ বৰক্ খোজেৰে তেওঁ আগুৱাই গৈ থাকিল। জ্বৰীয়া গা কাৰণেই বাটটো আগতকৈ বহু দীঘল যেন লাগিল।

হেলাই হেঁপাই দেহাটো টানি নি এটা সময়ত বলোভদ্ৰ গন্তব্য স্থানত উপস্থিত হ'লগৈ। দেখিলে, সগোত্ৰ বনমালীয়ে ভুখৰি পীৰাখনত টিকাটো পেলাই একান্তমনে গ্ৰাহকৰ চুলিকাটি আছে। কাষতে জমা হোৱা চুলিৰ থোপাটো দেখিয়েই বলোভদ্ৰই অনুমান কৰিলে, বনমালীয়েও বেছি গ্ৰাহক গোটাব পৰা নাই।

বনমালীয়ে চুলি কাটি থকা অৱস্থাতে এবাৰ কেৰাহিকৈ চাই বলোভদ্ৰক সুধিলে, কেইবাদিনৰো মূৰত ?

এৰা, নিজৰো অসুখ, ঘৰতো আহুকাল। কৈ সদায় বহা চিনাকি ঠাইডোখৰতে বাকচটো থৈ বলোভদ্ৰ মাটিতে বহি পৰিল।

এইখিনি ঠাইতে বহি বলোভদ্ৰই গ্ৰাহকৰ চুলিকটা ওঠৰ বছৰেই হ'লহি। ইয়াৰ আগতে ছাবিশটা বছৰ চুলি কাটিছিল বজাৰৰ ওচৰৰ চাৰি আলিৰ মূৰত। অৰ্থাৎ আজিৰ পৰা চৌচল্লিছটা বছৰৰ আগতে বজাৰৰ ওচৰৰ সেই চাৰিআলিৰ মূৰতে তেওঁ ব্যৱসায়ী জীৱন আৰম্ভ কৰিছিল। বাপেকে কৈছিল, ইয়াৰ হাতখন ভাল। এয়েই মূলধন। যিটো কাঠৰ বাকচকে আজিও তেওঁ জীৱিকাৰ সম্বল ৰূপে খামুচি ধৰি আছে, সেই কাঠৰ বাকচটো তেতিয়াই কৰোৱা। সেউজীয়া ৰং দিয়াই লোৱা বাকচটো। মনৰ মাজত এবাকচ সেউজীয়া আশা। বহুতো সপোন। এখন চেলুন খুলিব। ব্যৱসায় বঢ়াই নিব। যিটো ঘৰত বাস কৰিছে, সেই ঘৰটোৰো চাল উৰুখা, ঠাইডোখৰো বেয়া। দিনতে এন্ধাৰ, জেকা, পেচাবৰ দুৰ্গন্ধ। এজাকমান সাধাৰণ বৰষুণতে নৰ্দমাৰ পানী উঠি একাঠু হয়হি। সেই পানীকো পানী বুলিব নোৱাৰি। মানুহ, গৰু, ছাগলী, শুকৰৰ গেলা পেচাব আৰু অন্যান্য উচ্ছিষ্টৰ এক সংমিশ্ৰণ।

আশাৰ মাজেদিয়েই কেইবাটাও বছৰ পাৰ হৈ গ'ল।

আশাৰ মাজতে মজি থকা অৱস্থাতেই এদিন হঠাতে অপ্ৰত্যাশিত-ভাৱে দেউতাক ঢুকাল। বাপেকে ল'বালৈ আন একো থৈ যাব নোৱাৰিলে। থৈ গ'ল মাথোঁ কেইবাজনীয়া এটা ডাঙৰ পৰিয়াল আৰু এসোপা ঋণ। মূৰৰ ওপৰত হঠাতে আকাশীৰবগ ভাগি পৰিছিল যদিও তেওঁ ধৰিত্ৰীৰ বুকুতে খামোচ মাৰি ৰ'ল উটি ভাঁহি নোযোৱাকৈ।

ক্ৰমাম্বয়ে জঁয় পৰি অহা আশাবোৰকে লৈ তেওঁ এদিন বিয়া কৰালে। লাহে লাহে সংসাৰ বাঢ়িল।

যি ডোখৰ ঠাইকে আশ্ৰয় কৰি তেওঁ এটা পৰিয়ালৰ জীয়াই থকাৰ সপোন ৰচিছিল, সেই ঠাইডোখৰৰ পিছফালে এখন ডাঙৰ দোকান হ'ল। ভাল দোকানৰ সম্মুখত নৰসুন্দৰে ডুখৰি পীৰাত বহি জীৱিকা উলিওৱা দৃশ্যটো সুজীৱন যাপন কৰা সকলৰ বাবে সুখৰ নহয় কাৰণেই তেওঁক তাৰপৰা আঁতৰ কৰা হ'ল।

বহুদিন বহু ঠাইত বহি চুলি কাটিলেও সুচল ঠাইৰ অভাৱত তেওঁৰ ব্যৱসায় বেয়া হৈ আছিল। তাৰ পিছত বাছি ল'লে এই মধ্যমীয়া সুবিধাৰ ঠাইডোখৰ, য'ত আজি এইয়া তিতাকেঁহাৰে ভৰা ওঠৰটা বছৰে ইয়াতে বাগৰ সলাই আঁতৰি গৈছে।

ডুখৰি পীৰাখনতে বহি, সম্মুখৰ মাটিতে ব্যৱসায়ৰ সম্বল বাকচ আৰু পানীৰ ঘটলটো থৈ বলোভদ্ৰই আঁঠু দুটাৰ ওপৰত মূৰটো ভেজা দি ৰ'ল। দেহত বহুতো ভাগৰ। তথাপি বলোভদ্ৰই মাজে মাজে চকু দুটা মেলি সম্মুখলৈ চাই থাকিল মনত বহুতো আশাৰে, কিজানি কোনোবা গ্ৰাহক আহি সম্মুখতে বৈ আছেহি? ঘৰত কেইবাটাও প্ৰাণীৰ উপৰিও এটা সান্নিপাত জ্বৰত ভোগা ৰোগী। জীৱিকাৰ পথ অকল এই হাত দুখনেই। এই ষাঠিবছৰ বয়সত তেওঁ ঘৰত জিৰণি ল'ব লাগিছিল।

বহু সময়ৰ মূৰত এজন গ্ৰাহক আহি বলোভদ্ৰৰ সম্মুখত থিয় হ'লহি। তন্দ্ৰামগ্ন হৈ থকা বলোভদ্ৰই খকামকাকৈ উঠি পোন হ'ল। নিজে

বহি থকা পীৰাখন টিকাৰ তলৰপৰা একে আজোৰে উলিয়াই আনি, মোহাৰ এটা মাৰি গ্ৰাহকক বহিবলৈ দি, খপজপকৈ বাকচটোৰ ভিতৰৰপৰা কাপোৰখন উলিয়াই ভাঁজ খুলি গ্ৰাহকৰ গাত মেৰিয়াই দিয়ে। তাৰ পিচত বয়সে বেঁকা কৰা মেৰুদণ্ডডাল জোৰ কৰি পোন কৰি এহাতে কেঁচী আৰু এহাতে ফণি চলাবলৈ আৰম্ভ কৰিলে। কিন্তু হাতত কঁপনি। কেঁচী কোনোবাৰ চুলিত লাগে, কোনোবাৰ নেলাগে। তথাপিও বলোভদ্ৰই মন দৃঢ় কৰিলে। চিকিৎসাৰ কাৰণে বৈ থকা নৰিয়া, ঘৈণীয়েক আৰু দুজনী উঠন ছোৱালীৰে কড়ি এটাও নথকা ফুটা ঘৰখনত এই পঁয়সত্তৰটা পইচাৰ মূল্য বৰ কম নহয়। এটা দুটা বুদ্‌বুদ্‌ লগ লাগিয়েইতো হয় এখন বৃহৎ জলাশয়, এখন সাগৰ।

মনটোৰ লগতে বলোভদ্ৰই তুকুৰি চাৰিটা বছৰ কাল কেঁচী-ফণিৰ লগত চিনাকি হোৱা নিজৰ অভিজ্ঞ হাত দুখনো দৃঢ় কৰিলে। কিয়নো ঢিলাই দিয়াৰ অৰ্থই হ'ল পিছলি পৰা। কেইটামান পইচা নিব পাৰিলেই ল'ৰাটোৰ মুখত এটা ঔষধ পৰে। কিন্তু সেই কুমলীয়া জীৱনৰ খোজ কাঢ়িবলৈ প্ৰথম শিকা বিশেষ মুহূৰ্তটো অৱধি এই পৰ্য্যন্ত নিপিছলিবৰ কাৰণে সংগ্ৰামকে কৰি অহা বলোভদ্ৰই শেষ মুহূৰ্তত হাতৰ কঁপনিক চম্ভালিব নোৱাৰিলে। এটা সময়ত জীৱিকাৰ সম্বল হাতৰ কেঁচী-ফণিৰে সৈতে জৰীয়া বলোভদ্ৰই কঁপি কঁপি ধুমুহাত উভলা গছ বাগৰাদি গ্ৰাহকৰ গাৰ ওপৰতে ঢলি পৰিল। হ'লেও সম্পূৰ্ণ জ্ঞান নেহেৰুওৱা বলোভদ্ৰৰ মনে চিন্তা কৰিবলৈ ধৰিলে, ওচৰতে থকা বনমালীয়ে তেওঁক তুলি নধৰিবনে? কাৰণ বনমালীওতো ধৰিত্ৰীৰ বুকুতে খামুচি ধৰি কোনোৰকমে জীৱন বৰ্ত্তোৱা তেওঁৰে সতীৰ্থ

হয়ো, বলোভদ্ৰই যি ভাবিছিল সেয়েই হ'ল। কিন্তু অকল বনমালীয়েই নহয়, বনমালীৰ উপৰিও আৰু আন দুখন হাতেও তেওঁক সাৱটি ধৰি তুলি দিছে। অকল ইমানেই নহয়, আন এখন

হাতে খৰখৰকৈ তেওঁৰ তালুত চলু চলুকৈ পানীও সানি দিছে। জ্ঞান অজ্ঞানৰ সেই তন্দ্ৰালু অৱস্থাতে বলোভদ্ৰই এক মহা প্ৰশান্তি অনুভৱ কৰিলে এই ভাবি, তেওঁক তুলি ধৰা শক্তিও তেনেহ'লে এই ধৰিত্ৰীৰ বুকুতে সঞ্চিত হৈ আছে।

[ অসম বাণী ইং ১৯৮২ আৰু 'পূৰ্বা' নামৰ বঙ্গালী আলোচনীত বঙ্গালী অনুবাদ প্ৰকাশ ইং ১৯৮৬ ]

# শগুণ

দহ, বাৰখনমান গাঁৱৰ দ্বাৰা পৰিবেষ্টিত এইখন এখন সৰু কিন্তু সেয়ে উন্নয়নমুখী ঠাই য'ত এখন ভেঞ্চাৰ হাইস্কুল, এখন এম-ভি স্কুল, কৃষি বিভাগৰ এটা কাৰ্য্যালয় আৰু পশু চিকিৎসা বিভাগৰ এটা চিকিৎসালয় আছে। হাইস্কুল আৰু এম-ভিৰ শিক্ষক কেইজন, কৃষি বিভাগৰ ডেমন-ষ্ট্ৰেটৰজন আৰু পশু চিকিৎসা বিভাগৰ ফিল্ড এছিষ্টেণ্টজন এইখিনিয়েই হৈছে এই সৰু ঠাইখনৰ চাকৰিজীৱী লোক। হাইস্কুলৰ পৰা অলপ তিনিগজে হাটখোলা নামেৰে নামকৰণ কৰি লোৱা এডোখৰ ঠায়ো আছে। তাতে দহঘৰমান ব্যৱসায়ীৰ উপৰিও চমাৰ বজক নবসুন্দৰ বৃত্তিধাৰী কেইটামান পৰিয়ালো আছে। এই হাটখোলাতে প্ৰতি মঙ্গলবাৰে এখন ডাঙৰ হাট বহে। পুৱাৰে পৰা সন্ধিয়ালৈকে বাৰেবৰণীয়া মানুহেৰে হাটখোলা সেইদিনা দলদোপ হেন্দোলদোপ। এই সাপ্তাহিক বজাৰখনেই অঞ্চলটোৰ লোকসকলৰ প্ৰধান আকৰ্ষণ।

ইয়াৰে একমাত্ৰ হাইস্কুলখনত অঙ্ক আৰু বিজ্ঞানৰ শিক্ষক হিচাপে যোগদান কৰা মোৰ ছমাহো পূৰা হোৱা নাই। সেয়েহে ঠাইডোখৰৰ পৰিবেশৰ লগত মই এতিয়াও সম্পূৰ্ণৰূপে খাপ খাই পৰিব পৰা নাই। স্থানীয় লোকসকলৰ লগতো চা-চিনাকি হ'বলৈ আৰম্ভ কৰিছোঁহে।

মোৰ ঘৰ ইয়াৰ পৰা প্ৰায় পঞ্চাছমাইল দূৰৰ এখন ভিতৰুৱা গাঁৱত। গাঁৱৰ কিছুমান মানুহৰ উৎপীড়ন, কটু কথা, অশুভ ইঙ্গিত নীৰৱে হজম কৰি বিধবা আয়ে অকণো বিচলিত নোহোৱাকৈ অতি ধৈৰ্য্যেৰে আমি তিনিটা নাবালক ল'ৰা-ছোৱালীৰে সৈতে ঠুনুকা সংসাৰখন চলাই লৈ গৈছিল। আয়ে ঘৰতে এড়িপলু পুহি, সূতা কাটি কাপোৰ বৈ, হাটে-বজাৰে গৈ বিক্ৰি কৰিছিল মমো আয়ে নোকোৱাকৈয়ে লোকৰ বাৰীয়ে বাৰীয়ে পিতাপতাই ফুৰি এৰাগাছ

বিচাৰি আনি পলুক খুৱাইছিলোঁ। এৰি কাপোৰৰ টোপোলাটো কাষত লৈ পৰম উল্লাসেৰে মম্লো আইৰ লগতে হাটে-বজাৰে ঘূৰিছিলোঁ। আইৰ সেই দেহ ভাঙি অৰ্জা ধনেৰে পঢ়ি মই হাইস্কুলৰ পৰীক্ষাটো পাছ কৰি চহৰত বৰ্ডিংঘৰ কৰি থাকি, ভাত ৰান্ধি খাই পঢ়ি সন্মানেৰে সৈতে বি-এছ. চি. পৰীক্ষাটো পাছ কৰিলোঁ। কিন্তু পাছ কৰিও জীৱিকাৰ বাবে একো এটা সুবিধা কৰিব নোৱাৰি আকৌ আইৰে বোজা হলোঁ। কিন্তু আইৰো সেই আগৰ বল শক্তি নাই। কফ আৰু বাতত দেহ জৰ্জৰিত। বেছিভাগ সময়েই পাটীত পৰি থকা অৱস্থা। পইচাৰ অভাৱতে চিকিৎসাও কৰাবলৈ অক্ষম। ভাই ভনী হালৰো পঢ়া-শুনা নহ'ল। ভাইটো পঢাত বৰ চোকা আছিল। কিন্তু সামৰ্থৰ অভাৱতে সি দেৱলীয়া হ'ল।

খেতিবাতিকে কৰি ঘৰখন চলাবলৈকো মাটিবাৰী নাই। পিতৃ-ঋণৰ পৰা মুক্ত হওঁতেই বাপতিসাহন মাটিজমি সকলো সাং হ'ল। বেপাৰ-বাণিজ্য কৰি খাবলৈকো হাতত নাই অৰ্থ। লোকৰ মাটিজমি আধি চুক্তি লৈ আমি ভাই-ককাইহালে খেতিকে কৰি খাম বুলি মন বান্ধি আগ বাঢ়িছিলো। যদিও গাঁৱৰে ধনী কিঘৰে পঢ়া-শুনা জনা ল'ৰাই মাটি-বাৰী ফন্দী কৰি গ্ৰাস কৰিব বুলি জনৰৱ এটা উলিয়াই দিয়াৰ পিচত গাঁৱৰ কোনেও আমাক মাটি নিদিয়া হ'ল। সেই সময়ত কোনোবা মুহূৰ্তত মোৰ মনত এনে ধাৰণা হৈছিল যে পঢ়া-শুনা নকৰা হ'লেই হয়তো আমি আধিখেতি কৰিবলৈ মানুহৰ পৰা মাটি পালোহেঁতেন আৰু এমুঠি খাই লৈ জীয়াই থাকিব পাৰিলোহেঁতেন। কিন্তু পিচ মুহূৰ্ততে মোৰ মনৰ ভ্ৰম দূৰ হৈছিল। গাঁৱৰ কুচক্ৰী কিঘৰৰ মনত যে আমি কিছু সন্ত্ৰাসৰ সৃষ্টি কৰিব পাৰিছো ইয়ো ভালৰ লক্ষণহে। এই ব্যৱস্থাই আমাক ক্ৰমে ঐক্যৰ লক্ষলৈহে ঠেলি লৈ গৈ আছে।

কলেজত পঢ়ি থাকোতেই নিৰ্বাচনৰ সময়ত নিজৰ পঢ়া-শুনা ক্ষতি কৰি লগতে শক্তিও ক্ষয় কৰি পূৰ্বৰ আমাৰ গাৱঁৰে লোক

আৰু পিচত চহৰতে নিগাজিকৈ বহি লোৱা, নানা পথেৰে কমদিনৰ ভিতৰতে অগাধ সম্পত্তিৰ মালিক হোৱা শশধৰ উকিলৰ হৈ বহুতো খাটিছিলো। তেওঁৰ লগত বহু ঠাই ঘুৰিছিলোঁ। বহু মানুহক লগ পাইছিলোঁ আৰু বহুতো নতুন কথা জানিছিলোঁ। কথা আৰু পোছাকত হঠাতে অভাৱনীয়ভাৱে পৰিবৰ্তন ঘটাই তেওঁ ঠাই ঠাই মেল মিটিং পাতি ভাষণ দিছিল। এই ভাষণমালাত তেওঁ সমাজবাদ প্ৰতিষ্ঠা, দুৰ্নীতি নিবাৰণ আৰু গৰীবৰ মুক্তিৰ পথৰ কথা কৈছিল। কথাবোৰ শুনি বৰ আমোদ পাইছিলোঁ। গাঁৱৰ গৰীব মানুহখিনিয়েও হাততে স্বৰ্গ চুকি পোৱা যেন পাইছিল। তেওঁৰ পৰা ময়ো প্ৰতিশ্ৰুতি পাইছিলো এই বুলি যে মোৰ চাকৰি হোৱাটো সুনিশ্চিত কথা। কিন্তু নিৰ্বাচনত ৰাইজে তেওঁক নাকচ কৰিলে।

ময়ো এনেতে সন্মানেৰে সৈতে বি-এছ. চি. পৰীক্ষাটো পাছ কৰি উঠি তেওঁৰ কাষ চাপিলোঁ। কাৰণ নিৰ্বাচনৰ ফল বেয়া হোৱাৰ বাবেই যে তেওঁৰ শক্তি সামৰ্থৰ অৱনতি ঘটিছিল এনে কথা নহয়। তেওঁৰ হাত আছিল যথেষ্ট দীঘল। বহুতো বৰমূৰীয়াৰে লগত তেওঁৰ খাটিৰ। কিন্তু গ'লো যদিও তেওঁ তেতিয়া মোক অচিনাকিৰ দৰেহে ব্যৱহাৰ কাৰ স্থানীয় ল'ৰাবোৰে চাকৰিৰ মোহ এৰি ব্যৱসায়তহে লাগিব লাগে ধৰণৰ এটা বক্তৃতা দিলে। ময়ো কিবা এটা ব্যৱসায়তে ধৰো বুলি ভাবি বেঙ্কৰ পৰা ঋণ এটা লৈ দিবলৈ তেওঁকে খাটনি ধৰিলোঁ। কিন্তু তেওঁ এইবাৰ মোৰ পৰা ফিজহে বিচাৰিলে ময়ো তেওঁৰ সেই প্ৰাক নিৰ্বাচনী কালৰ প্ৰতিশ্ৰুতিৰ কথা সোঁৱৰাই দিয়াত তেওঁ অপমান বোধ কৰি মোক আইনৰ ভয় দেখুৱালে। গতিকে চাকৰি আৰু ব্যৱসায় সেই অনা সিমানতে দেৱাই, তিনি বছৰ সময় ঘৰতে বহি সময় আৰু শক্তিৰ অপচয় কৰাৰ পিচত ভেঞ্চাৰ হাইস্কুল এখনত বিজ্ঞানৰ চাকৰি এটাৰ সম্ভেদ পাই এইখিনি পালোহি আৰু ভাগ্যক্ৰমে চাকৰিটোও পালোঁ। দৰমহা কিমান পাম সেই বন্দবস্তি সম্পূৰ্ণ হ'বলৈ এতিয়াও বাকী।

থাকিবলৈ লৈছো স্কুলৰ কম্পাউণ্ডৰ ভিতৰতে বৰ্ডিং কৰি থকা দূৰৰ ল'ৰাহঁতৰ লগতে এটা সৰু জুপুৰি ঘৰত।

চাকৰিৰ কাল দুমাহ সম্পূৰ্ণ হ'বলৈ নৌ পাওঁতেই হঠাতে এই ঘটনাটো ঘটিল।

তেতিয়া ৰাতি কিজানি বাৰমানেই বাজিছিল। ৰান্ধি-বাঢ়ি খাই বই উঠি কিছুসময় চোতালতে বহি জোনাকৰ জুৰ লৈ উঠি বিছনাত পৰিছিলোহে। চিলমিলকৈ অকণমান টোপনিও আহিছিল। এনেতে হঠাতে পশ্চিমফালে মানুহৰ চিঞৰবাখৰ শুনি সাৰ পালোঁ। কোনোবাই আতুৰত চিঞৰিছে, পানী ঐ পানী। আতঙ্কত শিয়ঁৰি উঠিলোঁ। বানপানীৰ ধ্বংসলীলাৰ কথা কাগজে-পত্ৰই অনেক পাইছোঁ। স্কুল-কলেজত পঢ়ি থাকোতে থিয়েটাৰ ভেৰাইটিশ্ব কৰি বা ঘৰে ঘৰে গৈ দান বৰঙণি তুলি সাহায্যপুঁজিলৈ অনেকবাৰ আগবঢ়াইছোঁও। কিন্তু হ'লেও বানপানীৰ আচল তাণ্ডৱনৃত্যৰ দৃশ্য আগতে নিজ চকুৰে দেখা নাছিলো বা আতুৰত পৰা মানুহৰ চিঞৰ-বাখৰো নিজ কাণে শুনা নাছিলোঁ।

বৰ্ডিং ঘৰ এৰি বাকীবোৰ ল'ৰাৰে সৈতে যেতিয়া ৰাস্তা পাইছিলোহি তেতিয়া ধুমুহাৰ দৰে এটা হোহোৱনি শব্দ শুনিলো আৰু লগতে শুনিলো মানুহৰ চিঞৰ-বাখৰ আৰু কন্দা-কটাৰ শব্দ। মথাউৰি ভাঙি গোটেইখন যে ইতিমধ্যে সাগৰ হৈ পৰিছে সেইকথা বুজিবলৈ আমাৰ অকণো বাকী নাথাকিল।

আমি ৰিলিফৰ কামত ওলাই যোৱা সেয়া অষ্টম দিনৰ কথা। আমি হাইস্কুলৰ কেইবাজনো শিক্ষক আৰু ছাত্ৰই নাৱেৰে গৈ আছোঁ আৰু লগতে নিৰীক্ষণ কৰি গৈছো, কিজানি ক'ৰবাত বিপদত পৰা মানুহক ৰক্ষা কৰিব পাৰোৱেইবা? নাৱৰীয়া দুজনেও একান্তমনে বঠা মৰাত ব্যস্ত।

কিছু দূৰ আগবঢ়াৰ পিচত মানুহৰ চিঞৰৰ দৰে কিছুমান শব্দ ভাহি আহি আমাৰ কাণত পৰিলহি। আমিও সেই শব্দ অনুসৰণ

কৰি কোবেৰে সেইফালে আগুৱাই গলোঁ। ওচৰ পাই দেখোঁ যে এজোপা গছৰ ফেৰেঙণি এটাত সাৱটি ধৰি থকা অৱস্থাত এজন কংকালসাৰ মানুহ। অলপ দূৰতে মুধচ ওলাই থকা কেইটামান ঘৰ। ইয়াৰ বাকীবোৰ মানুহ বা আন জীৱজন্তু ক'লৈ গ'ল সেই কথা ঠাৱৰ কৰা আমাৰপক্ষে সম্ভৱ নহ'ল।

আমাক দেখা পাই মানুহজনে হাত বাউল দি মাতিলে।

নাও ওচৰ চাপিল। কিন্তু গছজোপাৰ কাষ চপাৰ লগে লগেই আন এটা দৃশ্যত চকু পৰি নাৱত যোৱা আমি আটাইকেইজন মানুহেই আতঙ্কিত হৈ উঠিলোঁ। একেজোপা গছৰে আন এটা ফেৰেঙণিত মেৰমাৰি থকা অৱস্থাত মেচমেচ কৰে ক'লা এটা প্ৰকাণ্ড ফেটী সাপ। সাপটোৱে আমাক দেখা পাই ফেট তুলি চালে। ইমান ডাঙৰ সাপ আৰু বিশেষকৈ এনে ভয়ঙ্কৰ ৰূপত মই আগতে দেখাই নাছিলোঁ। গতিকে স্বাভাৱিকতে মই বেছি ভয় খোৱাৰ কথাই। কিন্তু নাৱৰীয়া এজনে অভয় দি ক'লে বোলে কোনো ভয় নাই। একো অপকাৰ নকৰে। তাৰো বিপদৰ সময়।

সঁচাই নকৰিলেও। মানুহজন লাহে লাহে গছজোপাৰ পৰা নাৱলৈ নামি আহিল আৰু সাপটো কাঁড়পাট যোৱাদি গছজোপাৰ আৰু ওপৰলৈ উঠি গ'ল। সাপটোৰ ভয়ঙ্কৰ আকাৰ, তিৰবিৰোৱা চকু, লিকলিকীয়া জিভা আৰু তজবজীয়া স্বভাৱটোৰ দৃশ্য বহু সময়লৈকে মোৰ মনত সজীৱ হৈ থাকিল। একেজোপা গছৰে দুটা ডাঙৰ ফেৰেঙণি। এটাত মানুহ, এটাত সাপ। দুয়োটা ফেৰেঙণিৰ মাজৰ ব্যৱধানো সামান্য। কথাটো কিবা অদ্ভুত যেনহে লাগিল।

মানুহজনক নাৱত তুলি লৈ আমি আন এফালেদি যাবলৈ আৰম্ভ কৰিলোঁ। কিছুদূৰ আগবাঢ়িছোঁহে। এনেতে আমাৰ চকুত পৰিল আকাশত শনাই ফুৰা কেইটামান শগুণৰ ওপৰত। মনতে কিবা এটা সন্দেহ উপজিল। আমি নাৱৰীয়াক সেইফালে নাও নিবলৈ নিৰ্দেশ দিলো। বাঢ়নী পানীৰ ওপৰেদি কোঁ কোঁৱাই

নাও আগবাঢ়িল। কিছুদূৰ গৈ আমি এটা টিলা দেখা পালোঁ। দুবাকাচৰ পিঠিৰদৰে টিলাটোৰ মূৰটো পানীত কথমপিহে মূৰ্ত্তবাকৈ আছে।

ওচৰ পোৱাত দেখিলো টিলাটোৰ ওপৰত কেইবাটাও অস্থি-চৰ্মসাৰ গৰুৱে আশ্ৰয় লৈছে। কোনোবাটো আছে জলকা লাগি থিয় হৈ, কোনোবাটো শুই। টিলাটোৰ ওপৰত ঘাঁহ-বনৰ সঁচ নাই। কিন্তু এইবাৰো আকৌ আমাৰ আচৰিত হোৱাৰ পাল। টিলাটোৰ পাৰত নাওখন লগাৰ লগে লগেই এটা ভয়াবহ দৃশ্যৰ ওপৰত আমাৰ চকু পৰিল। এটা অস্থিচৰ্মসাৰ গৰু মাটিত চিতভলঙা খাই পৰি যন্ত্ৰণাত চটফটাৰ লাগিছে আৰু কেইবাটাও শগুণে তাক আগুৰি ধৰি জীয়াই জীয়াই খাবলৈ আৰম্ভ কৰিছে। গৰুটোৱে শগুণবোৰৰ আক্ৰমণৰ পৰা নিষ্কৃতি পাবলৈ নিস্ফল চেষ্টা কৰিছে। ইতিমধ্যে শগুণে গৰুটোৰ চকু দুটা কাঢ়ি নিছেই। বাকী কেইটা গৰুৱেও ভয়াৰ্ত্ত দৃষ্টিৰে শগুণবোৰৰ ফালেই চাই আছে।

দৃশ্যটো দেখি ৰব বেয়া লাগিল। নাৱৰ পৰা নামি আহি আমি আটায়ে হাত দাঙি হৈ হৈ শব্দ কৰি শগুণবোৰ খেদাত লাগি গ'লো। শগুণবোৰ উৰি গ'ল যদিও আঁতৰি নগ'ল। টিলাটোৰ ওপৰতে শনাই থাকিল। আমি সিহঁতক খেদিবলৈ বহু চেষ্টা কৰিলো যদিও আমাৰ চেষ্টা বিফল হ'ল। বন্দুক-বাৰুদৰ শব্দ শুনালেহে হয়তো সিহঁতে ভয়খাই ফৰিং-ছিটিকা দিলেহেঁতেন। কিন্তু আমিও হ'লো শুদাহাতৰ মানুহ। সিহঁতেও কথাটো নজনা নহয়। কিন্তু যদি সিহঁতক বেছিকৈ বাধা দিবলৈ যাওঁ তেনেহলে সিহঁতে যেন আমাকেই আক্ৰমণ কৰিবহি তেনে এটা সম্ভাৱনাহে পৰিলক্ষিত হ'ল। ৰিলিফৰ কামত যাওঁতে হাতত বন্দুক বাৰুদবো প্ৰয়োজন হ'ব পাৰে বুলি এটা কথা আজি নতুনকৈ অনুভৱ কৰিলোঁ। আমি গুচি গ'লেই যে সিহঁতজাকেই আকৌ আহি এটা এটাকৈ আটাইকেইটা গৰুকে জীয়াই জীয়াই ভক্ষণ কৰিবহি তাত অকণো সন্দেহ নাই। পিচে আমিও তাত বেছি

সময় ব'ব নোৱাৰোঁ। গৰুকেইটাক নাৱত তুলি আন ঠাইলৈ নিয়াও সম্ভৱ নহয়। গতিকে গৰুকেইটাক ৰক্ষা কৰিবলৈ আমাৰ কোনো উপায় নাছিল। গতিকে সিহঁতৰ নিজৰ অদৃষ্টৰ ওপৰতে অৰ্পণ কৰি আমি আমাৰ বাট লোৱাৰ বাহিৰে গত্যন্তৰ নাছিল।

এনে এটা দৃশ্য দেখি অহাৰ পিচত সাধাৰণতে মোৰ মনটো বিতৃষ্ণাৰে ভৰি পৰিছিল। কেম্পলৈ উভতি আহি মানুহজনক চমজাই দি ৰিলিফৰ বস্তু কিছুমান পুনৰ নাৱত ভৰাই লৈ আমি আকৌ আন একালেদি যাবলৈ সাজু হৈছোঁ। এনেতে নাৱৰীয়া এজনে আগবাঢ়ি আহি মোক ক'লে, মাষ্টৰ, হাতত টকা কড়ি আছে যদি সস্তাতে সোণ কিছু কিনি নথয় কিয়? এনে সুযোগ সততকাই নাহে।

কথাটো শুনি আচৰিত বোধ কৰি মই তেওঁক সুধিলো, সস্তাত সোণ।

পৰম উৎসাহেৰে নাৱৰীয়াজনে উত্তৰ দিলে, হয়, ক'ত পায় মই দেখুৱাই দিওঁ আহক।

কৌতূহল দমাব নোৱাৰি মই তেওঁৰ লগে লগে গলোঁ। আমাৰ কেম্পৰ পৰা মাত্ৰ কেইনলমান দূৰতে থকা এটা ঘৰৰ বাৰাণ্ডাত থিয় হৈ থকা এজন মানুহৰ লগত নাৱৰীয়াজনে কিবা কথা পাতিলে। মানুহজন দেখিয়েই কোন ঠাৱৰ কৰিবলৈ মোৰ অকণো অসুবিধা নহ'ল।

ঘৰটোৰ খোলা খিৰিকীখনৰ কাষতে বৈ পৰম কৌতূহলেৰে মই ভিতৰলৈ দৃষ্টি নিক্ষেপ কৰিলোঁ। দেখিলো কোমল গাদীখনৰ ওপৰত থম থম কৰে বহি আছে কপালত চন্দনৰ ফোঁট লোৱা কেইজনমান থ্‌লন্তৰ চেহেৰাৰ লোক। এজনৰ সম্মুখত এখন তৰ্জু। এজনৰ হাতত এডোখৰ কষটি শিল। সম্মুখতে মাটিত লেপেটাকাঢ়ি বহি আছে হাড়েছালে লগা ফটাছিটা কাপোৰ পিন্ধা কেইজনমান গাঁৱলীয়া মানুহ। কোঠাটোৰ একালে দেখিলো এদম কাঁহ পিতলৰ বাচন বৰ্তন। দুয়োপক্ষৰ মাজত সোণৰ দৰদাম চলিছে। এজন

গাঁৱলীয়া মানুহে সেহাই সেহাই কোৱা শুনিলো, কমেও ভৰিত এশকৈ দিয়ক। মৰাকহে মাৰেনে?

পাদীত বহি থকা ফোঁট লোৱা থুলন্তৰ চেহেৰাৰ এজন মানুহে পোম্পোৱাকৈ, গাঁৱলীয়া মানুহজনৰ কাণে চাই ভেকাহি মাৰি কৈছে, আশীতে দিয় যদি দে, নহলে যা।

গাঁৱলীয়া মানুহজনে কিছুসময় কেৰজেৰ কৰিও একো লাভ হ'ব যেন নেপাই শেষত আশী টকা দৰতে দিবলৈ ৰাজী হৈছে।

সোণ জোখা তজুখনলৈ চকু যোৱাত মোৰ মূৰ আৰু গৰম হৈ গ'ল। এতোলাতকৈয়ো বেছি ওজনৰ সোণখিনি বেপাৰী কেইটাৰ হিচাপত বাৰ অনাহে হ'ল আৰু বৰ্ত্তমান সোণৰ ভাও তোলাত চাৰে নশ টকা যদিও দুখীয়া মানুহজনে আশী টকা দৰতে দি যাবলৈ সাজু হ'ল। মই আৰু আচৰিত হ'লো যেতিয়া তোলাত আশী টকা হিচাপেও বাৰ অনা সোণৰ মূল্যৰ হিচাপ ওলাল মাত্ৰ পঞ্চাছটা টকা। চাঁত কৰে অথনি টিলাটোৰ ওপৰত দেখা সেই বীভৎস দৃশ্যটোলৈ আৰু গছজোপাৰ কথালৈ মনত পৰিল। মই আৰু ৰ'ব নোৱাৰিলোঁ। মোৰ সাতাইশ বছৰীয়া তেজ তপত ঘিউ উতলাদি উতলিবলৈ ধৰিলে। হাতৰ আস্তিন কোঁচাই লৈ গাঁৱলীয়া মানুহ কেইজনক উদ্দেশ্য কৰি বাৰাণ্ডাৰ পৰাই মই চিঞৰি উঠিলো, খবৰ্দাৰ, তোমালোক এনেকৈ নাযাবা। ইহঁতে তোমালোকক ঠগিছে।

[ অসমবাণী—ইং ১৯৭১ ]

# অনুক্ত

লাখনে পুলটোৰ এমূৰৰ নিমজ পকাকণৰ ওপৰতে ঢেৰাই মেৰাই পৰিলহি। এনেয়ে কালিৰে পৰা তাৰ গাটো বেয়া। তাতে আকৌ আজি ঠিকাদাৰৰ ধৰৰ লগুৱাটোৱে বৰকৈ মৰিয়ালে। সি বোলে নলা পাইখানাবোৰ ভালদৰে চাফা কৰা নাছিল। মেমচাহেবে চিঞৰি চিঞৰি লগুৱাটোক লগাই দিলে তাক মাৰিবলৈ আৰু লগুৱাটোৱেও এলচেচিয়ান কুকুৰটোৰ দৰে চোঁচামাৰি আহি তাক উৰাই-ঘূৰাই মৰিয়ালেহি।

তিনিটাকৈ ছেনিটেৰি পাইখানা চিকুটি চিকুটি চাফা কৰি আইনাৰদৰে চিকচিকীয়া কৰা, এবিঘামান মাটিৰ চৌহদটো সাৰি-পুঁচি ফু-মাৰি ভাত খাব পৰাকৈ পৰিষ্কাৰ কৰা আৰু নলা কেইটা ধুই ধাই ৰতৰতীয়া কৰা· ঠিকাদাৰৰ ঘৰত এই খিনিয়েই তাৰ দিনটোৰ কৰণীয় কাম। এইখিনি কাম নিয়াৰিকৈ কৰিবলৈকো কমেও তাৰ আধাবেলা সময়ৰ প্ৰয়োজন হয়। কিন্তু ইয়াৰ বাবে পাৰিশ্ৰমিক মাহে মাত্ৰ টকা দহোটাহে।

জুইৰ আওনিৰদৰে দাওঁ দাওঁ কৈ অবাধগতিত বাঢ়ি অহা বস্তু-বাহানিৰ দামত সিহঁত কমজুৰি মানুহ মখাতো জাহ গৈছেই, বচাওঁতা নাই, তাতে যদি আকৌ দেহা মাৰি অৰ্জা পইচা কেইটাও ঠিকমতে নেপায়? দিনমজদুৰৰো মজুৰি বাঢ়িছে। কিন্তু তাৰ মজুৰি পাঁচ বছৰৰ আগতে যি আছিল আজিও সেয়েই। দিন মজদুৰেও সময়মতে নিজৰ মজুৰিটো পায়। কিন্তু তাৰ দুমাহৰ মজুৰি আজিও বাকী। অতি বেয়া কামখিনিকে সিহঁতে কৰে। কিন্তু মাহেকৰ মূৰতো মজুৰিটো ঠিকমতে নাপায়।

দৈনন্দিন কৰাৰ দৰেই আজিও সি বেচ নিয়াৰিকৈয়ে কামখিনি কৰি উঠি তাৰ দুমাহৰ পাওনা পইচা কেইটা বিচাৰিছিলহে মাথোন।

জগৰ লাগিল তাতেই। নলা পাইখানাবোৰ ভালদৰে চাফা নকৰা কথাটো এটা অজুহাতহে মাত্র। সি লগুৱাটোক কৈছিল মাইজীক তাৰ দুমাহৰ পাওনা পইচাকেইটা আদায় দিবলৈ ক'বলৈ। লগুৱাটোৱে উত্তৰ দিছিল, মাইজী এতিয়া কামত ব্যস্ত আছে। আজি মিস্তৰ জন্ম দিন। সি কৈছিল, জন্ম দিনৰ কামটোতো আবেলিলৈহে হ'ব। এতিয়া দহ বাজিছেহে। মোৰো পইচাৰ বৰ দৰকাৰ। ঘৰত খুদকণ এটাও নাই।. আমিতো দোকানৰ বাকীও নাপাওঁ।

মেমচাহেবেও ওপৰ মহলাৰ পৰা সিহঁতৰ সকলো কথাই শুনি আছিল। শুভকামত বাধা জন্মাইছহি, নলা পাইখানাবোৰো ভালদৰে চাফা কৰা নাই বুলি গালি-গালাজ কৰি লগুৱাটোক লগাই দিলে তাক মাৰিবলৈ, আৰু লগুৱাটোৱেও কথা নাই, বতৰা নাই, হাতত ৰাইদাংডাল লৈ খেদি আহি তাক উৰাই ঘূৰাই মাৰিলেহি।

মাৰ খাই উঠি সি তিনি আলিৰ পুলটোৰ ওপৰতে বহুসময় জলকা লাগি বহি থাকিল। গাটোত এনেয়ে কালিৰে পৰা জ্বৰ জ্বৰ ভাব, তাতে আকৌ এই দুৰ্ঘটনা। কেইদিনমানৰ আগতে সি ধৰাধৰিকৈ ৰেলষ্টেছনৰ পৰা লাচ এটা কঢ়িয়াই নিছিল। কেইবা-দিনো মৰি পৰি থকা ভিক্ষাৰীৰ লাচ। ওৱাৰিচ নোহোৱা। সি তাৰপাছত কেইবাদিনলৈকো একো এটা বস্তু খাব পৰা নাছিল।

মাৰৰ কোবত ছাল ফাটি তেজ বিৰিঙি উঠা দেৰদেৰীয়া ঘা কেইডোখৰৰ ওপৰত আঙুলিৰ পৰশ বুলাই বুলাই সি নিজকে সান্ত্বনা দিবলৈ চেষ্টা কৰাৰ লগতে চিন্তাও কৰিলে, ঘা কেইডোখৰ পকধৰা মানেই সৰ্বনাশ হোৱা। পেটৰ চিন্তাতে সিহঁত জৰ্জৰিত। তাতে যদি আকৌ ঔষধ-পাতিৰ চিন্তাও আহি যোগ হয়হি? তদুপৰি পৰিথকা মানেই উপাৰ্জন নোহোৱা। দিনে অৰ্জা দিনে খোৱাই সিহঁতৰ জীৱন। দেহ যন্ত্ৰৰ ক'ৰবাত অকণমান বিজুতি ঘটা মানেই চিকিৎসাৰ অভাৱত বিকল হৈ বহুদিনলৈ পৰি থকা। ভাল চিকিৎসাই হওক বা ভালকৈ পেটৰ ক্ষুধা নিবাৰণেই হওক

এইবোৰ কথা সিহঁতৰ বাবে কেৱল আকাশ কুসুম। সিহঁত মখাইতো বিচাৰিলে ভিক্ষাও নেপায়, সাহায্যতো দূৰৰ কথা।

কিছুসময় বহি নানান চিন্তাত নিমগ্ন হৈ মনটোক বুজনি দিয়াৰ পিছত আকৌ উঠি গৈ সি দৈনন্দিন কৰাৰ দৰেই কলেজ হাষ্টেলৰ নলা পাইখানাবোৰ চাফা কৰিলে। তাৰপিছত হোষ্টেলৰ বাহ্ধনিয়ে পেলাই দিয়া মুৰগীৰ নাড়ী, ভুৰু, ঠেং, ঠোঁটবোৰ আটোমটোকাৰিকৈ সামৰি সুতৰি লৈ আকৌ তিনি আলিৰ পুলটোৰ ওপৰতে বহি দিনটোৰ বিপদটোৰ পৰা কেনেকৈ পৰিত্ৰাণ পোৱা যায় তাকে চিন্তা কৰিলে। দিনটোত যথেষ্ট খাটনি হ'ল তাৰ, কিন্তু বিনিময়ত এটা পইচাও হাতলৈ নাহিল। হোষ্টেলৰ পইচাও মাহেকৰ মূৰতহে। ঠিকাদাৰৰ ঘৰৰ ওপৰতেই বহু ভৰসা কৰি সি ওলাই আহিছিল। ঘৰতো ছুটাকৈ বুঢ়া পেটে কলমলাই কলমলাই সি যোৱালৈকে বাটচাই বৈ আছে। যোৱা ৰাতিয়েই যি খাইছিল, এতিয়ালৈকে এইকণেই একমাত্ৰ আহাৰ।

বহু চিন্তা কৰিও কোনো পাৰ নাপাই শেষত সি কেঁচা পাইখানা চাফা কৰিবলৈ সস্তাত জামাদাৰ বিচৰা মানুহঘৰলৈকে খোজ ল'লে। কামটো চাইচিতি সি বিচাৰিলে টকা দহোটা। কিন্তু মালিকে দিয়ে মাত্ৰ টকা তিনিটাহে। কয়, কৰ যদি কৰ, নকৰিলে যা। কৰা মানুহৰ অন্ত নাই।

কিন্তু এইটোও যে এটা সুন্দৰ ভাবুকিহে মাত্ৰ, এই কথা বুজিবলৈকো তাৰ অকণো সময়েই পলম নহ'ল। এই অন্ত নোহোৱা মানুহ কেইটা, সিহঁত জুকলা কেইটাই নহয় জানো? কিন্তু কামটো ইমানেই বেয়া যে কেইটামান জামাদাৰে কুৰি টকাৰ তলত কৰিবলৈ অমান্তি হোৱাৰ কথাটো সিও জানে। সি দহটকাতে কৰিবলৈ ওলাইছিল মাত্ৰ ঘৰত এটিও খুদকণ নথকা আৰু কৰোপৰা এমুঠি চাউলো ধাৰলৈ পাবলৈ ৰাস্তা নথকা কথাটোৰ কাৰণেহে। সদায় পাটাতে পৰি পৰৰ মুখলৈকে চাই চাই কাল ক্ষণ গণা অকাল বৃদ্ধ

বেমাৰী মাক-বাপেকহালৰ লগতে নিজৰো লঘোণীয়া পেটটোৰ কথা গভীৰভাৱে চিন্তা কৰি সি পাঁচ টকালৈ বঢ়াবলৈ কাবৌ-কোকালি কৰিও বিমুখ হৈ শেষত তিনি টকাতে কৰিবলৈ বাধ্য হ'ল। এক-মাত্ৰ সান্ত্বনা, দিনটোৰ সংকটটো কোনোৰকম পাৰ হ'লেই হ'ল।

মুৰগীৰ নাড়ী-ভুৰু, ঠেং-ঠোঁটখিনি কুকুৰ মেকুৰীয়ে টানি উলিয়াই নিব নোৱাৰাকৈ ইটা কেইচপৰা মানৰ তলত অতি সাৱধানে সুমুৱাই ৰাখি সি কামত ধৰিলেগৈ। কিন্তু কাম'টো ইমানেই বেয়া যে তাৰ নিজৰে পেটৰ নাড়ী-ভুৰুবোৰ ওলাই আহো আহো হ'ল। ইমান কম পইচাত ইমান বেয়া কাম এটা কৰিবলৈ মাস্তি হোৱাৰ বাহিৰে গত্যন্তৰ নোহোৱা কথাটোকে গভীৰভাৱে চিন্তা কৰি তাৰ নিজৰ ওপৰতে ধিক্কাৰ উপজিল।

কামটো সম্পূৰ্ণ কৰোঁতে তাৰ পুৰা দুঘণ্টা সময় লাগিল। নৰ্দমাৰ গেলা পানীত লেতেৰা হাত-ভৰি কেইটা ধুই আহি, পিছল হাত দুখন কাছুটিখনত মোহাৰি লৈ, মালিকে দলিয়াই দিয়া টকা তিনিটা আৰু মুৰগীৰ নাড়ী-ভুৰুখিনি অতি সাৱধানে হাতত লৈ, কোৰখন আৰু ঝাৰুডালো কান্ধত তুলি লৈ বেগাই সি ওচৰৰে গেলামালৰ দোকান এখনলৈ গ'ল। তাতে এক কিলো চাউল, দহ পইচাৰ নিমখ আৰু দহ পইচাৰ শুকান জলকীয়া কিনি লৈ খৰ-খেদাকৈ ঘৰলৈ পোনালে।

কিন্তু ঘৰ আহি পোৱাৰ লগে লগেই তাৰ কীৰকঁপে জ্বৰ উঠি আহিল। বয়-বস্তুখিনি কোনো ৰকমে ভিতৰত থৈ আহি চোতালত বস্তা এখন পাৰি লৈ লৰালৰিকৈ তাতেই বাগৰ দিলে। গাৰ ওপৰত এখন ফটা নিহালি। কিন্তু নিগালিখনো ইমানেই পুৰণি যে ইয়াৰ জাৰ নিবাৰণৰ অকণোৱেই ক্ষমতা নাই। ইফালে জাৰতো তাৰ প্ৰাণ যাওঁ যাওঁ। উপায় নাপাই সি আঁঠু দুটা বুকুৰ ওচৰলৈ যিমান পাৰে কোচাই আনি চকু দুটা মুদি কুঁচিমুচি থাকিল। একুৰা জুই কোনোবাই ওচৰতে ধৰি দিয়া হ'লে তেতিয়াও সি

কিছু তত পালেহেঁতেন। কিন্তু সিও জানে যে একুৰা জুই ধৰি দিব পৰা সক্ষম প্ৰাণী এটা ঘৰখনত নাই।

এনেতে সি নিচেই ওচৰতে কিবা এটা প্ৰাণীৰ পায়চাৰিৰ শব্দ শুনি চকুৰ পিৰিকটি দুটা অকণমান মেলি, চাওঁ নেচাওঁকৈ চাই দেখিলে যে বাটৰ কিনাৰৰ গেৰেকনিত ময়লা খুচৰি থকা সিহঁতৰ ওচৰ চুবুৰীয়া ঘৰৰে নোদোকা গাহৰিটো তেতিয়া তাৰ গাৰ নিচেই ওচৰতে বৈ আছে। কোন তলকতনো গাহৰিটো আহি এইখিনি পালেহি সি গমেই ধৰিব নোৱাৰিলে। লগে লগে এটা প্ৰশ্নই বাৰে বাৰে তাৰ মনত দোলা দিবলৈ ধৰিলে, কিয় আহিল গাহৰিটো? তাৰ মনত যেন এক অজান বলে অকলশৰীয়া ভাবটো নাশ কৰিলে।

গাহৰিটোৱেও সি চাই থাকোঁতেই নোকনোকাই নোকনোকাই তাক দুবাৰমান শুঙি লৈ তাৰ গাৰ নিচেই ওচৰতে বাগৰ দিলে। কথাটো কিবা অভাৱনীয় যেন লাগিল তাৰ মনত। গাহৰিটোৰ গাৰ খহটা ছালখনৰ ওপৰত লাগি থকা ঠৰঙা নোমবোৰে জাৰত জৰ্জৰিত হোৱা তাৰ দেহাটো স্পৰ্শ কৰিলে। তাৰ খুউব উম লাগি আহিল। চুচৰি চুচৰি গাহৰিটোৰ আৰু কাষলৈ যাবলৈ তাৰ মনত প্ৰবল ইচ্ছা জন্মিল। যেন তাক বুকুৰ মাজত সাৱটি ধৰিব। কিন্তু তাৰ জৰীয়া গাটোত ইমানেই কঁপনি আৰু শৰীৰটোও ইমানেই অসাৰ যে নিহালিখনৰ তলৰ পৰা হাতখন উলিয়াই আনিবলৈকো গাত অকণোৱেই শক্তি নাই। হঠাতে তাৰ মনত এনে এটা কথাও খেলালে যে ঠেকা লাগিলে ভয়খাই জানোচা গাহৰিটোৱে পলাই গুচি যায়গৈ? কাৰণ সিওটো এটা অমাত-অবোধ জন্তুহে।

কিন্তু লগে লগেই সি আশ্বস্ত হ'ল এই ভাবি যে অমাত-অবোধ হোৱা বাবেহে জীৱন মৰণৰ সন্ধিক্ষণৰ সময়ত সি আহি উপস্থিত হৈছেহি। সজ্ঞান মানুহেও সিহঁতৰ প্ৰয়োজনৰ কথা নুবুজে। অথচ অবোধ-অমাতৰ জীৱে তাৰ অন্তৰত অনুভূতিৰ কথা বুজি পাইছে। অকল বুজি পোৱাই নহয়, তাৰ বিপদৰ বন্ধু হিচাপে গাৰ

কিনাৰতে কাটি হৈছেহি। গতিকে মানুহ আৰু এই অবোধ-অমাতৰ জীৱ, দুয়োৰে মাজত আপোন কোন?

হঠাতে তাৰ মনত বিজুলীয়াই গ'ল, একে তেজ মঙহৰ মানুহৰ পৰা দিনটোৰ ভিতৰত লাভ কৰা অভিজ্ঞতাৰ কথাবোৰ। প্ৰাপ্য বিচাৰিলেও মাৰকিল, বঞ্চনা। সিহঁত দলিতবোৰক বঞ্চিত কৰিছে নিয়তিয়ে নহয়, মানুহৰ লগৰে এচাম মানুহেহে। তাৰ গাৰ নোমবোৰ শিয়ঁৰি উঠিল। তাৰ বিদ্ৰোহ কৰিবৰ মন গ'ল। কিন্তু আকৌ হঠাতে মনত এক প্ৰশ্ন জাগিল, বিদ্ৰোহ কৰিব কেনেকৈ বা কাৰ বিপক্ষে? শিল গুৰিয়ালেযে নিজলৈহে হানি।

কিন্তু সি তাৰ মনৰ এই জটিল প্ৰশ্নটোৰ উত্তৰো যেন লগে লগে পাই গ'ল। শিল ভয়ঙ্কৰ বস্তু হ'লেও এই শিলকেইতো মানুহে ভাঙি কামত লগাইছে। মানুহ হিচাপে জীয়াই থকাৰ অধিকাৰখিনি সিহঁতৰ জন্মগত অধিকাৰ। এচামে লুটি নিয়া কথাটো সৰ্বতিকালৰ বাবে সম্ভৱ হ'ব নোৱাৰে।

হঠাতেই সি মনত ইমানেই উৎসাহ আৰু শৰীৰতো ইমানেই শক্তি পালে যে অলপ আগতে একেবাৰে দাঙিব নোৱাৰা অসাৰ হাতখনেৰে অতি সহজে নিহালিখন দাঙি ধৰি সি গাহৰিটোক বুকুৰ মাজত সাৱটি ধৰিলে। আচৰিত কথা যে অমাত গাহৰিটোৱেও ভয়খাই পলাই নগৈ বৰঞ্চ ঠেং কেইখন মেলি দি তাক সাৱটিবলৈ সুচলহে কৰি দিলে। সি অনুভৱ কৰিলে, অলপ আগতে তাৰ শৰীৰত জাৰৰ যি তীব্ৰ কঁপনি আছিল, সেই কঁপনি যেন আঁতৰি গৈছে। ★

[ বৰ্তমান ইং ১১৮২ ]

# এন্দুৰৰ গাঁতৰ ধান

দিবাকৰে চহৰত হাজিৰা কৰিবলৈ গৈ এমাহমান কটায়েই আকৌ ঘৰলৈ ঘূৰি আহে।

বাপেক চহৰলৈ যাওঁতে ল'ৰা-ছোৱালীকেইটাৰ মনত কত আশা, জল্পনা-কল্পনা, পিতায়ে টাউনৰ পৰা হাজিৰা কৰি পইচা আনিব। সিহঁতলৈ বস্ত্ৰ আনিব। সিহঁতে ভোক গুচাই ভাত খাবলৈ পাব। সিহঁতে আৰু এতিয়াৰ দৰে জাৰত ঠেঁৰেঙা লাগি থাকিব নেলাগে। এই আনন্দখিনিৰ কথা সিহঁতে নিজৰ ভিতৰতে আবদ্ধ কৰি নাৰাখি সিহঁতৰ লগৰীয়া সমনীয়াবোৰকো জানিবলৈ দিয়ে।

হওঁতে দিবাকৰেও তেনে এটা আশা মনত পুহিয়েই চহৰলৈ গৈছিল। ভগা ঘৰখনক জোৰা লগাবলৈ কৰা চেষ্টাৰ অন্ত নাই। কিন্তু এফালে ফুটা বাতিলেই আকৌ আন এফালেদি ফুটা ওলায়। সি বহু চেষ্টা কৰিও বিফল হৈহে এই সিদ্ধান্ত লৈছিল। ঘৰতে থকা আঠীয়া কলজোপাৰপৰা মাজে সময়ে ওলোৱা কল কেইআখি, ডিলটো, পচলাটো পাঁচমাইল দূৰত বহা সাপ্তাহিক হাটখনত বেচিবলৈ যাওঁতে তাতেই চহৰত হাজিৰা কৰি ঘৰ চলোৱা মানুহৰ কথা কাৰোবাৰ কাৰোবাৰ মুখে শুনি নিজেও উৎসাহিত হৈছিল। ঘৈণীয়েকে কিন্তু চহৰলৈ গৈ টকা ঘটাতকৈ মানুহটোৰ দেহাটোলৈহে চিন্তা কৰিছিল বেছি। আছেনো কিটো দেহাটোত? অকালতে বুঢ়া হ'লহি। যোৱাৰ দিনা বিহানেই আখল সোমাই লৰালৰিকৈ চকৰ তলত জাল দি, আগদিনাখনেই পথাৰৰ পৰা আনি থোৱা কলমৌ শাক কেইডাল সিজাই তাৰে সৈতে তপত ভাতকেইটামান খুৱাই পঠাওঁতে ঘৈণীয়েকৰ এই কথাটোহে চেৰেং চেৰেং কৰে মনত পৰিছিল।

আচলতে দিবাকৰৰ বুঢ়া হোৱাৰ বয়স পৌছিবলৈ এতিয়াও ভালেমান দিনেই বাকী। এতিয়াও মনত পৰে ঘৈণীয়েকৰ, নিজৰ বিয়াৰ দিনটোৰ কথা। বিয়া মানে তাইৰ দুখিনী বিধৱা মাকে নিজেই মাহ-হালধি অকণ গাত সানি গাটো ধুৱাই দি, তামোল-পাণ কাটি, ওচৰৰ গাঁৱৰ কেওকিছু নোহোৱা ডেকা ল'ৰা দিবাকৰলৈ উলিয়াই দিয়াৰ কথা। তাইৰ একুৰি বছৰ নৌ হওঁতেই বিয়া হৈছিল। গিৰিয়েক তাইতকৈ পাঁচবছৰে ডাঙৰ। সিহঁতৰ বিয়া হোৱা পোন্ধৰ বছৰেই হোৱা নাই। এতিয়াও লগৰ বহু মানুহেই ডেকা হৈয়ে আছে। নাই মাত্ৰ তাই আৰু দিবাকৰ। দিবাকৰৰ দাঁত সৰিলেই। তাইৰো সৰো সৰো অৱস্থা। দাঁতৰ বিষত মাজে সময়ে কেঁকাই-গেঁথাই বিছনাত পৰি থাকিবলগীয়া অৱস্থা হয়।

প্ৰথম দিনাই চহৰত হাজিৰা কৰা মানুহৰ সংখ্যা দেখিয়েই দিবাকৰৰ সকলো উৎসাহ, উদ্যম হেৰাই গৈছিল। নিজৰ দৰেই শুকাই টেঁমী যেন হোৱা মুখৰ আৰু বেছিভাগেই নিজৰদৰেই হড়লা ওলোৱা ডেড়কুৰি দুকুৰি মানুহ। প্ৰত্যেকৰে হাতে হাতে দা। প্ৰায়বোৰৰে কান্ধত একোটা জোলোঙা। ৰাতিপুৱাই ওলাই গৈ তিনিআলি, চাৰিআলিবোৰৰ মিলন ক্ষেত্ৰতে কামৰ আশাত অপেক্ষা কৰা মানুহবোৰৰ মনত কত ধৰণৰ স্বপ্ন। ঘৰখনি পোহৰ কৰাৰ। মানুহৰ পৃথিৱীতে কাম কৰি, খাই-লৈ, বেমাৰ বাচি, ল'ৰা ছোৱালীক খুঁটিখাব পৰাকৈ গঢ়ি তোলাৰ স্বপ্ন।

হাজিৰাত কাম কৰোৱা গৃহস্থবোৰেও সাধাৰণতে এই ঠাইবোৰলৈকে আহে মানুহ বিচাৰি আৰু প্ৰয়োজনীয় মানুহকেইটা লৈ প্ৰত্যাৱৰ্তন কৰে। কাৰোবাৰ ভাগ্যত হাজিৰা মিলে। কাৰোবাৰ কেইবাদিনলৈকে নিমিলে। কামতকৈ কাম কৰা মানুহৰ সংখ্যা বেছি। তাতে দেখাত হৃষ্ট-পুষ্ট মানুহ কেইটাই কাম পায়। বাকীবোৰৰ বেছিভাগেই হতাশাৰ দৃষ্টিৰে হামিয়াই হিকটিয়াই ইফালে সিফালে চাই থাকোতেই বেলি মূৰৰ ওপৰত উঠো উঠো হয়হি।

দিৱাকৰৰ ক্ষেত্ৰতো এই সৰহ ভাগৰ দশাই হ'ল। এমাহৰ ভিতৰত সি কাম পালে মাত্ৰ দহদিন। পালেও গৃহস্থৰ ছুঁটা কথাই কলিজাৰ একাল ডেৱাই পেলালে। কাম কৰিবলৈ গাত শক্তি নাই, এয়া জানো তাৰ নিজৰ দোষ? ঠিকমতে খাবলৈ-বৰলৈ পোৱা হলে তাৰ দেহতো শক্তি হ'লহেঁতেন। এই দহদিন হাজিৰা কৰি সি যি কেইটা পইচা পালে, সেই পইচা কেইটাৰে এমাহ দিন চহৰৰ হোটেলত চৰা দামত ভাত খাই, ৰাতি ৰেল ষ্টেচনত মহৰ কামোৰ খাই পৰি থাকি, বাছৰ ভাৰাটো ৰাহি কৰি কোনো ৰকমেহে ঘৰলৈ ঘূৰি আহিবলৈ সমৰ্থ হ'ল।

দিৱাকৰে ঘৰ আহি পাই জীৱিকাৰ অন্য উপায় নাপাই, ধাননি-পথাৰৰ এন্দুৰৰ গাঁতৰ ধান বিচাৰি আনি পৰিয়ালক পোহপাল দিবলৈ ধৰিলে। পুৱাই এন্দুৰৰ গাঁতৰ ধান বিচাৰি ৰৰপুতেক ডালিমক লগত লৈ দিৱাকৰ পথাৰলৈ যায়। কান্ধত ঘৰৰ বুঢ়ী-কোৰখন। পথাৰত পকা ধাননিৰ মাজে মাজে সোমাই সতৰ্ক দৃষ্টিৰে এন্দুৰৰ গাঁত বিচাৰি ফুৰে। গাঁতৰ মুখ এঠাইত, আৰু ধানৰ থলী এঠাইত। চিনি উলিয়াব পাৰিব লাগিব।

চহৰৰ তিনিআলি চাৰিআলিবোৰৰ চকত যেনেকৈ হাজিৰা বিচৰা মানুহৰ সংখ্যা আগতকৈ বাঢ়ে, ঠিক তেনেকৈয়ে গাঁৱত খেতিৰ পথাৰতো এন্দুৰৰ গাঁতৰ ধান বিচৰা মানুহৰ সংখ্যা বাঢ়ে। সেই অনুপাতে কিন্তু এন্দুৰৰ গাঁতত ধানৰ পৰিমাণ বঢ়া নাই। আনহাতে সকলো গৃহস্থৰ খেতিৰ মাটিলৈকো যাব নোৱাৰি। মালিকৰ সতৰ্ক দৃষ্টি কিজানি কোনোবাই এন্দুৰৰ গাঁতৰ ধান বিচৰাৰ ছলতে পকা ধানৰ থোক চুৰ কৰে, নাইবা মহটিয়াই খেতি নষ্ট কৰে? যি কেইজন গৃহস্থ অলপ কোমল তেওঁলোকৰ পথাৰলৈকে মানুহবোৰ যায়। কিন্তু তেনে গৃহস্থৰ সংখ্যাও তেনেই কম। কাজেই এন্দুৰৰ গাঁতৰ ধানৰ ওপৰতে নিৰ্ভৰ কৰি বছৰটোৰ কেইটামান মাহ চলা মানুহখিনি আকৌ জীৱন বচোৱাৰ চিন্তাত ব্যাকুল হয়।

দিৱাকৰে যিখন ধাননি পথাৰলৈকে যায় তাতেই এন্দুৰৰ গাঁতবোৰ খন্দা অৱস্থাত পায়। অৰ্থাৎ আন কোনোবা মানুহ আহি গাঁতৰ পৰা ধানবোৰ উলিয়াই লৈ গৈছে। দিৱাকৰে চেষ্টা এৰি নিদিয়ে। কাৰণ বাচি থকাৰ আন পথ নাই সিহঁতৰ। হাজিৰা বিচাৰিলেও হাজিৰা নেপায় লোকৰ ঘৰত কাম কৰিবলৈকে সিহঁতৰ দেহবোৰ উচৰ্গা কৰি থৈছে। অথচ কাম নেপায়। সিহঁতৰো ভোক আছে। কিন্তু উপশমৰ পথ নাই। কেৱল নায়েই।

বাপেকে এন্দুৰৰ গাঁত খান্দি থকা অৱস্থাতে পুতেক ডালিমেও ছেগ বুজি পথাৰত শেলুক বিচাৰি লগত নিয়া গামোছাখনত বান্ধি লয়। ভোকত এটা দুটা খায়। ৰাতিপুৱা শুদা পেটেৰেই ওলাই গৈছিল। এসন্ধীয়াকৈয়ে সিহঁতে চলে। যোৱা ৰাতিয়েই যি খোৱা। আজিকালি ভোকত পেটত কলমলনি লাগিলে তাৰ তলপেটটো মাজে মাজে বিষায়। প্ৰথম কেইদিন পেটটো হেঁচি ধৰিলেই বিষটো নাইকিয়া হৈছিল যদিও আজিকালি বিষটো বহু সময়লৈকে থকা হ'ল।

ডালিমে বাপেককো ডাঙৰ ডাঙৰ চাই শেলুক দুটা দিয়ে। বাপেকেও খাওঁ নেখাওঁ কৈ খায়। শেলুক কেইটাই দিৱাকৰৰ পেটৰ ভোকটোক চিকুটি দিয়ে। সৌৰৱাই দিয়ে ঘৈণীয়েক আৰু বাকী দুটা ল'ৰা-ছোৱালীৰ কথা। সিহঁত এতিয়ালৈকে শুদা পেটেৰেই আছে। সৰু হৈ আছে বাবে সিহঁতৰ এতিয়াও সহ্যগুণ বঢ়া নাই।

আবেলি পৰত মাটি মিহলি এন্দুৰৰ গাঁতৰ ধান দুটোপোলা লৈ বাপেক পুতেক ঘৰমুৱা হয়। আহোতে মৌজাদাৰৰ খেতিৰ মাজেদিয়েই পোনাই আহিছিল যদিও নিজৰ মাটিৰ খেতি চাবলৈ অহা সুনন্দ মৌজাদাৰক দূৰত দেখা পাই দুয়ো ফৰিং ছিটিকা দি অন্য বাট লয়। অনা ধান কেইটা মৌজাদাৰৰ মাটিৰ এন্দুৰৰ গাঁতৰ নহয় যদিও মৌজাদাৰে দেখিলে ধানকেইটা কাঢ়ি লব পাৰে, পাঁচ বছৰৰ আগতে খাজনা দিব নোৱাৰাৰ বাবেই বছৰটোৰ কেইটামান মাহৰ ভাত কেইটাকে দি থকা তাৰ একমাত্ৰ সম্পত্তি দুহালিচা খেতিৰ মাটিৰ

দাগটো লীলামত গ'ল বুলি নিজেই ৰাখি থোৱাৰ দৰেই।

ঘৰত এন্দুৰৰ গাঁতৰ ধান কেইটালৈকে আশা পালি বৈ থকা, সেইকেইটা পালেই মাটিবোৰ গুচাই-চালি জাৰি উৰালত বানি কাঁৰি এমুঠি বহাম বুলি ভাবি থকা ঘৈণীয়েকে গিৰিয়েকৰ হাতৰ পৰা টোপোলাটো লৈয়েই মেলি চাই দেখে, আনকালতকৈ আজি মাটিয়েই সৰহ। চালি, জাৰি ধান কেইটামান উলিয়াবলৈ গ'লেও কম সময়ৰ প্ৰয়োজন নহ'ব। তাৰ পিছত আকৌ উৰালত বনা, জৰা, কুঁৰা, বহু সময়ৰ কাম। ইয়াকে ভাবি ঘৈণীয়েকে পুতেকে আনি দিয়া শেলুকৰ টোপোলাটোকে লৈ বেগাবেগিকৈ আখললৈ পোনালে। পানী উতলিয়েই আছে। তাৰে কেইটামান সিজাই সৰু সৰু কেইটাক দিলেহে সিহঁতৰ পেটৰ পোৰণি খন্তেকলৈ উপশম হ'ব আৰু ভোকৰ কান্দোনো সাময়িকভাবে বন্ধ হ'ব।

অসমবাণী— ইং ১৯৮৫ ]

# মন

দেওবৰে গাধোৱা শিলটোতে বহুৱা নলীয়া কটাৰীখন ধৰাই লৈ, ভলুকা বাঁহৰ এছাৰিডাল কঁৰালি কুৰালি ল'লে। তাৰ পিছত নাঙল-যুঁৱলিযোৰ কান্ধত লৈ গৰুহাল খেদি খেদি পথাৰ পালেগৈ।

পথাৰত হালখন জুঁটি লৈ এছাৰিডালেৰে গৰুহালৰ টিকাত লাহেকৈ দুচাটমান লগাই মুখেৰেও উচ্চাৰণ কৰিলে, যাঃ যাঃ, চেঙা গৰুহাল আৰু নৰ'লেই ; গোঁ-গোঁৱাই হালখন টানি লৈ গ'ল।

ধৰোঁতে ধৰোঁতে কুন্দত কটাৰ দৰে মিহি হৈ পৰা নাঙলৰ মুঠিটোত খামুচি, নাঙলৰ সীৰলুৰ ওপৰে ওপৰে ম'হৰ ছালৰ ফানতিৰ গচক পেলাইঃ আগবাঢ়িল দেওবৰ। চকু এবাৰ আগলৈ, এবাৰ তললৈ। শুকাই কৰ্কৰীয়া মৰা মাটি। যেনিবা শিলহে। প্ৰতি মুহূৰ্ততে নাঙলৰ ফালে গৰুহালৰ পিছ ঠেঙত কটাৰ ভয়। সেয়েহে দেওবৰৰ সতৰ্ক চকু গৰুহালৰ পিছ ঠেং আৰু নাঙলৰ ধৰাল ফালচটাৰ ওপৰত।

ডাবি-ছুকি নিদিলেও চেঙা গৰুহাল যে যাবই তাত অকণো সন্দেহ নাই। তথাপি তেওঁ অভ্যাসবশতঃ হৈ হৈকৈ হুকিয়াই গ'ল। কাৰণ, এই ডাবি-ছুকিৰ মাজতেই অন্তৰ্নিহিত হৈ আছে এক তৃপ্তিৰ আমেজ, যাক দেওবৰহঁতৰ বাহিৰে আন কোনেও উপলব্ধি কৰিব নোৱাৰে।

আজিচোন অহা অলপ পলম হ'ল দেও ?

দেওবৰৰ মাটিৰ ওচৰতে নিজৰ মাটিডৰাত হালবাই থকা জীউৰামে তেওঁলৈ নোচোৱাকৈয়ে মাত লগালে।

দেওবৰেও জীউৰামলৈ নোচোৱাকৈয়ে উত্তৰ দিলে, কালিৰেপৰা গাটো বৰ বাৰু নহয়। নাহিম বুলিয়েই থিৰাং কৰিছিলোঁ। পিচে মনটোৱেহে নেমানিলে। সেয়েহে।

জীউৰামে একো উত্তৰ নিদিলে।

দেওবৰে অতি বিমৰ্ষ মনেৰে মূৰ দাঙি এবাৰ ওপৰলৈ চালে। তেওঁৰ মনটো টেঙাই গ'ল। ইমান বহল আকাশখনত এফোটাও যদি মেঘ থাকিলহেঁতেন! ৰিব্‌ৰিব্‌কৈ বলা শুকান বতাহজাকে দেওবৰৰ মনটো বেছি বিমৰ্ষ কৰিহে তুলিলে। ৰ'দ-বৰষুণৰ লগত গোটেই জীৱনটো খেলা কৰি অহা দেওবৰে আকাশ দেখিয়েই বতৰৰ গতি বুজিব পাৰে। এই ভৰ বাৰিষা হ'ব লাগিছিল নদীত দোকোল-টঁকা পানী। ওপৰৰ পৰা পৰিব লাগিছিল কলহৰ মুখে ঢলা বৰষুণ। কিন্তু তাৰ পৰিৱৰ্তে আকাশ শুকান। নদী তৰাং। পুৱাৰ পৰা সন্ধিয়াৰ আগ মুহূৰ্তলৈকে কেৱল অমূৰ্তক ৰ'দ। ৰ'দৰ কোবত বিল-খাল শুকাই গৈছে। পথাৰ চিৰাঁল ফটা দিছে। ঘাহ-বন মৰি উছন হৈছে।

মুকলি পথাৰখনৰ আন আন ঠাইৰ পৰাও হালোৱাৰ হৈ-হৈ শব্দ ভাঁহি আহিছে। এই শব্দই গোটেই পথাৰখনকে সজীৱ কৰি তুলিছে। কোনোবাই মাটি চহাইছে, কোনোবাই সমাৰ মাৰিছে, কোনোবাই বা আকৌ মৈয়াইছেই। বৰষুণ-বাদল হোৱাৰ আশা ক্ষীণ যদিও কোনেও কৰ্ত্ব্যক হেলা কৰা নাই। সকলো আশাবাদী। আশাই বন্দী কৰি ৰাখিছে সকলোকে।

পথাৰৰ পৰা ভাঁহি অহা প্ৰত্যেকটো মাতেই দেওবৰৰ চিনাকি। জীউৰামৰ সিফালেই সেয়া সোমেশ্বৰ। তেওঁৰ সিফালেই মনবৰ, মালভোগ, ভাটীয়া! দেওবৰৰ দৰেই তেওঁলোকে৷ অতি নিঠৰুৱা। কোনেও এসাজো ভাত এদিনলৈ শাঁতিৰে খাব পৰা নাই। বিপদৰ সময়ত হাত পাতিবলৈকো কাৰো এডোখৰ আশ্ৰয়ৰ থল নাই। সপ্তাহটোত যদি কোনোবাই তিনিদিন খাবলৈ পাইছে সেয়ে বহুত। বন্ধকত দি দি খেতিৰ মাটিভো আধ্যা পৰিছেই, পেৰাৰ গহনা-গাঠৰি, কাঁহী-বাটি, লোটা চৰিয়া, এইবোৰো আধামূলীয়াকৈ মহাজনৰ ঘৰত সোমাইছেগৈ। মহাজনে দহ বুলিলে দহ, পাঁচি বুলিলে পঁচি। মহাজনৰ কথাৰ ওপৰত মাত মাতোঁতা নাই।

পূবফালে ওলাই অহা ৰঙা বেলিটোৰ ফালে চাওঁতেই দেওবৰৰ চকুত পৰিল এই অঞ্চলটোৰ সবাতোকৈ ওখ শিমলুডালৰ ওপৰত। তেওঁৰ বুকুখন হুমহুমাই গ'ল। এই শিমলুডালৰ তলতে এপুৰাকৈ মাটিৰ দাগটো। উঃ ইমান অন্যায় অধৰ্ম! আজিকালি পৰাপক্ষত তেওঁ সেইফালে নাচায়েই। চালেই পুৰণা দুখবোৰে উক দিয়েহি। বেণুধৰ মহাজনে এনেদৰে ঠগিব বুলি তেওঁ সপোনতো ভাবিব পৰা নাছিল। অন্যায়ৰ প্ৰতিবাদ তেওঁ কৰিব নোৱাৰিলে। মাটি ভোখৰতো গ'লেই লগতে শিমলুডালো হেৰুৱালে। তিনিটা মতগজ মানুহে তিনিওফালৰ পৰা একেলগে সাৱটিলেহে কোনোৰকম ঢুকি পোৱাকৈ শকত শিমলুডাল। মৌজাটোতে নাই এনে এডাল শিমলু। তেওঁ খেতিৰ মাটিডৰাহে বন্ধকত থৈছিল। শিমলুডালৰ কথা ভবাই নাছিল! ভাবি আছিল সেইডাল তেওঁৰেই। কিন্তু যেতিয়া মাটিৰ আশা বাদ দি শিমলুডালকে সাধিবলৈ আহিল, তেতিয়া বেণুধৰে চুইহে নিকিলালে। শিমলুডাল পোৱা হ'লেও কমেও দুশকৈ ৰূপ। এই দুশ ৰূপেৰে কেইবিঘামান মাটিকে বন্ধকৰপৰা মোকলাব পাৰিলে-হেঁতেন। মাটিডৰা নিজৰ দখলত থাকোঁতেই কেইবাযোৰাও কৰতীয়াই ঘৰতে ধন যাচিছিলহি। কিন্তু তেওঁ নিদিলে। থাকক, পৈতৃক সম্পত্তি। গছজোপা আৰু অলপমান ডাঙৰ হওক। দুপইচা বেছিকৈ আহিব। তদুপৰি কলকেইটামানো ওলাই আছে। তুলাখিনি হাটত বেচিলেও দুপইচা আহে। কিন্তু আলচা কথা সিদ্ধি নহ'ল।

নাঙলৰ মুঠিটোত খামুচি থকা নিজৰ হাতখনলৈ হঠাতে তেওঁৰ চকু গ'ল। খীণাই শুকাই হাড়তে ছাল লগা হাতখনত জিলিকি উঠিছে নীলা বৰণ ধৰা মোটা মোটা সিৰকেইডাল। এইখন হাতেৰেই ছুৰুৰি পাঁচোটাকৈ বছৰ নাঙলৰ মুঠিত ধৰিলে। হালবাওঁতে পকা দলিচপৰা গছকি ভৰিৰ ফটুৱাই ফটালে? তথাপি ভাত এসাজ এদিনলৈ সুখেৰে খাবলৈ নেপালে। কষ্ট কৰোঁতে কৰোঁতে পিত মৰি গ'ল। কিন্তু দুখৰ ৰাতি কোনোদিনেই নুপুৱাল। আগতে

আছিল মনত বল। মনৰ বলেই দেহৰ কষ্টক ঢাকি ৰাখিছিল। কিন্তু আজি দেহৰ লগতে মনৰ বলো ভাঙি পৰিছে। এই তুকুৰি ওঠৰ বছৰ বয়সত আধামৰা আধাজীয়া অৱস্থাৰে আৰু কিমান টানিব? নিজৰ কথা বাদ। কিন্তু ঘাতমাউৰী ছোৱালীজনীৰ মুখত টোপ এটা দিবলৈকো শক্তিয়ে নতা হৈ আহিছে দিনক দিনে।

জীউৰামৰ সৰু মাজুটো ল'ৰা ভোটোকে হোকা-চিলিম আৰু ধানখেৰৰ জুমুঠিত জুই লৈ আহি পথাৰ পালেহি। জীউৰামে হালখন এৰি স'ৰাগছজোপাৰ তলতে বহি ধানখেৰৰ জুমুঠিৰ জুইৰে মলাধপাত লগাই লৈ টোৰোক টোৰোককৈ হুপিবলৈ ধৰিলে। একান্তমনে হালবাই থকা দেওবৰলৈ চাই তেওঁ মাত দিলে, হৰিভকত, আহক এটান মাৰকহি।

দেওবৰে সন্তোষ মনেৰে জীউৰামলৈ চালে। হালখন এৰি তেওঁ জীউৰামৰ ওচৰতে লেপেটা কাঢ়ি বহিলহি আৰু জীউৰামে আগবঢ়াই দিয়া হোকাটো হাতত লৈ, ফুটাটোত মোহাৰ এটা মাৰি পৰম তৃপ্তিৰে হুপিবলৈ ধৰিলে।

আনকালতকৈ আজি সোনকালেই দেওবৰে হাল মেলিলে। গৰুহাল পথাৰত চৰিবলৈ এৰি দি, নাঙল-যুঁৱলিযোৰ কান্ধত লৈ, তললৈ মূৰ কৰি, হেলাই হেঁপাই দেওবৰ ঘৰমুৱা হ'ল। আগতে দোমোন ওজনৰ ভাৰখনেও বলাব পৰা নাছিল। কিন্তু আজি নাঙল-যুঁৱলি যোৰকে সমস্ত পৃথিৱীখনৰ ভৰ যেনহে লাগিল।

পথাৰখন অতিক্ৰম কৰি, বাঁহনিৰ মাজে মাজে লুংলুঙীয়া বাটটোৰেদি দেওবৰে অতি সাৱধানে খোজ পেলালে। গছৰ শকত শকত শিয়াবোৰ মাজ বাটতে ওলাই আছে। ভালদৰে চাই-চিতি নগ'লে উজুটি খোৱাৰ ভয়। যিমানেই তেওঁ বুঢ়া হৈ আহিছে সিমানেই ভৰিও থৰক-বৰক হৈ পৰিছে।

বাঁহনিৰ মাজতে জেংখৰি লুৰি থকা সাধনী বুঢ়ীয়ে দেওবৰক দেখি মাত লগালে, আহিলাই?

এৰা, দেওবৰেও চমুকৈ কৈ থলে।

সাধনী বুঢ়ী গাঁৱৰে। জীয়ৰীও, বোৱাৰীও। বাঁৰী, দুখুনী। ছোৱালী এজনী আছিল। এটা চপায়ো লৈছিল। কিন্তু তাই ডাংকাটীয়ে ক'ৰবাৰ মটৰ ড্ৰাইভাৰ এটাৰ লগত পলাই গ'লগৈ। ক'লৈ গ'ল ঠিকনা নাই। কিছুদিনৰ পিছত জোঁৱায়েকেও আন এজনীত চাপিলগৈ। পৰৰ লেদেনা উকটি, লেলাই-খেন্দাই বুঢ়ী কোনোৰকম আছে। যমে এতিয়াও দেখা নাই।

বাঁহনিভৰা চেৰাই দেওবৰ গাঁৱৰ ৰাস্তা উঠিলহি। বাটতে গাঁৱৰে ল'ৰা হৰনাথে লগ পাই সুধিলে, ববপিতাই, আজিচোন সোনকালে হাল মেলিলি?

এৰা, অ' বোপাই, পানী-তুনী নাই, কি হ'ব শুকান দলিচপৰাবোৰ চহাই মিছাতে গৰুহালক কষ্ট দি? আজি দুদিনে লঘোন। এফালে যাওঁচোন থাৰলৈ ধান এডাংমানকে বিচাৰি। তই হ'বলা হাললৈ নগ'লি?

এৰা, হালোৱা গৰু এটাৰ চৰকা হৈছে। কলিমন বেজৰপৰা দেৱাই এটা আনিলোঁগৈ।

তেওঁৰ চিকিৎসাবোৰ বেয়া নহয়। বাৰু তই যা। —বুলি কৈ দেওবৰ গ'লগৈ। বেচেৰা হৰনাথৰো থাবলৈ নাই। টোকোনা। কিন্তু বৰ থামি ডাঠ ল'ৰা। পৰিশ্ৰমী। বিয়া-বাৰু এতিয়াও হোৱা নাই।

এই হৰনাথকে মুখ্য কৰি তেওঁজবেলি গাঁৱৰে কেইৰাটাও ডেকা ল'ৰাই লগলাগি গাঁৱৰে যোগধৰৰ মাটি দুপুৰাত সমুহীয়াকৈ খেতি-বাতি কৰি ভালেখিনি ফচল পাইছিল। তাৰে ভাগ মাটিৰ গিৰিহঁতকো দিছিল আৰু নিজেও খাইছিল। কিন্তু কি হ'ব? কোনোবা চকুচৰহাই তেওঁক মাটি যাব বুলি ভয় খুৱালে হ'বলা। আৰুবেলি যোগধৰে মাটি দিবলৈ অমান্তি হ'ল। এইবেলিও সিহঁতে ক'তো মাটি নেপালে। গতিকে সিহঁতৰ সেই অনা সিমানতে ভেলে। ল'ৰাটোৰ

বুধি-ভৰসাবোৰ বেয়া নহয়। খোৱা-জীয়াৰ লক্ষণ আছে। কিন্তু কমৰজহে জোৰ নাই।

দেওবৰ যিমানেই ঘৰৰ ওচৰ পাওঁ পাওঁ হ'লহি তিমানেই এশ এবুৰি চিন্তাই তেওঁৰ মনক জুমুৰি দি ধৰিলে। এতিয়া এমুঠি ধান যোগাৰ কৰা যায় ক'ৰপৰা? ঘৰৰ লামলাকতু যি আছিল সকলো বেচি সাং কৰিলে। এই আকালৰ দিনত সহায় কৰিবলৈ মন থকা কিথৰবো নিজৰে তৰণি নাই। গতিকে কোনে কাক তৰায়? লঘোনে থাকি থাকি কেতিয়াবাই পেটৰ কুমটি মাৰি পেলাইছে। গতিকে আজিকালি কেইবাসাজো লঘোনে থাকিলেও নিজৰ বৰ বেছি কষ্ট নহয়। কিন্তু গাভৰু জীয়েকজনী? তাই উঠি অহা ছোৱালী। তাই ইমান কষ্ট কেনেকৈ সহে? বৰ বেয়া দিনত ইহঁতৰ জন্ম হ'ল। ঘৰৰ ভাত মুঠিৰতো মুদা মৰিলেই, কাঁহী-বাটি বেচা ধনেৰে বজাৰৰ পৰা এপোহা চাউল কিনি আনিও শান্তিৰে এগৰাহ ভাত খাব নোৱাৰা দিন পৰিলহি। চাউলৰ লগত সমানে শিলগুটি। ধৰিবৰ সাধ্য নাই। চাউলৰ লগলৈ এই শিলগুটিবোৰৰ আমদানি হ'ল ক'ৰপৰা? নে যুগধৰ্ম অনুসৰি ধানৰ থোকত শিলগুটিও জন্ম হোৱা হ'ল? এইবোৰ কথাকে হৰনাথহঁতে গাই-বাই ফুৰে কাৰণেই বেণুধৰ মহাজনহঁতৰ মতে সিহঁত বেয়া। সিহঁত বোলে গাঁৱত শনি সোমাইছেহি। এৰা, হক কথা ক'লেই কেতবোৰৰ গা বেজবেজায়।

ঘৰ পাই ভঁৰালৰ গাধৈৰ তলতে দেওবৰে নাওল-যুঁৱলিবোৰ থ'লে। নিলিপা বেৰখনৰ কামী এডালতে এছাৰিডাল খুঁচি থ'লে হাতত পোৱাকৈ। কালিলৈতো আকৌ লাগিবই।

বাপেক হালৰপৰা আহি পোৱাত জীয়েক চম্পাই লোটা এটাত পানী আনি গা ধোৱা শিলটোৰ ওচৰতে থৈ ক'লে, পিতাই অ' পানী দিছোঁ, হাত-মুখ ধুই লহি।

ভুখৰ চাৱনিৰে এবাৰ চম্পাৰ শুকান মুখখনৰ ফালে চাই দেওবৰে শিলটোৰ ফালে আগবাঢ়ি গ'ল। নিজৰ ওপৰতে ধিক্কাৰ উপজিল।

বাপেকীটো হৈ পোৱালিটোক আজি চাৰিসাজ ধৰি এটা আহাৰ যোগাব পৰা নাই। নেখাই নবৈ ছোৱালীজনী হড়লা ওলাইছে। বেচেৰা দেওবৰৰ চেবেংকৰে ঘৈণীয়েকলৈ মনত পৰিল। জীয়েক চম্পাৰ মুখখনতে তেওঁ দেখা পালে ঘৈণীয়েক জোনাকীৰ মুখখন। মাকৰ ঠগটোকে তাই লৈছে। অৱশ্যে মাকতকৈ বৰণটো অলপ বাক। আঁহপাঁহবোৰো অলপ মুকলি। আগতে হাল বাই অহাৰ লগে লগেই জোনাকীয়েও এনেকৈয়ে আলহ-উদহ কৰি এলোটা পানী দিছিল ঠিক এই শিলটোৰ ওচৰতে। লোটা সেই একেটাই। শিলটোৰো জেগা সলনি হোৱা নাই। এতিয়াও নৰসিংহ গছজোপাৰ তলতে আছে। নৰসিংহৰ পুলিটো জোনাকীয়েই বোৱা। কাৰৈমাছ আৰু নৰসিংহৰ জোলকণ জোনাকীয়ে বৰ ভাল পাইছিল। শিল, লোটা, নৰসিংহৰ গছ সকলো আছে। কিন্তু জোনাকীহে নাই। নিজে বোৱা নৰসিংহৰ জোল খাবলৈ তাই নাথাকিল। চম্পাক জন্ম দিয়েই বাঘিনীপ্ৰসূতা ৰোগত ঘৈণীয়েক সিফলীয়া হ'ল। পইচাৰ অভাৱতে ডাক্তৰ আনিব নোৱাৰিলে।

চম্পাৰ মেখেলাখনলৈ দেওবৰে চাব নোৱাৰিলে। কেইবাঠাইতো ফাঁটিছে। পৰাখিনি তাই সী লৈছেই। কিন্তু সী লৈছে যদিও ৰাখিবহে পৰা নাই। কিমান দিননো টিকিব? কাপোৰহে। ল'ৰা হোৱাহ'লে আঁঠুমূৰীয়া চুৰিয়া এখন হোৱা হ'লেই লেঠা মৰিলহেঁতেন। কিন্তু তাই হ'ল ছোৱালী। মাক জীয়াই থকা হ'লে তাইক বৰ-কাটিবলৈ শিকালেহেঁতেন। মাকৰ অভাৱতে তাই ভাঁকৰী হ'ল। দেওবৰে বৰ অসহায় অনুভৱ কৰিলে।

গামোচাখনেৰে মুখ মচি মচি ভুলিটোৰ কাষতে পীৰা এখন পাৰি লৈ আমন-জিমনকৈ দেওবৰ বহিলহি। কঁকালটো ঠাহ মাৰি ধৰিলে।

বহি থকা ঠাইতেই চম্পাই পানী এলোটা আৰু পকা ভীমকল এটা দি গ'লহি। দেওবৰে কলটো বখলিয়াই দাঁতৰ আলুৰেই

অকণ অকণকৈ ছিঙি খাবলৈ ধৰিলে। আকালৰ দিনত এই কল-কেইটাই তৰাই আছে। কলটো খাই আঁতাই কোঁট কোঁটকৰে অলপ পানী পি ল'লে। তেতিয়াহে গালৈ অলপ তত আহিল। তাৰ পিছত তেওঁ ভিতৰৰ ফালে চাই জীয়েকক ক'লে, আই অ,' চাওঁ জাপিটো আনচোন।

হাল বাই আহিছহে। এই ৰ'দখনতনো এতিয়া ক'লৈ যাব? অলপ জিৰাই-শঁতাই যাবি।

গৰিবৰ আকৌ কিহৰ দুখ-ভাগৰ হেঁা? দেওবৰে ভাবিলেহে। মোলায়েম সুৰত তেওঁ ক'লে, এফালৰপৰা আহেঁা দেচোন। আহিয়েই লাগে ভালকৈ জিৰামহি।

জীয়েকৰ হাতৰপৰা জাপিটো লৈ, গামোচাখন কান্ধত পেলাই এখুজি-দুখুজিকৈ দেওবৰ ঘৰৰপৰা ওলাই গ'ল।

বেণুধৰ মহাজনৰ ঘৰৰ পদুলিমুখতে দেওবৰ অলপ সময় তভক মৰি ৰ'ল।

এই বেণুধৰ মহাজনে কেৱল তেওঁকেইনে, গোটেই অঞ্চলটোৰ মানুহকেই নকৰিবৰ চকৰি কৰিছে। টানৰ দিনত ধান ধাৰলৈ দি এগুণত চাৰিগুণ লৈছে। চক্ৰবৃদ্ধি সুতত টকা ধাৰলৈ দিছে। হোজা, চহা লোকৰপৰা টিপ চহী ৰাখি মাটি বন্ধকত লৈছে। কাৰোবাক যদি এশ দিছে, কাগজত হিচাপ পৰিছে দুশৰ। যি মাটি এবাৰ মহাজনৰ হাতলৈ গৈছে সি আৰু ঘূৰি অহা নাই। সাধনী বুঢ়ীৰ গোটেই মাটিসোপা বেণুধৰৰ পেটতে জাহ গ'ল। অধি-চুক্তিত দি বুঢ়ীয়ে টুকটাককৈ এমুঠি খাই আছিল। বেণুধৰে তাকো মুদা মাৰিলে। হৰনাথৰো একে অৱস্থা। বাপেকটো আছিল গোপাট ভঙুৱা। সেই চেলু লৈয়ে শঠামিতিৰ পাতি নামমাত্ৰ দামতে দুপুৰাকৈ বোৱাতলিৰ দাগটো সৰকালে। মানুহটোৱে অকল গাঁওখনতে নহয়, গোটেই অঞ্চলটোতে একেবাৰে তিতা-কেহা লগাইছে। মকৰাই জাল পতাৰ দৰেই বেণুধৰেও এনেদৰে জাল পাতি থৈছে যে তাত

তেওঁলোকৰ দৰে চহা, ছাল-বাকলি নোহোৱা মানুহবোৰ নপৰি নিস্তাৰ নাই।

বেণুধৰৰ ঘৰুৱা অৱস্থাও আগতে বৰ নিশকতীয়া বিধৰহে আছিল। খেতিৰ মাটি আছিল মাত্ৰ ছবিঘা। ইফালে ঘৰতো এপাল খাৱৰীয়া। লোকৰ মাটি আধি-চুক্তিত লৈ, মৰকীয়া বাই, কোনোৰকম পেট প্ৰবৰ্তাইছিল। থকা ঘৰটোও আছিল খেৰী। সিও বাৰিষা উকথি মজিয়াত পানী পৰিছিল। বেণুধৰে গাঁৱৰে ইঘৰ সিঘৰৰপৰা তামোলপোণ, কলথোকা, পাণকুৰিকে নি বজাৰত বেচি গৃহস্থক মূলটো দি নিজে লাভটো খাইছিল। এইদৰে হাতত টকা কেইটামান গোটাই লৈ, কেদাৰমল বাবুৰ লগ লাগি ধান, মাহ, সৰিয়হ, মৰাপাট আদিৰ বেপাৰত ধৰিলে। ভাগ্যদেৱী সুপ্ৰসন্ন হ'ল। দোপ্‌তদোপে উঠি আহিল বেণুধৰ। সদায় আঁঠুৰ ওপৰতে থকা চৰীয়া সুতাৰ চুৰিয়া মিহিও হ'ল; আঁঠুৰ তললৈ নামি নামি ভৰিৰ গেৰোৱা ঢাক গ'ল। খেৰীঘৰৰ ঠাইত পকীঘৰ উঠিল। আগৰ আঁত শুকুৱা বেণুধৰৰ গলধন বাঢ়িল। তলপেট ওলমি পৰিল। মগুহৰ ভৰত চলাফুৰা কৰাই টান হ'ল।

বেণুধৰৰ ঘৰৰ চৌহদৰ ভিতৰত সোমাবলৈ দেওবৰে সঙ্কোচ বোধ কৰিলে। এসময়ত এই বেণুধৰেই দেওবৰৰ ঘৰত ডুখৰি পীৰাত বহি একেলগে মলাধপাত খাইছিল। বয়সত দেওবৰ ডাঙৰ কাৰণেই ককাই বুলি মাতিছিল কিন্তু সেই বেণুধৰেই মুৰকত কৰিলে কি? ছয় বছৰৰ আগতে টানত পৰি শিমলুতলৰ মাটি পুৰা বন্ধকত থ'লে ছুশ টকা ৰূপত। কিবা এটুকুৰা কাগজত টিপচহীও দিলে। এটা বিশ্বাসত। বিশ্বাস নহ'লেচোন পৃথিৱীখনেই অচল? চাৰি বছৰৰ মূৰত কোনোৰকম ৰূপ ছুশ যোগাৰ কৰি যেতিয়া দেওবৰ বেণুধৰৰ ঘৰলৈ গ'ল মাটিডোখৰ মোকলাবৰ কাৰণে, তেতিয়া বেণুধৰে হিচাপ দলে যে দেওবৰে হেনো পাঁচশ টকাহে ধাৰলৈ নিছিল। সেই পাঁচশৰপৰাই সুতেমূলে মিলি এতিয়া সাতশ হ'ল।

গড়িকে সাতশ ৰূপ দিলেহে মাটিডোখৰ মোকলাব পাৰিব। কথা শুনি দেওবৰ হতভম্ব হ'ল। মূৰ আচন্দ্ৰাই কৰিলে। ধৰ্মত ধৰি দেওবৰে ক'লে, তেওঁ ৰূপ তুশহে ধাৰলৈ নিছিল, পাঁচশ নহয়। অনেক কাউবাউ কৰিলে। কিন্তু সকলো ফুটুকাৰ ফেন হ'ল। চকুৰ পানীৰে শোটোৰা-শোটোৰ গাল তিয়াই দেওবৰ ঘৰলৈ উভতি আহিল।

পূৰ্বৰ কথা সুঁৱৰি আজিও বেণুধৰৰ ঘৰলৈ নাহিব বুলিয়েই দেওবৰে ভাবিছিল। কিন্তু পেটৰ পোৰণিয়ে একো হুকাবধা নেমানিলে। আজি শিমলুডালৰ কিবা এটা নিষ্পত্তি কৰিবই লাগিব। গোটেইটো দাম নিদিয়ে নাই কিন্তু আধা দিয়ক। যদি আধাও নিদিয়ে তেনেহ'লে আধাৰ আধা। সেইখিনি পালেও অলপ ভতৰ মৰিব।

দেওবৰ বেণুধৰৰ ঘৰৰ চৌহদৰ ভিতৰলৈ সোমাই গৈ, চোতালৰ ছাঁতে গড় এডোখৰ পাৰি লৈ বহিল। প্ৰকাণ্ড ঘৰটোৰ খোঁটালী এটাৰ ভিতৰত কলগান বাজিছে। আখলৰপৰা ওলাই আহিছে মচলা দিয়া আঞ্জাৰ গোন্ধ। ভাতখোৱা মজিয়াত পীৰা পৰাৰ হুঁটুৰ-হাটাৰ শব্দ। দেওবৰৰ মনটো কোঁচ খাই আহিল। অহা সময়টো ঠিক নহ'ল। বেণুধৰে জাণ্ডুৰ খাই ঘুঠিলেহে আছে।

এজনী গাভৰু ছোৱালী বাহিৰলৈ ওলাই আহিল। বেণুধৰৰ সৰুজনী জীয়েক। দেওবৰে চিনি পালে। নিচিনিবনো কিয়? গাঁৱৰে ছোৱালী। হওঁতে তাই আজিকালি গাঁওখনৰ আন ছোৱালীবোৰৰ লগত হলি-গলি কৰি নুফুৰে। সেয়েহে গাঁৱৰে যদিও ভাইক পৰ পৰ যেনহে লাগে। বয়সত চম্পাৰ সমনীয়াই। একেমাহতে ওপজা। মুখত উঠা বাবেই বয়স খোৱা যেন নাপায়।

দেওবৰলৈ এবাৰ পোন্দোৱাকৈ চাই ছোৱালীজনী আকৌ ভিতৰলৈ সোমাই গ'ল। দেওবৰে মাত দিওঁ দিওঁ বুলি ভাবিও নিদিলে। দিব নোৱাৰিলে।

বহি থকা ঠাইতেই দেওবৰে কলমটিয়াবলৈ ধৰিলে। তেওঁৰ বৰ ভাগৰ লাগিছিল। যোৱা ৰাতি জ্বৰো উঠিছিল। ভোক জ্বৰ।

আগতে এনে কত জৰ গাতেই যায়। কিন্তু যোৱা ৰাতিৰ জৰটোৱে তেওঁক ৰাৰুকৈয়ে হুটালে।

এ, মানুহটোৱে চোতালতে কেনেকৈ শুইছে চোৱা।

ওচৰতে সৰু ল'ৰা এটাৰ মাত শুনি দেওবৰৰ চকু মেল খালে। এটা খুটমুটীয়া ল'ৰা। বয়স চাৰি পাঁচৰ ভিতৰত। ল'ৰাটো মৰম লগা। দেওবৰে চোতালতে তেনেকৈ টোপনিওৱা দেখি তাৰ চকুমুখত বিস্ময়ৰ ভাব। চাৰি-পাটীতহে মানুহ শোৱে।

দেওবৰে সোলা মুখখন মেলি ল'ৰাটিলৈ চাই হাঁহিলে। অনুমান কৰিলে, বেণুধৰৰ মাজুজনী জীয়েকৰ ল'ৰা। শাওণীৰ। নামটো অৱশ্যে পিছত সলাই হৈছে। শাওণী অশৌচৰ কাৰণে মাকৰ ঘৰলৈ অহাৰ কথা ইতিমধ্যে গাঁওখনত প্ৰচাৰ হৈছেই।

মইনা -ভাত খালানে? দেওবৰে হাঁহি এটা মাৰি ল'ৰাটোক সুধিলে।

ওঁ, চিতল মাছৰ কোলঠিৰ আঞ্জা। তই?

দেওবৰে মূৰটো দুপিয়ালে যদিও মুখৰ হাঁহিটো মাৰ যাবলৈ বেছি পৰ নালাগিল। ভাত খাওঁতে ওফন্দি উঠা পেটটো নচুৱাই নচুৱাই ল'ৰাটো ভিতৰলৈ সোমাই গ'ল। যাওঁতে চিঞৰি চিঞৰি কৈ গ'ল, ককাদেউতা, মানুহ এটা আহিছে, চোতালতে বহি আছে।

চুৰনিৰ ফালে কুকুৰৰ কেংকেওনি শব্দ শুনি দেওবৰৰ চকু সেইফালে গ'ল বহি থকা ঠাইৰপৰাই চুৰনিখন দেখি। দেওবৰে দেখিলে, চুৰনিত এগাল ভাতৰ কাৰণে দুটা কুকুৰে দন কৰিছে। উস্, ইমানগাল ভাতনো কুকুৰক দিয়নে? ইমান আধানাৰ্জি। একেবাৰে বগা বগা ভাতগাল। লাহী চাউলৰ। গাঁৱৰ মানুহখিনিয়ে উথুৱা চাউলৰ ভাতহে খায়। এনে চাউলৰ ভাত নেদেখা অনেক দিনেই হ'ল।

কিহবাৰ পঁজাল শুনি দেওবৰে বাৰাণ্ডাৰফালে চাওঁতে দেখিলে, ভাত খাওঁতে ফিকি উঠা পেটটোৰ ওপৰ ছোৱা মোহাৰি মোহাৰি

বেণুধৰ মহাজন ওলাই আহিছে। মাজে মাজে একোটা উদ্গাৰ মাৰিছে। ভোক গুচাই ভাত খোৱাৰ সঙ্কেত।

কিহে, তোমালোকৰ সময় অসময় একো নাই নহয়? এই খিয় দুপৰীয়াখন ওলাইছাহি যে, কি হ'ল? মহাজনে বিৰক্তিৰে সুধিলে।

বৰ টানত পৰিহে আহিছো মহাজন। দেওবৰৰ মাতটো অলপ কঁপিল।

টান অকল তোমাৰহে নে? মই এতিয়া কি কৰিব লাগে?

আজি দুদিন লঘোন। কিবা এটা কৰা।

কি কিবা এটা কৰিব লাগেহে? এইবাৰ মহাজনৰ মাতটো কৰ্কশ হৈ ওলাল।

শিমলুডালৰ কিবা এটা নিষ্পত্তি কৰা। নহ'লে মোৰ উপায় নাই। পেটৰ ভোকত মৰিবলৈ ওলাইছো।

কি অবুজৰ দৰে কথা কোৱাহে? গৰুও মৰিল, পোৱালো সৰিল। এতিয়া আকৌ কিহৰ নিষ্পত্তি?

নহয়, কিবা এটা নিষ্পত্তি কৰাই। গছ ডাল মোৰহে। ধৰ্ম আছে। পূৰা দাম নিদিলেও আধা দিয়া। তোমাৰ কিহৰ অভাৱ?

কথা কিন্তু বৰ বেয়া হ'ব একা। বেণুধৰে গৰ্জি উঠিল। তুমি এতিয়াও ইয়াৰপৰা যোৱা। বেণুধৰে ভয়ঙ্কৰ মূৰ্তি ধাৰণ কৰিলে। যেন এই মুহূৰ্ততে দেওবৰৰ ওপৰত জপিয়াই পৰি তেওঁৰ গুকান দেহাটো বখলিয়াই পেলাব।

দেওবৰৰ মাত হৰিল। যি কালেদিয়েই তেওঁ মহাজনৰ ঘৰৰ চৌহদৰ ভিতৰলৈ সোমাই গৈছিল, সৰসৰকৈ সেই আলিয়েদি ওলাই আহিল।

দেওবৰ যেতিয়া ঘৰ পালেহি, তেতিয়া [illegible]। চম্পাই বা কি কৰিছে? দেওবৰে বাৰাণ্ডাতে আৰিখন পাৰি বৈল লাহেকৈ তাতে বাগৰ দিলে। তেওঁ ভাবি [illegible], [illegible]নি

চম্পাই ভোকত থাকিব নোৱাৰি কান্দি উঠে, ভোকত গাঁওখনৰ সৰু সৰু ল'ৰা-ছোৱালীবোৰে যেনেকৈ কেঁকুৰি কেঁকুৰি কান্দে? দেওবৰৰ চকু মুদখাই আহিল। সেইকালেই তেওঁৰ টোপনি গ'ল।

দেওবৰে টোপনিতে সপোন দেখিলে। মাঘবিহুৰ উৰুকাৰ ৰাতি ভেলাঘৰত হোৱা ৰাজহুৱা ভোজলৈ তেওঁ গৈছে। মস্ত মস্ত টৌবোৰত ভাত, তেলফটা খাহীৰ মঙহৰ আঞ্জা, চিতল মাছৰ কোপঠিৰ জোল আৰু বাকলি গুচুৱা মাটিমাহৰ টেঙা। বিলনীযাই বিলাইছে, খোৱাই খাইছে। কিন্তু তেওঁক দিয়া নাই। শুদা পাতখন সন্মুখত লৈ দিব দিব ভাবত আশাপালি থম্থম্ কৰে বহি আছে। ইফালে পেটত কলমলনি।

ওচৰতে কোনোবাই মতা শুনি দেওবৰৰ টোপনি ভাগি গ'ল। লগে লগে ভোজ খোৱা সপোনৰো অন্ত পৰিল। চকু দুটা মোহাৰি মোহাৰি চাই দেখে জীয়েক চম্পা। ওচৰতে থিয় হৈ তাই কপালৰ ঘাম মচিছে। মুখখন ৰঙা। যেন জুইৰ কাষৰপৰাহে উঠি আহিছে।

পিতাই অ' ভাত হ'বৰ হৈছে। গাটো ধুই লহি।

ভাত? দেওবৰ উচাপ খাই উঠিল। ভুল শুনা নাইতো? তেওঁৰ কোটৰগত নিস্তেজ চকুযুৰি সেমেকি আহিল। চেপা চেপা মাতেৰে তেওঁ জীয়েকক সুধিলে, ভাত ৰান্ধিবলৈ ক'ত পালি অ' আই?

হৰনাথ ককায়ে দি গৈছে?

হৰনাথে? তাৰচোন নিজৰেই নাই? দেওবৰে ভাবিলেহে। নক'লে। এটা তপত দুমুনিয়াহ অন্তৰভেদী ওলাই আহিল। মনতে ভাব হ'ল, আজি ৰাক খালে, কিন্তু কাইলৈ আকৌ সেই একে লঘোনেইহে গতি। কিন্তু হঠাতে কিবা এক উত্তেজনাত তেওঁৰ শৰীৰৰ সমস্ত শিৰা উপশিৰাবোৰ জাগ্ৰত খাই উঠিল। নিজৰ মনতে প্ৰশ্ন হ'ল, চিলাই দিলে এই গতি নহে কি? তেওঁ টকা দুশহে ধাৰলৈ নিছিল। পাঁচশ লহয়।

ভাবি ভাবি গামোচাখন কান্ধত পেলাই তেওঁ এখুজি দুখুজিকৈ শিলটোৰ ওচৰলৈ আগবাঢ়ি গ'ল, যিটো শিলৰ ওচৰতে আগতে ঘৈণীয়েক জোনাকীয়েও পিতলৰ গাগৰিটোত পানী দিছিল গা ধুবলৈ, ঠিক ভাত হোৱাৰ আগতে। ★

[ আমাৰ প্ৰতিনিধি – ৰঙালী বিহু সংখ্যা, ইং ১৯৭২ ]

# প্ৰতীক

চিটিবাছখন আহি এটা ষ্টপেজত ৰৈছে আৰু ষ্টপেজত অধীৰ হৈ ৰৈ থকা ৰঙা ৰঙৰ পোছাক পিন্ধা চহৰৰে এখন স্কুলৰ কণ কণ ল'ৰা-ছোৱালী কিছুমানে বাছত উঠিবলৈ হেতাওপৰা লগাইছে। এনেতে কণ্ডাক্টৰে ৰিং মাৰি হেণ্ডিমেনক ক'লে, ঐ, লালঝাণ্ডা সুঠাৰি।

কথষাৰে মোৰ কাণত ঠহৰকৈ বিন্ধিলেহি।

কথাষাৰত মই বৰ ৰগৰ পালো। কণ্ডাক্টৰে ব্যঙ্গ কৰিয়েই কৈছিল যদিও মোৰ কিন্তু কথাষাৰ তাৎপৰ্য্যপূৰ্ণ যেনহে লাগিল।

মই চিটিবাছতে বেছিভাগ অহা যোৱা কৰোঁ। তাৰ বাহিৰে গত্যন্তৰো নাই। মাজে মাজে কণ্ডাক্টৰ, হেণ্ডিমেনৰ কিছুমান মুখ ৰোচক কথা শুনো। কিছুমান ওজৰআপত্তি থকা কথাও। ওজৰ আপত্তিৰ ভিতৰত এটা হ'ল, স্কুলৰ কণ কণ ল'ৰা-ছোৱালী কিছুমানে বাছত পইচা নিদিয়ে।

হেণ্ডিমেনে তেনেকৈ কোৱা সত্বেও ৰঙা ৰঙৰ পোছাক পিন্ধা বহুতো কণ কণ ল'ৰা-ছোৱালী বাছখনত উঠিল। কণ্ডাক্টৰ, হেণ্ডিমেন কোনেও বাধা দিব নোৱাৰিলে। নোৱাৰিবৰ কথাই, কাৰণ বাছখন কাৰোবাৰ স্বকীয়া সম্পত্তি হ'লেও ৰাইজৰ ৰাজপথত চলাৰ যেতিয়া অধিকাৰ পালে, তেতিয়া তাত স্বত্ব সকলোৰে।

বাছখন চলিবলৈ আৰম্ভ কৰিলে। পাণ জপাদি জাপি অনা মানুহৰ মাজে মাজে অ'ত ত'ত ভেজা দি, যাত্ৰীৰ পৰা ভাড়া তুলিবলৈ কণ্ডাক্টৰে বাছখনৰ ভিতৰত ইফাল সিফাল কৰিবলৈ ধৰিলে। এনেতে এজন যাত্ৰীৰ এষাৰ কথাই মোৰ কাণত আকৌ ঠহৰকৈ বিন্ধিলে, হেৰা, ভাড়া ল'লা কিন্তু টিকেট নিদিলা। এতিয়া আকৌ

বাৰে বাৰে পইচা সাধি আমনি কৰি আহা। সিয়া, টিকেটবোৰ দিয়া। হাতত লালবাওা দেখিলেহে কিজানি তোমাৰ গাত হঁচ হয়।

মানুহজনে কণ্ডাক্টৰক কণ্ডাক্টৰৰ নিজৰ কথাৰেই খোঁচ এটা মাৰিলে বুলি মই বুজি পালো।

মানুহজনে অৰ্থ কৰা লালবাওা মানে বিশ পইচাৰ টিকেটখন। মানুহজন কোন ঠাইত চিটিবাছত উঠে আৰু কোনখিনিত নামে মই জানো। অচিনাকি যদিও সদায় একেলগে অহা-যোৱা কৰি মুখ চিনাকি হৈ পৰিছো। বিশ পইচাৰ টিকেটখনৰ ৰংটো ৰঙা নহলেও গুলপীয়া। ৰং তৈয়াৰ কৰা কোম্পানী নাইবা ছপাখানাৰ লগত সম্পৰ্ক থকা ব্যক্তি নহলেও ৰঙৰ বিষয়ে মোৰ কিছু জ্ঞান নোহোৱাও নহয়। গুলপীয়া ৰং তৈয়াৰ কৰিবলৈ মূলতঃ ৰঙা ৰঙৰে প্ৰয়োজন।

যি কি নহওক, নিজৰ কথাত নিজেই বান্ধ খোৱা কণ্ডাক্টৰেও মানুহজনৰ কথাৰ প্ৰকৃত অৰ্থ বুজি পালে আৰু বিনাবাক্যব্যয়ে বিশ পইচাৰ টিকেট এখন চিৰি মানুহজনৰ হাতত দি খালাচ হ'ল।

কণ্ডাক্টৰৰ মতে স্কুলৰ কণ কণ ল'ৰাছোৱালী কিছুমানে বাছত পইচা নিদিয়া কথাটো কিমানদূৰ সত্য নাজানো। কিন্তু চিটিবাছৰ যাত্ৰীৰো অভিযোগ আছে। কিছুমান কণ্ডাক্টৰে যাত্ৰীৰ পৰা পইচা লৈ টিকেট নিদিয়ে। টিকেট নিদিয়া মানেই সেই পইচাকেইটা চিচাপৰ ঘৰলৈ নহা। তাৰ মানে অন্য বাট লোৱা। কথাটো সকলো আৰু সাধাৰণ যদিও "বাঘ যদি দেখা নাই মেকুৰীকে চোৱা" দৃষ্টান্ত ৰাখিব লেখীয়াই।

ভেতিয়াহে মোৰ মনত পৰিল লালবাওা মোৰ হাতত নাই। যদিও মই কণ্ডাক্টৰে হাত পতাৰ লগে লগে জেপত হাত ভৰাই ফটাফট দহ পইচাৰ মুদ্ৰা দুটা উলিয়াই কণ্ডাক্টৰৰ হাতত দি নিজৰ সাধুতাৰ পৰিচয় অক্ষুণ্ণ ৰাখিছো বুলি ভাবি নিজে নিজে কৃতাৰ্থ হ'লো। অন্য দিশটোৰ কথা, অৰ্থাৎ পইচাকেইটা অকাটো

যোৱাৰ কথা চিন্তা কৰিবলৈকে নহল। সচেতন নাগৰিক হিচাপে কথাটোৰ প্ৰতি লক্ষ্য কৰা মোৰো কৰ্তব্য আছিল। কাৰণ টান পালেহে বিড়ালীয়ে মাটি নোখোচৰে

দৰাচলতে এচপৰা দুচপৰা মাটি যোগাই অনিয়মৰ ভেটিটো আমিয়েই শকত কৰি ৰাখিছো। এতিয়া জোঁৰ পুৰি হাত পোৱাৰ সময়ত চিঞৰ-বাখৰ কৰি কাণৰ কণামাৰ্কাৰ সকৰালে হ'ব কি?

পিছে লালখাওা বস্তুটোলৈ যে এদিন মোৰো শঙ্কা হৈছিল সেই কথা দুই নকৰো। তেতিয়া মই বোম্বাইৰ ডাঙৰ কোম্পানী এটাৰ তিনিচুকীয়াস্থ ব্ৰাঞ্চৰ এচিষ্টেণ্ট মেনেজাৰ। মোটা দৰমহাৰ লগতে সুসজ্জিত বাংলো আৰু গাড়ী। সামাজিক সন্মান, মৰ্য্যাদা ষোল অনাই অটুট ৰাখিব পৰা বিধৰ চাকৰি। দিনৰ ন,দহ বজাত চিটিবাহত উঠাৰ সোৱাদ তেতিয়া পোৱা নাছিলো। কাৰণ ওখত আছিলো।

কোম্পানীৰ নিম্নথাপৰ কৰ্মচাৰী তথা বনুৱাসকলে চিৎকাৰ কৰিছিল এই বুলি, কতৃ'পক্ষই তেওঁলোকক দৈনিক আঠঘণ্টা খটুৱাই কাম পুৰা আদায় কৰি লৈছে, কিন্তু সেই অনুপাতে বেতন দিয়া নাই। কিছুমান বনুৱাক নানা অজুহাত দেখুৱাই মাহিলি চুকুৰি আঢৈকুৰিতে কাম কৰি যাবলৈ বাধ্য কৰোৱা হৈছে। গতিকে এইবোৰ বৈষম্য দূৰ কৰিব লাগে। শ্ৰমৰ উচিত মূল্য দিব লাগে। কতৃ'পক্ষই নিজে জীয়াই থকাৰ ভেটি তৈয়াৰ কৰিলেই নহব, ভেটি বান্ধি দিয়া বোৰকো জীয়াই থাকিবলৈ দিব লাগে। ইত্যাদি ইত্যাদি নানা অভিযোগ।

বোম্বাইৰ কোম্পানী। তিনিচুকীয়াৰ চিঞৰে চুকি পায় ক'ত?

আমি ইয়াৰ মোটা দৰমহা খোৱা পাৰিষদ সকলবো উৰ্দ্ধত থাকি কাণ গমুৰ হৈ পৰিছিল। চুণে ডকা জিভাই যেনেকৈ মিঠা-তিতাৰ সাদ-সোৱাদ নেপায়, ঠিক তেনেকৈয়ে মোটা ধনে ডকা আমাৰ মনেও অনুভূতিক সাৰশূন্য কৰি পেলাইছিল। স্কুলতে পঢ়া তেতিয়াৰ

পাটীগণিতৰ লাভ ক্ষতিৰ সেই একেসোপা অঙ্ককে দোহাৰি কোম্পানীৰ হৈ ওকালতি কৰি আমি ওখ খাপৰ বিষয়াসকলে বনুৱা কৰ্মচাৰীক ভুকুকিয়াবলৈ লাগি গ'লো যে বৰ্তমান কোম্পানীৰ একেবাৰেই লাভ নাই। লোকচানতে চলি আছে।

পিছে তাহানিৰ গিৰমিটীয়া বনুৱা আৰু আজিৰ বনুৱাৰ মাজত পাৰ্থক্য আছে। অঙ্ক কৰিব পৰা লোক আজিকালি হ'ল সকলোতে। গতিকে বনুৱাই আগৰ সোঁতেদি নগৈ লালঝাণ্ডা তুলিলে। তেতিয়াই মই শঙ্কিত হৈছিলো। কোম্পানীৰ মূল কৰ্মকৰ্তাসকলৰ আশ্বাসত উৎসাহিত হৈ তেওঁলোকৰ পেটৰ কথাবোৰ আমাৰ ভাটো মুখেদি বনুৱাক কৈ এটা বুজাপৰালৈ আহিবলৈ চেষ্টা কৰিছিলো। কিন্তু বনুৱাই নমনাত কোম্পানীৰ তলাবন্ধ হ'ল। এসোপা বনুৱাৰ মৃত্যুত উৰ্দ্ধত থকাবোৰৰ এডাল নোমো নলৰিল।

কিছুদিনৰ পিচত সেই একেবোৰ ঘৰতে নতুন নতুন বনুৱাৰ ভৰ্তিকৰণেৰে এক নতুন উদ্যোগ গঢ়ি উঠিল। আমি সকলোকিজন ওখ খাপৰ বিষয়াই সাপে মোট সলোৱাৰ দৰে কোম্পানীৰ আগৰ পোছাকী নাম সলাই, ডেউকা জোকাৰি, বাহুত বল বান্ধি, কোম্পানীৰ নতুন ছীল-মোহৰ গাত লৈ সেই একেসোপা কামকে কৰিবলৈ ধৰিলো। কিন্তু মোৰ মনত আৰম্ভণিৰে পৰাই অশান্তি কিছুমানে ক্ৰিয়া কৰি আছিল। এইবোৰ দেখি কৰি মনটো আৰু বেছি গধুৰ হৈহে পৰিল। লালঝাণ্ডাৰ প্ৰতি থকা মোৰ আগৰ ধাৰণা সলনি হ'ল। বিবেক দংশনত অধীৰ হৈ কোম্পানীৰ মোটা ধনৰ চাকৰিৰ বছীডাল সিমানতে ছিঙি জনতাৰ সমদলত যোগ দিলোহি। তেতিয়াৰে পৰা মই এইয়া চিটিবাছৰ নিয়মীয়া যাত্ৰী।

পিছে সিদিনা কাগজত পালো, নতুন নামকৰণৰ সেই উদ্যোগতো আকৌ লালঝাণ্ডা উঠিছে। উঠিবই। নদী নিৰবধি। পিচে কোম্পানীয়ে আকৌ তলাবন্ধৰ খেল এতিয়ালৈকে খেলা নাই। কিবা মীমাংসাত আছে হেনো। কাৰণ এইবাৰৰ তলাবন্ধৰ পিচত পুনৰ নতুন নামকৰণেৰে

নতুন উদ্যোগ প্ৰতিষ্ঠাৰ পথত কণ্টক নোহোৱাও নহয়।

যি কি নহওক, লালবাওাৰ অন্তৰ্নিহিত শক্তি এটা নথকাও নহয়। ই কিছুমানক চমক খুৱায়। যিহেতু ইয়াৰ ৰঙো তেজৰ দৰে ৰঙা। মানে, যি তেজে সময়ৰ প্ৰয়োজন অনুসৰি থৰকৈ প্ৰবাহিত হৈ শৰীৰ উতলা কৰে, সেই তেজৰ দৰে ৰঙা সেই ঝাণ্ডা, যাৰ নাম লালঝাণ্ডা।

[ অসমবাণী—ইং ১৯৭১ ]

# মেকুৰী, নিগনি আৰু টিলিঙাৰ সাধু

সাঁজ লাগি ভাগিছে। চোতালতে কঠ এখন পাৰি লৈ বহি পঘা বটিবৰ কাৰণে মৰাপাটৰ গুণ লৈ আছোঁ। কেৱল পঘা বটাই নহয়, মৰাপাটে আঁটিলে এৰাল এডালো বটাৰ ইচ্ছা আছে। বৰ্তমান ব্যৱহাৰ কৰি থকা এৰালডালো কেইবা ঠাইতো ছিলা। তাকেই যোৰাকন্দা মাৰি ৰাতি গাইজনী বন্ধা আৰু দিনতো এৰাল দিয়া এই দুয়োটা কামকে সমানে চলাই আছোঁ। আগৰ পঘাডাল ছিগা ছমাহৰো ওপৰ হ'লহি যদিও এডাল নতুনকৈ যোগাৰ কৰি ল'ব পৰা নাই মৰাপাট এমুঠি যোগাৰ কৰিব নোৱাৰাৰ বাবেই। আজি বায়েকে মৰাপাট এমুঠি দিলে আৰু ময়ো দহোবন কাতি কৰি এইটো কামতহে ধৰিলোঁ।

আকাশত জোন উঠিছে। জোনৰ পোহৰতে মই গুণ লৈ আছোঁ। জোনৰ পোহৰতে এনেবোৰ কাম নকৰিলে আমালোকৰ উপায়ো নাই। কাৰ্চিনতেল অকণ যোৱা সপ্তাহতে আনিব লাগিছিল। কিন্তু আজিকোপৰ্য্যন্ত তাৰ ব্যৱস্থা নহ'ল। কাৰ্চিনতেলটুপিতকৈ চাউলমুঠিৰ প্ৰয়োজনটো বেছি। খেতিৰ সমল বুলিবলৈ মাত্ৰ মাটি ডুহালিটো। তাকে আধি দিওঁ। দুটা মানুহৰ বছৰৰ ভাত কেইটা কোনোবাধৰে নোলায়। পৈত্ৰিক সম্পত্তি বাঁহ দুজোপাও আছে। নাটনিৰ সময়ত তাকে আঁজোৰোঁ। সেই বাঁহ দুজোপা নোহোৱাহ'লে এই বুঢ়া কালত কি লটিঘটি হ'লহেঁতেন সেই কথা ভাবিলে পেটতে হাতভৰি লুকাব খোজে। পুৰা ভাগত শশধৰ কাননগোৰ সুমলীয়া ল'ৰা-ছোৱালীহালক পঢ়ুৱাই লোণ-তেলৰ খৰচটো উলিয়াই আছো যদিও বুঢ়া পুৰণি কলীয়া মাষ্টৰ বুলি কাননগোৰ ঘৰত নানাধৰণৰ ওজৰ আপত্তি। গতিকে লোণ-তেলৰ খৰচ মিটোৱাৰ এই বাটটি কোন দিনা মকে

সেইকথা মনত ৰাখিহে বৰ্তমান চলিব লগাত পৰিছোঁ।

চাকৰিৰ কালছোৱাত নিজৰ পৰিয়াল তথা ভৱিষ্যতৰ কথা চিন্তা কৰিবলৈ আহৰিকে নোপালো। সময় থাকোঁতেই পৰিবাৰে সকীয়াই আছিল যদিও তিৰোতা মানুহৰ কথা বুলিয়েই নেকি জানো তাত গুৰুত্ব দিবলৈ নহ'ল। কেৱল প্ৰাইমাৰিৰ কণকণ মথাৰ জীৱনৰ বুনিয়াদ গঢ়াৰ চিন্তাতে জীৱনটো পাত কৰি অৱসৰৰ পিছত দেখোঁ যে নিজৰ বুনিয়াদৰ তলতে এটা বিৰাট ফাট। হওঁতে এনে অৱস্থা বেছিভাগ সতীৰ্থৰে ঘৰে ঘৰে হ'লেও অন্ততঃ মোৰদৰে কোনোজনৰে নহয়। বেছিভাগৰে হয় খেতিখোলাখনেই আছিল, নহয় পাণ-তামোলৰ বাৰীখনকে ভালদৰে ঠিক কৰি লৈছিল। বা খেনোৰ ল'ছালিয়েই সংসাৰৰ বঠাপাত ধৰিব পৰা হৈছিলগৈ। গতিকে সম্প্ৰতি দৈনিক পেটৰ জুইকুৰা কি প্ৰকাৰে নুমুৰাওঁ সেইটি কথা চিন্তা কৰাৰ বাহিৰে চাকিবন্তিৰ জুইৰ কথা চিন্তা কৰিবলৈ সময়ো নাই, ধৈৰ্য্যও নাই বা উপায়ো নাই।

খুন্দাতামোল এখন মুখত ভৰাই লৈ পাগ লগাই খাই খাই মই কঠখনতে লেপেটা কাঢ়ি বহি মোৰ কাম কৰি আছোঁ। ৰহিমলাৰ মাকেও মোৰপৰা অলপ নিলগতে কঠ এখন পাৰি লৈ বহি আঠ-বছৰীয়া নাতি ছোৱালী সোণদৈ আৰু ছবছৰীয়া নাতি ল'ৰা কণপিতৌক কাষতে বহুৱাই লৈ গামোচাৰে মহ খেদি খেদি সাধুকথা কৈ আছে। মেকুৰী, নিগনি আৰু টিলিঙাৰ সাধু।

আমাৰ সতি-সন্ততি বুলিবলৈ জীয়ৰী ছোৱালী সেই একেটিয়েই, ৰহিমলা। ওচৰতে দিছোঁ। দৰা ভাইৰ পছন্দৰে। জোঁৱায়ো মোৰ দৰে পাঠশালাৰ পণ্ডিত। পণ্ডিতলৈ ছোৱালী দিবলৈ মাকৰ সমূলি ইচ্ছা নাছিল। নিজতে পাই আহিছে। ইচ্ছা আছিল বসজীপ থকা চাকৰি কৰা ল'ৰালৈ দিবলৈহে। সুখত থাকিব পাৰিব। নিজৰ গাৱঁতে তেনে বহুতো নিদৰ্শন পাই আহিছে। হওঁতে তেনে ধৰণৰ চাকৰি কৰা ল'ৰাই ছোৱালী ধৰামেলা নকৰাও নহয়। পিছে

আমাৰ ছোৱালী নাছোৰবান্দা। প্ৰথমে মই এইবোৰৰ গমগতি একো পোৱা নাছিলোঁ। পিছে মাকে এদিন কাণৰ কাষত ফুচফুচাই ক'লে বোলে কথা বিষম। তাক নাপালে বোলে তাই আপোনঘাতী হ'ব। ময়ো টপৰাই সুধিলোঁ, তাইচোন তাক ককাই বুলিহে মাতে। বুঢ়ীয়েও একে উশাহে কথাষাৰ ক'লে বোলে আজিকালিৰ কথাবোৰ এনেকুৱাই। কথা শুনি মই হতভম্ব। নিজকে বহুতো পিছ পৰি থকা যেন লাগিল। চম্পাকেও ধানকুটা নিগনিৰ দৰে পুটুক পুটুক কৰে আহি থকাৰ এইটোহে কাৰণ তেনেহলে? আমাৰ দিনত এনেদৰে ল'ৰাই ছোৱালীক ছোৱালীয়ে ল'ৰাক পছন্দ কৰাটো নাভূত-নাশ্ৰুত কথা আছিল। পিছে যি সময়ৰ যি বতাহ। বাধিবলৈ গ'লে খাল খান্দি যখিনী চপোৱাহে হ'ব। ভৱিষ্যৎটো সিহঁতৰে। গতিকে হেঙাৰ নধৰি মাটি দুহালিচাকে বেচি তাৰে সামাজিক নিয়ম মতেই সিহঁতৰ বিয়াখন পাতি দিলোঁ। সিহঁতৰ ফালৰে এয়া নাতি পোৱালি এহাল।

আজি জোঁৱায়ে নাতিহালক পুৱাতে থৈ গৈছেহি। বুঢ়ীমাকেও খেদ কৰি থাকে।

বুঢ়া হৈছোঁ যদিও সাধু কথা শুনি মোৰো ভাল লাগে। নিজৰ ল'ৰালি কালত জহকালি চোতালত কঠপাৰি বহি বিচনীৰ বা লৈ আইৰ মুখত শুনা সেই বুঢ়া-বুঢ়ীয়ে পিঠাখোৱা সাধুকে আৰম্ভ কৰি মানুহ খোৱা ৰাক্ষস ৰাক্ষসীৰ সাধুলৈকে এই সকলোবোৰৰ স্মৃতিয়ে আজিও মনত সোৱাদ লগায়। সেয়েহে ফুটাই প্ৰকাশ কৰিবলৈ লাজ পালোঁ যদিও নাতিহালৰ সমান আগ্ৰহেৰে ময়ো টলকামাৰি সাধুটো শুনি গৈছোঁ। তাতে আজি এই সাধুটো শুনি ভাল লগাৰ কাৰণ এটা নোহোৱাও নহয়।

বুঢ়ীমাকে সাধুটো কৈ গৈছে, এখন দেশত বহুতো নিগনিয়ে বাস কৰিছিল। সেইখন দেশতে এটা মেকুৰীও আছিল।

খটাশুৰ নাতিল'ৰাই মাজতে টপৰাই মাত দিলে, মেকুৰী এটাহে

আছিলযোকি?” আমাৰ গাঁৱতে দেখোন ঢেৰ ঢেৰ মেকুৰী আছে।

নাতিল'ৰাৰ কথা শুনি মোৰ গুণ পকাই থকা হাতখন হঠাতে বৈ গ'ল। যেন যন্ত্ৰৰ কোনোবাখিনিত বিজুতিহে ঘটিল! মই টপকৈ মাৰি বুঢ়ীমাকেনো কি উত্তৰ দিয়ে তাকে শুনিবলৈ উৎকণ্ঠাৰে বাট চালোঁ।

বুঢ়ীমাকেও নাতিল'ৰাৰ কথাতে হয়ভৰ দি উত্তৰ দিলে, বাৰু এটা নহয় দে, মেকুৰীও ঢেৰ আছিল।

উত্তৰ শুনি নাতিল'ৰা সন্তুষ্ট হ'ল যেন লাগিল।

নাতিল'ৰাৰ প্ৰশ্ন শুনি মোৰ পেটতে হাঁহি উঠিছিল যদিও কথাদেউতাকৰ গাম্ভীৰ্য্যতা ৰক্ষা কৰি প্ৰকাশ হ'বলৈ নিদিলোঁ। হয়তোন, এখন দেশত কিবা এটাহে মেকুৰী থাকেনেকি?

বুঢ়ীমাকে কৈ গ'ল, মেকুৰীৰ অত্যাচাৰত নিগনিয়ে ত্ৰাহি মধুসূদন সুঁৱৰিবলৈ ধৰিলে। সিহঁত গাঁতৰ ভিতৰৰ পৰা বাহিৰলৈ ওলাব নোৱাৰা হ'ল। ওলালেই মেকুৰীয়ে ধৰি ধৰি খায়। ফলত খাবলৈ নাপাই সিহঁত গাঁতৰ ভিতৰতে মৰো মৰো অৱস্থা হ'ল।

নাই এইদৰে চাই থাকিলে গা নৰ'ব বুলি ভাবি এদিন এঠাইত সকলোবোৰ নিগনিয়ে গোপনে লগ হৈ মেল পাতিলে। মেলত ইয়াকে থিৰাং হ'ল যে সিহঁতে ধানৰ গুণ্ডেৰে মেকুৰীবোৰৰ হানি খুঁচি মাৰি পেলাব।

বটাসুৰ' নাতিল'ৰাই আকৌ মাজতে মাত দিলে, ধানৰ গুণ্ডেৰে মেকুৰী মাৰিব পাৰিবনেকি?” সিহঁতে গৰম লোহাৰে মেকুৰীৰ চকু ফুটাই নিদিলে কিয়?

চাবাইচ নাতিল'ৰা। মনতে ভাবিলোঁ'হে, ফুটাই নকলোঁ। এনেতে বায়েক সোণদৈয়ে অভিভাৱকত্বৰ সুৰত কলে, দেহ, নিগনিয়ে কিবা লোহা গৰম কৰিব পাৰেনেকি?'

ছোৱালীটো বেচেৰী। পিছে মোৰ ভাব হৈছিল নাতিল'ৰাই আকৌ কিবা প্ৰশ্ন কৰিব। নকৰিলে। বুঢ়ীমাকেও নাতিয়েকৰ

খানৰ জৰিয়তে মেকুৰী হামিব পাৰিবনে নোৱাৰি সেই প্ৰশ্নটোৰ ফলৰা কৌশলেৰে ফালৰি কাটি গৈ সাধুটো কৈ গৈ থাকিল। এদিন সকলোবোৰ নিগনিয়ে ককুৱাখানৰ গুং একোডাল মুখত লৈ মেকুৰীৰ লগত যুঁজিবলৈ গ'ল। কিন্তু কি হ'ব? দূৰতে মস্ত মস্ত মেকুৰীবোৰ দেখি বপুৰাহঁতে ভয়তে পলাই পতং দিলে।

কিন্তু মেকুৰীৰ অত্যাচাৰ বাঢ়ি যোৱাত নিগনিবোৰেও বহি নাথাকি আকৌ এদিন গোপনে মেল পাতিলে। এইবাৰৰ মেলত ইয়াকে থিৰাং কৰিলে যে মৰণৰ পৰা ৰক্ষা পাবলৈ হ'লে সিহঁতে মেকুৰীৰ ডিঙিত একোটাকৈ টিলিঙা আঁৰি দিব, যাতে মেকুৰী ওলালেই টিলিঙাৰ শব্দ শুনি সিহঁতে দূৰতে পলাব পাৰে। পিছে লেঠা হ'ল, মেকুৰীৰ ডিঙিত টিলিঙা আঁৰিবলৈ যায় কোন?

সাধুটো এইটোৱেই।

সাধুটো শুনি বায়েক সোণদৈয়ে ৰগৰ পাই হিঃ হিঃ কৈ হাঁহি মন্তব্য কৰিলে, টিলিঙা আঁৰিবলৈ গলেই মেকুৰীয়ে ধৰি ধৰি খাব নহয়? কিন্তু নাতিল'ৰা গহীন। নিগনিবোৰ পলাব কিয়? সিহঁতৰ চোন সংখ্যাও ঢেৰ। এনে এটা প্ৰশ্ন তাৰ মনত। তাৰ ভাব-গতি দেখি খন্তেকলৈ হ'লেও মই অভিভূত নহৈ নোৱাৰিলোঁ।

এই সাধুটো আগতেও শুনিছোঁ। হয়তোবা কাবোবাক কৈছোঁও। পাঠশালাতো হ'ব পাৰে। পাঠশালাত শিচখিচীয়াখনক মাজে মাজে কল দি ভুকুকিওৱাৰদৰে কেতিয়াবা সিহঁতক সাধুকথাকেও ভুকভুকিয়াব লগা হয়। কিন্তু আগতে পণ্ডিত আছিলোঁ। গভীৰভাৱে ভবা নাছিলোঁ বা যাব পৰা নাছিলোঁ। সাধুটিৰ অন্তৰ্কথা আজিহে ভালদৰে উপলব্ধি কৰিব পাৰিছোঁ যেন লাগিছে।

আজি গাইছনী পৰতে বৰবপৰা ওলাই দস্ত বিচাৰি হাটখোলাৰ দোকানে দোকানে টলো টলো কৰি ঘূৰিছিলোঁ, কিজানি ক'ৰবাত ডুপইচা সস্তা পাৰেঁইবা? জীয়াই থাকিবলৈ সকলোৰে মন। এনেতে লগ পালোঁ সভাবাম আয়নক। ডেওঁৰবা উদ্দেশ্য একেই। অবাপাট

এপালা বেচি সেই পইচাৰে চাউল কেইটিমান নিব নোৱাৰিলে ঘৰৰ ছজনীয়া পৰিয়ালটোৰ মৰণেহে গতি।

আমি ওলালোঁ গৈ ৰমাকান্তৰ দোকানত। অঞ্চলটোত এইখনেই ডাঙৰ দোকান। তেওঁৰ দোকানত নথকা বস্তু নাই বুলিলেও বৰাই কৰা নহয়। গেলামালৰপৰা আৰম্ভ কৰি কাপোৰ কানিলৈকে। বেজিটোৰ পৰা গজাল, বল্টু, টিনপাতলৈকে সকলো বস্তুকেই তেওঁ মজুত ৰাখে। সেই অনুপাতে গ্ৰাহকৰ ভিৰো যথেষ্ট। কেৱল দোকান-খনেই নহয়। মাটিবাৰীও তেওঁৰ অজস্ৰ। নগদ পাঁচশ বিঘা মাটিৰ এচিকটাও হানি বিঘিনি নোহোৱাকৈ আগৰ আধিয়াৰক খেদাই অঙহী-বঙহীৰ নামত ভাগ দেখুৱাই চলাই আছে।

দোকানৰ কোমল গাদীতে বহি চাহ-চুৰট খাই ৰং-তামাচা কৰি ৰমাকান্তৰ লগত কথা পাতি আছিল মুহিতৰ পিতেক পিতাম্বৰ। মোৰে শালপতিৰ চেকনীৰ কোবখাই সি প্ৰাইমাৰিত বৃত্তি ধৰিছিল। বি. এ. পাছ কৰি বোলে সি এতিয়া কিবা এটা ভাল কামেই কৰে। তাৰ স্বাস্থ্যটো দেখি মনতে বৰ সন্তোষ পালোঁ। হওক তেওঁ, এই টানৰ দিনতো সি যে এনে সুন্দৰ স্বাস্থ্য গঢ়ি তুলিব পাৰিছে ধন্য। পিছে সি মোক দেখিও নেদেখাৰ ভাওহে জুৰিলে। গুৰুকতে অৱশ্যে দেদাই বুলিয়েই মাতিছিল। মোৰ বেয়া পাবলৈ কিটো আছে? সুবিধাৰ চাকৰিত সোমাই বা ঠিকা-ঠুকলি কৰি মানুহ হোৱা মোৰ নিজৰ ছাত্ৰবোৰেও আজিকালি দেখিও নেদেখাৰ ভাও জোৰে। সি মোৰ ছাত্ৰও নহয়, গাঁৱৰো নহয়।

ৰমাকান্তৰ গাদীত তাক দেখিয়েই মই আলেঙে আলেঙে আছিলোঁ। সেয়েহে কথাটোৰ গুৰি ক'ত ধৰিব নোৱাৰিলোঁ। বায়েনে এবাৰ দোকানীক কোৱা শুনিলোঁ, মহাজন, বস্তু-বাহানিৰ এই উঠানমাৰ খেলাখনলৈ চাই মহাজন সকলৰ হাতত্হে কিবা কিটিপ আছে যেন পাইছোঁ দেও।

বায়েনে ক'বলৈহে পালে, দোকানী একেবাৰে জাঙুৰ খাই উঠিল।

ভেকাহি মাৰি তেওঁ উত্তৰ দিলে, খোৱাই খায়েই আছে। কোনোৱাই নোৱাৰে যদি নাখাব কি কথা?

বায়েনৰ মুখৰ মাত হৰিল।

নিজৰ পাহকটা চুলিকোছাৰ ঠিক মধ্যস্থলতে থকা টিকনিকোছাৰ গাঁঠিটো টিলা হোৱাত বায়েনে গাঁঠিটো খুলি আকৌ নতুনকৈ বান্ধি ল'লে। দৃশ্যটো দেখি মোৰ আকৌ চাঁতকৰে সৌ কোনোবা কালতে ক'ৰবাত দেখাপোৱা চাণক্য নে কাৰ ছবি এখনলৈহে মনত পৰিল।

দোকানীৰ কথাষাৰে মোকো বিন্ধিলে। গতিকে বায়েনৰ দৰে ময়ো তাত একো কিনাকুটা নকৰি ওলাই আহিলোঁ।

বায়েনহঁতৰ গাওঁ আৰু আমাৰ গাঁও, দুয়োখন গাঁৱেই ওচৰাওচৰি। কাজেই আমি বজাৰ-সমাৰ কৰি আঁতাই একেবাটেৰেই ঘৰমুৱা হলোঁ। বাটতে বায়েনে ক'লে, পণ্ডিত, আপোনালৈ বুলি মৰাপাট কেইমুঠিমান বান্ধি থৈছোঁ। পাৰিলে আজিয়েই লৈ যোৱা হ'ব।

মই না নকৰিলোঁ।

বায়েনৰ ঘৰ পাই দেখোঁ দেহিবাম বুঢ়াভকতে মুকলি বাৰাণ্ডাখনতে পীৰা এখনত বহি হোঁকাটোত ধপাত খাই আছে। বায়েনৰ ছোৱালীজনীয়ে বুঢ়াভকতৰ ওচৰতে পীৰা এখন পাৰি দি মোকো বহিবলৈ ক'লে। জীয়েকৰ হাতত টোপোলাটো ভিতৰলৈ পঠাই দি বায়েনো আমাৰ ওচৰতে বহিলহি।

বায়েনে দুখ-ক্ষোভ মিহলি সুৰত ৰমাকান্ত দোকানীৰ কথা উলিয়ালে। কূট কৌশলেৰে অঞ্চলটোৰ মাটি-বাৰী সোপা হস্তগত কৰা কথাকে আৰম্ভ কৰি অথনিৰ ঘটনাটোলৈকে। তেওঁৰ গাদীৰ ওপৰত সযতনে বহুৱাই ৰখা সেন্দুৰৰ স্বস্তিকা চিন দি থোৱা সেই যে প্ৰকাণ্ড লোহাৰ পেৰাটি, যাৰ গৰ্ভতে এই অঞ্চলৰ বেছিভাগৰে ভাগ্যলক্ষ্মী বন্দী হৈ আছে, সেইকথাও বাদ নপৰিল।

পিছে ৰমাকান্তৰ কীৰ্ত্তি-কলাপৰ কথা আমাৰ কাৰো অবিদিত নহয় বুলি জানিও মনৰ সান্ত্বনাৰ বাবেই যে বায়েনে কথাখিনি

পুনৰুক্তি কৰিলে সেই কথাও আমি বুজাকৈ নাথাকিলোঁ।

দেহিবাম বুঢ়াভকতে হোঁকাটোৰ ফুটাটোত মোহাৰ এটা মাৰি হোঁকাটো মোৰফালে আগবঢ়াই দি গুকান কাহ ফুটামান মাৰি গলটো পৰিষ্কাৰ কৰি লৈ ক'লে বোলে ৰমাকান্তৰ দৰে লোকানী এটাক দোষাৰোপ কৰিলে হ'ব কি? সি এটা বিন্দুহে। বিন্দু কি বস্তু এওঁ পণ্ডিতে জানে। পিছে এনেয়ে গালি-গালাজ কৰি টেঁটুফালি আটাহ পাৰি মৰিলেও ফুটুকাৰ ফেন একো নহ'ব। আচল বীজ ক'ত সেই কথাৰ পুং উদ্ধাৰ কৰি লৈ জঁইন মাৰিব পাৰিব লাগিব, তেহে। কিন্তু কি পদ্ধতিৰে মেকুৰীৰ ডিঙিত টিলিঙা আঁৰি কামত অগ্ৰসৰ হ'লে ফল সুদূৰপ্ৰসাৰী হ'ব, ৰণুৱাসকলে সেই কথা চিন্তা কৰাৰহে সময় বৰ্তমান।

বুঢ়াভকতৰ কথা শুনি আমি দুয়ো নিতাল মাৰিলোঁ। কথাখিনিয়ে ভুকুকাত হাতী ভৰোৱা বিধৰ তাক বুজাত পলম নহ'ল। বুঢ়াভকত স্বৰাজৰ আশাশুধীয়া যুঁজাৰু। নিজৰ কাৰণে একো নিবিচৰা লোক। সময়ৰ লগত খৰবাগৰ মাৰিব নোৱাৰিয়েই গাঁততে পৰি থ'ল।

বুঢ়াভকতে বিন্দুটোৰ কথা যে উল্লেখ কৰিছিল, সেই বিন্দুটো কোনেধৰণৰ বস্তু তাক মই জানো। এই বিন্দুটোৰ কথা বুজাবলৈকে পাঠশালাত কিমানৰ পিঠিত কেইজাল চেকনী নিছিগিছোঁ তাৰ হিচাপ ৰখা নাই বা ৰখাৰ প্ৰয়োজনো উপলব্ধি কৰা নাই। হয়তো চেকনী ৰখাৰ অন্তৰালত পণ্ডিতৰ মনত যে একো ভাবনা নাথাকে এনে নহয়। এই কণকণ মখাই দেশখনৰ ভৱিষ্যত। গতিকে ইহঁতক ঠিকমতে সাঁচত দিয়াটো প্ৰথম চাপৰ কাৰিকৰ হিচাবে আমাৰ প্ৰাথমিক শিক্ষকখিনিৰ নৈতিক কৰ্তব্য। এই নৈতিক কৰ্তব্যকেবা ত্ৰিছটা বছৰে পালন কৰি নিজৰ কি লাভ হ'ল সেই কথাৰ খতিয়ান ৰাখিবলৈ নহ'ল। কিন্তু এই লক্ষ্য সমুখত ৰাখিয়েই যে জীৱনটো অতিবাহিত কৰিলোঁ সেই কথা সত্য।

কিন্তু বুঢ়াভকতে বিন্দুটোক সাধাৰণ হিচাপে গণ্য কৰিলেও মই তাতে হয়ভৰ দিবলৈ বৰ সহজ কথা যেন নাপালোঁ। দেখাত বিন্দুটো সাধাৰণ হ'লেও অঙ্কশাস্ত্রত ইয়াৰ প্রভাব অসাধাৰণ। কাৰণ এই বিন্দুটোকে কেন্দ্র কৰিয়েই এটা বিৰাট বৃত্ত আঁকিব পৰা যায়। ৰমাকান্তৰ দৰে মানুহক বিন্দু হিচাপে ধৰি একো একোটা বৃত্ত আঁকিলেও সেই বৃত্তৰ পৰিধিয়ে বহুতকে আৰু বহু কথাকে যে সামৰি লব তাত সন্দেহ নাই। অৱশ্যে বুঢ়াভকতে এই ক্ষেত্রত বিন্দুটোক পুথি খলিহনাৰ লগতহে যে তুলনা কৰিছিল সেই কথাও বুজাত মোৰ অকণো অসুবিধা নহ'ল।

বায়েনে ভিতৰৰপৰা উলিয়াই দিয়া মৰাপাটৰ মুঠিকেইটা কাষলতিৰ চেপত সুমুৱাই লৈ ঘৰলৈ ওভতোঁতেও গৰেবাটে মোৰ বুঢ়াভকতৰ সেই তাৎপৰ্য্যপূর্ণ কথাফাকিহে মনত পৰিছিল। এতিয়াও বুঢ়াভকতৰ সেই কথাফাকিহে চেৰেং চেৰেংকৈ মনত পৰিছে। আগৰ সেই পুৰণা সাধুটিক বুঢ়াভকতে আজি নতুন ঠাচত গঢ় দিলে। আজিৰ দিনত নিগনিয়ে মৰণৰ ভয়ত মেকুৰীৰ ডিঙিত টিলিঙা আঁৰিবলৈ নিবিচাৰে। টিলিঙা আঁৰিবলৈ বিচাৰে লোকচক্ষুৰ আগত মেকুৰীৰ স্বৰূপ উদঙাই ধৰিবৰ বাবেহে। আমি হালোৱা-হজুৱামথায়ো গৰে জীৱন ধুলি-মাকতিৰ মাজত পোত গৈ থাকিলোঁ বুলিয়েই যে আমাৰ বুজা শক্তি ফেৰাবো পতন ঘটিল এনে কথা হ'ব নোৱাৰে। দৰাচলতে ধূলি-মাকতিৰ উমনিতে এনে শক্তিৰ কণী ফুটি পোৱালি ওলায়।+

(আমাৰ প্রতিনিধি' পূজা সংখ্যা
ইং ১৯৭৭)

=×=

# অৱলোকন

কথাটো সৰু আৰু সাধাৰণ যদিও মোৰ মনত কিন্তু কিবা যেন বৰ ভয়ঙ্কৰ, কিবা যেন বৰ তাৎপৰ্য্যপূৰ্ণ এনে ভাবহে হ'ল। খণ্ডত মোৰ বৰ ল'ৰা হেমন্তই তাৰ পুতেকৰ হাতখনত ধৰি চোঁচোৰাই আনিছিল। ময়েই থাপ মাৰি ধৰি তাক এৰুৱাই দিলোঁ। কাৰণ ন-বছৰীয়া ল'ৰা এটাক আধামৰাকৈ মৰিয়াই জানো কিবা লাভ হ'ব? কেৱল শাৰীৰিক-ভাৱে কষ্ট প্ৰদান কৰিলেই কাৰোবাৰ মানসিক পৰিৱৰ্ত্তন কেতিয়াও ঘটিব নোৱাৰে। ন-বছৰীয়া ল'ৰা এটাৰ মনত এনে ধৰণৰ ভাৱৰ উদয় হ'বলৈ পাইছে কিয়, সেইটো উদ্ভাৱনা কৰাহে বুধিয়কৰ কাম হ'ব।

আমি আমাৰ ন বছৰ বয়সত প্ৰায় কেঁচুৱাৰ দৰেই হৈ আছিলোঁ। সেই বয়সত আমি ঘৰত নাণ্ঠ হৈ থকাটো একো কথাই নহয় বুলি অনুভৱ কৰিছিলোঁ। আমাৰ পোইঁতৰ দিনতো এইটো এটা বৰ ডাঙৰ কথা নাছিল। কিন্তু নাতি ল'ৰাৰ দিনত ই হ'ল এক সাংঘাতিক বেয়া কথা। ন বছৰ বয়সত আমি যি কথা উলাই কৰি আহিছিলো, নাতি ল'ৰাহঁতে চাৰিবছৰ বয়সতে এইটো এটা সাংঘাতিক বেয়া কথা বুলি ভাবিব পৰা হ'ল। তাৰমানে সিহঁতৰ দিন আৰু আমাৰ দিনৰ মাজত বহুতো তফাৎ। তাৰমানে সিহঁত আমাতকৈ বহুগুণে আগবাঢ়িল।

ধটনাটো ঘটিল আজি আগবেলাতে। কুৰি বছৰৰো ওপৰ কাল মোৰ ঘৰত লগুৱা হিচাপে থাকি অকালতে বুঢ়া হোৱা সনাতনে প্ৰায় এসপ্তাহ আগৰে পৰা মোৰ বৰপো হেমন্তক নিজৰ পাবলগীয়া পইচাৰ পৰাই একুৰি টকা বিচাৰিছিল তাৰ থকা পঁজা-ঘৰটো মেৰামতি কৰি ল'বৰ বাবে। কিন্তু মোৰ ল'ৰা হেমন্তই দিয়া নাই। পাওনা

থাকিলেও লগুৱাক বিচৰা মাত্ৰকে সকলো দি দিলে সিহঁতক বশ কৰা টান বুলি আমাৰ এক পুৰণিকলীয়া ধাৰণা। গতিকে লগুৱা সনাতনে পইচাৰ কথা উলিয়ালেই মোৰ ল'ৰাই আমাৰ থকা ঘৰটোৰ ওপৰ মহলা আৰম্ভ কৰাৰ বাবদ বহু পইচা খৰচ হোৱাৰ কথা উল্লেখ কৰি, এতিয়া পইচা নাই বুলি মোখনি মাৰি থয়। কিন্তু আজি ৰঘুনাথ নামৰ এজন চিনাকি ব্যৱসায়ীয়ে ব্যৱসায় সংক্ৰান্তত টকা বিচাৰি অহাত মোৰ ল'ৰাই ঘৰ সজা কামত খৰচ কৰিবলৈ বেংকৰ পৰা আনি থোৱা টকা দহ হেজাৰ তৎক্ষণাত দি দিয়া ন বছৰীয়া নাতি ল'ৰা কবুলে দেখিলে। দেখিয়েই তাৰ মূৰত ভমককৈ জুই জ্বলি উঠিল। দেউতা, ইমানখিনি টকা সেই মানুহটোক কোৱা মাত্ৰকে দি দিলা, অথচ সনাতন ককাইক ইমান দিনৰে পৰা কৈ থকা সত্ত্বেও এটা পইচাও নিদিলা। কণপোনাইঁতৰ ঘৰৰ ভিতৰত বৰষুণ পৰা মই নিজ চকুৰে দেখিছোঁ।

ন বছৰীয়া ল'ৰা এটাৰ মগজুত যে এনে কথাই বাহ ল'ব পাৰে, বা ইমান সৰু ল'ৰা এটাৰ মুখো যে ইমান ধাৰাল হ'ব পাৰে, সেই কথা মই সপোনতো ভাবিব পৰা নাছিলোঁ। বৰ্তমান আঠেকুৰি বছৰৰ ডেওনা গৰকা মোৰ বৰ ল'ৰা হেমন্তয়ো এই কথা ভাবিব পাৰিছিল বুলি মোৰ সন্দেহ।

নাতি ছোৱালী চিত্ৰলেখাই ভায়েকক বুজালে, দেউতাই আমাৰ নতুন ঘৰটোৰ কাৰণে বস্তু আনিবৰ বাবেহে টকা দিছে। নাতি-ল'ৰাই ক'লে, সেই ঘৰত কোন থাকে থাকিব, মই কিন্তু নেথাকোঁ। বায়েকে ক'লে, তই তেনেহলে ক'ত থাকিবি? নাতিল'ৰাই ক'লে, মোৰ ঘৰ মই সাজি ল'ম। বায়েকে আকৌ ক'লে, ইঃ তোৰ পুতলা ঘৰ পাইছ হ'বলা?

পেন্দুকণা ল'ৰা এটাৰ মুখত ইমান বৰ বৰ কথা? বাপেৰ-ককাৰেতো এইকণকে কৰিছে। তইঁতে কি কৰিবি দেখাই দেখিব। বুলি বুঢ়ীমাকে দূৰৰ পৰাই ভোৰভোৰালে। এনেতে মোৰ বৰ ল'ৰা হেমন্তই উচাট মাৰি ভিতৰৰ পৰা ওলাই আহি, পুতেকৰ হাতত

থাপ মাৰি ধৰি চোঁচোৰাই আনিলে। ভাগ্যে মই ওচৰতে থকাত ধৰি তাক একৰাই দিলোঁ।

কি হৈছে নহৈছে তালৈ একো পৰোৱাই নকৰি নাতিল'ৰাই পদূলিমুখত থকা আমু গছজোপাৰ ওপৰৰ ডাল এটাত থম থম কৰে বহি দূৰবীণটোৰে দূৰলৈ চাই থাকিল। মই দেখি অবাক হ'লো। ই কেতিয়াৰে পৰা ইমান ওপৰলৈ উঠিব পৰা হ'ল ?

কথাটো সৰু আৰু সাধাৰণ যদিও, মই কিন্তু সৰু আৰু সাধাৰণ বুলি ভাবিব নোৱাৰিলোঁ। কাৰণ পিছত ভয়ংকৰ ৰূপ ধাৰণ কৰা বহু কথাৰে আৰম্ভণিও এনেদৰেই সৰু আৰু সাধাৰণ।

এই ঘটনাই মোক হঠাতে আন এটা ঘটনাৰ কথা সোঁৱৰাই দিলে। দুবছৰৰ আগতে মোৰ আশী বছৰ বয়স পূৰ হোৱা সেই নিৰ্দিষ্ট দিনটোত মোক ঘৰত অভিনন্দন জনাবলৈ অহা মোৰ সমবয়সীয়া বন্ধু এজনৰ লগত সহায়ক হিচাপে অহা তেওঁৰে নাতি-ল'ৰা এটিয়ে এষাৰ কথা মোক ধেমালিতে কৈছিল, ককাদেউতা, আমাৰ ককাৰ দৰে আপুনিও লেটাৰ পালে, আমি কিন্তু নেপাম। মই মিচিকিয়াই হাঁহিলো। ল'ৰাটো ধেমেলীয়া, অনুভৱ কৰিলোঁ। ভাবিলো, পৰীক্ষাত কোনো এটা বিষয়ত আশী নম্বৰ পোৱাকে 'লেটাৰ' পোৱা বুলি কয়। মই আশী বছৰত ভৰি দিয়া কথাটোকে সি পৰীক্ষাত লেটাৰ পোৱাৰ লগত তুলনা কৰি ৰগৰ কৰিলে।

তাক উদ্দেশ্য কৰি মই মোৰ বন্ধুক ক'লো, ই চোন বৰ ক্ষীণ? ক'বলৈহে পালো, বন্ধুৰ চৈধ্য বছৰীয়া নাতিল'ৰাই টপৰাই মাত লগালে, আপোনালোকে বল খাই খাই আমালৈ বাকলি থ'লে। আমি ক্ষীণ নহৈ ভোকোহা এন্দুৰ হ'মনে? মই হতভম্ব হ'লো। বন্ধুৱেও বেয়া পাই নাতিয়েকক খং কৰিলে। কিন্তু নাতিল'ৰা নিৰ্বিকাৰ। মই ভাবিলো, চৈধ্য বছৰীয়া ফুকলীয়া ল'ৰা এটাই ইমান কথা কেনেকৈ ক'ব পাৰিলে? চৈধ্য বছৰ বয়সত আমাৰ চিন্তাধাৰা কেনে ধৰণৰ আছিল সেই কথাকে মনত পেলাবলৈ মই মোৰ

নিজৰ চৈধ্য বছৰ বয়সৰ দিনবোৰলৈ উভতি চাইছিলোঁ। কিন্তু একো কথাই মনত নপৰিল। ল'ৰাটোৰ কথাষাৰে মোক বৰ বিন্ধিলে। কিন্তু বিন্ধা সত্বেও আপত্তি কৰিবৰ শক্তি নহ'ল।

আজি মোৰ নিজৰ ন বছৰীয়া নাতিল'ৰাৰ কথায়ো মোক সেই একেদৰে একেডোখৰ ঠাইতে বিন্ধিলে। আগতে বন্ধুৰ নাতিল'ৰাৰ কথাৰ দ্বাৰা হান খাইছিলোঁ। আজি নিজৰ নাতিল'ৰাৰ কথাৰ হান খালোঁ। বুঢ়ীমাকে ভোৰভোৰাইছিল, কি বিহুগুটি ল'ৰা। ই আগলৈ কেনে হ'ব বুজা গৈছে। হেমন্তয়ো মাকৰ কথাৰ সুৰতে সুৰ মিলাই ক'লে, মাকেই তাক লাই দি দি ওপৰত তুলিলে। এতিয়া কেনেকৈ নমায় নমাওক তেওঁ।

মই কথাবোৰ নীৰৱে শুনি গ'লো মাত্ৰ। ভাবিলো মাকে লাই দিয়া কথা নহয়, এয়া সময়ৰ শিকনি আৰু সময়ৰে সকীয়নিহে। নামিবলৈ সি এনেদৰে ওপৰলৈ উঠা নাই। মই লগতে এই কথাও অনুভৱ কৰিলো, মই নিজে যি ঘৰ সাজিছিলো, সেই ঘৰ পোহঁতবো মনঃপূত আছিল। কিন্তু নাতিল'ৰাৰ নহয়।

[ অসমবাণী—ইং ১৯৮৮ ]

— x —

# ভোজ

প্ৰথমতে কিবা এটা চেপেটা বস্তু ওপৰৰপৰা পানীত পৰাৰ দৰে শব্দ এটা হ'ল। তাৰ পিছতে হ'ল ধুপ্‌-ধাপকৈ কাৰোবাৰ পিঠিত ও কিল পৰাৰ দৰে শব্দ। তাৰ পিছতে পিতাই ঐ মৰিলো মৰিলো বুলি চিঞৰি চিঞৰি সাত বছৰীয়া ল'ৰা কেৰকণে ঘৰৰ ভিতৰৰ পৰা ওলাই আহি দেদাউৰি পাৰি দে দৌৰ: পিছে পিছে হাতত কাঠখৰি এডাল লৈ ৰণচণ্ডীমূৰ্তি ধৰি মাক হীৰামতী।

হেৰৌ, নামাৰিবি অ' নামাৰিবি। মৰিব মৰিব। লঘোনে-ভোকে আছে ল'ৰাটো। কোৰখন শালি থকা ঠাইৰ পৰাই ডিঙিটো বেঁকা কৰি কল্পনাথে চিঞৰি চিঞৰি ঘৈণীয়েকক বাধা দিলে।

অঁ, নামাৰিম? মৰক মৰক। ইহঁত সোপা জীয়াই থাকি একো লাভ নাই। অমুকীয়ে আৰ তাৰ ঘৰৰ পৰা লোণ অকণ খুজি আনি পাকঘৰৰ পাভটিৰ ওপৰত সাঁচি থৈছিলো। খোৱা বস্তু বুলি ই জহনিত যোৱাই হাকুটিয়াই হাকুটিয়াই মজিয়াৰ পানীত পেলাই গোটেই লোণ সোপা জাহ নিয়ালে। মাউৰত মৰাক আজি মাকে....

হেৰৌ, নামাৰিবিঅ' ল'ৰাটোক, আজি উককাৰ দিনাখন।

অঁ, উককাৰ নাম লৈয়ে এতিয়া গা সাৰিব খুজিছানে? কোৱাচোন মাঘৰ বিহুৰ উককাৰ দিনাখন কোন মানুহ লঘোনে থাকে। ল'ৰা-ছোৱালী জন্ম দিছা, কিন্তু খুৱাব নোৱাৰা।

"হঁয়েৰা, তয়ো আকৌ তেনেকৈহে কৈছ? মই এতিয়া ক'ত মৰোগৈ কচোন? আধা মজুৰিকৈ হ'লেও আজি ছদিন কাম বিচাৰি হাবাথুৰি খায়ো হাজিৰা এটা নাপালোঁ। কাম কৰোৱাই বাহিৰৰ মানুহ লগাই কৰায়েই আছে? সুধিলে কয় বোলে আমাৰ মানুহে

কাম নাজানে। সিহঁতক দুপইচা বেছি দিও লাভ। মই এতিয়া ক'ত মৰোগৈ কচোন?

বাকী দুটা ল'ৰা-ছোৱালীয়েও ভয়তে তাপ মাৰে।

বৈণীয়েকৰ ৰণচণ্ডী মূৰ্তি দেখি তাৰ নিজৰ মনটোও কেনেবা কেনেবা লাগিল। তাই মানুহজনী আগতে এনে খিংখিঙীয়া নাছিল। তাই আগতে আছিল একেবাৰে নিৰ্জু প্ৰকৃতিৰ, নিৰীহ, নিপানী। মনৰ মিল হৈয়ে সিহঁতৰ বিয়া হৈছিল। বিয়া মানে এদিন ৰাতি ভাওনা চাবলৈ আহোতে সি তাইক পলুৱাই নিলে। সামাজিক-ভাৱে আৰু বিয়া পতা নহ'ল। ল'ৰা-ছোৱালী হ'ল। সময় আগ-বাঢ়িল। বিয়াখন পাতি শুধি লোৱাৰ কথা আৰু তল পৰিল। গাঁৱৰ কোনো কোনো চকু চৰহাই আবিয়ৈ বুলি এতিয়াও মাজে মাজে সিহঁতক উপলুঙা কৰে।

কমলনাথে কিবা এটা কথা চিন্তা কৰি আহি আহি সোমনাথ ঠিকাদাৰৰ ঘৰ পালেহি। সোমনাথৰ ঠিকাদাৰী এতিয়া নাই যদিও প্ৰতিপত্তি একেদৰেই আছে। অঞ্চলটোৰ মানুহে তেওঁক এতিয়াও ঠিকাদাৰ বুলিয়েই মাতে। তেওঁ আপত্তি নকৰে। ঘৰখনকো ঠিকাদাৰৰ ঘৰ বুলিয়েই সকলোৱে কয়।

দোতা, আজি উককাৰ দিনাখন ল'ছালিৰ মুখত ভাত এমুঠি দিবলৈকে উপায় নাই।

নলিচা লগোৱা গুড়গুড়ীত ধঁপাত খাই খাই প্ৰাক্তন ঠিকাদাৰ সোমনাথ দত্তই বেঁকা হাঁহি এটা মাৰি তালৈ নোচোৱাকৈয়ে উত্তৰ দিলে, হেৰৌ ক, মই এতিয়া কি কৰিব লাগে।

সেমেনা সেমেনি কৰি কওঁ নকওঁ কৈ কমলনাথে ক'লে, এৰা, দোতাৰ ঘৰত কাম-বনকে অলপ কৰিলোহেঁতেন। দোতাৰ হাউলিছনো বনৰ কিবা অভাৱ আছেনে?

হেৰৌ, তহঁতৰখাই মোৰ এইকণকে এসোপামান দেখিছ নহয়? তহঁতৰ প্ৰতাপত মই এতিয়া ঘৰবাৰী এৰি পলাব লাগিব যেনহে

পাইছো দেওঁ। বাক বহ বহ। আজি আমাৰ বনকৰা মানুহটোও ঘৰলৈ গ'ল। বৈণীয়েক নে পো-পোৱালিৰে কাৰোবাৰ কিবা অসুখ বোলে। আজি-কালিৰ কাম কৰা মানুহবোৰৰ ওজৰ-আপত্তিৰ কথানো কিমান শুনিবি। মুখতে ফাঁকিটো। বাক বাক, তয়েই আজি কাম-বন অলপ কৰি দিবি আৰু কিছুও খাবি।

এনেতে অৱসৰপ্ৰাপ্ত হাকিম মণিৰাম শইকীয়াৰ চিক্‌চিকিয়া মটৰ গাড়ীখন আহি প্ৰাক্তন ঠিকাদাৰৰ ঘৰৰ পদুলি মুখত ৰ'লহি। ঠিকাদাৰৰ ঘৰত উথপথপনি লাগিল। ঠিকাদাৰে হোকাৰ দীঘল নলিচা-ডাল এহাৰ মাৰি মাটিত পেলাই, বহাৰ পৰা উঠি, ঢিলা হোৱা পোহ্নটো কোনোৰকমে চম্ভালি, প্ৰায় লৰ মাৰি যোৱাৰ দৰে গৈ পদুলি-মুখ পালেগৈ। আ: আজি আমাৰ পৰম ভাগ্য বুলি মন্তব্য কৰি আস্তব্যস্ত কৰি অৱসৰপ্ৰাপ্ত হাকিম ডাঙৰীয়াক ভিতৰলৈ লৈ আহিল।

কল্পনাথে চোতালৰ একাষে থিয় হৈ ৰ'ল। তাৰ কপালৰ গাঁঠি থুপ খালে। সি চিনি পালে, এইটো হাকিমেই সোমনাথ ঠিকাদাৰৰ অঙহী বঙহীকে ধৰি বহুকেইঘৰ মাটি থকা লোকক চৰকাৰী বিজাৰ্ভৰ মাটি দিয়াৰ উপৰিও বহুকেইঘৰ সন্দেহজনক লোকক মাটি দিলে। তাৰ নিচিনা বহুকেইঘৰ প্ৰকৃত মাটিহীন স্থানীয় লোকৰ লগতে সিও হাকিমৰ ওচৰত দৰখাস্ত দিছিল। প্ৰকৃত মাটিহীন কিঘৰৰ লগতে সিও ভাবিছিল, চৰকাৰৰ ঘৰৰ পৰা আগবঢ়োৱা খেতিৰ মাটি এডোখৰ নিশ্চয় পাবই। কিন্তু এঘৰবো সেই আশা ফলৱতী নহ'ল।

শিকিয়া-বাওকাযোৰ কান্ধত লৈ, হামিয়াই, হিকটীয়াই সি ঠিকাদাৰৰ পূৰ্বৰ মহৰী মনথিৰৰ লগত হাটলৈ গ'ল। বেচ ডাঙৰ চাই এটা বৌ মাছৰ ফৰমাচ। দাম যিমান লয় লওক। হাকিম ডাঙৰীয়াই ৰাতি উক্তকাৰ ভোজ খাই যাবলৈ সন্মত হৈছে।

হাটত ঠিকাদাৰৰ পূৰ্বৰ মহৰী মনথিৰে ঠিকাদাৰৰ ঘৰলৈ বুলি এপাল্লা আলুগুটি কিনোতে তাৰে ডাঙৰ ডাঙৰ চাই দহোটামান আলুগুটি

বেলেগ এটা মোনাত সোমাল। দেখি কল্পনাথৰ চকু থৰ হ'ল। সেই মোনাটো তাৰ ভাৰত নাহিল।

কল্পনাথে বিছুৰ বজাৰ কৰি উঠি মনথিৰ মহৰীৰ নির্দেশক্রমে ঠিকাদাৰৰ ঘৰলৈ বুলি অকলেই উভতি আহিল। আহোতে সি বাটতে এপাক নিজৰ ঘৰতো সোমাল। ভাৰখনত একালে এটা মস্ত বৌ মাছ আৰু আনফালে আলুগুটি, দাইল আদি বস্তুৰ টোপোলাটো। তাৰ খুউব পানী পিয়াহ লাগিছিল। ভাৰখন সাৱধানে থৈ ঘৈণীয়েকৰ খংটো জামবিছেনে নাই তাৰো উমান ল'লে। খংটো জামৰা যেন পাই ঘৈণীয়েকক খুজি পানী এবাটি খাই পিয়াহটো পলুৱাই ল'লে।

মাক আঁৰ হোৱাৰ লগে লগেই সৰু ল'ৰা-ছোৱালীহালে এখুজি দুখুজিকৈ আগবাঢ়ি আহি আহি ভাৰখনৰ ওচৰ পালেহি। তাৰ পিছত ভাৰখনৰ ওচৰতে সাউংকৈ বহি মাছটো পিটিকি পিটিকি চালে। ইমান ডাঙৰ মাছ সিহঁতে জীৱনতে দেখা নাই। সিহঁতে ভাবিছিল মাছটো বাপেকে নিজৰ ঘৰলৈকে আনিছে। দুয়োটা ল'ৰা ছোৱালীয়ে মাছটো খোৱাৰ বিষয়ে মনতে একো একোটা সৰু সুৰা কল্পনাও কৰিলে। মাৰখোৱা ডাঙৰটো ল'ৰা কেৰকণে অলপ দূৰত জলকা লাগি বৈ আছিল। সিও তাৰে পৰাই মাছটোলৈ টেৰাকৈ চালে। বাপেক সাৱধান হ'ল। কিজানিবা ভাৰখনৰ ওচৰতে থকা কোনোবাটো ল'ৰা-ছোৱালীয়ে কোনোবা টলকত টোপোলাৰ পৰা আলুগুটি সৰকায়? আলুগুটি পুৰি খাবলৈ সিহঁতে বৰ ভাল পায়।

কল্পনাথে পানী বাটি পিয়েই ভাৰখন আকৌ চিপমাৰি দাঙি কুকুৰ খোজত কোবাকুৰিকৈ ঠিকাদাৰৰ ঘৰলৈ বুলি খোজ ল'লে। মনথিৰ মহৰীয়ে খাহীৰ মঙহ আনিবলৈ বুলি আন একালেদি গৈছে। এভাগ নিজৰ ঘৰত থৈ ঘাই ভাগ ঠিকাদাৰৰ ঘৰলৈ লৈ যোৱাৰ কথা। টোপোলাই-টাপলিয়ে সি এনেকৈ নিজৰ ঘৰত সোমোৱা বুলি মনথিৰ মহৰীয়ে কেনেবাকৈ জানিব পাৰিলে কথা বিষম হ'ব। টোপোলাৰ পৰা বস্তু সৰকোৱা বুলি চোভা কৰিব পাৰে।

বাপেকে তাবখন কান্দত লৈ কোবাকুৰিকৈ শুচি যোৱাত ল'ৰা ছোৱালী কেইটাৰ মুখ কেহেৰাজ বটাৰ দৰে হ'ল।

প্ৰাক্তন ঠিকাদাৰ সোমনাথ দত্তই কল্পনাথক উককাৰ বাতিটো ঘৰৰ খেতিখোলা জেওৰা-জপনা বখিবলৈ বখীয়া নিযুক্তি কৰিলে। সি বৈণীয়েক আৰু ল'ৰা-ছোৱালীলৈ বুলি একো এটা বস্তুও খুজিব নোৱাৰিলে। হাকিম ডাঙৰীয়া ঘৰৰ অতিথি। ঘৰ খদমদম। তাৰ কথা শুনিবলৈ আৰু আহৰি কাৰ?

গৃহস্থ অতিথি সকলোৱে পৰম সন্তোষেৰে উককাৰ ভোজ-ভাত খাই উঠাৰ পিছত বাতি বনকৰা ছোৱালী এজনীয়ে আওহতীয়া ঠাই এডোখৰত তাকো ভোজৰ ভাত দি গ'লহি।

পাৰ যদি আৰু দুটামান ভাত দিবিচোন অ' ভাদৈ। আজি কেইবাসাজো "লঘোনৰ মূৰত".... ....

বহ, মই এতিয়াই আনি দিছো। পিছত আকৌ পাহৰিয়েই যাব পাৰো। যিহে কামৰ ধুম।

ভাদৈয়ে লৰালৰি কৰি আৰু কেইটামান ভাত আনি তাৰ পাতত দি ক'লে, তই দেখোন খোৱাই নাই? খা, পেট ভৰাই খাই ল। এনেকৈ মাছে মঙহে জহা চাউলৰ ভাত আৰু ক'ত খাবলৈ পাবি? ইয়াত কুকুৰ মেকুৰীয়েও জহা চাউলৰ ভাত মাছ মঙহ সদায় খাবলৈ পালেও চাকৰ বাকৰৰ ক্ষেত্ৰত কাচিৎ হে মিলে।

ভাদৈৰ সহানুভূতিপূৰ্ণ কথাষাৰ তাৰ কাণত মৌ যেন লাগিল। ভাদৈ সিহঁতৰ গাঁৱৰে ছোৱালী। তোলনি হোৱাৰ আগতেই তাই ঠিকাদাৰৰ ঘৰলৈ আহিছিল। আবিয়ৈ অৱস্থাতে ঠিকাদাৰৰ ঘৰতে তাইৰ বয়সে ভাটী দিলেহি? বিয়া কৰাবৰ বাবে গাঁৱৰে ল'ৰা এটাই ধৰিছিল। কিন্তু ঠিকাদাৰনীয়ে তাইক এৰি নিদিলে। তাই গ'লে হাত ছিঙা হ'ব। তাইৰ দৰে বিশ্বাসী আৰু নিৰ্ভৰযোগ্য বনকৰা ছোৱালী এজনী পোৱাটো টান কথা। ঠিকাদাৰনীয়ে তাইৰ মাকক আশ্বাস দিছিল, ভাল ল'ৰা এটা চাই ভেঁৰলোকেই তাইৰ

বিয়াখন পাতি দিব। কিন্তু তাইৰ আৰু সেই শুভ দিনটো আজিও অহা নাই।

কাহিলি কাহিলি পুৱাই সি তাৰ চকীদাৰীৰ কাম সমাধা কৰি নিজৰ ঘৰলৈ আহিবলৈ বুলি ঠিকাদাৰৰ ঘৰৰ নঙলামুখ পাওঁতেই ঠিকাদাৰৰ ঘৰৰ ভিতৰত কিবা এটা হুলস্থুলৰ শব্দ শুনি সি থমকি ৰ'ল। ঠিকাদাৰনীয়ে ভিতৰৰ পৰাই দেখিছিল, সি হাতত কিবা এটা টোপোলাও লৈ গৈছে। ঠিকাদাৰনীয়ে চিঞৰত গগন ফালিলে, সেইটো তাৰ হাতত কিহৰ টোপোলা? সি কি নিছে? ঠিকাদাৰৰ বাৰীত কৰি, লাও, বেঙেনা আদি দেখাৰ বস্তু।

ঠিকাদাৰনীৰ চিঞৰ শুনি টোপনিত লালকাল দি থকা ল'ৰাহঁতে একে জাপেই বিছনাৰ পৰা উঠি আহি লৰমাৰি তাক গৰামৰি ধৰিলেহি। কোনোবাটোৱে তাক লঠিয়ালেও। প্ৰাক্তন ঠিকাদাৰে বিছনাতে দপদপালে এই চোৰ, দগাবাজ মথাক বিশ্বাস কৰাটোৱেই ভুল হৈছে।

ল'ৰাহঁতে টোপোলাটো তাৰ হাতৰ পৰা আজোৰ মাৰি টানি আনি খুলি চাই দেখে ভিতৰত ভাত। কেইবাখনো কলপাতেৰে আটোমটোকাৰিকৈ মেৰিয়াই লোৱা তাৰ ভাগৰ ভোজৰ ভাতখিনি। কুনকুনি জহা চাউলৰ মিহি মিহি ভাত, দাইল, মাছৰ জোল, অকণমান খাহীৰ মঙহ আৰু ভাজি। এই সকলোখিনি মিহলি হৈ এক অদ্ভুত ৰূপ। কেইবাখনো কলপাতেৰে মেৰিয়াই বান্ধি লোৱা বাবেই দেখাত টোপোলাটো ডাঙৰ।

মাটিত কৰ্ফাল খাই পৰা অৱস্থাৰ পৰা কোনোৰকম উঠি আহি সি দুবৰি বনডৰাৰ ওপৰত ছেদেলি ভেদেলি হৈ পৰা ভাতকেইটাৰ ওচৰতে থৰ হৈ ৰ'ল। চিন্তা কৰিলে, ভাত কেইটা বুটলি নিবনে এৰিথৈ যাব? কিন্তু ভাত কেইটা এৰি থৈ গ'লেও থংটো কেৱল ভাত কেইটাৰ ওপৰতহে দেখুওৱা হ'ব। কিন্তু ভাত কেইটাৰ ওপৰত থংটো দেখুৱাই জানো কিবা লাভ হ'ব। ভাত ভাতেই। প্ৰকৃততে এই ভাত কেইটাৰ মালিক সিহঁতহে। হাড়ভঙা খাটনি কৰিও

হুবেলা হুমুঠি যোগাৰ নোহোৱা, শ্ৰমজীৱী মানুহখিনিৰ শৰীৰৰ গোন্ধহে এই ভাত কেইটাৰ মাজত ওলাব।

তালৈ চাই চাই, ভুকি ভুকি, ভাত কেইটাৰ ওপৰত জপিয়াই পৰিবলৈ উন্মত্ত হোৱা কুকুৰ কেইটাক দেখি তাৰ খঙে চুলিৰ আগ পালেগৈ। "চালাহঁত এতিয়া চোৰ বিচাৰি পালিছি মোকহে। নপজিনে?" বুলি ডবিয়াই ওচৰতে পোৱা ভঙা ইটা এডোখৰ বুটলি লৈ কেইবাদিনৰো লঘোন আৰু পুহমহীয়া ঠেঁটুৰৈ লগা জাৰত কঁপি কঁপি গোটেই ৰাতিটো উজাগৰে কটোৱা দুৰ্বল দেহাটোৰ ভিতৰত সোমাই থকা শক্তিকণেৰেই কুকুৰ কেইটাৰ গালৈ দলি মাৰি দিয়ে। জিভা মেলি খঙাল দৃষ্টিৰে তালৈ আৰু লুভীয়া দৃষ্টিৰে ভাত কেইটালৈ চাই থকা কুকুৰ কেইটাৰ মাজৰে এটাৰ গাত ইটাডোখৰ গৈ লাগিল। পৰি থকা চুবুৰীৰ পৰা নিকটাই পৰা ভাতকেইটাৰ ওচৰলৈ আহি কুকুৰটোৱে মাৰি দাঁত নিকটাই সি ভিৰাই চেঁকুৰ ধৰিলে। তাৰ এনে গতি দেখি আনকেইটা কুকুৰেও ভয়তে নেজ পেলাই পলাই পত্ৰং দিলে।

কল্পনাথে গামোচাখন পাৰি লৈ নিয়ৰত ভিজি থকা দুৰবি-বনৰ ওপৰত সিঁচৰতি হৈ পৰা ভাতকেইটা বুটলিবলৈ ধৰিলে।

[প্ৰান্তিক ইং ১৯৮৮। বছৰৰ নিৰ্বাচিত গল্প '৮৮ নামৰ গল্প সংকলনত প্ৰকাশিত ইং ১৯৮৮]

— x —

# এলান্ধু

বৃকোদৰ শইকীয়াই কাতীয়াক কি কি কাম কৰিব লাগিব বতাই দিলে।

কাম হৈছে—বাঁহনিৰপৰা পকা পকা চাই জোখাৰে বাঁহকেইটা কাটি আনি বাৰীখনত মজবুতকৈ এখন জেওৰা দিয়া। জেওৰাখন ঘনকৈ দিব লাগিব। ওখও ঠিকমতে কৰিব লাগিব। সেইমতে পোতো দিব লাগিব। কাৰণ গাঁওখনত এনে কিছুমান অঘাইতং বাৰী লুৰুকা গৰু আছে যে সিঁহত যেনেহলেও বাৰী সোমাবই। সোমালে আৰু ৰক্ষা নাই। গোটেইখন তহিলং কৰিহে এৰিব।

গামোচাখন মূৰত মেৰিয়াই, হাতত দাখন লৈ কাতীয়াই বাঁহনিৰ ফালে খোজ ল'লে। মনতে তেওঁ কথাবোৰ ফঁহিয়াই গ'ল—জেওৰাখন কিমান ঘনকৈ দিব, কিমান ওখ কৰিব আৰু কিমান পোত দিব আনত কাম কৰা আৰু বৃকোদৰৰ ঘৰত কাম কৰা একে কথা নহয়। গতিকে প্ৰতি খোজতে হুঁচিয়াৰ নহ'লে অলপ লেঠাই।

বাঁহনিখনৰ মাজে মাজে লুংলুঙীয়া বাটটো। মানুহ-গৰুৰ খচকত বন মৰি উছন হৈছে। দুয়োকাষৰ বাঁহ-বনবোৰ জোকে লিউ-লিউৱাদি আগবাঢ়ি আহি বাটটো আগচি ধৰিছেহি।

বাৰীখন ইমান মস্ত যে গৈ অন্ত কৰিব নোৱাৰি। প্ৰায় বাৰ হালিচা মাটিৰ বাৰী। ভাত ভৰহে ভৰহে লাগনি গছ। পোনতে তামোল-পাণ। তাত কমেও তিনিশ চাৰিশ জোপা তামোল। সেই অনুপাতে পাণ। চাপে চাপে কল, নাৰিকল। তামোল-পাণৰ সিফালেই আম, কঁঠাল, লেটেকু, পনীয়ল। সেইবোৰ পাৰ হৈছে বাঁহনি।

বৃকোদৰৰ বাপেক আছিল এই অঞ্চলৰ এজন নামজলা বেজ। গতিকে নিজৰ বাৰীতে অনেক ঔষধি গছ-লতা লগাইছিল। বাপেক ঢলাৰ লগে লগেই সেইবোৰ সাং হ'ল যদিও কণিবিহ, যমলাখুটি, সগুণীলতাকে ধৰি কিছুমান ঔষধত লগা গছ-লতিকা এতিয়াও বাৰীখনত আছে।

বাৰীখন কাতীয়াৰ চিনাকি। চেমনীয়া কালত ইয়াতে লেটেকু, পনীয়ল, জলফাই বিচাৰি পনপনাই ফুৰিছিল। বৃকোদৰৰ বাপেক আছিল বৰ উদাৰচিতীয়া লোক। গতিকে বাৰীত ল'ৰা-ছোৱালী সোমালেও আপত্তি নকৰিছিল। তেওঁৰ ভাব আছিল—খাওক, ল'ৰা ছোৱালীৰ কাৰণেইতো এইবোৰ বস্তু! মাত্র আধানাৰ্জি কৰিব নেলাগে।

কিন্তু বৃকোদৰৰ দিনত তেনে নহ'ল। বাৰীৰ বগৰী এটা হৰণ-ভগন হ'লেও তেওঁৰ গা বেজবেজায়। বুকু হমহমায়। বৰ একাচেকা লোক। কথাত একেবাৰে এঠা নাই। গাঁৱৰ ল'ৰা-ছোৱালী-মখাই যম দেখা দিয়ে। বাপেকৰ দিনত ঘৰখনলৈ যেনেদৰে মানুহৰ সোঁত বৈছিল, বাপেকে চকু মুদাৰ লগে লগেই আহ-যাহ পাতলি আহিল। এতিয়া বিশেষ লেঠা পিঠা নেথাকিলে মানুহ তালৈ নেবায়েই।

ইমান প্ৰকাণ্ড বাৰীখনত জেওৰা দিয়া কামটো উলামুলা বিধৰ নহয়। কাম জানো এটাই? প্ৰথমে বাঁহৰ জোপৰপৰা বাছি বিচাৰি পকা পকা বাঁহবোৰ কাটি টানি টানি উলিওৱা, আখি কঁৰালি কুৰালি লোৱা, জোখমতে ছেও দিয়া, ফলা, তাৰ পিছতহে জোঙলা কাম। বাৰীখনৰ কেউকাষে হাবিবোৰ জুৰি লোৱা কামটোতো আছেই। কাজেই ইমানবোৰ কাম অকলে চম্ভালা মস্কিলেই। নাই নাই বুলি কৰেও এপষেকৰ বন। হওঁতে তেওঁ কামটো দেখি ভয় খোৱা নাই। ইয়াতকৈও ডাঙৰ কামো অকলেই কৰিছে। তথাপি লগ এটা হ'লে কাম কৰিও হাউচ লাগে, নিয়াৰিকৈ কৰিবলৈকো সুচল হয়।

আচল কথাটো হ'ল—বৃকোদৰৰ ঘৰৰ কাম কাৰণেই মনটো চেৰাইছে। যেই-সেই মানুহে এওঁৰ ঘৰত টিকিবই নোৱাৰে। কথাই কথাই দায়-জগৰ। অলপ হেৰফেৰ হ'লেই হ'ল আৰু। সাতপুৰুষ উজাৰিব। মাত-কথাত বেয়া হলেও বোলে হাতখনেই মুকলি, সিও নহয়। বৰ চিকটা। পৰাপক্ষত দিনহাজিৰা কৰা মানুহে এওঁৰ ঘৰত কাম কৰিবলৈ নাহেই। উপায় নাপাইহে আজি কাতীয়াই কাম কৰিবলৈ আহিছে। যোৱা দুদিন ধৰি ক'তো হাজিৰা পোৱা নাই। সেয়েহে বাছ-বিচাৰ কৰিবলৈ আৰু ধৈৰ্য্য নহ'ল।

দিন-হাজিৰা কৰাৰ বাহিৰে পেট প্ৰবৰ্তাবলৈ কাতীয়াৰ আন পথো নাই। মাটি-বাৰী নাইকিয়া মানুহ। ইফালে সাতোটা প্ৰাণীৰে এটা শকত পৰিয়াল। নিজক বাদে বাকী ছয়টা প্ৰাণীয়ে সদায় তেওঁৰ মুখলৈকে চাই থাকে। নিজৰ বয়স তিনিকুৰিৰ ওচৰ চাপিল যদিও ল'ৰা-ছোৱালীয়ে এতিয়াও কামত সহায় কৰি দিব পৰা অৱস্থা হোৱাগৈ নাই। পলমকৈ বিয়া কৰাইছিল। তাতে ডাঙৰ সন্তান-কেইটি হ'ল ছোৱালী। লেঠা হ'ল তাতেই।

কাতীয়াই বাঁহ এজোপাৰ ওচৰতে বৈ, দাখনৰ নালটোৰে পিঠিৰ খৰডোখৰ সুত লগাই খজুৱাই খজুৱাই বাঁহবোৰৰ ফালে ভালদৰে লক্ষ্য কৰিলে। মুখতে থকাবোৰ কাটি অন্ত কৰিলে। জোপৰ মাজতহে পুৰঠবোৰ সোমাই আছে। সেইবোৰো এনে কেৰেপীয়াকৈ সোমাই আছে যে টানি উলিয়াবলৈ গ'লেও এপৰাল পৰিব লাগিব। আনহাতে কেনেবাকৈ কুমলীয়া বাঁহত ঘাপ পৰিলেও বৃকোদৰে সুদাই নেৰে। লাগিলে হাজিৰাকে কাটিব, যিহে মানুহ।

কাতীয়াই আঠুমূৰীয়া চুৰিয়াখন চপাই কোঁচাই টানকৈ গোহটো মাৰি ল'লে। তাৰ পিছত দাখন কায়দা কৰি ধৰি, বাঁহ কাটিবলৈ সাজু হ'ল। এনেতে ওচৰতে পচা জেং খৰিত খচক পৰিলে যেনে শব্দ হয়, ঠিক তেনে খৰণৰ শব্দ শুনি কাতীয়াই মূৰটো বেঁকা কৰি চাই দেখে, বৃকোদৰ। আও, কেতিয়ানো এওঁ ওচৰত হাজিৰ

হ'লহি তন্তেই ধৰিব নোৱাৰিলে।

কিও, ইমান পৰলৈকেচোন বাঁহত ঘাপ পৰাই নাই? এনে গতিৰে কাম কৰি গৃহস্থক চহকী কৰিবি। কঠুৱা মাতেৰে বৃকোদৰে ক'লে।

পূৰঠ বাঁহ আছে নেকি চাইছোঁ। জাঁজৰ মাজত থকাবোৰ কটাও মস্কিল আৰু কাটিব পাৰিলেও টানি উলিয়াওঁতে সময় ল'ব।

হেৰৌ, এনেকৈ গুণাগঁথা কৰি থাকিলেই বেলিটো তোলৈ বৈ থাকিবনে? হাজিৰা লেখি লেখি তিনি টকা কপ নিবি আৰু কামত পাৰমানে ফাঁকি দিবি। তইঁতৰ নিচিনা মানুহক কামত লগোৱাটো ভুলেই বুজিছ?

হাজিৰা তিনি টকা? কাতীয়াৰ মনটো চেবাই গ'ল। বৃকোদৰৰ টান কথাবোৰ কাতীয়াৰ বৰ বেছি গাত নেলাগিল। লোকৰ কাম কৰিলে টান কথা শুনিব লাগেই। মাতৰ তিতা-মিঠাৰ প্ৰভেদ ধৰিব পৰা শক্তিটো কাহানিবাই মৰি গৈছে। কিন্তু দিনটো খাটিও পুৰা হাজিৰাটো নেপালে গাত লাগিবৰে কথা। বৃকোদৰে যে পুৰা হাজিৰা নিদিয়ে সেইটো খাটাং। বৰ্তমান এই অঞ্চলত চলন্তি হাজিৰা চাৰে তিনি টকাহে। তাৰমানে আধলিটো গ'ল।

অলপ চিন্তা কৰি কাতীয়াই ক'লে, মোৰ হাজিৰা চাৰে তিনি টকাহে। মোৰেই নহয়, সকলো কামালাৰে।

কোদোৰ বাহত যেন জুইহে লাগিল। টেঁটুফালি চিঞৰি চিঞৰি বৃকোদৰে ক'বলৈ ধৰিলে, হেৰৌ তই ক'লেই হ'বনে? তইঁতক কিয় চাৰে তিনি টকা লগা হ'ল অ'?

বস্তু বাহানিৰ জুই ছাই দাম। আমিতো কিনিকুটিয়ে খাওঁ।

তইঁতে কিনিকুটি খাব বুলিয়েই মই আধলিটো বেছিকৈ ভৰিব-লগীয়া হ'লনে? নে মোৰ পইচাৰ গছজোপাই আছে? ইচ্ছা থাকিলে কাম কৰ, নহ'লে যা। তিনি টকাতকৈ এটা পইচাও বেছি নাপাব। কৈ দিছো একা। তইঁতে দেখিছো চেলু বিচাৰিছে ফুৰ। ভোৰভোৰাই বৃকোদৰ আঁতৰি গ'ল।

কাতীয়াই পৰম বিৰক্তিৰে পকা বাঁহ এডালত ঘাপ এটা মাৰিলে। কাম যে কৰিব তাৰে সহেত। নহ'লে জিনটোযে অথলে যাব? ঘাপটোৱে গোটেই বাঁহনিডৰা জিনি গ'ল। পকা কণকণীয়া বাঁহ।

একে কোবতে কাতীয়াই পাঁচোটা বাঁহৰ গুৰি বৈয়াই কাটি ল'লে। বাঁহৰ মূঢ়া এটাত উঠি ঢুকি পোৱালৈকে বাঁহকেইটাৰ আখিবোৰ কাটিলে। আখিবোৰ কাটি ল'লেহে টানি উলিয়াবলৈ সুচল হয়।

কাতীয়াই দাখন মাটিতে থৈ, কৰঙনত খাই থকা মহটো একেচাপৰে মাৰিলে। মহে কামোৰা ঠাইডোখৰ খজুৱাই লোৱাৰ পিছত হাতৰ তলুৱাত সেপ অকণ লগাই লৈ বাঁহ এটাৰ গুৰিত ধৰি টানিবলৈ ধৰিলে। কিছুসময়ৰ মূৰত বাঁহডাল হৰহৰাই ওলাই আহিল। প্ৰথমডাল উলিওৱাৰ পিছত বাকীকেইডাল উলিয়াবলৈ বৰ বিশেষ অসুবিধা নহ'ল।

কাণৰ চেপত সুমুৱাই ৰখা বিৰিৰ টুকুৰাটো উলিয়াই আনি জ্বলাই লৈ হুঁপি হুঁপি কাতীয়াই আন এজোপা বাঁহৰ ওচৰত থিয় হৈ পকাবাঁহ কেনি আছে তাকে নিৰীক্ষণ কৰিবলৈ ধৰিলে।

কিঔ, বাইকয়েই নাইচোন? পাঁচডাল বাঁহ কাটি আঁতায়েই আকৌ জিৰাবৰ হ'লেইনে?

বৃকোদৰ শইকীয়াৰ হুঁটা মাতৰাৰে কাতীয়াৰ গাত কাঁইটে বিন্ধাদি বিন্ধিলে। তাৰমানে বৃকোদৰ বাবীখনৰপৰা ওলাই যোৱা নাই। আলেঙে আলেঙে ঘূৰি ফুৰিছে। কামালাই কিজানি কামত ফাঁকি দিয়ে? চোৰ ধৰা ভাব।

নিতান্ত অনিচ্ছা সত্বেও কাতীয়াই বিৰিৰ টুকুৰাটো দূৰলৈ দলিয়াই দি, ধপাধপ বাঁহ কটাত লাগি গ'ল। বিৰিটোত আক কমেও চাৰি-পাঁচ হোপামান মাৰিব পাৰিলেহেঁতেন। বাজিলুৱাই বিৰিটো খুজি আনিছিল মনোহৰ দোকানীৰ পুতেকৰপৰা। মনোহৰ দোকানী পইচাতকৈও চেপেটা। কিন্তু পুতেক ভোগেশ্বৰ হাতখন মুকলি। দোকানৰ গাদীত পুতেক থাকিলে কাতীয়াই কেতিয়াবা

বিৰি এটামান ছুপিবলৈ পায়। আজি পুৰাও দোকানত ভোগেশ্বৰ থকাত, বিৰি এটা খুজি তাতেই কেইহোপামান মাৰি বাকীখিনি পিছত খাব বুলি সাঁচি থৈছিল। কিন্তু তাকো বৃকোদৰে শাঁতিৰে খাবলৈ নিদিলে।

ছুপৰীয়া কাতীয়া ঘৰলৈ নগ'ল। গৈ কৰিবনো কি? কোনো কোনো কামালাই ছুপৰীয়া ঘৰলৈ গৈ এমুঠি খাই আহেগৈ। কোনো কোনো গৃহস্থই কামালাক ঘৰতে চাহপানী এটোপা বা জলপান এটাকে যাচে। আনৰ ঘৰত হোৱা হ'লে কাতীয়াই কিবা এটা আশা কৰিলেহেঁতেন। কিন্তু বৃকোদৰৰ ঘৰত কোনেও একো আশা নকৰে। কাতীয়ায়ো নকৰিলে। দিনহাজিৰা কৰি পোৱা পইচাৰে কিবা এটা কিনি নিলেহে ৰাতি গোটেই ঘৰ গৃহস্থীৰে খাবলৈ হ'ব।

ঘৰলৈ যোৱাৰ পৰিবৰ্তে কাতীয়াই নদীলৈকে গৈ, গামোচাখন সলাই পানীত জোবোৰা এটা মাৰিলে। তিতা গামোচাখন ৰ'দত মেলি দি স'ৰাগছজোপাৰ চাঁতে খন্তেত জিৰাই লৈ, গামোচাখন ডকৰা হৈ থাকোঁতেই আকৌ কামত ধৰিলেহি।

একুৰিমান বাঁহ কটাৰ পিছত কাতীয়াই আগৰ জেওবাৰ জোখতকৈ এবেগেতমান দীঘল কৰি বাঁহত ছেও দিলে। জেওৰাখন ওখ হ'ব লাগিব বুলি বৃকোদৰে প্ৰথমেই সঁকীয়াই থৈছিল। কথাটো কাতীয়াই পাহৰা নাই।

কেইটামান বাঁহ ছেওদিয়াৰ পিছতে হুৰামুৰাকৈ বৃকোদৰ ওলালহি। হেৰৌ খালি খালি। বাঁহসোপাত ছেও দিলিযে জোখ ল'লি জানো?

হয়, লৈছোঁ দিয়ক, আগৰ জেওবাতকৈ এবেগেত বেছিকৈ ৰাখিছোঁ।

হেৰৌ, এবেগেত ওখৰে কাৰ মূৰটো কৰিবলৈ ওলাইছ হেঁ? উঃ খালি খালি। মইতো আগতেই কৈছিলোঁ জেওবাখন ওখ কৰিবলৈ?

অলপ ওখ কৰিছোঁৱেই। চাপৰ জেওবা আৰু বেছি ওখ নকৰিলেও হয়।

চুপ থাক। নিজৰ ঘৰত কেইখন জেওৰা দি পাইছ অ’ ?

কাতীয়া মনে মনে ৰ’ল।

বৃকোদৰে বাঁহৰ টুকুৰা এডাল তুলি লৈ জেওৰাখন কিমান ওখ হ’ব পৰীক্ষা কৰিলে।

আগৰ জেওৰাতকৈ এমুঠনমান বেছি ওখ কৰিম ভেনেহ’লে ?

ওঁ কৰিবি, কৰিবি। পিছে ইমানগাল বাঁহযে কাটি শাং কৰিলি এইবোৰ কৰিবি কি ?

এইবোৰ মাজে মাজে সুমুৱাই দিম আৰু।

বাঁহৰ টুকুৰাটো জোৰেৰে মাটিত পেলাই দি খঙেৰে বৃকোদৰ গুপগুপাই গুচি গ’ল।

সন্ধিয়া গৰু-গাই ঘৰ চপাৰ লগে লগে কাতীয়ায়ো ফলাবাঁহ, জেওৰা সকলোবোৰ একে ঠাইতে থুপাই থৈ দিনটোৰ বাবে কামৰ সামৰণি মাৰিলে। আনৰ ঘৰত কাম কৰিলে যাবৰ পৰত পানী এটোপা খুজি হাত-মুখ ধুই চাফা হৈ লয়। ইয়াত সেইবোৰ কৰিবলৈ আৰু কাতীয়াৰ সত নগ’ল। কোনোৰকম ইয়াৰ পৰা ওলাব পাৰিলেই ৰক্ষা। কিন্তু ? ....

গামোচাখন মুৰত মেৰিয়াই দাখন হাতত লৈ কাতীয়া ভালিম জোপাৰ কাষতে থিয় হৈ ৰ’ল। দৃষ্টি ভিতৰলৈ। বৃকোদৰ ঘৰত আছে বা নাই ? কিজানি ক’ৰবালৈ ওলাই গ’লেই ? হওঁতে তেওঁৰ গাঁওফুৰাৰ অভ্যাস নাই। কিন্তু ঘৰত থাকিলেই কামালাই পইচা সাধিব, সেই ভাবতে কেনিবা ওলাই যাবও পাৰে। পিছে তেওঁক লগ নাপালে ৰাতিলৈকে হ’লেও খপিবই লাগিব।

অলপ পৰৰ পিছতে জানিবা বৃকোদৰ ভিতৰৰৰ্পৰা ভুকংকৈ ওলাই আহিল। দেখি কাতীয়াই সেমেনা-সেমেনি কৰিলে। বৃকোদৰে বুজি পালে কথাটো কি ? তথাপিও তেওঁ প্ৰশ্ন কৰিলে, কি হ’ল ?

হাজিৰাটো ?

হেৰৌ, কাম আৰম্ভ কৰোতেই পইচা লগা হ’লেইনে ? তাতে কামো যিহে কৰিছ ?

আজি কেইবাসাজো লঘোনে আছোঁ দিয়ক। যোৱা দুদিন ধৰি ক'তো কাম কৰা নাই। আমি বুঢ়া-বুঢ়ীয়ে কোনোৰকম থাকিব পাৰিলেও ল'ৰালীয়ে কষ্ট পায়।

তোৰ ল'ৰালীয়ে কষ্ট পায় এতিয়া মই কি কৰিব লাগে? সেইবোৰ টাঙিবাজি মোৰ লগত নেখাটে। পইচা এতিয়া নাপাবা। কাম আধাআধি শেষ হওক, তেতিয়া দেখা যাব। কৈ বৃকোদৰ ভিতৰলৈ সোমাই গ'ল।

থকা ঠাইতে জলকা লাগি কিছু সময় বোৱাৰ পিছত কাতীয়া লাহে লাহে বৃকোদৰৰ ঘৰৰ চৌহদৰ ভিতৰৰপৰা ওলাই আহিল। মূৰৰ ওপৰত যেন কোনোবাই দোমোনীয়া বস্তা এটাহে তুলি দিছে। সক ল'ৰা-ছোৱালীহালে বাতিপুৱাই ভোকত ৰাউচি জুৰি কান্দিছিল। সেই দৃশ্য তাৰ চকুৰ আগত ভাঁহি উঠিলহি।

গৈ গৈ কাতীয়া মনোহৰৰ দোকান পালেগৈ। মনোহৰৰ পুতেক ভোগেশ্বৰে দোকানৰ লেমটো জ্বলাবলৈ কাৰবাৰ কৰিছে। কাতীয়াই ভাবিলে, বাপেক দোকানত নাই যেতিয়া ভোগেশ্বৰকে একিলোমান চাউল বাকীকৈ খুজিব। তেওঁৰ মনটো বেঙাই উঠিল।

কাতীয়াই হামিয়াই-হিকটীয়াই দোকানৰ ভঙা বেঞ্চিখনতে বহিলহি। দোকানত গ্ৰাহক আছে। গতিকে ভোগেশ্বৰক কথাটো কাণচুৱাবলৈ সুবিধা পোৱা নাই। কথা বুলিলেই বতাহ। কেনেবাকৈ বাপেক মনোহৰ দোকানীৰ কাণত পৰিলে কথা বিষম হ'ব।

ইত্যাদি গুণাগঁথা কৰি থাকোঁতেই অলপ সময় পাৰ হ'ল। কাতীয়াই নোখোজাকৈয়ে ভোগেশ্বৰে বিৰি এটা তেওঁৰ ফালে আগবঢ়ালে। কাতীয়াৰ মনটো কৰকাল হৈ পৰিল। বিৰিটো আথেবেথে হাত পাতি লৈ, দোকানঘৰৰ খুটা এটাত বান্ধি থোৱা নাৰিকলৰ বছৌডালত লগাই থোৱা জুইৰে বিৰিটো জ্বলাই, মাজে মাজে চকু দুটা মুদি ধোঁৱাকণ হুঁপিবলৈ ধৰিলে। গাটোলৈ যেন তেতিয়াহে অলপ তত আহিল।

পিছে আলচা কথা সিদ্ধি নহ'ল। এবীয়া কাপোৰৰ জোলাটোৰ জেপত হুয়োখন হাত ভৰাই মনোহৰ দোকানী দোকানৰ সমুখত হাজিৰ হ'লহি। কাতীয়াৰ বেগাই উঠা মনটো নিমিষতে জয় পৰি গ'ল। সুবিধাটো আহিও হেৰাল।

তথাপি কাতীয়াই মনত ক্ষীণ আশা এটা পোষণ কৰিছিল, কিজানি মনোহৰ আকৌ যায়গৈয়ে? কিন্তু মাটিত পাৰি থোৱা ভৰি মচা বস্তাটোত ভৰি দুটা মোহাৰি, ওখ চাংখনত উঠিবলৈ সুচল কৰি মাটিত পুতি লোৱা কাঠৰ গড় ডোখৰত ভৰি দি বেতিয়া জাক মাৰি মনোহৰ দোকানৰ গাদীত উঠিল, তেতিয়া কাতীয়াই সকলো আশা পৰিত্যাগ কৰি দোকানৰপৰা ওলাই আহিল।

ক'লৈ যাব, কি কৰিব আদি বহুতো কথা গুণাগঁথা কৰি, শেষ আশা অকণ অন্তৰত ৰাখি কাতীয়া জেঠমল বাবুৰ গেলামালৰ দোকানত উপস্থিত হ'লগৈ। জেঠমল বাবুৱে তেতিয়া কোমল গাদী-খনত প্ৰকাণ্ড পেটটো পেলাই দীঘল গাকটোত ভেজাদি থম থম কৰে বহি আছে। বনিয়নটোৱে পেটটো সম্পূৰ্ণ ঢাকিব পৰা নাই। গোমস্তাবোৰে গ্ৰাহকক বস্তু দিয়াত ব্যস্ত।

কাতীয়াই চুচুক-চামাককৈ সোমাই গৈ দোকানৰ ৰাবাণ্ডাতে থিয়াথিয়ি কৰি থাকিল। এইখিনি সময়তে বহুতো গ্ৰাহক আহিল, গ'ল। প্ৰায়বোৰেই কাতীয়াৰ চিনাকি। কোনোবাই মাত দিলে, কোনোৱে ফিৰিয়েই নেচালে। মানুহবোৰ থকা সময়ত জেঠমল বাবুক কথাটো ক'বলৈ কাতীয়াৰ সাহসে নুকুলালে। অথচ এই সাহসকণৰ ওপৰতে নিৰ্ভৰ কৰিছে সাতোটি প্ৰাণীৰ দুদিন লঘোনৰ পিছত এসাজ খোৱাৰ আশা ফলৱতী হোৱাৰ সপোনটো। যদি জেঠমল বাবুৰ মনটো ভালে আছে তেনেহলে অকলশৰীয়াকৈ লগ ধৰি ক'লে হয়তো তাৰ আশাৰ সপোনটো ফলিয়াবও পাৰে।

দোকানৰ ভিতৰত ওলাই থোৱা মেখোল আইটৰ গোন্ধৰ ৰাবাণ্ডাতো পৰিছিল।

বাৰাণ্ডাত বহু সময় বৈ থকা কাতীয়াক জেঠমল বাবুৱেও গাদীৰ-পৰাই লক্ষ্য কৰিছিল। কাতীয়াক জেঠমল বাবুৱেও চিনি পায়। বহুদিনৰে চিনাকি। জেঠমল ইয়াতেই ডাঙৰ-দীঘল হোৱা। ডিঙিত জুমুকা লগোৱা বলধি গৰুৰ গাড়ী লৈ জেঠমলে নিজেই কাতীয়াইঁতৰ গাঁৱলৈ গৈ, লোণ দি মানুহবপৰা ধানখেৰ সলাই আনিছিল। অৱশ্যে সেয়া বহুদিনৰ আগৰ কথা। বয়স বাঢ়ি যোৱাৰ লগে লগে জেঠমলৰ শৰীৰৰ ভাৰ সমতাও বাঢ়ি আছিল। আজিকালি তেওঁ গাদীৰপৰা প্ৰায় নুঠেই।

গ্ৰাহকৰ ভিৰ অলপ পাতলাত জেঠমলে গাদীৰপৰাই চিঞৰিলে, কিহে, তুমি তাতে থিয় হৈ ৰ'লাযে?

কাতীয়ায়ো জানে, জেঠমল বাবুৱে যাকে তাকে বাকী নিদিয়ে। দিয়ে যাৰ খেতি-খোলা আছে। খেতি-খোলা থাকিলে পইচা মৰা পৰাৰ ভয় নেথাকে। তথাপি তেওঁ মনৰ একোণত অকণমান আশা লৈ ভিতৰলৈ সোমাই গ'ল।

কি সকামত আহিলানো?

এৰা বাবুজী, বৰ লেঠাত পৰিহে আহিলোঁ। আজি আপুনি তৰালেহে তৰোঁৱা।

কথাটোনো কি?

চাউল একিলোমান যেনেতেনে দিয়ক। পইচাটো কাইলৈহে দিম।

জেঠমল বাবুৰ কপালৰ গাঁঠি থূপ খালে। টপৰাই তেওঁ মাত লগালে, আজি-কালি বিক্ৰীবাৰ্তা ভাল নহয়। বাকীকৈ বস্তু দিয়াটো অলপ মস্কিল বুজিছা?

নহয় বাবুজী, আপুনি কিবা এটা নকৰিলে মোৰ মৰণেই। আজি চাৰিসাজ লঘোন। অথচ বৃকোদৰ শইকীয়াৰ ঘৰত কাম কৰিও হাজিৰাটো নেপালোঁ। কাইলৈয়ো তাতে কাম কৰিব লাগিব। হাজিৰাটো পালেই পোনে পোনে আপোনাক দি যামহি।

অলপ চিন্তা কৰি জেঠমলে ক'লে, বাৰু নিয়া, কিন্তু কাইলৈ পইচাটো দি যাবলৈ নাপাহৰিবা বুজিছা ?

নাই নাই বাবুজী, কিয় পাহৰিম ?

জেঠমলে গোমস্তাটোক নির্দেশ দিলে এককিলো চাউল জুখি দিবলৈ ।

গামোচাখনতে চাউলকেইটা আটোম টোকাৰিকৈ বান্ধি লৈ তললৈ মূৰ কৰি কৰি কাতীয়া দোকানৰপৰা ওলাই আহি ঘৰমুৱা হ'ল । চাউলকেইটা দেখিয়েই কাতীয়াৰ মনটো কোঁচখাই গৈছিল । নামতহে চাউল । খুদেই সৰহ । তিনি নম্বৰৰ চাউল যদিও জেঠমলে এক নম্বৰ চাউলৰ দামেই ল'ব, সন্দেহ নাই । মাল জোখোঁতেই কাতীয়াৰ আৰু এক দৃশ্য চকুত পৰিছিল । পাল্লাখনত ভালেখিনি ফেৰ । এৰা, এইবোৰ কথাত মাত মাতিবলৈ সিহঁতৰ সাহ নাই । বাকীকৈ অনা বস্তু । জেঠমলে দিছেযে ?

ৰাতি ঘৈণীয়েকে আস্তব্যস্ত কৰি পাতখনত ভাতকেইটা থাপি-থুপি দিলে । পিৰালিতে হামিয়াই হিকটীয়াই বহি কলমটিয়াই থকা কাতীয়াই থৰক-বৰককৈ উঠি আহি ঢুখৰি পীৰাখনত বহি লৈ কণামুনাকৈ ভাতত গৰাহ মাৰিলে । ঢুদিনো খুদকণ এটিও নপৰা, কলমলাই থকা পেটটোত ভাতগৰাহ পৰাৰ লগে লগেই শাঁত পৰি আহিল যদিও মনতে চিন্তা হ'ল, বৃকোদৰ শইকীয়াই কাইলৈবা হাজিৰাটো দিয়েনে নিদিয়ে ?

হঠাতে তেওঁৰ মনৰ জুইকুৰা ভমকৈ জ্বলি উঠিল । প্রাপ্য বিচাৰিলেও টালিবাজি কৰাহে ? সকলোবোৰ হেকৰাই শেষত বাকী বৈছেগৈ মাথো পৰিশ্রম কৰি খোৱা এই হাত ঢুখন । অৱশেষত ইয়াকো লুটি নিয়াৰ চেষ্টা ।

এনেতে হঠাতে কাতীয়াই ৰৰকৈ এটা চৰ্‌চৰনি খালে । ঘৈণীয়েক ওচৰলৈ লৰমাৰি আহি, লৰালৰিকৈ পানীৰ টেকেলিটো আগবঢ়াই দিলেহি । পানী ঢুঢোক গিলি, অকণমান সময় জলকালাগি বৈ;

কান্তীয়াই ওচৰতে থিয় হৈ সন্ত্ৰস্ত হৈ চাই থকা বৈণীয়েকৰ শুকান মুখখনলৈ চাই সেহাই সেহাই ক'লে, ভাতে বুকুত ধৰিছে অ'। টেঁটুটো শুকাই আছিলতো। ভোকত ভাতকিটা লবালবিকৈ গিলিছিলোঁ। চিন্তা নকৰিবি বুইছ ?

[ অসমবাণী—ইং ১৯৭৩ ]

— x —

# মানসিকতা

অৱস্থাপন্ন মানুহ এঘৰৰ এটা পোহনীয়া কুকুৰ। সেই কুকুৰটোকে চোৱা-চিতা কৰিবৰ বাবে এটা বনকৰা ল'ৰা, নাম হীৰামন।

জাৰৰ দিন। হাড় কঁপোৱা জাৰ। কুকুৰটোৱে কষ্ট পাব বুলি ভাবি গৃহস্থই দিয়ে তাৰ গাত গৰম কাপোৰৰ চোলা। ৰাতি শুবলৈ কেইবাভাঁজো কৰি জাপি দিয়া এখন দলিচা। কিন্তু আনহাতে বনকৰা ল'ৰাটোৰ গাত এটা কটা-ছিটা চোলা আৰু এটা উৰলি যোৱা হাফ্ পেণ্ট। বনকৰা ল'ৰাটোৰ জাৰকালিৰ বিছনাখনো তথৈবচ। ৰাতি সি কুকুৰটোৰ ওচৰতে শোৱে। কিন্তু তাৰ অকণো টোপনি নাহে। গোটেই ৰাতিটোৱেই প্ৰচণ্ড জাৰত সি কেঁকাই থাকে। সি গমপায় কুকুৰটোৱে ৰাতি অতি শান্তিৰে শুইছে। ৰাতিপুৱা ঠেটুৰৈ লগা জাৰত কঁপি কঁপি সি কুকুৰটোক ফুৰাবলৈ নিয়ে।

হীৰামনে এৰাতি জাৰত থাকিব নোৱাৰি কুকুৰটোৰ শোৱা দলিচাখনকে টানি আনি, ভাঁজখুলি নিজৰ গাত জাপি লয়। লগে লগেই তাৰ সুন্দৰ টোপনি আহে। কিন্তু ইফালে কুকুৰটোৱে জাৰত কষ্ট পাই কুঁকুঁকৈ কেঁকাবলৈ ধৰে।

মাজৰাতি গৃহস্থ-গৃহস্থনীয়ে কুকুৰটোৰ গেঙনি শুনি, তাৰ কিবা হৈছে বুলি ভয় কৰি, উধাতুখাই শোৱাৰ পৰা উঠি আহি বন্ধ কোঠাটোৰ দৰ্জাত ঢকিওৱাত, হীৰামনে সাৰ পাই খকামকাকৈ দলিচাখন আগৰ দৰেই ভাঁজ কৰি, কুকুৰটোৰ তলত পাৰি দি দৰ্জাখন খুলি দিয়ে। গৃহস্থ-গৃহস্থনীয়ে কুকুৰটোক ভালদৰে পৰীক্ষা কৰি চাই একো ছিদ্ৰ নেপাই শুচি যায়। কিন্তু কুকুৰটোৰ কাষতে থকা, কেৱল বস্তা এটা আৰু পাতল চেলেং কাপোৰ এখনেৰে সৈতে তাৰ বিছনাখনৰ ফালে ভুলতো নেচায়।

এনেকৈয়ে জাৰকালি কেইবাটাও ৰাতি অতিবাহিত হয়। ফলত কুকুৰটোৰে জাৰ পাই খীণাই যোৱাত চিন্তান্বিত হৈ গৃহস্থ-গৃহস্থনীয়ে তাক গাড়ীৰে পশু-হাস্পতাললৈ লৈ যায়। কিন্তু ডাক্তৰে চাই কয়, সি জাৰ পাইছে। গতিকে গৃহস্থ-গৃহস্থনীয়ে কুকুৰটোক আৰু কাপোৰ দিয়ে।

গৃহস্থ-গৃহস্থনীয়ে হীৰামনক অকণমান দোষতে কুকুৰ বুলি গালি পাৰে। হীৰামনে সহ্য কৰে। কাৰণ তাৰ চাকৰিটোৰ প্ৰয়োজন অকল তাৰ নিজৰ কাৰণেই নহয়, প্ৰয়োজন তাৰ বিধৱা মাক, ভনীয়েক আৰু ভায়েকটোৰ কাৰণেও। সকতেই তাৰ বাপেক ঢুকাল। বাপেকে দিনহাজিৰা কৰি ঘৰ-সংসাৰ চলাইছিল। বাপেক মৰাৰ পিছত সিয়েই ঘৰ ল'ৰা হিচাপে ঘৰখনৰ দায়িত্ব লবলৈ চহবলৈ আহে। বয়স তাৰ মাত্ৰ চৈধ্য বছৰ। ঘৰৰ দুৰৱস্থাৰ কথা কৈ সি গৃহস্থক কেইটামান টকা বেছিকৈ বিচাৰিছিল। কিন্তু পইচাৰ পৰিবৰ্তে পালে মাত্ৰ ধমক। আনহাতে সি মাহেকৰ দৰমহাকেইটাও মাহে মাহে নেপায়। তাৰ চৈধ্য বছৰীয়া কোমল মনটোৱে ঘৰত মাক, ভায়েক, ভনীয়েকহঁতে বা কি খাইছে, কেনেদৰে চলিছে, উকখা ঘৰটো এই খৰালিৰ দিনতে ৰাটি ন'ললে বাৰিষা কেনেকৈ থাকিব, প্ৰায়ে উদংগাৰেই থকা ভায়েকটোৱে এই জাৰৰ দিনত বা কেনেকৈ চলিছে, আদি নানা চিন্তাত হাঁহাকাৰ কৰে। তাৰ প্ৰাপ্যখিনিও সি সময়মতে নেপায়। অথচ কুকুৰটোৰ কাৰণে গৃহস্থ-গৃহস্থনীয়ে কত পইচা খৰচ কৰে। কুকুৰটোৰ আৰু তাৰ ভাতৰ চাউল একেই যদিও কুকুৰটোৱে নিয়মীয়াকৈ মাছ-মঙহো পায়। কিন্তু মাছ-মঙহৰ নামত তাৰ পাত সদায় শূন্য।

হীৰামনক গৃহস্থ-গৃহস্থনীয়ে কথাই কথাই কুকুৰ বুলি গালি পাৰিলেও কুকুৰটোৰ ওচৰত থকা সময়ছোৱাত সি টেৰাকৈ কুকুৰটোলৈ চায়। সি চোৱা বাবে কুকুৰটোৱে তাৰ দীঘল জিভাখন মেলি তালৈ চায়। হীৰামনৰ লাজ লাগে। তাৰ মনত এনে ভাব হয় যেন গৃহস্থ-গৃহস্থনীৰ কথা শুনি কুকুৰটোৱেও হাঁহিছে। কিন্তু গৃহস্থ-গৃহস্থনীয়ে কুকুৰটোক

কেতিয়াও কুকুৰ বুলি নেমাতে। গালি পৰাটো দূৰৰে কথা। কুকুৰটোক নাম কাঢ়িহে মাতে। জীমু বুলি গৃহস্থ-গৃহস্থনী বা ল'ৰা-ছোৱালীবোৰে মতাৰ লগে লগেই কুকুৰটোৱে আনন্দত উত্ৰাৱল হৈ জপিয়াই কুঁকুঁৱাই সহাৰি জনায়। কিন্তু জাৰত কষ্ট পোৱাৰ কুঁকুঁৱনি আৰু এই মৰমৰ সঁহাৰি জনোৱাৰ কুঁকুঁৱনিৰ সুৰ একে নহয়।

গৃহস্থ-গৃহস্থনীয়ে কুকুৰটোক আদৰ, যত্ন কৰা আৰু মানুহ হ'লেও তাক অনাদৰ কৰাৰ কাৰণে হীৰামনে কোনোদিনেই ঈৰ্ষাৰ বশৱৰ্ত্তী হৈ কুকুৰটোক বেয়া ব্যৱহাৰ নকৰে। কাৰণ সি জানে যে নামত জীমু হ'লেও সি এটা কুকুৰেই। অমাত, নিৰ্বোধ। আনহাতে এচাম মানুহে তাক কুকুৰকে কৰিছে যদিও সি মানুহেই, হীৰামন, সবাক, বুদ্ধিমান।

এনেদৰে কুকুৰটোৰ গাৰ কাপোৰ কাঢ়ি বাতি শোৱা কাৰ্য্য বহুদিন চলি থাকে। বহুৰাতি গৃহস্থ-গৃহস্থনীয়ে শোৱাৰ পৰা উঠি আহি সতৰ্ক-ভাৱে পৰীক্ষা কৰে আৰু হীৰামনেও কৌশলেৰে নিজৰ গা বচাই যায়। কুকুৰটোৱে লাহে লাহে জাৰ সহ্য কৰিব পৰা হয়গৈ। সি কুঁকুঁ শব্দ নকৰা হয়। কিন্তু হীৰামনৰ লাহে লাহে বেয়া লাগি আহে। সিৰে অমাত, নিৰ্বোধ কুকুৰটোক বঞ্চিত কৰিছে, এই অপৰাধবোধে তাক পীড়িবলৈ ধৰে। সি মানুহহে, হীৰামন, মাক-বাপেকে মৰমতে মতা নাম তাৰ। সি কুকুৰ নহয়, যদিওবা অকল ধনেৰেহে চহকী মালিক-মালিকনীয়ে তাক কুকুৰকে কৰিছে—তাৰ ধনহীন অৱস্থাৰ গইনা লৈ। কিন্তু অকল ধনেৰেহে চহকী মালিক-মালিকনীয়ে তাক কুকুৰ কৰিলেও প্ৰকৃততে সি মানুহেই। গতিকে সি মানুহৰ কামহে কৰিব।

সেইদিনাৰে পৰা সি কুকুৰটোৰ শোৱা দলিচাখন নোলোৱা হ'ল।

অসমবাণী ইং ১৯৮৬

— x —

## হৃদয়

ধলপুৱাতে শোৱাৰপৰা উঠি কলঙত জোবোৰাটো মাৰি আহিয়েই মোলানে ভাতৰ চকটোত চাউল কেইটামান বহাই দিলে। মাছৰপৰা কেতিয়া আহি পায়হি ঠিকনা নাই। বিলখনো কোনোবা লঙ্কাপুৰীত। ঘৰ আহি পাওঁতে-নাপাওঁতে বেলা ভাটিও দিব পাৰে। সিমানপৰলৈকে পেটত একো এটা আহাৰ নপৰিলে ফুকলীয়া ল'ৰাটোৱে কষ্ট পাব। ভাতকেইটা হৈ থাকিলে চকৰপৰা লোণ অকণকে লৈ খাবলৈ তেওঁ মাকেই তাক দিছা দিব পাৰিব।

চাউলকেইটা বহাই উঠি, চৌকাটোৰ কাষতে বহি লৈ সি বেতৰ সূত চাঁচিবলৈ ধৰিলে। ভাতৰ উতল আহে মানলৈ কেইটামান সূতকে উলিয়াব পাৰিব। তেতিয়াও কিছু কাম হয়।

ভাতকেইটা হোৱাত চকটো নমাই জুইকুৰা নুমুৱাই মোলান বাহিৰলৈ ওলাই আহিল। চোতালতে ডুখৰিপীৰা এখন পাৰি লৈ বহি সি ধুমাধুম পলটো বাতিবলৈ আৰম্ভ কৰিলে।

পলটো নামতহে। হেঁদালিখনৰ ওপৰত তুলি থওঁতেই বেতৰ গোঁঠনিবোৰ নিগনিয়ে কুট সাং কৰিলে। মাজে মাজে কাঠী ভাঙিছেও।

সিহঁতৰ ঘৰৰ পছুলিমুখেদিয়েই মাছলৈ যোৱা মানুহৰ লানি লাগিছে। মানুহৰ মাজে মাজে সিহঁতৰ তেঁতেলীসৰাৰ মানুহো গৈছে যদিও বেছিভাগেই দূৰৰ। বেতবাৰী, পছমৰা, কপহীতলি, মাজৰবৰি আদি গাঁৱৰ। প্ৰায়বোৰেই তাৰ চিনাকি।

বাইজৰ সোঁত বেছি হৈ অহাৰ লগে লগেই মোলানৰ মনটোও ইচাট-বিচাট কৰিবলৈ ধৰিলে। পলটো ঠিক কৰি লওঁ বুলি সি কিমান দিন যে আলচ নকৰিলে? পিছে আলচেঁাতেই গ'ল। কাল চাচেঁাতেই

মানুহ বতৰ পাৰ হ'লছি। আজি চিত্তলমাৰি বিল বঁবাৰ খবৰটো গোটেই অঞ্চলটোৰ বাইজে পাইছিল ঠিক সময়তেই। নাপালে মাত্র সি।

কথাটো সি গম পাইছিল যোৱা বাতিহে। সিও দৈবাৎ। ঘৰৰ একমাত্র দমবাটো সন্ধিয়া নহাত বিচাৰি কলংঘাট পাইছিলগৈ। কলঙৰ গৰাতে কদমনী গাঁৱৰ জুবমনৰ লগত ভেটা-ভেটি হ'ল। জুবমনৰ মুখেই শুনিলে কথাটো।

তেতিয়াই সি মনতে থিৰাং কৰিলে, মাছলৈ সিও যাব। মাছলৈ নোযোৱা কিমান দিন হ'ল, সেই কথা প্রায় পাহৰাৰ দৰেই হৈছেছি। অথচ এসময়ত সিনো কম মাছুৱৈ আছিলনে? মাছ বিচাৰি গোটেই মৌজাটোৰে বিল-খাল চলাথ কৰিছিল। অৱশ্যে সেয়া আছিল ডেকা-কালৰ কথা। তেতিয়া মাছো আছিল উভৈনদী। খালে-ডোঙে মাছ। নৈ-বিলবতো কথাই নাই। এতিয়াহে কালে সকলো হৰণ কৰিলে।

মাছৰ কথা মনলৈ অহাৰ লগে লগে কম্পাউণ্ডাৰ বাবুৱে কোৱা কথাবাৰলৈহে তাৰ চেৰেং চেৰেংকৈ মনত পৰিল। দেহি, মানুহজনীৰ স্বাস্থ্যটো দিনকদিনে হতিহে গৈছে। দেখিলেই আমঠু ক'লা পৰি যায়। মাজে সময়ে জীয়া মাছৰ জোল অকণ মুখত দিবলৈ পোৱাহ'লেও কিজানি তাই অকণমান বাকৰেই পালেহেঁতেন?

এৰাবাৰীতে আন উদণ্ডীয়া গৰুৰ লগত দমবাটো পাই, ঘৰলৈ খেদি আনি, ডিঙিত পঘাডাল লগাই পোনদাহেই মোলানে হেঁদালিখনৰপৰা পলটো নমাই আনিছিল। এটা আশাৰে। বাতিয়েই কামটো আগ-বঢ়াই থ'লে পুৱালৈ কিছু উজু হৈ থাকে। পিছে নহ'লগৈ। চাকিটোত তেল এটুপিও নাই। জোন ওলোৱাহ'লেও চিন্তা নাছিল। সিঁহঁতৰ দৰে গাঁৱৰ অভাৱী মানুহবোৰে জোনৰ পোহৰতে অনেক কামকেই কৰিবলগা হয়।

খৰখেদা কৰি পলটো ঠিকঠাক কৰি লৈ ঘৈণীয়েকক মাতবাৰ লগাই মোলানে চিত্তলমাৰি বিলক উদ্দেশ্য কৰি বাওনা হ'ল।

হেৰৌ, পিছ পৰিলিচোন?

চোত্তালতে জুপুকা মাৰি বহি কুহুৰ কুহুৰকৈ কাহি থকা গাঁৱৰে বুঢ়া শনিৰামে তাক সুধিলে ।

এৰা দেদাই, লেঠাপিঠাবোৰ মাৰি আজৰি হওঁতেই বেলা ভালে-খিনি হ'ল ।

যা, পাৰিগৈ যা । খোজ ঘনাই দে ।

মোলানেও খোজ ঘনাই দিলে ।

মাজে মাজে বেঙা মেলি সি দূৰৰফালে চায় । কিজানিবা কাৰো-বাক দেখা পায়েই । নাই, মনিব পৰালৈকে কোনো মানুহেই তাৰ চকুত নপৰিল । উঃ কটা, অলপ আগতে ঘৰৰ আগেদিয়েই পকৰাৰ দৰে মানুহৰ লানি লৈছিল । অথচ এতিয়া কোনো নৰমনিচৰে দেখা-দেখি নাই । ৰাইজ চাগৈ ইমানপৰে বিলত নামিল গৈয়ে । আটাইবোৰ মানুহ একেলগে নামিবলৈ পালেহে হাউচ লাগে । কেৱল বিলত নমাই নহয়, এইবোৰ কামত দল বান্ধি নগ'লে আনন্দ নাই ।

বৰ্তমান গোটেই অঞ্চলটোৰ ভিতৰতে এইখনেই একমাত্ৰ বিল । আগতে আৰু যি দুই-চাৰিখন সৰুসুৰা বিল আছিল, পানী শুকাই গৈ সেইবোৰ ঠাই খেতিৰ পথাৰতহে পৰিণত হ'ল । ওচৰৰে গাঁওকেইখনৰ টনকিয়াল কেইঘৰে টিপতে সেইবোৰ মাটি নিজৰ নিজৰ নামত পট্টা কৰি ল'লে । বাকীবোৰে গম পালে পিছতহে ।

এসময়ত চিতলমাৰি বিল বুলিলে বুলিবলৈ নাছিল । বাৰিষা বিলখনৰ বুকু ওফন্দি পৰিছিল কলঙৰ বাঢ়নী পানীৰে । মাছ কাছৰে বিল খুন্দ খাই পৰিছিল । তেতিয়া মানুহে টেক, দলঙা আদিত উঠা সৰুসুৰা মাছবোৰ নাখাইছিলেই । এৰি দিছিল ডাঙৰ হ'বলৈ । এইবোৰ সিহঁতে নিজ চকুৰে দেখা কথা ।

বুঢ়াসকলৰ মুখত শুনিছে, অতীজতে বিলখন চিতল মাছেৰে ঠাহখাই আছিল বাবেই হেনো এই নাম ।

এতিয়া আৰু সেই দিন নাই, বিল নামতহে ।

কলঙৰো সেই পয়োভৰ নাই । পানী শুকাই তলি ওলাল । ভৰ বাৰিষাও কলঙৰ অৱস্থা দেখিলেই শোকলগা । মুখখনকে হেনো

বান্ধি পেলালে। সিহঁতৰ দৰে চকু থাকিও কণা মানুহবোৰে মাথো ইয়াকেই বুজে যে মুখেই যদি বান্ধিলে তেনেহ'লে খাব কেনেকৈ? নাখালে চিৰি-চেহেৰা ক'ৰপৰা হ'ব? পানী হ'লেহে খেতি। কলঙৰ পাৰৰ বোৱাতলি-বাওতলি বাকৰি হ'ল। মৰণ হ'ল মাথো সিহঁতৰ দৰে দুখীয়া খেতিয়ক কেইটাৰ।

কাজেই কলঙৰ পানীৰেই গা কৰি উঠা চিতলমাৰি বিলৰ অৱস্থাও কাহিল হৈ পৰিল ঠিক সিহঁতমখাৰ দৰেই।

গৰুবাটটো এৰি সি পথাৰে পথাৰে পোনাই দিলে।

কিছুদূৰ গৈছে, এনেতে মোলানে দেখিলে, গামোচাখন মূৰত মেৰিয়াই হাতত ৰাইডাংডাল লৈ সিফালৰপৰা কোৰাকুৰিকৈ আহি আছে ৰহমত তাৰৈয়েক। তাৰৈয়েকৰ খোজটো দেখিয়েই মোলানৰ মনটো গোন্ধালে। দূৰৰপৰাই সি মাত লগালে—তাৰৈ, ইমান কোবা-কুৰিকৈ কোনফালেনো ওলাল?

তাৰৈয়েকে দূৰৰপৰাই ৰিঙিমাৰি উত্তৰ দিলে, সৰু বোৱাৰীজনীৰ অসুখ অ' বোপাই। সময় হৈছে, কিন্তু গা খালাচ হোৱা নাই। যাওঁচোন মাঘী বেজৰপৰা পানী এটোপাকে কটাই আনোগৈ। তই হ'বলা মাছলৈ ওলালি?

এৰা।

আমাৰহে কোনো যাব নোৱাৰিলে। ৰাক্. তই যা।

কৈ কৈ তাৰৈয়েক গ'লগৈ।

সিও আগবাঢ়িল।

এটা সময়ত সি বিল পালেগৈ।

বিলত মানুহৰ সন্ধি নাইকিয়া। গোটেই দেশখনৰ ৰাইজেই যেন ভাগি আহিছে—এনেহে ভাব হ'ল তাৰ মনত। পাৰত মানুহ নায়েই। সকলো পানীত। হাতে হাতে পল, জকাই, জাল, জুলুকি! সকলোৱে একমনে, একপ্ৰাণে মাছমৰাত ব্যস্ত। পানীত চৰিয়াওঁতে ঘোদালোতে হোৱা শব্দৰ বাহিৰেও ৰাইজৰ চিঞৰ-বাখৰত গগন ফালিছে। সৰু সৰু ল'ৰা-

হোৱাদীমখায়ো কিৰীলি পাৰি এইঁাঠ বোকাত লোমাই মাগুৰ মাছৰ গাঁত বিচাৰি পিয়াপি দিছে।

মোলানে তিয়নীখন সলাই কাছুটিখন মূৰত মেৰিয়াই ল'লে। তাৰ পিছত খালৈটো কঁকালত বান্ধি লৈ কৃষ্ণৰ নাম সুঁৱৰি পানীত নামিল।

পলটো চবিয়াই চবিয়াই কোনোবাৰ সি বিলৰ মাজ পায়গৈ। আকৌ কোনোবাৰ পাৰ পায়হি। আগৰদৰে শৰীলত শকতি নাই। উৎসাহো নাই তেনেদৰে। বয়স বাঢ়িল। চিন্তাও বাঢ়িল। তথাপি তাৰ ভাল লাগে। ভাল লাগে বহুত দিনৰ মূৰত ইমানবোৰ বাইজৰ লগত একেলগে মাছ মাৰিবলৈ পাই। মাছ খোৱাতকৈও বেছি আনন্দ ধৰাতহে।

বহু পৰলৈকে মোলানে বৰ উৎসাহেৰে মাছ মাৰি আছিল। নিজে নাপালেও ওচৰতে কোনোবাই পালে তাৰো আনন্দ লাগিছিল। কিন্তু সময় বাগৰাৰ লগে লগে যেতিয়া ডৰিকনা এটাও নিজৰ খালৈত নোসোমাল তেতিয়া তাৰ মনটো সেমেকি আহিল।

বেলিটো ক্রমে মূৰৰ ওপৰৰপৰা পশ্চিমফালে লহিয়াবলৈ আৰম্ভ কৰিলেই। কিছুমান মানুহ ইতিমধ্যে পাৰত উঠি ঘৰাঘৰি যাবলৈ সাজু হৈছে।

কঁকালটো পোনাই লৈ মোলানে এবাৰ চাৰিওফালে চকু ফুৰালে। কমকৈ হ'লেও সকলো মানুহেই মাছ পাইছে—এনে ধাৰণা হ'ল তাৰ মনত। জানো আজি সি কি কুক্ষণত ওলাই আহিছিল? তাৰ নিজৰ ওপৰতে ধিকাৰ উপজিল।

আজি ঘাইকৈ তিৰোতাজনীৰ কাৰণেই মাছ অকণৰ আশাৰে দহোৰন কাতি কৰি সি আহিছিল। অৱশ্যে চাৰি বছৰীয়া একমাত্র ল'ৰাটোৰ কথাও মনত পৰিল। পলটো বাতি থাকোঁতে সিও ওচৰতে লেপেটা কাঢ়ি বহি লৈ থেনথেনাই আছিল। তাক যে ভাগৰ মাছ এটা লাগিব তাকে পেঘেনিয়াই আছিল বাপেকৰ আগত। মণ্ডলৰ

ল'ৰাকেইটাই হাটৰপৰা বৰ বৰ একোটা মাছ অনা দিও দেখে। তাৰ কানসমনীয়া মণ্ডলৰ সকটো ল'ৰাই তাক প্ৰায়েই খবৰ দিয়ে সিহঁতৰ ঘৰলৈ মাছ-মঙহ অনাৰ কথা। সেয়েহে তাৰ আপত্তি। মোলানৰ মনত বৰ আঘাত লাগে। ডাঙৰটো ল'ৰায়ো মাছ বৰ ভাল পাইছিল। সি কাল হোৱাৰ ছবছৰেই হ'বৰ হ'লহি। সি যোৱা দিন ধৰি ঘৰখনত যি আহুকাল! তেতিয়াৰেপৰা মাছলৈ যোৱাৰ কথা তাৰ মনতেই নপৰা হ'ল।

মাকজনীৰ গাটো ভালে থাকোঁতে তায়েই মাজে সময়ে জকাই-খনকে লৈ গৈ খালে-ডোঙে দুচাবমান বাই গৰৈ-চেঙেলী কিবা চুটামানকে ধৰি আনি পুৰি দিছিল তাৰ পাতত। কিন্তু তাই পাটীত পৰাৰেপৰা তাৰো মুদা মৰিল।

সন্তানটো শুচা দিন-ধৰি মানুহজনীৰ যি অসুখ! বছৰেকৰ ওপৰ হ'লহি। কত বেজ-জ্ঞানী লগালে, জৰালে, ফুকালে। কিন্তু একোতেই গুণ নিদিলে। মণ্ডলতিয়ে মণ্ডল চাই কৈছিল বোলে মানুহজনীৰ ৰিষ্ট পৰিছে। শুক আৰু শনি বেয়া। শুকৰ বাবত বগা বস্ত্ৰসহ শুকঘৰত এটা ভোজনি দিব লাগে। শনিৰ বাবত ক'লা মাছ, ক'লা আঙা-পাচলিৰে ৰাইজক চাউল একঠা খুৱাব লাগে। ভোজনি এটা দিলে। কিন্তু ৰাইজক চাউলকঠাহে খুৱাব পৰা নাই।

মানুহজনীৰ চিৰিটো দেখিলেই তাৰ গাটো হুমহুমাই যায়। লোণ পমাদি মানুহজনী পমি আছিছে। হাড়কেইডাল আৰু ছালখনহে ৰাকী আছেগৈ। মাজে মাজে তাৰ বৰ ভয় লাগি যায়। কিজানি কিবা এটা অঘটন ঘটে? হৰিয়ে নকৰক।

বেজ-জ্ঞানী লগাই যেতিয়া সি হাৰ মানিলে, তেতিয়া সি ভাবিলে, ডাক্তৰকে আনি দেখুৱাব। কিন্তু হাতত নাই এটাও ফুটা কড়ি।

ধাৰলৈ পইচা বিচাৰি সি গোটেই গাঁও চলাথ কৰিলে। কিন্তু, নাপালে। অথচ গাঁওখনত দিব পৰা মানুহ কেইবাঘৰো আছিল।

নিদিয়াৰ কাৰণটোও সি নজনা নহয়। তাৰ মাটি-বাৰী নাই। পৰৰ আধি খেতি কৰি কোনোৰকম ছমাহ খায়। ছমাহে আকৌ হাঁহাকাৰ। গতিকে এনে টোকোনাক ধাৰলৈ ধন দি কোন লোকে হাতৰ কুঠাৰ ভৰিত মাৰি লয়?

সিহঁতৰ গাঁৱৰ লোকাই মহাজনে তাক ক'লে, গাইজনী দিয় যদি ৰূপ আঢৈ কুৰি দিব পাৰোঁ।

সেইদিনা সি হা-না একো প্ৰকাশ নকৰি ঘৰলৈ ঘূৰি আহি দিনৰ দিনটো ভাবিলে, পথ মাত্ৰ সেই একেটাই আছে। গাইজনী বেচাটোৱেই।

গাইজনী বেচিবলৈ তাৰ মত নগৈছিল। গাভিনী গাই। এমাহ মানৰ পিছতে জগিব। গাখীৰকণ ওলালে কেইটামান মাহলৈ ঘৰখনৰ কিছু ভকতৰ মৰে। কিন্তু সি মোহ নকৰিলে। মানুহজনীতকৈ গাইজনী ডাঙৰ নহয়। পিছে এনে এজনী গাই মাত্ৰ আঢৈ কুৰি ৰূপতেনো কেনেকৈ দিয়ে? জালুগুটিৰ হাটলৈ নিয়াহ'লে কমেও ছয়-সাত কুৰি ৰূপ পালেহেঁতেন। নিয়াৰ উপায় নাই গতিকেহে। বেমাৰী মানুহজনী আৰু কণমানি ল'ৰাটোক বেছি সময়লৈ এৰাই মস্কিল।

বেছি চিন্তা কৰিবলৈ আৰু তাৰ ধৈৰ্য্য নহ'ল। ৰূপ আৰু একুৰি বেছিকৈ ধৰিছিল। কিন্তু লোকাই মহাজনে যি খুঁটি ধৰিলে আৰু নলৰিল।

আঢৈ কুৰি ৰূপ খোঁচোনাত স্থমুৱাই লৈ যেতিয়া সি লোকাইৰ ঘৰৰপৰা উভতি আহিছিল, তেতিয়া তাৰ দুচকুৰেদি দুধাৰি চকুলো বৈ আহিছিল। তাৰ হাত ছিগা অৱস্থাৰ সুযোগ লৈ লোকাই মহাজনেনো এনেকৈ ঠগিব লাগেনে?, কি নাই তেওঁৰ? তিনিটাকৈ গুটিধানৰ ভঁৰাল। কেউফালে জয়জয় ময়ময় অৱস্থা।

বহুত আশা কৰি সি হাটখোলাৰ কাষতে ঔষধৰ দোকান দিয়া ডাক্তৰজনক আনিছিল ঘৰলৈ। কিন্তু ডাক্তৰে বাট বেয়া বুলি

তাৰপৰা ৰূপ নগদ একুৰি ল'লে। নিজৰ দোকানৰ পৰা ঔষধো দিলে। তাৰবাবেও সুকীয়াকৈ ল'লে ৰূপ সোতৰ টকা।

সি ভাবিলে টকা যাওক। মানুহজনী ভাল হ'লেই হ'ল। সি পৰমেশ্বৰক খাটিলে।

সেইখিনি ঔষধ টুকুৱাৰ পিছত আৰু দহ টকাৰ ঔষধ আনি খুৱালে। তথাপিও ঘৈণীয়েকৰ অৱস্থাৰ কোনো উন্নতি নহ'ল। তাকে এদিন গৈ ডাক্তৰক কোৱাত ডাক্তৰে ভেকাহি মাৰি ক'লে বোলে পুৰণা ৰোগ। ইমান সোনকালে ভাল হ'বনে? আকৌ ঘৰলৈ গৈ চাব লাগিব। যোৱাৰ বাবত পুনৰ কুৰি টকা লাগিব।

কথা শুনি মোলানৰ মাত হৰিল। গাত কাটিলেও তাৰ তেজ নোলোৱা অৱস্থা। এনে ক্ষেত্ৰত আকৌ কুৰি টকা ৰূপ? ঔষধৰ দামতো বেলেগকৈ আছেই? সি কাৰো কোকালি কৰিলে। যেনে-হলেও সি ধাৰ মাৰিব। গোটেই জীৱন নিকিনা গোলাম হৈ থাকিব। মানুহজনীক যেন বচাই দিয়ে।

কিন্তু ডাক্তৰ মান্তি নহ'ল। ক'লে, এইবোৰ কামত বাকী-বৃকা নচলে।

এদিন ৰবিবৰীয়া হাটতে ৰহমত তাৰৈয়েকে তাক লগ পাই ঘৈণীয়েকে কেনে পাইছে সুধিলে। পিছত মোলানৰ মুখে আদ্যোপান্ত শুনি তেওঁ ক'লে, যি হ'ল হ'ল, এতিয়া ঘৈণীয়েৰক চৰকাৰী ডাক্তৰখানালৈকে লৈ ব'ল। মোৰ গাড়ীতে লৈ যা। তাত পা-পইচা একো ভৰণি নহয়।

তাৰৈয়েকৰ উপদেশ অনুসৰি তেওঁলোকৰ গৰুগাড়ীখনতে সি ঘৈণীয়েকক লৈ গৈছিল সাত মাইল দূৰত থকা চৰকাৰী ডাক্তৰখানা-খনলৈ। ডাক্তৰ চাহাবে লিখি দিয়া কাগজখিলা চাই চিচা এটাত একচিচা ঔষধ দিয়াৰ পাছত কম্পাউণ্ডাৰ বাবুৱে ঘৈণীয়েকৰফালে অলপ পৰ চাই থাকি কৈছিল, মানুহজনীৰ গাত একেবাৰে তেজ নাই। মাছ আৰু গাখীৰ খুৱাবা।

সি শলাগিছিলহে।

সেইচিচা ঔষধ শেষ হোৱাৰ পিছত সি সাত মাইল বাট বগৰি গৈ আৰু কেইবাচিচাও ঔষধ আনি দিছিল। তথাপি ঔষধে গুণ নিদিয়াত কম্পাউণ্ডাৰ বাবুৰে কোৱা কথাষাৰলৈহে তাৰ মনত পৰিছিল চেৰেংচেৰেংকৈ।

মোলানে পল চবিয়াবলৈ এৰি পানীৰ মাজতে কিছু সময় তভক মাৰি ৰ'ল। মানুহবোৰ যাবলৈ আৰম্ভ কৰিছেই। সিনো থাকি কৰিব কি? তাৰ কপালত নায়েই সাৰ হ'ল। গতিকে খেদ কৰি আৰু কোনো লাভ নাই।

মোলানে পানীৰপৰা উঠিবলৈ যো-যা কৰোঁতেই দেখিলে, ক'লা-মণিয়ে ওচৰতে জাল বাই আছে! বুজন খালৈটোৰ ভিতৰত মাছৰ খলখলনি। সি মনটো বান্ধিব নোৱাৰিলে। সি ভাবিলে, ওচৰৰ গাঁৱৰে মানুহ যেতিয়া খুজিলে নিদিবনে এটামান?

ভাবি, কলাফুলাতে খাই থকা মহজোকটো এৰাই, পাৰলৈ দলিয়াই দি, এখুজি দুখুজিকৈ ক'লামণিৰ ওচৰলৈ আগুৱাই আহি কওঁ নকওঁকৈ সি ক'লে, আজি শুদা হাতেৰেহে ঘূৰিব লাগিব যেনহে পাইছো দেও। কিবা এটাকে দিবাচোন সকস্থবা।

এঃ, বিলাবলৈ ক'তনো এসোপামান পাইছোঁহে? ক'লামণিয়ে ভেকাহি মাৰি উত্তৰ দিলে।

মোলানে অন্তৰত বৰ আঘাত পালে। ছেঃ, নোখোজা হ'লেই ভাল আছিল। ওচৰতে বহুতো মানুহ আছিল। সকলোৱেই শুনিলে কথাটো।

দুখত, লাজত ম্ৰিয়মান হৈ সি ক'লামণিৰ ওচৰৰপৰা আঁতৰি আহি আকৌ তভক মাৰি ৰ'ল। মনত পৰিল বৈণীয়েকৰ চকুহাললৈ। চকুহালত অসহায়ৰ ছবি। মনত পৰিল যেছিকৈ ধন লোৱা সেই ডাক্তৰটোলৈ আৰু সুবিধা বুজি আধা মূল্যত পাইজনী কিনি লোৱা মহাজনটোলৈ।

হঠাতে ভবিব ওচৰতে ডাঙৰ কিবা এটাই খলখলাই উঠাত তাৰ চিন্তাটো খেলিমেলি হৈ গ'ল। এক মুহূর্তও পলম নকৰি মোলানে তাৰ অভ্যস্ত হাতেৰে পলটোৰে থিতাতে চৰিয়াই ধৰিলে।

মোলানৰ এইবাৰৰ চেষ্টা ব্যৰ্থ নহ'ল। মাছটো পৰিল।

মাছটো আয়ত্তলৈ আনোতে তাৰ যথেষ্ট সময় লাগিছিল। পৰিশ্ৰমো হৈছিল। ডাঙৰ মাছ। কিন্তু মাছটো নেদেখোঁতেই তাৰ মনত যি অকণ আনন্দ আছিল, দেখাৰ লগে লগেই সকলো শেষ হ'ল।

ক'লামণিয়ে সকলো লক্ষ্য কৰি আছিল। সি আওঁৱাই আহি মোলায়েম সুৰত ক'লেছি, তোমালোকৰতো শাল মাছ নচলেই। মোকে দিয়া। বদলি কিবা এটা দিওঁ।

নেলাগে নসলাওঁ দিয়া। কাৰোবাক এনেয়ে দি দিম। মোলানেও নিৰ্ভীকভাৱে কৈ থ'লে।

কঁকালত মেৰিয়াই নিয়া ৰছিডাল খুলি মাছটোৰ কলেদি সী লৈ সি কেঁকোজেকোকৈ পানীৰপৰা উঠি আহিল। সিদ্ধান্ত কৰিলে, মাছটো বহমত তাৰৈয়েকৰ ঘৰলৈকে লৈ যাব। তেওঁলোকৰো কোনো মাছলৈ অহা নাই। তাতে কুটি বাছি এভাগ নিজেও নিব। শালমাছ খালেনো কি হ'ব? সকলো মনে সজা কথা। মানুহেহে মানুহৰ অপকাৰ কৰে। মাছ মাছেই। লগতে বোৱাৰীয়েকজনীৰ খবৰটোও লৈ যাব। কিবা হ'ল, ল'ৰানে ছোৱালী জানো? ★

[ আমাৰ প্ৰতিনিধি, বঙালী বিহু সংখ্যা, ইং ১৯৭৩ ]

# মানুহ

দবাচলতে জিতেন্দ্ৰহঁতৰ ঘৰখনক উদ্দেশ্য কৰিয়েই মই শ'লমাৰি গাঁৱলৈ গৈছিলো। মোৰ ঘৰৰপৰা প্ৰায় পাঁচ মাইল দূৰত অৱস্থিত এইখন ভিতৰুৱা গাঁৱলৈ কাচিৎ গৰু গাই হেৰালে বিচাৰি যোৱাৰ বাহিৰে তেনেকৈ আন কাৰণত যোৱাৰ সকাম নাই। তেনে কাৰণতো এই পঁচপন্ন বছৰীয়া সুদীৰ্ঘ কালছোৱাত মাত্ৰ দুবাৰ কি তিনিবাৰ মান যোৱাৰ কথাহে মনত পৰে। সিও বিয়া নৌ কৰাওঁতেই। গতিকে পঁচিছ-ছাব্বিছ বছৰৰ পিছৰ ভোটা স্মৃতিয়ে এই ভিতৰুৱা গাঁওখনৰ তেতিয়াৰ স্বাস্থ্যৰ কথাটো ঢুকি নাপায়গৈ। তথাপি গাঁওখনৰ গৰ্ভত ভৰি দিয়াৰ লগে লগেই, মনতে এটা অনুমান কৰি এনে এটা সিদ্ধান্তত উপনীত হ'লো যে পঁচিছ-ছাব্বিছ বছৰৰ ভিতৰত এখন ঠায়ে যি গতিৰে উন্নতিৰ সোপানত উধাব লাগিছিল, ইয়াত তাৰ ওলোটা দিশ এটাইহে মোৰ চকুৰ আগত দৃশ্যমান হ'ল।

জিতেন্দ্ৰহঁতৰ ঘৰখনক উদ্দেশ্য কৰিয়েই মই তালৈ গৈছিলো আৰু জিতেন্দ্ৰক লগ পালে তহঁতৰ ঘৰলৈকে আহিছোঁ। অ' বুলি ক'বলৈ অতসময়ে মনত যি অকণ মানসিক প্ৰস্তুতিৰ যোগাৰ কৰি গৈছিলো, সিহঁতৰ ঘৰৰ পদুলিমুখ পোৱাৰ লগে লগেই সিও হঠাতে হেৰাই গ'ল। মানসিক প্ৰস্তুতি নামৰ মনেন্দ্ৰিয়ৰ অধীনস্থ এই অভিব্যক্তিবোৰে মোক হঠাতে এনেদৰে বিশ্বাসঘাতকতা কৰাত মই কিংকৰ্তব্য বিমূঢ় হ'লো। কমৰত এখন সামান্য কাছুটিৰে প্ৰায় বিবসনা চলমান হাড়কেইডালমান ক্ষিপ্ৰ গতিৰে মোৰফালে আগবাঢ়ি আহি, "চাৰ, চাৰ" বুলি মোক মতাত মোৰ সপোন প্ৰায় হেৰাই গ'ল। মাতটোতহে গম পালো ই জিতেন্দ্ৰ।

জিতেন্দ্ৰই ব্যগ্ৰ হৈ মোক সুধিলে, "চাৰ, আপুনি ক'ৰপৰা আহিল? ক'লৈ গৈছিল"?

মোৰো প'ঁচিছ-ছাব্বিছ বছৰৰ আগৰ সেই গৰু বিচৰাৰ স্মৃতিয়ে মনৰ মাজত যি প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰি আছিল, সেই স্মৃতিৰে গইনা লৈ হঠাতে মোৰ মুখৰ পৰা ওলাই আহিল; "অ' জিতেন্দ্ৰ? এইটোৱেই হ'বলা তইঁতৰ ঘৰ? মোৰো গৰু এজনী হেৰোৱা আজি এসপ্তাহ মানেই হ'লহি। তাইকে বিচাৰি আহিলো অ'।"

কিন্তু কথাটো কৈ শেষ কৰাৰ লগে লগেই হঠাতে মোৰ গাৰ নোমবোৰ শিয়ৰি উঠিল। জিতেন্দ্ৰক মই আজি এটা বৰ ডাঙৰ ফাঁকি দিলো। অথচ সিহঁতক সদায় সঁচা কথা ক'বলৈ শিকাই আহিছো। নৈতিক চৰিত্ৰৰ প্ৰতি আঙুলিয়াই আহিছো। কিন্তু ইমান সময়ে তাৰ ঘৰলৈকে উদ্দেশ্য কৰি অহা বুলি ক'বলৈ মনতে প্ৰস্তুতি চলাই অহা সত্বেও জিভাই কিয় ওলোটাখৰ মাৰিলে? আৰু মনেও জিভাক কিয় এই বিপৰ্য্যয়ৰ বাট সুগম কৰি দিলে? বৰ দুৰন্ত ইন্দ্ৰিয় এই মন। আচল কথা হ'ল, সিহঁতৰ ঘৰখনৰ অৱস্থাটো দেখিয়েইহে, মনে মোক এনেকৈ চোঠেঙীয়া কৰিলে।

জিতেন্দ্ৰই মোক আথে-বেথে সিহঁতৰ ঘৰৰ চৌহদৰ ভিতৰলৈ মাতি নিলে। কিন্তু চোতালত ভৰি দিয়াৰ লগে লগেই সি বিপাঙত পৰিল, মোক ক'ত বহুৱাব? ঘৰত বহুৱাব নোৱাৰা মানুহ মই বহুতো পাইছো। কিন্তু তেনে মানুহৰ ঘৰতো-ঢাৰি-কঠ নহ'লেও সামান্য ডুখৰি পীৰা এডুখৰিও থাকে। কিন্তু জিতেন্দ্ৰৰ ঘৰত নাই যে নাই একেবাৰেই নাই। পিছে বহাটোনো কি এটা বৰ ডাঙৰ কথা? সিয়ে মোক ইমানখিনি আন্তৰিকতা দেখুৱাইছে, এইখিনিতে মই যি সন্তুষ্টি লাভ কৰিলো, ই মোৰ বাবে অমৃত। সিদিনা শ্ৰীমন্ত ডাক্তৰৰ ঘৰলৈ যাওঁতে পুতেক মনোৰঞ্জনে মোক বহিবলৈকে নিদিলে। জানোচা মোৰ গেন্ধেলা গাৰ ধূলি-মাকতি লাগি সিহঁতৰ চকচকীয়া আসনবোৰ লেতেৰা হয়? অথচ সিও মোৰ ছাত্ৰ। গতিকে বহাৰ

কথাটো পাতল কৰি দি, চোতালতে থকা পলটোলৈকে আঙুলিয়াই দেখুৱাই মই ক'লো, "বোপাই অ' জিতেন্দ্ৰ হ'ব দে, মই ইয়াতে বহিলো। তই একো চিন্তা নকৰিবি।"

এটা বৰ ডাঙৰ বিপদৰ পৰাহে যেন সি ৰক্ষা পৰিল, এনে এক ভাব তাৰ শুকান মুখখনত পৰিলক্ষিত হ'ল। কিন্তু মোৰ ভয়ো লাগিল, জানোবা জিতেন্দ্ৰই মোক মোৰ হেৰোৱা গাইজনীৰ কথা লৈ কিবা প্ৰশ্নৰ অৱতাৰণা কৰে? মোৰো যে গৰুৰ নামত আজি চাৰি বছৰে কেৱল এজনী গাইহে আছিল, আৰু বৰ ল'ৰা কজেশ্বৰৰ টানৰ সময়ত চুমাহৰ আগতে আধা দামত বেচা কথাটো জিতেন্দ্ৰয়ো জানে। আনহাতে লাগ বুলিলেই, নগদ ধন ভাঙি গাই এজনী কিনি লোৱাৰ সমৰ্থও যে মোৰ নাই, সেই কথাও জিতেন্দ্ৰই জানে। গতিকে মোৰ মুখৰ পৰা হঠাতে সৰকি যোৱা গোকাট মিছা কথাটোৱে জিতেন্দ্ৰৰ মনত ক্ৰিয়া কৰিব পাৰে বুলি ভাবিহে মই বৰ বেছি ভয় খালো। আৰু কথাটো ইয়াতেইতো সীমাবদ্ধ নহয়? সি যদি মোৰ ঘৰলৈ গৈ আন মানুহৰ আগতে হেৰোৱা গাইজনী পালোনে নাই খবৰ কৰেগৈ? আমাৰ দৰে সাধাৰণ খাটি খোৱা মানুহৰ কাৰণে ফাঁকি এটা মাৰাত্মক শাস্তি। যদিওবা কোনো কোনো ওপৰ স্থানীয় লোকৰ বাবে ই এক সম্পদ। কথাটোৱে মোৰ মনটো হতাশ কৰি তুলিলে।

সেই একে ধৰণৰ অস্থি চৰ্মসাৰ আৰু পিন্ধনত কৰঙনৰ ওপৰত লজ্জা ঢকাৰ নামত মাথো এখন ফঁহা, মলিয়ন কাছুটিৰে প্ৰায় বিবসনা এজন অকাল বৃদ্ধ মানুহে হাতযোৰ কৰি আহি সন্মুখত ব'লহি। জিতেন্দ্ৰই মোক চিনাকি কৰি দিলে, "চাৰ এয়া মোৰ পিতাই।"

ময়ো পলটোৰ পৰা উঠি আহি, হাতযোৰ কৰি বন্দনাৰ সাক্ষী স্বৰূপ এই অকাল বৃদ্ধ মানুহজনক পৰম আন্তৰিকতাৰে ক'লো, এটা সকামত এইফালে আহিছিলো। ভাবিলো জিতেন্দ্ৰক তাৰ ঘৰত সোমাই মাত এষাৰ লগাই যাওঁ। গৰমৰ বন্ধ যেতিয়া তাক ভালে কেইদিন দেখা নাপাম।

অকালবৃদ্ধ মানুহজনেও পৰম সন্তুষ্টি আৰু কৃতজ্ঞতাৰ ভাৱত বিভোৰ হৈ, হাতযোৰ কৰি মোক ক'লে, "হয় দেউতা, আমিও বৰ সন্তোষ পালো। এই কণবোপাই আপোনাৰ কথা কৈয়েই থাকে। প্ৰতি বছৰে কিতাপ কেইডুখৰি যোগাৰ কৰি দিয়াৰ কথাও সি ঘৰত কয়হি। পিছে আমিহে দেউতাক এতিয়া কি দিওঁ? একেবাৰে লাও লোৱা অৱস্থা। ভগৱানে আমাক কেনেকৈ জীয়াই ৰাখিছে সেই কথা আমিও নেজানো।"

মানুহজনে মোক তেনেকৈ নোকোৱা হ'লেও কথাটো মই নুবুজি নাথাকিলোহেঁতেন। নক'লেও মানুহে বহু কথাকে বুজি পায়। তথাপি এইবোৰ কথা খোল অনাই বুজি পোৱাৰ প্ৰবৃত্তি মোৰ দৰে মানুহৰ হে আছে, যিহেতু ময়ো এওঁলোকৰ পৰা বেছি আঁতৰত নহয়। গতিকে মই টপৰাই ক'লো, "হ'ব হ'ব, মোক একো নেলাগে। মই এনেয়ে সন্তুষ্ট। তাক ভাল পাওঁ কাৰণেই এপাক সোমাই চাই গ'লো।"

মানুহজনে আথেবেথে মোৰ ওচৰত লেপেটা কাঢ়ি বহিলহি।

মাষ্টৰ আহিছে, মাষ্টৰ আহিছে বুলি গোটেই গাঁওখনতে বাট্ৰ হ'ল, যেন মন্ত্ৰী, ডা-ডাঙৰীয়াহে কোনোবা আহিছে। লগে লগেই প্ৰায় পোন্ধৰ, কুৰিজনমান মানুহৰ উপৰিও বহুতো নঙঠা, আধা নঙঠা ল'ৰা-ছোৱালী আহি জিতেন্দ্ৰহঁতৰ ঘৰৰ চোতাল ভৰি পৰিলহি। মাটিয়ে-বালিয়ে লেপেটা কাঢ়ি বহা ইমানবোৰ মানুহৰ মাজত ওখ আসনত বহা মানুহ অকল মইহে। মোৰ মনটো কেনেবা কেনেবা লাগিল। নিজকে বৰ দোষী দোষী যেন লাগিল। মানুহবোৰে চাগে মোক কি বুলি ভাবিছে?

আওনি পাণেৰে সৈতে হাতে হাতে দিয়া তামোল এখন মুখত ভৰাই, লজ্জা নিবাৰণৰ কাৰণে কথমপিছে আঁঠা কাছুটি কেইডুখৰিৰে অস্থি চৰ্মসাৰ আটাইকেইজন মানুহকে হাতযোৰ কৰি নমস্কাৰ জনাই লগতে জিতেন্দ্ৰকো পিঠিত হাত ফুৰাই মৰম কৰি মই উন্নতি

আছিলো। কিন্তু ওৰেবাটটো মোৰ মনত সেই একেটাই চিন্তা, জিতেন্দ্ৰক যি কাৰণত মই লগ পাবলৈ গৈছিলো, সেই কথাটো সোধাই নহ'ল।

কথাটো আছিল, গৰমৰ বন্ধৰ আগতে হোৱা সিহঁতৰ ছমহীয়া পৰীক্ষাত সাহিত্যৰ প্ৰশ্নৰ কাকতত মানুহৰ বিষয়ে ৰচনা এখন লিখিবলৈ ময়েই প্ৰশ্ন এটা দিছিলো। সকলো ছাত্ৰ-ছাত্ৰীয়ে লিখিছে, মানুহ সৃষ্টিৰ শ্ৰেষ্ঠ জীৱ। বিবেক-বুদ্ধি থকাৰ কাৰণেই মানুহে শ্ৰেষ্ঠৰ অধিকাৰ কৰিব পাৰিছে, ইত্যাদি, ইত্যাদি। কিন্তু শ্ৰেণীৰ চোকা ল'ৰা জিতেন্দ্ৰৰ চিন্তাৰ দিগন্ত বেলেগ। জিতেন্দ্ৰই লিখিছে, মানুহ সৃষ্টিৰ অধম জীৱ। মাংসজীৱী জন্তুৱেও পেটৰ ক্ষুধাৰ বশৱৰ্তী হৈহে উদৰ পূৰণৰ কাৰণে সীমিত পৰিমাণৰ আহাৰখিনি সংগ্ৰহ কৰে চিকাৰৰ যোগেদি, আৰু সেই চিকাৰ কাৰ্য্যও সংঘটিত কৰে নিজ জাতিৰ ভিতৰত নহয়। কিন্তু জ্ঞান-বুদ্ধিসম্পন্ন মানুহে, একে তেজ মঙহৰ মানুহকে চিকাৰ কৰি নিজে শকত আৰু সুন্দৰ হৈ জীয়াই থাকিবলৈ প্ৰয়াস কৰে। মানুহৰ এই দুৰন্ত চিকাৰ ক্ষুধা জন্তুৰ দৰে সীমিত নহয়। মানুহৰ চিকাৰ পদ্ধতিও জন্তুৰ দৰে পোনপটীয়াও নহয়। তদুপৰি ইতৰ জগতৰ দৰে মানৱ জগততো দুৰ্বলীয়েই চিকাৰৰ বলি হয় যদিও দুৰ্বলীক সদায় দুৰ্বল কৰি ৰখাৰ প্ৰবৃত্তি ইতৰ জগতত নাই, ইত্যাদি, ইত্যাদি।

থুলমূলকৈ ৰচনাৰ কথাখিনি এনেকুৱাই।

ৰচনাখন ফুলস্কেপ কাগজৰ এপিঠি মানহে হৈছিল যদিও ইয়াৰ এটা এটা শব্দই একো একোটা নিগূঢ় কথাৰ সঁচাৰ ৰূপে মোৰ চকুৰ আগত দণ্ডায়মান হৈছিল। তাৰদৰে সাধা ল'ৰা এটাই পৰীক্ষাৰ কাকতত এনেকৈ উত্তৰ লিখাৰ কাৰণটোনো কি হ'ব পাৰে, সেই কথাটোকে জানিবলৈ মোৰ আগ্ৰহী মনটো তৎপৰ হৈ উঠিল। তাতে পৰীক্ষাৰ প্ৰশ্নোত্তৰ যেতিয়া নম্বৰ দিয়া কথা এটাও ইয়াৰ লগত ওতঃপ্ৰোতভাৱে জড়িত। তদুপৰি তাৰ কথাটো ভুল বুলি সাব্যস্ত কৰিবলৈকো মোৰোতো এটা নিজস্ব চিন্তা আছে। ভেঙ্কাৰ স্কুলৰ

পইচা নথকা মাটিৰ হৈ আধুনিক সমাজত স্থান নাপালো বুলিয়েই বিবেকক ফাঁকি দিওঁ কেনেকৈ ? আদি নানান চিন্তাৰ দোমোজাত পৰি জিতেন্দ্ৰক এবাৰ লগ পাই কথাটোকে সুধিবলৈ প্ৰবল ইচ্ছা হোৱাত, তাতে গৰমৰ বন্ধৰ ইমান দীঘলীয়া সময়খিনি অপেক্ষা কৰাতো অসম্ভৱ বুলি ভাবিয়েই তাক লগ পাই যোৱাৰ ইচ্ছাতে পথকৰা বাটেদি ফটুৱাই ফটা ভৰিৰে এই পাঁচ মাইল বাট খচকিলো যদিও আচল কথাটোকে সুধিব নোৱাৰিলো।

কিন্তু তাক কথাটো মই মুখ ফুটাই সুধিব নোৱাৰিলো যদিও সিহঁতৰ ঘৰৰ, সিহঁতৰ গাঁৱৰ, এই নঙঠা আধা নঙঠা ল'ৰাছোৱালীবোৰ সৈতে হাড়ে ছালে লগা, সক বৰ অতসোপা মানুহৰ যি এই জলন্ত দৃশ্য দেখিলো, এই দৃশ্যই জানো মোৰ মনত জাগি উঠা ভয়ঙ্কৰ প্ৰশ্নটোৰ উত্তৰ নহয় ?

[ বলয়,—ইং ১৯৮৭ ]

— x —

# ৰহস্য

জেওৰাখৰিৰ কোৰ খাই ভোটোকে দোকান এৰি ৰাস্তাৰফালে ভিৰাই দৌৰ মাৰিলে।

ভালদৰে আৰু এসেকা দিবৰ মনেৰে জেওৰাখৰিডাল হাতত লৈ গদাধৰ দোকানীয়ে তাৰ পিছে পিছে শিশুপাল খেদা দি ৰাস্তা পাইছিলগৈ। কিন্তু চেঙেলীয়া ল'ৰা ভোটোকক পেটুৱা দোকানীয়ে আৰু লগ পায় ক'ত? সি একেদৌৰে কোনোবা লক্ষা পালেগৈ? কাজেই দোকানীয়ে বকি-বকি আকৌ দোকানলৈকে উভতি আহিবলৈ বাধ্য হ'ল। কিন্তু গদাধৰৰ খংটো কোনোমতেই নাজামৰিল। আৰু কেইকোৰমান শোধাৰ পৰা হ'লেহে হয়তো তেওঁৰ হাতৰ খজুৱতি মৰিলহেঁতেন।

কিন্তু দোকানীয়ে এই সৰু ল'ৰাটোক এনেকৈ গৰু কোবোৱা দি কোবালে কিয়? এই লৈয়ে দোকানৰ সন্মুখত গোট খোৱা মানুহৰ মাজত কণাকণি হ'ল।

দোকানলৈ পলমকৈ অহা আৰু কিজানিবা অকণমান চেনি পাৰেই, এনে ভাবত বোম্বাপৰ দি ৰৈ থকা চাৰি-পাঁচজনমান মানুহ তেতিয়াও দোকানৰ সন্মুখত আছিল। তাৰে এজনে সহিব নোৱাৰি প্ৰশ্নই কৰিলে, কিহে মহাজন, এই পেন্দুকণা ল'ৰাটোক ইমানকৈ মৰিয়ালে? এনেকৈ মৰিয়ালে দেখোন কাহানিবা আচল ঘটনাই ঘটিব।

গদাধৰ দোকানীয়ে কিন্তু উত্তৰ নিদিলে। মানুহজনৰ ফালে পোন্দোৱাকৈ চাই জেওৰাখৰিডাল দলি মাৰি দি লাফ মাৰি গাদীখনত উঠি বহিল। তাৰ পিছত বিৰি এটা জ্বলাই লৈ ফোচফোচকৈ হুঁপিবলৈ ধৰিলে।

দোকানত উঠনাকৈ বস্তু খোৱা এজনে দোকানীক ভালৰি বোলাই আনকিজনৰ ফালে চাই ক'লে, ভালৰ গুণতনো ই মাৰ খাইছেনে?

ই মহাজনৰ গাঁৱৰে ল'ৰা। খবত খাবলৈ নাপাই পেট শুকাই মৰিব খুজিছিল। মহাজনে পাই বুটলি আনিছিল। কিন্তু ই থাকলৈই ওভতগোৱে নাচিলে।

চেনিৰ আশা বাদ দি দোকানৰপৰা ওলাই অহা আম এজনে গদাধৰে মুগুনাকৈ ক'লে, কথা বেলেগহে দেও। দোকানীৰ জীয়েকৰ লগত ই মুখচুপতি মৰা হৈছিল। দোকানীৰ চকুত পৰিল। কাৰণেই মহলা দিলে।

ইফালে মাৰ খাই ভেভাউৰি পাৰি ভোটোক বেলৰ আলি পালেগৈ। পিন্ধি থকা বনিয়নটো খুলি সি দেখিলে, তাত অকণ অকণ তেজৰ দাগ। বাঁওহাতেৰে খেপিয়াই খেপিয়াই পিঠিখন চুই অনুভৱ কৰিলে যে ঠায়ে ঠায়ে ছিৰলা পাতি উঠিছে। কোনো কোনো ঠাইত চেকচেকাইছেও। হয়তো সেই সেই ঠাইতেই ছাল ফাটি তেজ ওলাইছে। সি আকৌ বনিয়নটো পিন্ধি লৈ বেলৰ আলিয়ে আলিয়ে ষ্টেছনলৈ গোনালে। মটৰ বোৱা খাভাইদি নগ'ল। জানোচা গদাধৰ দোকানীয়ে চাইকেলেৰে আহি তাক আদবাটৰপৰা ধৰি লৈ যায়? তেওঁ যে বেলৰ ষ্টেছনত, মটৰ বোৱা ঠাইত, হাটে-বজাৰে তাক নিবিচৰাকৈ থাকিব এনে কথা নহয়। আজি আঠ মাহে গদাধৰক বুজিবলৈ তাৰ অকণো বাকী নাই।

ভোটোক আৰু গদাধৰ দোকানীৰ ঘৰ একেখন গাঁৱতে। গদাধৰ দোকানীয়ে চেঙেলীয়া অৱস্থাতেই ঘৰৰপৰা পলাই আহি ভেটোকৰ গাঁৱৰপৰা দহমাইল দূৰৰ এই সৰু চহৰখনৰ হাটখোলাৰ কাষতে থকা জগমোহন চৰকাৰৰ চাহৰ হোটেলত কাপ-গিলাচ ধোৱা ল'ৰা হিচাপে প্ৰথম চাকৰি জীৱন আৰম্ভ কৰে। আৰম্ভে তেতিয়া এইখন ঠাই আজিৰ দৰে নাছিল। তেতিয়া কেইবাখনো গাঁৱৰ মাজতে এখন হাটখোলা আছিল। সপ্তাহত তাত দুবাৰকৈ হাট বহিছিল। হাট-খোলাৰ আশে-পাশে আছিল জগমোহন চৰকাৰৰ চাহৰ হোটেল, কেদাৰমল বাবুৰ গোলা, আজলত তেলীৰ তেলৰ ঘানী। ইয়াৰ উপৰিও

গাড়োৱান, মণিহাৰী বেপাৰী, কেৰিয়ালাৰ সৰু সৰু জুপুৰি। হাট বহাৰ দিনা বাৰ মাইল দূৰত থকা জিলাৰ সদৰৰপৰা বেপাৰী আহি ইয়াত তৰহে তৰহে বস্তু বেচিছিলহি।

দিন যোৱাৰ লগে লগে হাটখোলাই মোট সলাবলৈ আৰম্ভ কৰিলে। এখন দুখনকৈ দোকানৰ সংখ্যাও বাঢ়িল। মানুহৰ বসতিও বাঢ়িল। হাটখোলাৰ আশে-পাশে হ'ল মাইনৰ স্কুল, হাইস্কুল, পুলিচ থানা, মণ্ডল অফিচ আদি। সুকীয়াকৈ ছোৱালী হাইস্কুল, কলেজো হ'ল। ইলেকট্রিক লাইট হ'ল। বৰ্ত্তমান এইখন এখন সৰু-সুৰা চহৰেই।

গদাধৰে কেইবছৰমান জগমোহন বাবুৰ চাহৰ হোটেলত চাকৰি কৰাৰ পিছত মণ্ডল অফিচৰ কাষতে সৰুকৈ তামোল-পাণৰ দোকান এখন আৰম্ভ কৰে। কেইবছৰমান পিছতে সেইখনকে গেলামালৰ দোকানলৈ ৰূপান্তৰিত কৰি হাটখোলাৰ ওচৰলৈ আহি ভালদৰে খুঁটিপুতি বহিলহি। এতিয়া গদাধৰ এই সৰু চহৰখনৰ এজন লেখৰ ব্যৱসায়ী।

চহৰলৈ আহিল যদিও গদাধৰে গাঁৱৰ লগত সম্পৰ্ক ছিঙা নাই। বছৰটোত তেওঁ গাঁৱলৈ কেইবাপাকো যাবে। তাত খেতিখোলা আছে। গাঁৱলৈ সঘনে আহ-যাহ নকৰিলে ভাগৰ মাটিবাৰী আধি খোৱা মানুহে গ্ৰাস কৰাৰ ভয়। আঠ মাহৰ আগতে এবাৰ গাঁৱলৈ যাওঁতেই গদাধৰে ভোটোকক মাহে ৰূপ দহটকাৰ বন্দৰস্তত চহৰলৈ লৈ আহিছিল।....

ভোটোকে সতৰ্ক দৃষ্টিৰে এবাৰ আগলৈ এবাৰ পিছলৈ চাই কেঁকুৰি কেঁকুৰি কান্দি-কান্দি বেলৰ আলিৰ ওপৰেদি খৰ খোজত গৈ থাকে। ছুচকুৰেদি ওলাই অহা চকুলো, মুখৰ লেলাউটি, নাকৰ পানী, সকলোবোৰকে মাজে মাজে হাতৰ তলুৱাৰে মোহাৰি লয়। দূৰত কোনোবা মানুহ দেখিলেই সি চক্ খাই উঠে। কিজানি গদাধৰে তাক ধৰি নিবলৈ কাৰোবাক খেদা পঠাইছেই?

কেৱল আজিয়েইহে যে সি মাৰ খাইছে এনে কথা নহয়। গদাধৰ, গদাধৰৰ ঘৈণীয়েক, ল'ৰা-ছোৱালী সকলোৱে হাতত মাৰ খোৱাটো তাৰ ভাত মাছ খোৱাৰ দৰেই কথা হৈছেগৈ। অৱশ্যে আগতে মাৰ-কিল খালেও তাৰ কাৰণটোও সি জানে। কিন্তু আজি কি দোষত গদাধৰে তাক ইমানকৈ মৰিয়ালে সেই কথাটোহে সি ধৰিব নোৱাৰিলে।

ৰেল আহি পাবলৈ তেতিয়াও যথেষ্ট সময় বাকী আছিল যদিও সি ষ্টেছন অভিমুখে আগবাঢ়িবলৈ ধৰিলে। উদ্দেশ্য ৰেলত উঠি ঘৰলৈ যাব। এই আঠমহীয়া টাউনীয়া জীৱনে তাক আমুৱালে। এই আঠ মাহে দিনটোত অকণমান সময়ো যদি জিৰণি ল'বলৈ পালেহেঁতেন! কুকুৰাই ডাক দিয়াৰ লগে লগেই ঢাবিপাটী নেৰিলে তাৰ পিঠিত ওঁকিল পৰে। সেই ব্ৰহ্মপুৱাৰেপৰা ৰাতি দোভাগলৈকে একতিলমান সময়ো আজৰি নাই।

কামৰ ভিতৰতো দোকানত দগাপাল্লা লৈ মাল জুখি দিয়াৰ উপৰিও ঘৰত বাচন-বৰ্ত্তন ধোৱা, ঘৰ সৰা, মচা, খৰি ফলা, নাদৰপৰা পানী তোলা, কেঁচুৱাই লেতেৰা কৰা কাপোৰ, মালিকনীৰ মেখেলা, চাদৰ আদি ঘৰৰ সকলো কাপোৰ-কানি ধোৱা, কেঁচুৱা ৰখাকে ধৰি সকলো বনবাৰী কৰিব লাগে। জাৰৰ দিন কেইটাত গদাধৰৰ ঘৈণীয়েকক ৰাতি শোৱাৰ আগতে গৰম পানীৰে ভৰি ধুৱাই খোৱাতেল মালিচ কৰি দিব লাগে।

অৱশ্যে সি কেতিয়াও কোনো কামতে হেলা কৰা নাছিল। কাম-বন কৰি সি ভালহে পায়। কেৱল ইয়াতেই নহয়, ঘৰতো। কাম বনত ব্যস্ত থাকিলে গা-মন দুয়োটাই ভালে থাকে। যদিও ইয়াত প্ৰথম অৱস্থাত কামবনবোৰৰ ভুপোৱা নাছিল, পিছত সকলোবোৰবে মোৰ পোৱা হ'লগৈ। মাৰকিল খালেও সি সকলো সহি গৈছিল। এটা আশাত। কাম-বনবোৰ ভালদৰে শিকি বুজি ল'লে কিজানিবা মাৰকিল খোৱাতো বন্ধ হয়েই? পিছে নহ'ল। দেহ ভঙা খাটনি কৰিও সি ভেওঁলোকক সন্তুষ্ট কৰিব নোৱাৰিলে।

ভোটোক ষ্টেচন পাওঁ পাওঁ হ'লহি। ৰেলৰ আলিৰ দাঁতিতে থকা লেগা খাজুৰি গছ এজোপাৰ তলতে বহি সি ৰেললৈ অপেক্ষা কৰিলে। ৰেলখনত কোনোৰকম উঠিব পাৰিলেই আৰু চিন্তা নাই। একেবাৰে ঘৰ ওলাবগৈ। আগতে বাপেকহঁত ইয়ালৈ খোজকাঢ়িয়েই আহিছিল। বাতিপুৱা কাউৰীয়ে কা কা কৰাৰ সময়তে ঘৰৰপৰা ওলালে হালমেলাৰ বহু আগতেই বোলে এইখিনি পাইছিলহি। তেনেহ'লে কিমাননো বাট? তথাপি সি ৰেলতে যাব। আহোঁতেও সি ৰেলতে আহিছিল।

গদাধৰ দোকানীক সি আগৰেপৰাই চিনি পায়। কেৱল সিয়েই নহয়, সিহঁতৰ গাঁৱৰ আটাইমখা ল'ৰা ছোৱালীয়েও। বাপেক-মাকৰ মুখত শুনিছে, তেওঁ হেনো সিহঁতৰ গাঁৱৰে মানুহ। চহৰত থাকে। ডাঙৰ দোকান আছে। পকী ঘৰ। খুউব চহকী।

আগতে গদাধৰ গাঁৱলৈ গ'লেই সিহঁতে আলেঙে আলেঙে তেওঁক চাইছিল। চহকী মানুহ সিহঁতে তেনেকৈ দেখাই নাই। কাৰণ সিহঁতৰ গাঁৱৰ আটাইবোৰ মানুহেই দুখীয়া। শকত আৰু খোলোকাকৈ এই তেলক'লা মানুহটোক সিহঁতৰ গাঁৱৰ নহয় যেনহে লাগে।

তাৰ এতিয়াও মনত আছে, আঠমাহৰ আগতে গদাধৰ এবাৰ গাঁৱলৈ যাওঁতেই তাৰ বাপেকক লগ ধৰি ঘৰত কাম-বন কৰিবলৈ ভাল ল'ৰা এটা যোগাৰ কৰি দিয়াৰ কথা কৈছিল। চহৰত সুখত থাকিব। ভাল বস্তু খাবলৈ পাব। ভাল কাপোৰ-কানি পিন্ধিবলৈ পাব। ইয়াৰ উপৰিও মাহে দহ টকা দৰমহা।

অলপ চিন্তা কৰি বাপেকে ওচৰতে থিয়হৈ থকা তালৈকে আঙুলিয়াই কৈছিল, ইয়াৰে কাম চলিব জানো? দেখাত সৰু হৈ আছে যদিও বোৱা ভাদত ইয়াৰ পোন্ধৰ উকলি যোলত সোমাইছে।

গদাধৰে মিচিকিয়াই হাঁহি কৈছিল, মই শিকাই বুজাই ল'ম। সৰুক শিকাবলৈ ভাল। সহজে শিকনি লয়।

চহৰত থাকিবলৈ পোৱা, ভালবস্তু খোৱা, ভাল কাপোৰ-কানি

পিন্ধিবলৈ পোৱা এইবোৰৰ কল্পনা কৰি প্ৰথমে তাৰ বৰ ভাল লাগিছিল। ইয়াৰ উপৰিও দিনহাজিৰা কৰি ঘৰখনক কোনোৰকমে পোহপাল দিয়া বাপেকক মাহে দহোটা টকাৰে সহায় কৰিব পাৰিব, এই কথা ভাবিও তাৰ সৰু মনটো আনন্দত উঠলি উঠিছিল। ঘৰখনৰ বৰল'ৰা হিচাবে সি ঘৰখনৰ দুখৰ বহু কথাকে উপলব্ধি কৰিব পৰা হৈছিল। কিন্তু সেইদিনাই আবেলি টাপলিমৰা পেণ্ট আৰু কটা বনিয়নটো পিন্ধি যেতিয়া সি গদাধৰৰ লগত চহৰলৈ যাবলৈ সাজু হ'ল, তেতিয়া তাক শোকে খুন্দামাৰি ধৰিলে। মাকে পানী-কেঁচুৱা ভায়েকটোক কোলাত লৈ দীঘলকৈ ওৰণিখন টানি ভিতৰফালৰ ওলাই আহি থোকাথুকি মাতেৰে গদাধৰক ক'লে, ল'ৰাটোক গতালোঁ। নিজৰ বুলি ভাবিব। গাঁৱলীয়া ল'ৰা। চহৰৰ ভু-ভা নাপায়। বিহুৰে-সংক্ৰান্তিয়ে ঘৰলৈ পঠাব।

হ'ব হ'ব তোমালোকে কোনো চিন্তা নকৰিবাহঁক বুলি কৈ, হাঁহি হাঁহি গদাধৰ দোকানী সিহঁতৰ ঘৰৰপৰা ওলাই গৈছিল। পিছে পিছে হাতত কাগজ এখনেৰে মেৰিওৱা সৰু টোপোলা এটা লৈ গৈছিল সি। ভনীয়েক চাৰিজনী, ভায়েক দুটা আৰু গাঁৱৰ এমখা কণ কণ ল'ৰা ছোৱালীয়ে সিহঁতৰ পিছে পিছে গাঁৱৰ মূৰলৈকে আগবাঢ়ি গৈছিল। চকুৰে মনিব পৰালৈকে সিহঁতে তালৈকে চাই আছিল। সিও বাৰে বাৰে ঘূৰি ঘূৰি চাই গৈছিল সিহঁতলৈ। গাওঁখনলৈ। তাৰ এতিয়াও সকলো কথা মনত আছে।

সেইদিনা সন্ধিয়া সি গদাধৰ দোকানীৰ ঘৰ পোৱাৰ লগে লগেই তাক লৈ ঘৰখনত হাঁহি খিকিন্দালিৰ ৰোল উঠিছিল। গদাধৰৰ এটা পুতেকে তাৰ পিঠিত বাঘটকা এটা মাৰি লৰ মাৰিছিল। আন এটা পুতেকে চাওঁ সেয়া টোপোলাত কি আনিছ বুলি কৈ থাপমাৰি তাৰ হাতৰপৰা টোপোলাটো কাঢ়ি নি মেলি চাইছিল। গামোচাখন পাই লাক কৰি ফুটবল মৰাৰ দৰে দূৰলৈ গোৰমাৰি পঠাইছিল। জীয়েক-জনীয়ে হাঁহি হাঁহি কৈছিল, খাচ গাঁৱলীয়া। গদাধৰৰ ঘৈণীয়েকেও

হাঁহি হাঁহি কৈছিল, দেউতাবৰ গাঁৱৰ মানুহ চাই লইক। জীয়েকলৈ চাৱলৈ তাৰ বৰ লাজ লাগি গৈছিল। গাঁৱত ইমান ডাঙৰ ছোৱালীয়ে মেখেলাহে পিন্ধে।

এই আঠমাহে পিন্ধাৰ নামত গদাধৰৰ ঘৰৰপৰা সি ফটাকানি এডোখৰো নেপালে। খোৱাৰ নামতো আনে এৰা। সিও ভোক গুচাকৈ নহয়। মাছ মঙহ আনিলেও তাৰ ভাগত নপৰে। এই আঠ মাহৰ ভিতৰত মাৰৰ বিছটোও পৰিল যদিও সি ঘৰলৈ যাবলৈ নাপালে। গোটেই ৰাতি উজাগৰে থাকি জেওৰা-জপনা বখিলে। উককাৰ দিনা তাৰ গাঁৱলৈ বৰকৈ মনত পৰিছিল। মানে ভেলাঘৰৰ ভোজলৈ।

আৰু দৰমহা? কামকৰা আঠমাহো উকলি গ'ল, কিন্তু সি এমাহৰো দৰমহা নাপালে। এবাৰ বাপেক আহিছিল তাৰ খবৰ ল'বলৈ আৰু দৰমহাৰ পইচাকেইটাও নিবলৈ। কিন্তু গদাধৰে ক'লে, হাতত এতিয়া পইচা নাই। তেওঁ দুই এদিনৰ ভিতৰতে গাঁৱলৈ যাব আৰু তেতিয়াই সকলোখিনি পাওনা দি থৈ আহিব। পিছে ক'লেহে। গদাধৰ গাঁৱলৈ কেইবাবাৰো গ'ল, কিন্তু বাপেকক পইচাকেইটা দি আহিবলৈহে তেওঁৰ সময় নোলাল। আনৰ মুখে সি গম পাইছে যে ঘৰত থকা মানুহক গদাধৰে পইচা নিদিয়েই। একেলগে দিম বুলি কয় আৰু কেইবামাহৰ মূৰত কিবা খুঁত উলিয়াই খেদি পঠায়।

তেনেহলে গদাধৰে দৰমহা নিদিবলৈকে মন কৰিয়েই তাক আজি এনেকৈ গৰু কোবোৱা দিলে নেকি? শুনা কথাবোৰ তাৰ মনত সঁচা সঁচা যেনহে লাগি গ'ল। আজি ৰাতিপুৱা বেলি এডাৰমান উঠাৰ লগেলগেই সি গদাধৰ দোকানীৰ লগত গৈছিল মদনলাল বাবুৰ গোলাবপৰা দোকানৰ মাল আনিবলৈ। গদাধৰে গোল্যাব গাদীতে লেপেটা কাঢ়ি বহি লৈ মদনলাল বাবুৰ লগত সৰু সৰুকৈ কথা পাতিছিল। কথাৰ দুই এটা টুকুৰা তাৰ কাণতো পৰিছিলহি।

জাবে ভিতৰলৈ এটা হ'ল গদাধৰে কৈছিল, কমেও দুই দিয়ক। মদনলাল বাবুৱে কোমল গাক এটাৰ ওপৰত পেলাই ৰখা মস্ত পেটটো মোহাৰি মোহাৰি কৈছিল, এতিয়া এক লৈ যাওক। বস্তু কমতি আছে। পিছত আকৌ পাব। সি তন্ময় হৈ কথাবোৰ শুনাৰ লগতে বিস্ময়াভিভূত হৈ ভেওঁৰ পেটটোলৈকে চাই থাকিল। ইমান ডাঙৰ পেট সি আগতে দেখাই নাছিল। সিহঁতৰ গাঁৱৰ খাবলৈ নোপোৱা আঁত শুকুৱা মানুহবোৰৰ পেটেপিঠিয়ে লগাহে।

গাদীৰপৰাই মদনলাল বাবুৱে ভিতৰৰফালে চাই চিঞৰি কিবা এটা কৈছিল। অলপ পিছতে ভিতৰৰপৰা এটা সেমেকা বস্তা ওলাই আহিছিল। গদাধৰে ঘোঁৰা গাড়ীৰ গাৰোৱানক নির্দেশ দিলে বস্তাটো একেবাৰে তলত দিবলৈ। তাৰ ওপৰত পৰিল চাউল, মচুৰমাহ, আতাগুৰি আৰু লোণৰ বস্তা।

ঘোঁৰাগাড়ীৰ পিছে পিছে সি আহি আছিল। কিছুদূৰ অহাৰ পিছত বস্তাটোতনো কি বস্তু আছে তাৰে গম গতি ল'বলৈ তাৰ মনটো উত্ৰাৱল হৈ পৰিল। বস্তাটো তলত পৰিল যদিও হাতেৰে চুকি পোৱা ঠাইতে আছিল। সি বস্তাটোৰ সিয়নিৰ ফালে থকা এটা সুৰুঙাইদি আঙুলি এটা সুমুৱাই আঙুলিৰ আগত লাগি অহা বস্তুকণ চেলেকি চাইছিল। তেতিয়াহে বুজিছিল সেয়া চেনি।

সেই সময়ছোৱাত পাবলৈ নোহোৱা এই আটকীয়া বস্তুটো দেখি হঠাতে তাৰ চেঙেলীয়া মনটো আনন্দত নাচি উঠিল। গাড়ীৰ পিছে পিছে আহি থাকোঁতেই আগদিনা চেনি বিচাৰি সিহঁতৰ দোকানলৈ আহি নিৰাশ হৈ গুচি যোৱা তাৰ চিনাকি কলেজীয়া ল'ৰা এটাক বাটতে লগ পাই ক'লে, চেনি আহিছে দিয়ক। আনিবগৈ।

সিহঁত আহি পোৱাৰ আগতেই চাইকেলেৰে আহি ঘৰ পোৱা গদাধৰে ঘোঁৰাগাড়ীখন আহি পোৱা মাত্ৰকে চেনিৰ বস্তাটো লৰা-লৰিকৈ নি ভিতৰু সুমুৱালেগৈ। এনেতে হাতত মোনা লৈ উপস্থিত হ'লহি সেই কলেজীয়া ল'ৰাটো। লগত আৰু কেইবাজনো মানুহ। ডেকা, আদহীয়া। সকলোৱেই চেনি বিচৰা।

কথাটো ওলালত গদাধৰে নাই সুই কৰিলে। কিন্তু কলেজীয়া ল'ৰাটো আৰু বাকীবোৰ মানুহে ভোটোকৰ কথা উল্লেখ কৰি টানি ধৰাত গদাধৰে সেহাবেভা লগাই ক'লে, সেয়াটো কণ্ট্ৰলৰ চেনি নহয়। দাম বেছি লাগিব।

জুমৰ মাজৰপৰা এজনে ক'লে, আমি কণ্ট্ৰলৰ দামহে দিম, বেছি দাম নিদিওঁ, বস্তুও নেবোঁ।

আন এজনে একে সুৰতে প্ৰশ্ন কৰিলে, চেনি বোলা বস্তুটোচোন বৰ্তমান মুকলি বজাৰত পাবলৈ নায়েই। অথচ মুকলি বজাৰত এই উকমুকৰ পোৱালিটো ভূকুংকৰে ক'ৰপৰা ওলালহি?

হুলস্থূল ক্ৰমে বেছি হৈ যোৱাত কথা বিষম যেন দেখি গদাধৰে বস্তাটো ভিতৰৰপৰা উলিয়াই দিবলৈ বাধ্য হ'ল।

চেনি অহাৰ খবৰ পাই যেয়ে য'তে আছিল আহি দোকানত লাইন ল'লেহি। গাইপতি আধাকিলোকৈ কণ্ট্ৰলৰ দামতে গোটেই বস্তাটো আদায় হৈ গ'ল। একেবাৰে পিছত অহাখিনিয়ে নাপালেই। তাৰ পিছতই ঘটনাটো। কিন্তু সিহে বুজি নাপালে, বস্তুটো থাকোঁতেও গদাধৰে নাই সুই কৰিছিল কিয়? কণ্ট্ৰলৰ চেনি আৰু এই চেনিৰ মাজত কিহত পাৰ্থক্য?

কিন্তু এইবোৰ কথা নুবুজিলেও এটা কথা হ'লে সি ভালদৰেই বুজি পালে। ইমানবোৰ বাইজক টিলিকতে উৰাই দিবলৈ গদাধৰে চেষ্টা কৰিছিল যদিও বাইজৰে জয় হ'ল। আচলতে গদাধৰৰ তলত চাকৰি কৰিছিল যদিও তাৰ মনটো বাইজৰ লগতহে আছিল।....

চিগনেল পৰাৰ কিছুপৰৰ পিছতে ঘচ্ ঘচ্ শব্দ কৰি ৰেলগাড়ীখন ষ্টেচন ওলালহি। মুহূৰ্তৰ ভিতৰতে ৰেলৰ ষ্টেচনত মানুহৰ উথপথপনি লাগিল। খাজুৰি গছজোপাৰ তলতে বহি একান্তমনে ঘটনাটোৰ কথাকে পাগুলি থকা ভোটোকে একেদৌৰে ষ্টেচন পালেগৈ।

কিন্তু ৰেলগাড়ীখনত উঠিবলৈ উপক্ৰম কৰাৰ লগেলগেই চাঁৎকৰে তাৰ মনত পৰিল, টিকট? টিকট নোলোৱাকৈ কেনেকৈ যাব?

আহোঁতেও গদাধৰে টিকট কিনা সি দেখিছিল। টিকট কিনিবলৈ তাৰ হাতত যে পইচাই নাই ?

তথাপিও সি নিৰাশ নহ'ল। বেলত যোৱাৰ চিন্তা বাদ দি সি বেলৰ আলিয়ে আলিয়ে খোজ ল'লে ঘৰমুৱা হৈ। বেলি এতিয়াও ভাটী দিয়াই নাই। কাণিমুনি পৰৰ আগতেই ঘৰ গৈ নাপাবগৈনে ? কিন্তু ঘৰতো বাপেকে যদি কিয় গুচি আহিলি বুলি তাক মৰিয়ায় ? নাই, বুজাই ক'লে নিশ্চয় বাপেকেও বুজি পাব। সুবুজাৰ বাবেইতো সিহঁতৰ এই ছুৰ্গতি। এক পৰম আস্থাই মুহূৰ্তৰ ভিতৰতে তাৰ সক বুকুখন ভাঠ কৰি তুলিলে। ★

[ অসমবাণী ইং ১৯৭২ ]

# প্ৰত্যয়

হোৱালীজনী আছিল অতি খেয়ালী মনৰ। তাই সদায় উন্মুক্ত। ঠিক উৰণীয়া পখীৰ দৰে। যাৰেতাৰে লগত হলিগলি কৰি ফুৰে। কথা পাতে। হাঁহে। যেতিয়াই তেতিয়াই যাৰেতাৰে ওচৰলৈ যায়। যাৰে-তাৰে লগত দোকানত বহি আড্ডা মাৰে, চাহ-চুৰট খায়। যাৰে তাৰে উপহাৰ গ্ৰহণ কৰে। মানুহে তাইক ঠিক বুলি নেভাবে।

বাপেক হৰিহৰ ৰাজমিস্ত্ৰিয়ে মৰিবৰ সময়ত যোগালি পুৰন্দৰক কৈ গ'ল তাইক চাবলৈ।

পুৰন্দৰ আছিল ৰাজপথৰ ল'ৰা। তাৰ ঘৰ ক'ত আছিল, মাক-বাপেক কোন আছিল সেই কথা সি নিজেও নেজানে। হৰিহৰ ৰাজমিস্ত্ৰিয়ে ক'ৰবাত পাই, বুটলি আনি প্ৰথমে লাচনি পাচনি কৰা আৰু পিছত যোগালিৰ কাম শিকাই তাক এটা সংস্থান দিয়ে। তেতিয়াৰে পৰাই হৰিহৰ ৰাজমিস্ত্ৰি যত, পুৰন্দৰো ত'তেই।

ৰাজমিস্ত্ৰিৰ লগত তেওঁৰ নিজৰ ল'ৰাৰ দৰেই আছিল যদিও যোগালি পুৰন্দৰে সদায় মনোমতীৰ সংশ্ৰৱৰ পৰা আতৰি আছিল। তাইৰ গতিবিধিবোৰ তাৰ সমূলি ভাল নেলাগিছিল। বুঢ়া সৰলমনা বাপেকবো তাইৰ ফালে চাবলৈ আহৰি নাই। কেঁচুৱাতেই মাক মৰা আদৰুৱা হোৱালীজনীক বুঢ়াই সদায় ভালেই দেখিছিল।

বুঢ়াৰ মৰণ মুহূৰ্তৰ বাক্যই পুৰন্দৰক মহা বিপাঙত পেলালে। দালানটোৰ কাম সম্পূৰ্ণ গতিত চলিথকা অৱস্থাতে এদিন হঠাতে সুদক্ষ ৰাজমিস্ত্ৰি হৰিহৰৰ মৃত্যু হোৱাত মালিক আৰু ঠিকাদাৰ পক্ষই ঘৰৰ অগ্ৰগতিত বাধা জন্মাতহে আফচোচ কৰিলে। কেইজনমান মজদুৰৰ সৈতে ধৰাধৰি কৰি সি হৰিহৰৰ কাৰ্চ সংস্কাৰ কৰিলে।

কেইদিনমানলৈ জীয়েক মনোমতীয়ে কান্দিকাটি আছিল। কিন্তু তাৰ কেইদিনমানৰ পিছতেই তাই আকৌ আগৰদৰে উশৃংখল হ'ল।

হৰিহৰ ৰাজমিস্ত্ৰিয়েও জীয়েকলৈ একো বয়বস্তু থৈ যাব পৰা নাছিল। থৈ গৈছিল মাথো সংস্থানহীন এক অনিশ্চিত ভবিষ্যত আৰু ৰাজমিস্ত্ৰিৰ হাথিয়াৰ কেইখিনি। পুৰন্দৰে সেই হাথিয়াৰখিনিৰ দায়িত্ব নিজেই ল'লে। তাৰপিছত এদিন কেইজনমান মজদুৰৰ সহায়ত মন্দিৰলৈ গৈ মনোমতীৰ শিৰত সেন্দুৰৰ সাক্ষী দি সি তাইবো দায়িত্ব ল'লে। কিছুদিনলৈ তাই ঠিকেই চলিছিল। কিন্তু তাৰ পিছতে তাইৰ মনৰ বান্ধ আকৌ শিথিল হ'ল।

এদিন দুদিন কৰি ক্ৰমে দিনবোৰ অতিক্ৰম কৰে। পুৰন্দৰে ভাবিছিল এদিন বৈণীয়েকৰ মতিভ্ৰম দূৰ হ'বই। শিৰৰ সেন্দুৰে তাইৰ মন থিৰ কৰিব। হেৰোৱা মানসিকতা ঘূৰাই আনিব। পিছে নহ'ল।

এদিন সি খং কৰি তাইক সোধে, তই তাৰ ওচৰলৈ গৈছিলি কিয়? মই তোক ভাত কাপোৰ আশ্ৰয় সকলো দিছো। সি মতিলাল মহৰী কেনে দস্যু মানুহ তই নাজান?

আকৌ এদিন সি তাইক খঙেৰে একেবোৰ কথাকে পুনৰাবৃত্তি কৰে, তই গৈছিলি কিয়? সি তাইক মাৰে। তায়ো কান্দি কান্দি কয়, সি মাতিছিল কাৰণেহে। গিৰিয়েকে কয়, সি মাতিলেই তই যাবি কিয়? যা, ঘৰৰ পৰা ওলাই যা। বাটৰ মানুহ বাটলৈকে যা।

বৈণীয়েকক ঘৰৰ পৰা উলিয়াই দি সি নিজেও ঘৰৰ পৰা ওলাই যায়। অ'ত ত'ত সময়বোৰ কটাই ৰাতি একমান বজাত সি ঘৰলৈ ঘূৰি আহে। ভাবিছিল তাই নাই। ঘৰটো এন্ধাৰ। কথাটো ভাবি তাৰ বুকুৰ ভিতৰৰ কোনোবা এডোখৰ ঠাই বিষাই উঠিছিল। কিন্তু ঘৰটোৰ দুৱাৰ মুখতে খন্তেক পৰ বৈ উমান লৈ জানিলে যে ভিতৰত কোনোবা আছে।

আচলতে তায়েই। সি যোৱাৰ পিছতে তাই ঘূৰি আহি ঘৰৰ ভিতৰত উচুপি আছিল। সিও এনে এটা কথাকে মনে প্ৰাণে কামনা

কৰিছিল। হৃদয়ৰ সম্পৰ্ক তাইৰ লগত তাৰ। খং এটা মনৰ খন্তেকীয়া পাশৱিক প্ৰক্ৰিয়াহে মাথোন। তাৰ খঙো তাইৰ বদ অভ্যাসখিনিৰ ওপৰতহে।

সেই গিৰিয়েক পুৰন্দৰৰে এদিন হঠাতে দুৰ্ঘটনা হ'ল। বিল্ডিং এটাৰ ওপৰ মহলাৰ কাম পূৰ্ণ গতিত চলি থকা অৱস্থাতে হঠাতে ভৰি পিছলি নতুনকৈ ৰাজমিস্ত্ৰি হোৱা পুৰন্দৰ মাটিত থেকেচাখাই পৰিল। বনুৱাৰ মাজত হুলস্থুল লাগিল। তাক ধৰাধৰি কৰি হাস্পতাললৈ নিলে। সকলোৱে ভাবিছিল সি আৰু নেবাচে।

কিন্তু জীৱন প্ৰৱাহিনী নৈয়ে মানুহৰ ইচ্ছা-অনিচ্ছা, ভাব, ধ্যান-ধাৰণাৰ ওপৰত নিৰ্ভৰ কৰি গতি নকৰে। সকলোৱে নাবাচিব বুলি ভাবিছিল যদিও পুৰন্দৰৰ ক্ষেত্ৰতো সেয়ে হ'ল,—সি বাচিল। এক সংগ্ৰামী জীৱনৰ অন্ত নপৰিল।

দৰ্বাচিলতে সিও বিচাৰিছিল তাকেই। তাৰ দায়িত্ব বহুতো। মৰণ মুহূৰ্তত হৰিহৰ মিস্ত্ৰিয়েও জীয়েকৰ দায়িত্ব তাৰ ওপৰতে অৰ্পণ কৰি গৈছে। স্বামী হিচাপেও তাইৰ প্ৰতি তাৰ দায়িত্ব আছে।

কিন্তু বাচিলেও সি চিৰ পঙ্গু হৈ এমাহৰ পিছত হাস্পতালৰ পৰা উভতি আহিল। মনোমতীয়ে এই এমাহ দিন ধৰি হাস্পতালত তাৰ গাৰ মাখিৰ দৰে লাগি আছিল। কথাটো কিবা অভাৱনীয় যেন লাগিছিল অকল তাৰেই নহয়, চিনাজনা সকলোৰে।

হাস্পতালৰ পৰা উভতি অহাৰ পিছত পৰিয়ালটোৰ ভৰণ পোষণৰ প্ৰশ্ন উঠিল। কিন্তু মনোমতীক এই গুৰুত্বপূৰ্ণ কথাটো কোনোবাই সকীয়াই দিয়াৰ প্ৰয়োজন নহ'ল। তাই নিজেই খা-খবৰ কৰি স্থানীয় ডাক্তৰ একজনৰ ঘৰত আয়াৰ চাকৰি এটা ল'লে। মাহমহা কেঁচুৱা। আয়াৰ কাম দিন ৰাতি সমানে। কিন্তু তাই ডাক্তৰৰ ঘৰত এটা দিন কটোৱাৰ পিছতে এটা ডাঙৰ কথা আবিষ্কাৰ কৰিলে। আতঙ্কত তাই শিয়ৰি উঠিল। তাই অতি সতৰ্কতাৰে নিজকে ৰচাই যাবলৈ আৰম্ভ কৰিলে। কেতিয়াবা টোপনিত নিমগ্ন হোৱা কেঁচুৱাটোকে

জগাই দি বা কেতিয়াবা অন্য উপায় অৱলম্বন কৰি। কিন্তু মাতাল গৃহস্থও ক্ৰমে জেদী হৈ পৰে।

গিৰিয়েকক আহাৰ যতনাই দিবলৈ তাই প্ৰত্যেক দিনাই ঘৰলৈ আহিছিল যদিও গিৰিয়েকক কথাটো জনাব পৰা নাছিল। সি দুখ পাব।

এদিন ৰাতি মাতাল গৃহস্থ বেছি উন্মত্ত হৈ উঠাত তাই আনদিনাৰ উপায়বোৰ অৱলম্বন কৰিও কোনো সুফল নেপাই উপায় বিহীন হৈ টেবুলত থকা পানী ভৰা ফুলদানীটোকে মুখলৈ মাৰি পঠিয়ালে আৰু সেই সুৰুঙাতে ৰাতাৰাতি তাই ঘৰলৈ পলাই আহি গিৰিয়েকৰ বুকুৰ মাজত সোমাই কান্দে।

ব্যথিত গিৰিয়েকে তাইক সোধে, ৰাতিখন কিয় আহিছি ? কি হ'ল ? কিয় কান্দিছ ? তাই কান্দি কান্দি কয়, সি মোৰ সন্মান হানি কৰিব খুজিছিল।

অসহায়, অক্ষম, পঙ্গু গিৰিয়েকৰ দুচকুৰেদি সৰ সৰ কৰে চকুলো বৈ আহিল। কঁপা কঁপা হাতেৰে সি তাইৰ মূৰত হাত ফুৰাই ফুৰাই থোকাথুকি মাতেৰে ক'লে, তই আৰু তালৈ যাব নেলাগে। বনুৱাৰ চৰ্দ্দাৰ গোবৰ্দ্ধন দাসে বহু ঠিকাদাৰক বনুৱাৰ যোগান ধৰে। তাৰ লগত থাকি বহু বনুৱা তিৰোতাই জীৱিকা উলিয়ায়। তয়ো তালৈকে যাবি। মোৰো কোৱা আছে। আচলতে সিহঁতৰ দৰে মানুহো আছে বাবেই আমিও বাচি আছোঁ।

[ বৰ্ত্তমান ইং ১৯৮৫ ]

# জুয়ে পোৰা সোণ

কলেজত পঢ়োঁতে আমাৰ বাঠিজনীয়া আই. এ. ক্লাছত পঞ্চল্লিছ-জন ল'ৰাৰ উপৰিও পোন্ধৰজনী ছোৱালীও আছিল। চক্রপাণি বৰা, কমললোচন খাটনিয়াৰকে ধৰি দহ-বাৰজনমান ল'ৰা আৰু মালবিকা দত্ত, নৱনীতা দেবী আৰু ৰীতা চৌধুৰীকে ধৰি ছয়-সাতজনীমান ছোৱালীৰ বাহিৰে বাকীবিলাকৰ নাম বৰ্ত্তমান মনত নাই।

ছোৱালীৰ ভিতৰত মালবিকা দত্ত, নৱনীতা দেবী আৰু ৰীতা চৌধুৰী, এই তিনিওজনীয়েই আছিল অলপ বেলেগ প্রকৃতিৰ। তিনিওৰে ভিতৰত মালবিকাই পুৰুষ বন্ধুৰ সঙ্গতেই বেছিভাগ সময় কটাবলৈ ভাল পাইছিল। নৱনীতা আৰু ৰীতা মালবিকাৰ দৰে বেপৰোৱা বিধৰ নহয় যদিও আন সৰ্বসাধাৰণ ছোৱালীতকৈয়ে ব্যতিক্ৰম সেই কথাত মতানৈক্য নাই। এই ত্ৰয়ীৰ বৈশিষ্ট্য এয়ে আছিল যে তিনিওজনী সদায় ক্লাছত একেখন বেঞ্চিতে বহিছিল। ছোৱালী কমন ৰূমতো তিনিও লগ বান্ধি আছিল আৰু কলেজৰ সন্মুখৰ মুকলি ঠাইডোখৰত ফুৰা সময়তো কোনেও কাৰো লগ নেৰিছিল। কলেজৰ সন্মুখত থকা পোৱালি নামৰ পাণদোকানীজনৰ দোকানলৈকো তিনিও লগবান্ধি গৈ তামোল কিনি খাইছিল। পাণ-দোকানীয়েও ছোৱালীহঁতে ফৰমাচ নিদিয়াকৈয়ে তামোলৰ লগতে কেতিয়াবা অকণমান জৰ্দা, কেতিয়াবা অকণমান চাদা-ধঁপাত দিয়াটোও এটা অভ্যাসত পৰিণত হৈছিল।

ওখই-পাখই, গাই-গাৰিয়ে মালবিকা বৰ মজবুত ছোৱালী। নৱনীতা আৰু ৰীতা মালবিকাৰ দৰে শকত-আৱত নহয় যদিও দেহৰ উচ্চতা তিনিওৰে প্ৰায় সমানেই আছিল।

ক্লাছত বন্ধুমহলৰ মাজত পশুলাৰ বুলি মই জনাজাত হৈ পৰিছিলোঁ। মানে মই আছিলোঁ অলপ অমায়িক। কাকো আঘাত লগাকৈ কথা কোৱাৰ অভ্যাস নাছিল। সেয়ে কলেজত অতি অশিষ্ট বুলি বদনাম থকা ল'ৰাটোৰপৰা শান্ত-শিষ্ট নিমাখিত ল'ৰাটিলৈকে সকলোৰে মোৰ ব'ৰ্ডিংঘৰলৈ অবাধ অহা-যোৱা আছিল।

মোৰ ব'ৰ্ডিংঘৰলৈ সকলো ধৰণৰ ল'ৰাৰে সমাগমৰ বাবেই মঞো ঘৰতে বহি চহৰখনৰ নানা ধৰণৰ বা-বাতৰিও পাই আছিলোঁ। তাৰে ভিতৰত চহৰতে থকা সম্বন্ধীয় মাহীয়েক এগৰাকীৰ ঘৰত থাকি কলেজত পঢ়া বেপৰোৱা বিধৰ এই মালবিকাৰ কথাও।

এই ত্ৰয়ীৰ ভিতৰৰে এটিয়ে যে মোৰ হিয়াৰ মাজতো কিছু আলোড়নৰ সৃষ্টি কৰিছিল সেই কথা সত্য। তেওঁ হৈছে বীতা, যোগান বিষয়াৰ ছোৱালী। মোৰ ব'ৰ্ডিংলৈ আহি নানা ধৰণৰ কথাৰ মহলা মাৰি সময় কটোৱা, চক্ৰপাণি বৰা নামৰ এজন চতুৰ সহপাঠীৰ আগত এই কথা কোনোবা মুহূৰ্তত কিবা প্ৰকাৰে মোৰ মুখৰপৰাই ওলাল আৰু সেই চতুৰ সহপাঠীজনৰপৰাই এই কথা মালবিকাৰো কাণত পৰিলগৈ। তাৰ পিছতে হ'ল ভাওনা আৰম্ভ। এদিন তিনিওৰে লগত বাটতে মোৰ ভেটা-ভেটি হোৱাত বীতা নামৰ ছোৱালীজনী আগবাঢ়ি আহি, বৰ ধুনীয়াকৈ হাঁহি এটা মাৰি মোক অকলশৰীয়াকৈ লগ ধৰিলে আৰু ইংৰাজীৰ ভাল নোটচ্ আছেনেকি সুধিলে। মই গাঁও এৰি প্ৰথম চহৰত ভৰি দিয়া ল'ৰা। হাতৰ তলুৱাত নাঙলৰ মুঠিৰ সাঁচ তেতিয়াও বহি আছিল। গতিকে কথাবোৰ সৰলভাৱেই চিন্তা কৰিছিলোঁ। চেঙেলীয়া মনৰ সেই মধুৰ ভাবনাত উটি-বুৰি মই বীতাক নোট্চৰ যোগান ধৰিছিলোঁ আৰু ভাগৰৰ মাজতে জুৰণিৰ প্ৰশান্তি অনুভৱ কৰিছিলোঁ।

কিন্তু তেওঁলোকে মোক লৈ এনেদৰে ৰহঘালি কৰিলে বুলিহে এদিন কথাটো ওলালত মই লাজতে পাহাৰৰ শিখৰৰপৰা ধৰাতললৈ লুটি খাই পৰা যেন লাগিল। গতিকে নাটক দীঘলীয়া হ'বলৈ নিদি সিমানতে যৱনিকা তৰিলোঁ।

মালবিকাৰ নেতৃত্বত মোক আকৌ এবাৰ ৰং দেখুওৱাৰ চেষ্টা চলিছিল যদিও মই ছিটিকাত নপৰাকৈ এৰাই আহিবলৈ সক্ষম হ'লোঁ। ইতিমধ্যে যোগান বিষয়াও বদলি হৈ আন ঠাই পালেগৈ আৰু ময়ো মনৰপৰা ধূলি-মাকতিবোৰ জোকাৰি পেলালোঁ।

যি কি নহওক, আই. এ. পাছ কৰি মই সেই একে কলেজতে বি. এত নাম লগালো। মালবিকা, নৱনীতাকে ধৰি বহুতো পুৰণা সহপাঠীৰ বাহিৰেও কিছুমান নতুন ল'ৰা-ছোৱালীয়েও বি. এ ত নাম লগালেহি। নতুনচাম ল'ৰাৰ ভিতৰত জীৱন ফুকনো।

জীৱন ফুকন। ধুনীয়াকৈ ল'ৰাটো। জোঙা নাকটিৰে পিল-পিলীয়াকৈ সদায় পৰিপাটি, সদায় নতুন, সকলো সময়তে সংযত ল'ৰাটোক দেখিলেই কিবা এটা মোহ উপজি যায়। কলেজৰ এচাম ছোৱালীৰ মাজত জীৱন ফুকনক লৈ এক আলোড়নৰেই সৃষ্টি হ'ল। পেটে-পেটে বহুতৰ জীৱন ফুকনলৈ ঈৰ্ষাই উপজিছিল। কিন্তু হ'লেও জীৱন ফুকন ল'ৰাটো আছিল বেলেগ ধৰণৰ। কলেজৰ আনুষ্ঠানিক আৰু গঠনমূলক কামতহে ফুকনৰ নিষ্ঠা আছিল বেছি আৰু এনে কামত লাগিয়েই ফুকনে বেছিভাগ সময় অতিবাহিত কৰিছিল।

কলেজত জীৱন ফুকন আৰু মোৰ পঢ়াৰ বিষয় আছিল একে। আগতে আমি দূৰে দূৰে আছিলো যদিও এটা সৰু ঘটনাৰ যোগেদি ওচৰ চাপি আহো আৰু অতি কম সময়ৰ ভিতৰতে আমাৰ সম্বন্ধৰ এঠাও বেছি হৈ পৰে। শ্ৰেণীত আমি সদায় একেলগে বহা, বাহিৰতো সদায় একেলগে ফুৰা, আমাৰ বাবে এটা নিয়মত পৰিণত হ'ল।

কম দিনৰ ভিতৰতে ফুকনৰ লগত ময়ো কলেজত প্ৰখ্যাত হৈ পৰিলো। বীতা সম্বন্ধীয় ঘটনাটোৰ পিছত খেলাখনৰ গুৰি ধৰোতা বুলি মালবিকা যেতিয়া এসময়ত জনাজাত হ'ল, তেতিয়াৰে পৰাই মালবিকাই অতি সজাগভাৱে মোৰপৰা যথেষ্ট দূৰত থাকি চলা-ফিৰা কৰিছিল। সেই মালবিকাই এদিন মোক ছোৱালী কমন ৰুমৰ

ওচৰতে লগ পাই হঠাতে কৈ পেলালে, হেৰি দেৱান, আমাৰ ক্লাছৰ পিকনিক এটাৰ যোগাৰ নকৰে কিয় ?

মোৰ লগত আছিল জীৱন ফুকনো। মই বুজিছিলো, ফুলধেমুৰ শৰৰ লক্ষ্য এই ফুকনহে। এবাৰ সাপে খালে লেজুলৈকো ভয় বোলা কথাষাৰৰ তাৎপৰ্য্য পাহৰি নগৈছিলো। গতিকে সাধাৰণতে মানুহৰ অন্তৰত আঘাত দিয়া প্ৰবৃত্তি মোৰ নহ'লেও হঠাতে মোৰ মুখৰপৰা ওলাই পৰিল, ব'লকনা, আমি মিতালিতে বহি এই বিষয়ে আলোচনা কৰোঁগৈ।

মোৰ কথা শুনি মালবিকা অপ্ৰস্তুত হৈছিল আৰু বঙাচঙা পৰি কোনো কথা নোকোৱাকৈ আঁতৰি গৈছিল।

কিন্তু কথাষাৰ মোৰ মুখৰপৰা ওলাই যোৱাৰ পিছত মই সঁচাকৈয়ে অনুতপ্ত হৈছিলোঁ। মিতালি এইখন চহৰৰে এডোখৰ ঠাইত থকা এনে এখন ৰেষ্টুৰেণ্ট, য'লৈ চাহ খাবলৈ গ'লে অতি কমেইহে চিনাকি মুখ চকুত পৰে। শুনামতে এই মিতালিতে মালবিকাই অতি নিয়মীয়াকৈ আজি ইজন, কালি সিজন বন্ধুৰ লগত চাহৰ পিয়লা সন্মুখত লৈ মধুৰ মিতালিৰ সৃষ্টি কৰিছিল আৰু ইয়াৰ ফলতে গাঁৱৰ পৰা কলেজত পঢ়িবলৈ অহা কেইবাজনো ডেকা ল'ৰাই টালিটোপোলা বান্ধি ঘৰলৈ প্ৰত্যাৱৰ্তন কৰিব লগা হৈছিল।

যি কি নহওক, মই একে কোবতে বি.এ. পৰীক্ষাটোত উত্তীৰ্ণ হ'ব নোৱাৰি, কলেজ এৰি চাকৰি এটাত সোমালোঁ আৰু তেতিয়াৰেপৰা এই বাইছ বছৰ ধৰি ইয়াতে আছোঁ। কলেজৰ বন্ধু-বান্ধৱ সকলৰ দুই-চাৰিজনৰ বাহিৰে বাকীবোৰ কোন কেনি গ'ল, কি হ'ল, সেই খবৰ ৰখাৰ আৰু অৱকাশ নহ'ল।

এদিন অফিচতে বহি বৰ ব্যস্ততাৰে কাম কৰি আছোঁ। এনেতে হঠাতে বহুদিনৰ আগৰ পুৰণি চিনাকি মাত এবাৰ শুনি মূৰ তুলি চাই দেখোঁ, চিনাকি চিনাকি মুখৰ এজন মানুহে বীৰেণ বৰুৱা নামৰ মোৰে সহকৰ্মী এজনক কিবা এটা কথা সুধি উভতি যাবলৈ

উপক্ৰম কৰিছে। এনেতে হঠাতে মোৰ মুখৰপৰা ওলাই আহিল, সেয়া ফুকন নহয় জানো ?

মোৰ কথা শুনি মানুহজন থমকি ৰ'ল। মোৰ মুখলৈ এক মুহূৰ্ত চালে আৰু পৰম উৎসাহেৰে মাত লগালে, অ', এয়া আমাৰ দেৱানদেউ দেখোন ? বুলি কৈয়েই জীৱন ফুকন মোৰ টেবুলৰ কাষ পালেহি। সন্মুখৰ খালী চকীখন দেখুৱাই মই তেওঁক বহিবলৈ ক'লোঁ। প্ৰথমে বহিবলৈ ইতস্ততঃ কৰি দ্বিতীয়বাৰ অনুৰোধ কৰাৰ লগে লগেহে তেওঁ চকীখনত বহিল। বুজিলোঁ, ইয়াত বহা কথাটো ফুকনে বৰ সহজভাৱে ল'ব পৰা নাই।

কেইপলকমান সময় ফুকনৰ ফালে ৰ লাগি চাই থাকি মই প্ৰশ্ন কৰিলোঁ, ফুকন, আপোনাৰ .... ?

মোৰ প্ৰশ্নটো পুৰাকৈ ওলাবলৈ নিদি ফুকনে টপৰাই মাত লগালে, এৰা দেৱানদেউ, অদৃষ্ট বোলা কথাটোৰ ওপৰত আগতে মোৰ বৰ বিশ্বাস নাছিল।

অদৃষ্ট বোলা কথাটো মোৰ বাবে অবিশ্বাসযোগ্য নাছিল যদিও ফুকনৰ ক্ষেত্ৰত কিন্তু তাক মানি ল'বলৈ মোৰ বৰ সহজ যেন নেলাগিল।

প্ৰায় এঘণ্টামান সময় বহি, মই ঘচা চাহকাপ অতি সন্তোষ মনেৰে খাই উঠি, সেইদিনাৰ বাবে ফুকনে মোৰপৰা বিদায় ল'লে। যাবৰ সময়ত জনালে যে তেওঁৰ ঘৰলৈ এদিন মন্নো যাব লাগিব আৰু তেওঁৱেই মোক লৈ যাবহি।

ফুকন যোৱাৰ পিছত মই সেইদিনা অফিচৰ কামত অকণোকে মনোযোগ দিব পৰা নাছিলোঁ। আনকি ঘৰতো। মাহেকৰ মুৰত ঘৰলৈ অহা চাৰিশটা টকাৰে অসুখীয়া পৰিয়ালৰ বেমাৰ বটা, ঘৰভাৰা দিয়া, ল'ৰা-ছোৱালীৰ ভৰণ-পোষণ, শিক্ষাদানৰ দায়িত্ব পালন কৰা, সমাজত মানুহ বোলাই থকাৰ চেষ্টা কৰা আদি কৰ্তব্যবোৰ কি প্ৰকাৰে পালন কৰা যায়, সাধাৰণতে এনে ধৰণৰ চিন্তাই ঘৰত থকা সময়কণত মনটোক জুমুৰি দি ধৰিলেও সেইদিনা ফুকনৰ চিন্তাইহে মনত ঠাই

পাইছিল। মানুহৰ জীৱনত সকলো ঘটনাই ঘটিব পাৰে বা অসম্ভৱ বুলিবলৈ একো নাই যদিও ফুকনৰ জীৱনৰ এনে পৰিবৰ্তনৰ কথা চিন্তা কৰিবলৈকে মোৰ ভয় লাগিল। এসময়ত যিজন মানুহক দেখা পালে কোননো বুলি তেওঁৰ পৰিচয় জানিবৰ কৌতূহল হয়, আজি সেইজন মানুহকে দেখা পালে মনত হয় বিপৰীত প্ৰতিক্ৰিয়া। কোটৰগত চকু, অস্থিচৰ্মসাৰ দেহ, পক ধৰা চুলি, কেইবাদিনো খুৰুৱোৱা ডাঢ়ি আৰু মলিয়ন ফটা-ছিটা সাজপাৰ, য'ত কেৱল বিয়োগবহে আঁচোৰ।

পোন্ধৰ দিনমানৰ মূৰত এদিন ফুকন আকৌ আমাৰ অফিচ ওলালহি আৰু অফিচ ছুটীৰ পিছত মোক তেওঁৰ ঘৰলৈ লৈ গ'লহি। বাটত যাওঁতে ফুকনে মোক আমাৰ দুই-চাৰিজন পুৰণি বন্ধুৰ কথা সুধিলে। ময়ো যি জানো জনালোঁ। কিন্তু ফুকনে মোৰ লগত যিমান সহজভাৱে কথা হ'ব পাৰিছিল, মই পৰা নাছিলোঁ। কিবা এটাই মোৰ মুখ বন্ধ কৰি ৰাখিছিল।

আধা ঘণ্টামান সময় খোজ কঢ়াৰ পিছত আমি ফুকনৰ ঘৰ পালোঁহি। কিন্তু ফুকনৰ ঘৰটো দেখাৰ লগে লগেই মোৰ মুখৰ মাত হৰিল। দুয়োকাষে দুটা আকাশচুম্বী অট্টালিকাৰ মাজৰ প্ৰায় কুৰি ফুট মাটিত ফুকনৰ ঘৰটো চেপেটা লাগি আছে। দক্ষিণফালৰ অট্টালিকাটোৰপৰা ওলাই অহা জোঙা জোঙা লোহাৰ ৰড্ কিছুমানে ফুকনৰ মাটিডোখৰৰ বহু ঠাই দখল কৰি পেলাইছে। অট্টালিকাটো যেন জেং জেং কৰে দাঁত নিকটাই থকা এটা প্ৰকাণ্ড দৈত্যহে। ঘৰ নামৰ ফুকনৰ জুপুৰিটো পশ্চিমফালে হালি পৰোঁ পৰোঁ অৱস্থা। কেইডালমান ঢোকাই তাক পৰি যোৱাৰপৰা কোনোৰকম ৰক্ষা কৰি আছে। সন্মুখৰ বেৰখনৰ একাল নায়েই। ৰাস্তাৰ মানুহৰ দৃষ্টি ভিতৰ নপৰশিবৰ বাবেই বেৰখনৰ ভগাডোখৰ ভিৰোতা মানুহৰ চাদৰ এখনেৰে আঁৰ দিয়া। চাদৰখন দেখিহে বুজিলোঁ, ফুকনে সংসাৰো কৰিছে।

ৰাস্তাৰপৰা নামি খোলা দুৱাৰেদি ফুকনৰ পিছে পিছে ঘৰটোৰ ভিতৰলৈ সোমাই গলোঁ। মই যোৱাৰ বাবে ফুকনৰ মনৰ আনন্দখিনিৰ

কথা অন্তৰৰ কোঁহে কোঁহে অনুভৱ কৰিলোঁ।

কোঠাটোৰ এচুকত অনাদৃত হৈ পৰি থকা বেতৰ চকীখন লৰা-ঢপৰাকৈ দাঙি আনি হাত ফুৰাই, ধূলি-মাকতিবোৰ গুচাই ফুকনে আস্তব্যস্ত কৰি মোক বহুৱালে। একেটা কোঠাকে পুৰণি বেড্ কভাৰ এখনেৰে দুভাগ কৰি ৰখা সিটো ফাললৈ ভুমুকিয়াই চাই হাঁহি হাঁহি ফুকনে পৰম উল্লাসেৰে মাত লগালে, হেৰা, আহাচোন আহা। এয়া আমাৰ দেৱানদেউ আহিছে।

ফুকনৰ মুখৰপৰা কথাখিনি ওলাই যোৱাৰ লগে লগেই কাপোৰ-খনৰ সিপাৰৰ বতাহখিনি চঞ্চল লৈ পৰা অনুভৱ কৰিলোঁ। ফুকনৰ পৰিবাৰক কেনেকৈ প্ৰথম সাক্ষাতৰ সম্ভাষণ জনাওঁ তাকেই ভাবি চিন্তিত হৈ পৰিলোঁ। কিন্তু কেইমুহূৰ্তমানৰ পিছতে কাপোৰৰ আঁৰৰপৰা ধিগৰাকী মানুহ ওলাই আহিল, তেওঁক দেখি মই কথমপিহে চকীৰে সৈতে মাটিত হামথুৰি খাই নপৰিলোঁ।

মই যিমান অধৈৰ্য্য হৈ পৰিছিলোঁ, তাৰ বিপৰীতে বেছি ধৈৰ্য্যৰে মোৰ কাষত থিয় হৈ মালবিকাই ক'লে, আপোনাৰ কথা এখেতে সিদিনা কৈছেহি। আহিলে বৰ ভাল পালোঁ।

একে সুৰতে ময়ো ক'লোঁ, বহুতদিনৰ মূৰত আপোনাক দেখি বৰ ভাল লাগিল।

মালবিকাই মোৰ কথাৰ কোনো উত্তৰ নিদি তলমূৰ কৰি ৰ'ল। ময়ো কথা বহলাই নিবলৈ সূত্ৰ বিচাৰি নাপালোঁ। আচলতে মালবিকাক দেখি মোৰ ভাল লাগিল নে বেয়া লাগিল সেই কথা মই নিজেই বুজিব নোৱাৰিলোঁ। নামটোৰ বাহিৰে মালবিকাৰ শৰীৰত, পোছাকত, কথাত ক'তো সেই কলেজীয়া দিনৰ কোনো কথাকে বিচাৰি নাপালোঁ। সময়ে যে কাৰোবাৰ ওপৰত এনেদৰে প্ৰতিশোধ ল'ব পাৰে সেই কথা মোৰ ভাবিবলৈকে ভয় লাগিল।

এন্ধাৰ হোৱাত মালবিকাই ৰঙা কেৰাচিনৰ ধোঁৱাই থকা চাকি এটা আনি কোঠাটোত থ'লেহি।

এনেতে হঠাতে অমৰাটোৰ সমান শিলগুটি এটা আহি মোৰ ভৰিৰ কাষতে পৰিলহি। মই চক-খাই উঠিলোঁ। কথাটো কি বুজিব নোৱাৰি মই সপ্রশ্ন দৃষ্টিৰে ফুকনৰ মুখলৈ চালোঁ। কিন্তু ফুকনৰ চকুযুৰিয়েও মোৰ চকুলৈকে অপেক্ষা কৰি আছিল প্রথমে এটা শিলগুটি পৰিছিল যদিও পিছত একেলগে কেইবাটাও পৰিলহি। অধীৰ হৈ ফুকনে মোক বহাৰপৰা উঠাই চকীখন এডোখৰ নিৰাপদ ঠাইলৈ দাঙি আনি মোক পুনৰ বহিবলৈ ক'লে। কথাটো কেনে ধৰণৰ হ'ব পাৰে তাকে জানিবৰ বাবে মই আগ্ৰহ দেখুৱাইছিলোঁ। যদিও ফুকনে ব্যক্ত কৰাৰ আগ্ৰহ নেদেখুৱালে।

প্রায় ডেৰ ঘণ্টামান সময় বহি, পুৰণি দিনৰ কিছুমান কথা ৰোমন্থন কৰি, মালবিকাই দিয়া একাপ চাহ খাই মই বিদায় ললোঁ। ওচৰতে থিয় হৈ আছিল যদিও আলোচনাত কোনো অংশ গ্রহণ নকৰি নীৰৱ শ্ৰোতাৰ স্থানহে পুৰাই অহা মালবিকাই এইবাৰ ক'লে, ঘৰটো চিনি পালেই, আকৌ আহিব। ময়ো সম্মতি জনাই বিদায় লৈ ওলাই আহিলোঁ। ফুকনে পদুলিমুখতে মোক বিদায় নিদি কিছুদূৰ মোৰ লগে লগে আহিল। আহোঁতেই মই নোসোধাকৈয়ে তেওঁ মোৰ মনৰ কেইটামান প্রশ্নৰ উত্তৰো দি গ'ল।

মালবিকাৰ ভাল মানুহ এজনৰ লগতেই বিয়া হৈছিল। কিন্তু বিয়াৰ দুমাহৰ পিছতে তেওঁ বিধবা হয়। ফুকনে তেতিয়া সেই ঠাইতে হাইস্কুল এখন খুলি চলাই আছিল। বিধৱা বোৱাৰীয়েকক শহুৰৰ ঘৰত শান্তিৰে থাকিবলৈ নিদিয়াত মালবিকাৰ জীৱিকাৰ প্রশ্নটো উঠিল। ইফালে তেওঁৰ ককায়েকহঁতেও তেওঁৰ দায়িত্ব ল'বলৈ টান পালে। ফলত মালবিকাৰ সংসাৰত তিষ্ঠি থকাই টান হৈ পৰিল। কথাটো ফুকনে জানিব পাৰি মালবিকাক তেওঁৰ স্কুলতে চাকৰি এটা দিলে। কিন্তু মানুহে বেয়াটোহে দেখিলে। অথচ তেওঁলোকৰ সম্বন্ধ বৰ নিকা আছিল। মানুহবোৰে কেৱল বদনাম উলিয়ায়েই ক্ষান্ত নাথাকিল। ফুকনক বৰ বেয়াকৈ অপমানো কৰিলে। ফলত

ফুকনে স্কুল এৰি আহিবলৈ বাধ্য হ'ল। পিছত মালবিকাৰ জীৱনৰ নিৰাপত্তাৰ বাবে তেওঁক হোম পুৰি বিয়া কৰালে। তাৰ পিছত তেওঁ কোম্পানী এটাত সোমাল। কিন্তু এবছৰ পূৰ হ'বলৈ নৌ-পাওঁতেই কোম্পানীৰ চাকৰিও গ'ল। এয়া তেওঁৰ জীৱনৰ এক অধ্যায়।

আন এক অধ্যায় হ'ল, এইখিনি তেওঁৰ ম্যাদী মাটি। কিন্তু হুয়োফালৰপৰা সীমা ঠেলি আনি আনি এয়া গিলোঁ৷ গিলোঁ৷ অৱস্থা। দক্ষিণফালৰ দালানটোৰ মালিকে তেওঁলোকক ইয়াৰপৰা খেদিবৰ কাৰণে উঠি-পৰি লাগিছে। সন্ধিয়া পৰতযে শিলগুটি বৰষিছিল, আজি কিছুদিনৰপৰা এনে ঘটনা হ'বলৈ ধৰিছে। দালানটোৰ মালিকে সক সক ল'ৰা কিছুমানক টকা দি হাত কৰি সিহঁতৰ দ্বাৰা শিলগুটি দলিওৱাই, জোকাই ভাবুকি দেখুৱাই তেওঁলোকক তাৰপৰা খেদাৰ চেষ্টা কৰিছে। কিন্তু এইখিনি তেওঁৰ ম্যাদী মাটি। নগদ ধন দি কিনিছে। এই মাটিৰ ওপৰত তেওঁৰ পূৰা স্বত্ব আছে। তেওঁ কেতিয়াও নেৰে। এয়া ফুকনৰ কথা।

চিটিবাছ ৰোৱা ঠাইত মোক বাছত উঠাই দিহে ফুকন ঘৰলৈ উভতিছিল।

সংসাৰৰ নানা লেঠাৰ বাবেই ফুকনৰ ঘৰলৈ যাম যাম বুলি ভাবিও আহৰি পোৱা নাছিলোঁ৷। ছমাহৰ মূৰত এদিন অকণমান সময় উলিয়াই তেওঁলোকক লগ পোৱাৰ উদ্দেশ্যেই তেওঁলোকৰ ঘৰলৈ গৈছিলোঁ৷। কিন্তু সেই ঠাই পোৱাৰ লগে লগেই চকুত পৰিল, সেই দক্ষিণফালৰ অট্টালিকাটোৱে শৰীৰ বঢ়াই আনি গোটেইখিনি ঠাই অধিকাৰ কৰি পেলাইছে। তাত জীৱন ফুকন, মালবিকাৰ থৰকবৰক সংসাৰখনৰ অস্তিত্বৰ কোনো সঁহাৰিয়েই পোৱা ন'গল।

কৌতূহল দমাব নোৱাৰি ওচৰৰে পাণ-দোকানীজনক তেওঁলোকৰ কথা সুধিলোঁ৷। দোকানীজনে ক'লে, এই মানুহহালে এই মাটিখিনি দখল কৰি আছিল। তাৰাও নিদিয়ে। নাযায়ো। এমাহমানৰ

আগতে মাটিৰ গিৰিহঁতে ঘৰ-দুৱাৰ ভঙাই মানুহ হালক খেদিলে। পিছে ইয়াৰ পুৰণি লোকসকলে কয় যে মাটিখিনি আৰু ঘৰটো বোলে মানুহ ঘৰৰ নিজৰেই আছিল। মানুহজনৰ মুৰৰ বিকাৰো হোৱা বোলে বেছি দিনৰ কথা নহয়।

বিফল মনোৰথ হৈ মই সেই ঠাইৰপৰা উভতি আহিছিলোঁ।

এইবোৰ আজি প্ৰায় পুৰণা কথা। কিন্তু সেই বৃহৎ ঘৰটো ই নিত্য নতুন। সেইফালে গ'লেই সেই প্ৰাসাদ হেন ঘৰটোৱে মোৰ মনৰ ঘা ডোখৰ চিকুটি দিয়ে। মনত পৰে ফুকন আৰু মালবিকাৰ কথা, ফুকনে বিধবা নিৰাশ্ৰয়া মালবিকাক জীৱিকাৰ বাবে নিজে পতা স্কুলত চাকৰিটো দিয়াত মানুহে বেয়াটোহে দেখি তেওঁক বেয়াকৈ অপমান কৰাৰ কথা। মনত পৰে সিদিনা ফুকনহঁতৰ ঘৰত বহোঁতে সন্ধিয়া শিলগুটি বৰষাৰ কথা। আৰু মনত পৰে ফুকনৰ কথাষাৰ, এইখিনি মোৰ ম্যাদী মাটি। নগদ ধন দি কিনিছোঁ। মোৰ পুৰা স্বত্ব আছে। মই কেতিয়াও নেৰোঁ। কিন্তু শেষত নেৰি পাৰিলেনে? সাংঘাতিকভাৱে অপমানিত হোৱাৰ পিছতো মানৱতাৰ খাতিৰত জীৱিকা আৰু নিৰাপত্তাৰ বাবে মালবিকাৰ দায়িত্ব গ্ৰহণ কৰিব পৰা সাহসী ফুকনে কষ্টেৰে মাটি অকণ কিনি, টোকোৰা পঁজা এটি সাজি মানুহৰ পৃথিৱীতে বাচি থাকিবলৈ বিচাৰিছিল যদিও শেষত অন্যায়ৰ অৰণ্যৰ মাজত হেৰাই থাকিল।

কিন্তু ডাৱৰে সূৰ্য্যক সদায় ঢাকি ৰাখিব পাৰেনে?

[ আমাৰপ্ৰতিনিধি ৰঙালী বিহু সংখ্যা ইং ১৯৭৭ ]

# জাকজমকতাৰ ৰঙৰ তলত

ভয় আৰু আশঙ্কাত বিহ্বল হৈ পৰা যৈণীয়েকে জ্বৰীয়া তিনি-বছৰীয়া শিশুটোক কোলাত লৈ, তাৰ কপাল আৰু ভৰিৰ তলুৱাত বাৰে বাৰে হাত দি উত্তাপ জুখি জুখি, কাষতে সন্ত্ৰস্ত হৈ থিয় দি থকা গিৰিয়েকলৈ চাই থোকা-থুকি মাতেৰে ক'লে, জ্বৰ আছেই। টেক্সীৱালাৰ ফাই উঠিব এতিয়া।

অসহায় আতুৰ গিৰিয়েকে কাষতে যমদূতটোৰ দৰে ৰৈ থকা টেক্সীখনলৈ ভয়ে ভয়ে চালে। তাৰ তেজৰ দৰে ৰঙা চকুযুৰিত চকুলোৰ কণিকা। এফালে ক্ৰোধৰ অগনি, আনফালে ভঙা ডেউকাৰ যন্ত্ৰণাৰ আৰ্ত্তনাদ।

তায়ো আগৰেপৰাই কেঁকুৰিয়েই আছিল। তাৰ চকুত চকুলো দেখি তাইৰ উচুপনিৰ মাত্ৰা চৰিল। মূৰটোৰ ভিতৰত চিন্তাৰ কীটবোৰে জাগুৰ খাই উঠিল। সিহঁতবোৰৰ আনকি নিজৰ দেহাটোৰ ওপৰতো এক্তিয়াৰ নাই। অকল সমৰ্থবানবোৰৰ প্ৰয়োজনৰ বাবেহে সিহঁতৰ দেহাবোৰৰ সৃষ্টি, পৰিপুষ্টি। পেটৰ ভোকৰ জ্বালা বৰ পীড়াদায়ক। মানুহ কম নিষ্ঠুৰ প্ৰাণী নহয়।

টেক্সীড্ৰাইভাৰটোৱে চকুপকাই গৰজি উঠিল, ইমান পলম কিয়? যোগনীয়াৰটোৱেও গৰজি ক'লে, ইমান দেৰি কৰিছ, মেনেজাৰ চাহাবৰ খং উঠিব।

দুগালেদি চকুলোৰ ঢল বোৱাই মূৰটো লৰাই গিৰিয়েকে তাইক বিদায় দিলে। তাই কঁপা কঁপা হাত দুখনেৰে জ্বৰীয়া শিশুটোক গিৰিয়েকৰ কোলালৈ আগবঢ়াই দিয়ে। যোগনীয়াৰটোৱে তাৰ চকুৰ আগতে তাইৰ হাতখনত থাপ মাৰি ধৰি, একপ্ৰকাৰ টানি নি টেক্সীৰ ভিতৰত বহুৱাই দিলেগৈ।

ইঞ্জিনটোৱে গৰ্‌গৰাই উঠিল। টেক্সীখন চলি গ'ল।

হেজাৰ বিজাৰ বিজুলী চাকিৰ পোহৰত জাতিষ্কাৰ হৈ পৰা ৰাতিৰ সুদৃশ্য মহানগৰীৰ ৰাজআলিয়েদি গতি কৰা অজস্র গাড়ীৰ ভিৰৰ মাজত কান্দোনৰতা ঘৈণীয়েকৰ পণ্যসামগ্রী সদৃশ ভেলটো কঢ়িয়াই নিয়া টেক্সীখন নিমিষতে হেৰাই গ'ল।

অসহায়, আতুৰ গিৰিয়েকে তেতিয়াও তাই যোৱাৰ ফালেই থৰ হৈ চাই থাকিল। তাৰ চকুৰ পৰা বিদ্রোহী চকুলোবোৰে সমদল কৰি ওলাই গৈ থাকিল। কিন্তু সেই চকুলোবোৰৰ কোনো দাম নাই। কাৰো অন্তৰ আলোড়িত কৰাৰ ক্ষমতা নাই। ই নিজতে আৰম্ভ, নিজতে অন্ত। ইয়াৰ কোনো জাগতিক শক্তি নাই। তথাপিও মনৰ লেজুডালেৰেই আলফুলকৈ সি তাইক মেৰিয়াই ধৰি থাকিল। কিন্তু সিও জানে যে সেই লেজুডাল তেনেই দুৰ্বল। যিকোনো মুহূৰ্ত্ততে ছিঙি যোৱাৰ সম্ভাৱনা। হ'লেও সি এৰি নিদিয়ে। তাই তাৰেই। মনৰ লেজুৰেই সৰ্বতিকালৰ বাবে সিহঁতে সাঙোৰখাই থাকিব লাগিব। সিহঁতৰ এটা এৰাব নোৱাৰা সম্বন্ধ আছে, সিহঁত দম্পতী, কেৱল জৈবিক কাৰণত নহয়, হৃদয়ৰ সম্পৰ্ক। সিহঁত ইটোৱে সিটোৰ মৰ্মবেদনাৰ, জীৱনৰ ক্ষয় ক্ষতিৰ সমান অংশীদাৰ। এতিয়ামানে তাই ক'ত আছেগৈ সেইকথা সি নাজানিলেও মনৰ চকুৰেই সি তাইৰ ক্ষত বিক্ষত দেহাটো খেপিয়াই থাকিল। মনৰ লেজুডালেৰে সি তাইক নিজৰ গাৰ ওচৰলৈ টানি থাকিল। মনত এটা আশাৰ বীজে খোপনি পুতি ৰ'ল, সিহঁতৰ চকুলোবোৰ কেতিয়াও নিৰ্বীজ হ'ব নোৱাৰে।

বাপেকৰ কোলাত উঠি থকা তিনিবছৰীয়া শিশুটোৱে মাত দিয়াত সি বাস্তৱৰ জগতলৈ ঘূৰি আহিল। শিশুটোৱে ক'লে দেউতা, বৰ জাৰ লাগিছে।

বাপেকে উদঙে মুদঙে থকা অৰীয়া শিশুটোক বুকুৰ মাজত সাৱটি ধৰি নিজৰ দেহৰ উত্তাপেৰে তাৰ অৰীয়া গাৰ জাৰ পলুৱাবলৈ চেষ্টা কৰিলে।

শিশুটোৱে আকৌ ক'লে, দেউতা, বৰ ভোক লাগিছে। বাপেকে সান্ত্বনা দি ক'লে, মাৰ আহিলেই কিবা লৈ আহিব।

শিশুটোৱে ক'লে, মা ৰাতিপুৱাহে আহিব।

[ সাদিনীয়া সম্বাদ বঙালী বিহু সংখ্যা ইং ১৯৮৫ ]

# ভাত খুজি থাকে

পুৱা ধলফাট দিওঁতেই বাহাৰুলে সাৰ পাই টোপনিৰ আলজালতে একেলগে শুই থকা বাপেকক ক'লে, পিতি, বৰ ভোক লাগিছে। চৰুত ভাত আছেনে ?

বাপেকে ক'লে, নাই অ' চানাবাপা। অনা আটাইকেইটা চাউলেই যোৱা ৰাতি ৰান্ধি দুয়োটাই খালো। এতিয়া ভাতো নাই, চাউলো নাই।

পুতেক বাহাৰুলে সেইফালেই নিতাল মাৰিলে।

বাপেক বদৰৰ বৰ বেয়া লাগিল। পুৱাৰ বাচতে পুতেক গাঁৱৰ পৰা চহৰলৈ আহিছিল একো এটা নোখোৱাকৈয়ে। কিবা খাই আহিবলৈ হ'লেও পুৱাৰ বাচখন ধৰা সম্ভৱ নহয়। তাতে সিহঁতৰ গাঁৱৰ ওচৰৰ চকৰপৰা পুৱাতে অহা বাচো এখনেই। কিছুদূৰ বাট খোজকাঢ়ি গৈ অন্য অন্য অঞ্চলৰ পৰা চহৰলৈ অহা বাচ ধৰাও এঘাৰ বছৰীয়া বাহাকলৰ পক্ষে সম্ভৱ নহয়।

আনকাল এইখন বাচ সাত বজাতে চহৰ পায়হি। কিন্তু আজি বাটতে বাচখন বেয়া হোৱাত ন বজাতহে সি চহৰ পালেহি। আহি পায়েই চিটিবাচ এখনত উঠি বাপেক বদৰ থকা ঠাই ডোখৰৰ ওচৰতে নামি সি বেগাই বাপেক থকা বাহাটোলৈ খোজ ল'লে। গৈ পাই দেখেগৈ যে বাপেক নাই। দুৱাৰত তলালগা।

সিমান পৰত দুৱাৰত তলালগা কথাই। বাপেক দিন-হাজিৰা কৰি ঘৰ চলোৱা মানুহ। পাঁচ বজাতে শোৱাৰ পৰা উঠি ওচৰৰে গুমটি চাহ দোকানখনতে গুদা চাহ একাপ খাই গাটো তপাই বাপেকে হাতত দাখন আৰু কান্ধত মোনাটো লৈ আঠ বজাৰ আগে আগেই চাৰি আলিৰ চক পোৱাকৈ যাত্ৰা কৰেই।

সন্ধিয়া কান্ধত খৰি এপোলা লৈ বদৰ যেতিয়া বাহা পালেহি তেতিয়া দেখিলে পুতেক বাহাকলে বাহাটোৰ দুৱাৰ মুখতে আমন জিমন কৈ বহি আছে।

বাপেকে উৎকণ্ঠিত সুৰত সুধিলে, চানাবাপা, তই কেতিয়া পালিহি ?

বাহাকলে ক'লে, পুৱাই আহিছিলো। বাটতে গাড়ী বেয়া হ'ল। আহি পাই দেখো তই কামলৈ গলিয়েই। দুৱাৰত তলা লগা। ঘূৰি যাবলৈকো হাতত গাড়ী ভাৰা নাই।

বদৰে খৰিপোলা মাটিত থৈয়েই লৰালৰিকৈ দুৱাৰখনৰ তলাটো খুলি পুতেকৰ পিঠিখনত মৰমৰ হাত বুলাই বুলাই ভিতৰলৈ লৈ গৈ বাঁহৰ চাংখনতে বহিবলৈ দিলে। তাৰ পিচত মৰমেৰে সুধিলে, ঘৰত ভাত চাইটামান খাই আহিছিলিনে ?

পুতেকে ক'লে, নোখোৱাকৈয়ে আহিছো। খাই আহিলে পুৱাৰ বাচখন ধৰা টান। তাতে ঘৰত যি কেইটা চাউল আছিল তাৰে কালিৰ ৰাতিৰ সাজ কোনোৰকমেহে গ'ল।

বদৰৰ খুউব বেয়া লাগিল। ল'ৰাটো গোটেই দিনটো লঘোনে ভোকেই আছে। কুমলীয়া পেটে কলমলাব লাগিছে। ঘৰতো ঘৈণীয়েক আৰু ছয় বছৰীয়া জীয়েক জনীয়ে আজি গোটেই দিন-টোৱেই একো এটা নোখোৱাকৈয়ে কটাব লগাব বাহিৰে গত্যন্তৰ নোহোৱা কথাটো অনুভৱ কৰিও তাৰ দুখ লাগিল। দিনৰ দিনটো লঘোনে ভোকে থকা লৰাটোৰ মুখত কিবা এটা আহাৰ দিবলৈকো বদৰৰ বাহা উদং। থকা বস্তুৰ ভিতৰত চুঙাত পানী উঠা লোণ অলপমান আৰু মলাটোত জলকীয়া দুটামানহে।

খৰি পোলা ভিতৰ সুমুৱাই চাংখনৰ তলতে থৈ বদৰে লৰা-লৰিকৈ বাহাটোৰ দুৱাৰখন বন্ধ কৰি তলা লগাই পুতেকক লগত লৈ ওচৰৰে গেলামালৰ দোকান এখনলৈ গ'ল। দোকান পাই বদৰে পুতেকক সুধিলে, চানাবাপা, চাউল তিনি পোৱাকে লওঁ দে। পুতেকে ক'লে, কিয় ? আধাকিলো ল'লেই হ'বচোন।

বদৰে চাউল আধা কিলো আৰু আলুগুটি দুটা কিনি লৈ পুতেকক লগত লৈ লবালবিকৈ বাহালৈ উভতি আহিল। আহিয়েই আখলত জুই জ্বলালে। তাৰ পিচত ওচৰতে থকা বাবু ঘৰৰ কুঁৱাৰ পৰা পানী এবাল্টি আনি জুইৰ ওপৰত কেৰাহিটো পাতি দি গোটেই কেইটা চাউল আৰু আলু দুটা বহাই দিলে। পুতেক বাহাকলৰ ভাগৰ লাগিছিল। সি শোৱা চাংখনত পৰিল।

ভাত সিজাত বদৰে নিসনি কাঢ়ি লবালবিকৈ এলুমিনিয়ামৰ থালখনত তাৰ জোখৰ ভাত কেইটা আৰু আলু এটা বাঢ়ি পুতেকক জগাই খাবলৈ দি নিজে ওচৰতে বহি থাকিল। বাহাকলৰ ভোক লাগি আছিল। সি ভাত কেইটা খাই শেষ কৰাত বাপেকে আৰু কেইটামান ভাত দিলে। নিজৰ ভাগৰ আলুটোৰো এডোখৰ ভাঙি পুতেকৰ থালত দিয়ে।

ভাত কেইটা খাই পুতেক আকৌ চাঙত উঠিল। তাৰ পিচত বদৰে সেই থালখনতে নিজৰ ভাত কেইটা বাঢ়ি লৈ আলুটোৰ অৱশিষ্টকণ আৰু জলকীয়া এটা ভাঙি ভোকৰ ভাত কেইটা খালে। তাৰ পিচত কেৰাহিটো আৰু থালখন ধুই দুৱাৰখনত ভিতৰৰ পৰা ডাংডাল লগাই পুতেকৰ লগতে চাংখনত বাগৰ দিলে। বিছনাত পৰিল যদিও বদৰৰ চেৰেং চেৰেং কৰে ঘৰলৈহে মনত পৰি থাকিল। ঘৈণীয়েক আৰু ছয়বছৰীয়া পেটমোচা জীয়েকজনীৰ আজি লঘোন। ঘৰত নাই চাউল। নাই কিনিবলৈ পইচাও। নাপায় দোকানৰ বাকীও। আগৰে দিবলগীয়া আছে। গাঁৱতো খুজিলেই দিব পৰা মানুহ নায়েই বুলিব লাগে। বাহাকল আহিছে পইচা নিবলৈকে।

ধলপুৱাতে পুতেকে টোপনিৰ আলজালতে ভোকত ভাত খোজাত আনহাতে চকত এটাও ভাত নথকাত বাপেকৰ অন্তৰত শোকে খুন্দা মাৰি ধৰিছিল।

বেলি উঠাৰ লগে লগেই বদৰে পুতেকক লগত লৈ বাচষ্টেছন পালেগৈ। পুতেকৰ চোলাৰ ভিতৰৰফালৰ জেপত ভিপতে টকা দুকুৰি

ভৰাই দি তাক বাচত উঠাই দি ক'লে, এই টকা হুকুৰিবে অকল চাউলকে কিনিবি। কাৰণ মোৰো সদায় হাজিৰা পোৱাৰ একো নিশ্চয়তা নোহোৱা হৈ আহিছে। নাউআপীয়ে আলুগুটি খাই ভাল পায় যদিও এতিয়া কিনিব নালাগে। অকল চাউলকে কিনিবি। অহা সপ্তাহতে মই যাম যা।

এসপ্তাহৰ পিছতে বদৰে বাচত উঠি ঘৰলৈ যাত্রা কৰিলে। সি ঘৰ গৈ পোৱাত ঘৈণীয়েক আৰু লৰা-ছোৱালীহালৰ মনত অপাৰ আনন্দ। ঘৈণীয়েকে লৰাৰবিকৈ আথলত সোমাই আথাৰ তলত জুই দিলে। ল'ৰা-ছোৱালীহাল ওচৰত নথকাৰ সময়তে চৌকাৰ জুইৰ তাপত ঘামি উঠা ডিঙিটো চাদৰখনৰ আগটোৰে মচি মচি ঘৈণীয়েকে ক'লে, তুমি পঠোৱা পইছা কেইটাৰে অকল চাউলকে আনিলো। ডেৰপালা চাউলেৰে আৰু দুটামান দিন যাব লাগিছিল। কিন্তু ই চানাবাপাই ভাত খুজি থাকে।

বদৰে হুমুনিয়াহ এটা কাঢ়ি কোনো ক্ষোভ প্রকাশ নকৰি শান্ত সুৰত ক'লে, থাওক দে। আহিন, কাতি এই মাহ দুটালৈ মোৰো বৰ ভয় লাগে। এই কেইটা মাহত ভোকো বেছি হয়।

[ প্রকাশ বিশেষ গল্প সংখ্যা
ডিচেম্বৰ ইং ১৯৭৩
জানুৱাৰী ইং ১৯৭৪ ]

# সোণালী সূতাৰে গঁঠা

আবেলি মোৰ আধাসজা ঘৰটোৰ আগফালৰ বাৰাণ্ডাখনতে দিন-ৰাতি সমানে পৰি থকা আও পুৰণি বেতৰচকীখনতে আৰাম কৰি বহি, কিবাকিবি কল্পনা কিছুমানকে কৰি আছিলো। এইকণেই মোৰ অৱসৰৰ একমাত্ৰ সময়, আৰু এই সময়কণতেই নানা ধৰণৰ কল্পনাই মোৰ মন আৰু মগজুত ভিৰ কৰেহি, যিবোৰ সাধাৰণতে মোৰ দৰে এটা সাধাৰণ মানুহৰ কাৰণে অলীক কল্পনা। অৱশ্যে অলীক কল্পনায়ো মানুহৰ মনত ক্ষণিক আনন্দ দিয়ে। সঁচাকথা ক'বলৈ গ'লে এই কল্পনাই আমাৰ দৰে মানুহক জীয়াই ৰাখিছে। গতিকে অলীক হ'লেও মোৰ বাবে ইয়াৰ এটা স্বকীয়া দাম আছে। তেনে এটা কল্পনাতে মজি থাকোঁতেই দেখো যে, এজন ধুতি পিন্ধা মানুহে মোৰ ঘৰৰ সন্মুখৰ জপনাখন জপাই কম্পাউণ্ডৰ ভিতৰলৈ সোমাই আহি বাৰাণ্ডা উঠিছেহি।

ৰাস্তাৰ পৰা নামি অহা অৱস্থাত মানুহজনক বয়সীয়া বুলি মোৰ মনত যি এক ধাৰণাই গা কৰি উঠিছিল, ওচৰ আহি পোৱাতহে দেখিলো যে সেই ধাৰণা ভ্ৰান্ত। মানুহজনৰ বয়স পঞ্চাছতকৈয়ো কম, অৰ্থাৎ মোৰে প্ৰায় সমসাময়িক। কিন্তু অকাল বাৰ্দ্ধক্যই মানুহ-জনক চেঁপা দি ধৰি ষাঠিৰ দশকৰ ঘৰলৈ গঁতিয়াই লৈ গৈছে।

সাধাৰণ সৌজন্যতা ৰক্ষা কৰি বহাৰ পৰা উঠি আহি মই নম্ৰ-ভাবে সুধিলো—আপোনাক মই চিনি পোৱা নাইচোন?

মানুহজনে হাঁহি, নম্ৰভাবে মোক সুধিলে—এয়া জানো পঞ্চানন বৰুৱাৰ ঘৰ নহয়?

হয় হয়,ময়েই পঞ্চানন বৰুৱা। আৰু আপুনি? ........ বুলি

কৈ, মই আগ্ৰহেৰে প্ৰশ্ন কৰি, ওচৰতে থকা কাঠৰ চকীখন হাতেৰে মোহাৰি বহিবলৈ দিলো।

মোৰ ঘৰলৈ সাধাৰণতে মানুহ বৰ কমকৈয়ে আহে। বাস্তৱিকতে সৰ্ব্বসাধাৰণক আকৰ্ষণ কৰা পোহৰ বস্তুটোৰ মোৰ ঘৰত বাৰুকৈয়ে অভাৱ। মোৰ ঘৰলৈ আহে মোৰদৰেই দুই চাৰিজন জুকলা লোক। তাৰে কোনোবা আহে কিবা দিহা-পৰামৰ্শ বা সাময়িক সহায় বিচাৰি। মোৰো নিজৰে নিৰুপায় অৱস্থা হ'লেও এই অৱস্থাৰেই যাক যি পাৰো সহায় কৰো। আমিতো এনেকৈয়ে বাচি আছো আৰু বাচি থাকিব লাগিব। অন্ততঃ আমাৰ বাবে সুস্থভাৱে বাচি থকাৰ প্ৰত্যয়ৰ মুহূৰ্ত এটা যেতিয়ালৈকে নাহে।

একে দৃষ্টিতে মানুহজনক মোৰ বিপ্লৱী বিপ্লৱী যেন লাগি গ'ল।

কৌতূহলপূৰ্ণ দৃষ্টিৰে মই মানুহজনৰ মুখৰফালে তধা লাগি চাই ৰ'লো। এনে এজন মানুহ মোৰ ওচৰলৈ অহাৰ সকাম? মই নিজেও এটা অতি সাধাৰণ মানুহ। সাধাৰণ মানুহ হিচাবে মোৰ এই হৃদয়খনিৰ অন্তৰদৃষ্টিয়ে কেৱল মোৰ দৰেই সাধাৰণ জুকলা, খাটিখোৱা মানুহখিনিৰ হৃদয়ৰ ছবিকেহে চিনি পায়। হওঁতে চেহেৰাই-পাতিয়ে, পোছাকে-পৰিচ্ছদে এই মানুহজনকো একে দৃষ্টিতে মোৰ হৃদয়ৰ চিনাকি যেন লাগিলেও প্ৰকৃততে মোৰ মন খুকুবিমুক্ত নহ'ল।

দুয়োখন ভৰি চকীৰ ওপৰত তুলি আৰাম কৰি বহি লৈ মানুহজনে মোক ক'লে—মোৰ নাম কৌস্তুভমণি হাজৰিকা। কিছুমান মানুহে কয় বোলে মই হেনো বিপ্লৱী। কেৱল মাত্ৰ দুখীয়াৰ দুখৰ মৰ্মবেদনা, বঞ্চনা, প্ৰতাৰণা, এই চিন্তাতে কাল ক্ষয় কৰাৰ কাৰণেই একচাম লোকৰ মানত মই বিপ্লৱী। কিন্তু দুখীয়াৰ দুখৰ মৰ্ম-বেদনাৰ কথা উপলব্ধি কৰিলেই বা তাক কিবা প্ৰকাৰে প্ৰকাশ কৰিলেই অৰ্থাৎ সঁচা কথা ক'লেই যদি মানুহক বিপ্লৱী বুলি বং দিব লাগে বুলি কিবা কথা ক'ৰবাত আছে, তেনেহলে সেই কথা মই নাজানো।

মযো কথাৰ কোনো উত্তৰ নিদি ক্ৰমান্বয়ে মোৰ মনৰ ভিতৰত শকত হৈ থকা ঔৎসুক্য নামৰ ভাৱাবেগটোক চম্ভালি ৰাখিবলৈ চেষ্টা কৰি, মানুহজনৰ মুখলৈকে ৰ লাগি চাই ৰ'লো।

জেপৰ পৰা পুৰণি আৰু অপৰিষ্কাৰ কমাল এখন উলিয়াই আনি হাজৰিকাই মুখৰ ঘামবোৰ মচি মচি মোক ক'লে—মই আপোনাৰ লিখা পঢ়িছো। ইয়ালৈ আহোঁতে ভাবিলো, আপোনাক এবাৰ লগ পাই যাওঁ। মোৰ এখন আলোচনীও আছে। মোৰ আলোচনীৰ বাবে বিশেষ পটভূমিৰ দুটা কাহিনী লিখি দিব লাগে বুলি আপোনাক অনুৰোধ এটাও কৰি যাওঁ।

মানুহজনৰ পিছৰ কথাষাৰ শুনি মই প্ৰায় হতভম্ভ হোৱাৰ দৰে হ'লো। বিশেষকৈ মই কোনো কৌস্তুভমণি হাজৰিকাই সম্পাদনা কৰা কোনো আলোচনীৰ কথাকে মোৰ মনৰ পৰিসীমাৰ মাজলৈ আনিব নোৱাৰিলো। হয়তো নতুন আলোচনী। কিন্তু মযো এক নোম-নেগুৰ বৰ্জ্জিত সাধাৰণ কাহিনীকাৰহে। মাজে মাজে দুই এটা সাধাৰণ মানুহৰ জীৱনৰ কথা লিখো। সাধাৰণ খাটি খোৱা মানুহৰ জীৱনৰ। মোৰ লিখনীৰ কাহিনী সাধাৰণ মানুহৰ জীৱনৰ দুখ-দৈন্যৰ কথালৈয়ে পুষ্ট। মোৰ কাহিনীৰ চৰিত্ৰই কোনো দিনেই ভাল ঘৰত থাকিবলৈ পোৱা নাই। ভাল আহাৰ খাবলৈ পোৱা নাই। ভাল পোছাক পিন্ধিবলৈ পোৱা নাই। আনকি বহুতৰে নিজৰ এটি জুপুৰি ঘৰ বা এডোখৰ মাটিও নাই। মোৰ কাহিনীৰ এই চৰিত্ৰবোৰে লোকৰ সুখ স্বাছন্দ্যৰ বাবে সকলো কৰে। কিন্তু সিহঁতৰ নিজৰে চাৰিওফালে কেৱল শূন্যতা। সিহঁতে আনৰ ভেটি বান্ধি দিয়ে, কিন্তু সিহঁতৰ নিজৰ ভেটিৰ তলতে এন্দুৰৰ দৌৰাত্ম্য। মোৰ কাহিনীৰ এই মানুহবোৰ কেনেকৈ বৰ্ত্তী আছে সিও এক অবুজ সাঁথৰহে। গতিকে এনে নীৰস কাহিনীত জানো কিবা সম্পদ থাকিব পাৰে? অথচ মযো এনে স্বাদহীন কাহিনীৰ ওপৰতে কল্পনাৰ হীৰা, মাণিক, মৰকত খটাই এনে স্বাদহীন কাহিনীৰ প্ৰতি অনুৰাগ থকা লোকসকলৰ বাবে

উলিয়াই দিওঁ। হ'লেও মই এনে এক ব্যস্ত কাহিনীকাৰো নহয় যে মোৰ বাবে সম্পাদকসকলৰ তাগিদা এক নিত্য নৈমিত্তিক ঘটনা। আনহাতে মই এনে এজন সম্পাদককো লগ পোৱা নাছিলো, যি নিজৰ মনঃপুত কোনো বিশেষ কাহিনী লিপিবদ্ধ কৰিবৰ বাবে কোনোবা লিখকৰ কাষ চাপিব পাৰে।

মানুহজনৰ শুকান মুখখনলৈ চাই মই সুধিলো, একাপ চাহ খাব নেকি? যদি বেয়া নেপায়?

মানুহজনে শব্দ কৰি হাঁহি ক'লে, আপুনি কোন যুগত আছে, হেৰি? আপুনি মোক একাপ চাহ খুৱাব খুজিছে আৰু তাত মই কি বেয়া পাবলগীয়া কথা আছে? দৰাচলতে এনে সৌজন্য মৰি ভূত হ'ল বুলিহে মই ভাবিছিলো। বাৰু, খুৱাব খুজিছে যেতিয়া চাহৰ লগতে কিবা এটাও দিবচোন।

মানুহজনৰ খোলা অন্তৰৰ কথা শুনি মই সঁচাকৈয়ে বৰ সন্তোষ পালো। আচলতে আমি মানুহবোৰে দিনে দিনে বেছি আত্মকেন্দ্রিক আৰু যান্ত্রিক হৈ পৰিছো। প্রতি কথা আৰু প্রতি কামতেই অতি জোখ-মাফ। অলপ হীন ডেটি হোৱা মানেই যেন ভদ্রতা নজনা। আমি যান্ত্রিক মানুহবোৰে যেন নতুনকৈ ভদ্রতা নামৰ ঘোঁৰাটোত উঠিবলৈ কছৰৎ কৰিব লগা হৈছে। আমাৰ নিজৰ সকলোবোৰ পুৰণি ধৰণ-কৰণ যেন সময়ৰ মলিহে, যাক ঘঁহি-পিহি নিকা কৰিবলৈ আজিৰ এচাম লোক সদায় সচেষ্ট।

মানুহজনক মোৰ অলপতৰ ভাল লাগি গ'ল।

অতি হেঁপাহেৰে তেওঁ প্রথমে জলপানটো আৰু তাৰ পিছত চাহকাপ খালে। খোৱাৰ অন্তত মানুহজনক দেখি মোৰ মনত এনে ভাব হ'ল যেন জেঠৰ খৰৰ পিছত প্রথম বৰষাৰ প্রশান্তিহে।

মানুহজনক আগতকৈ বহু সুস্থ যেন লাগিল।

বটাটোত আগবঢ়াই দিয়া দুখন তামোল একেলগে মুখত ভৰাই দি মানুহজনে ক'লে— মোৰ কাহিনী দুটা এনে ধৰণৰ :

প্ৰথমটো হ'ল—এজনী বুঢ়ীয়ে জাবত কুঁচি-মুচি মূৰৰ ওপৰত খৰিৰ বোজা এটা লৈ, এটা ঠেক ৰাস্তাইদি গৈ আছিল। এনেতে কাষেদি পাৰ হৈ যোৱা এখন মটৰ গাড়ীৰ খুন্দা লাগি বুঢ়ীৰ মূৰৰ ওপৰৰ পৰা খৰিৰ বোজাটো ৰাস্তাৰ দ নৰ্দ্দমাটোত পৰি গ'ল। গাড়ীখন নৰ'ল। কিন্তু বুঢ়ীয়ে নৰ্দ্দমাটোৰ কাষতে বহি লৈ কান্দিবলৈ ধৰিলে। বুঢ়ীয়ে নৰ্দ্দমাটোলৈ নামি গৈ খৰিকেইডাল আনিব নোৱাৰে। নৰ্দ্দমাটো দ। আৰু ইফালে প্ৰচণ্ড ঠাণ্ডা। তদুপৰি নৰ্দ্দমাটোত পানীও আছে। খৰিকেইডাল বুঢ়ীয়ে বিচাৰি আনিছিল জুই পুৱাই ঠাণ্ডা পলুৱাবৰ বাবে। বুঢ়ীয়ে ৰাস্তাইদি অহা-যোৱা কৰা ভাল কাপোৰ কানি পিন্ধা মানুহবোৰক খাটিবলৈ ধৰিলে খৰিকেইডাল তুলি দিবলৈ। কিন্তু ৰাস্তাইদি অহা-যোৱা কৰা কোনো মানুহেই সঁহাৰি নজনালে। শেষত বুঢ়ী নিজেই নৰ্দ্দমাত নামিল। কিন্তু বুঢ়ী নৰ্দ্দমাৰ পৰা পাৰলৈ উঠিব নোৱাৰা হ'ল। বুঢ়ী নৰ্দ্দমাৰ বোকা-পানীত লুতুৰি-পুতুৰি হ'ল। ৰাস্তাইদি অহা-যোৱা কৰা, ভাল কাপোৰ-কানি পিন্ধা কোনো মানুহেই গাত বোকা-পানী লগাৰ ভয়ত বুঢ়ীক পাৰলৈ তুলিবলৈ ইচ্ছা প্ৰকাশ নকৰিলে। এনেতে এটা জৰাজীৰ্ণ মানুহে সেই ৰাস্তাইদি যাওঁতে বুঢ়ীক দেখি নৰ্দ্দমাৰ ভিতৰৰ পৰা বুঢ়ীক তুলিবলৈ চেষ্টা কৰিলে যদিও নোৱাৰিলে। তথাপিও সি চেষ্টা কৰিয়েই থাকিল। প্ৰথম কাহিনীটো ইমানেই।

এতিয়া দ্বিতীয় কাহিনীটো কওঁ। দুজোপা বেলেগ বেলেগ গছত বাহ লোৱা একে প্ৰজাতিৰ মতা-মাইকী এহাল ডেকেৰুৱা চৰাই। এদিন সিহঁত দুয়ো বেলেগ বেলেগ গছত থকা সিহঁতৰ নিজ নিজ বাহৰ পৰা উৰি আহি দূৰৰ আন এজোপা গছৰ একেটা ডালতে পৰিলহি। তাতে দিনটোৰ বহু সময় কটোৱাৰ পিছত সন্ধিয়াৰ আগে আগে সিহঁত আকৌ বেলেগ বেলেগ গছত থকা নিজ নিজ বাহলৈ উভতি যায়। সেইদিন ধৰি সিহঁত নিতৌ সেই গছজোপালৈ আহে, একেটা ডালতে পৰি বহু সময় থাকে। আকৌ সন্ধিয়া হোৱাৰ আগে আগে

শুচি যায়। এইদৰে দিন গৈ থাকে। এনেদৰে অহা-যোৱা কৰোঁতে কৰোঁতে সিহঁতৰ প্ৰথমে চকুৰ, পিছত মনৰ চিনাকি হয়। এটা চৰাই যদি আগতে গছজোপা পায়হি, আনটোক নেদেখিলে মনত অশান্তি হয়। আহিলে দুয়োটাই প্ৰশান্তিৰ জুৰণি অনুভৱ কৰে। কিন্তু দিনৌ আহি একেটা ডালতে পৰিলেও সিহঁত কোনো দিনেই ইটোৱে সিটোৰ কাষ নেচাপে। কোনো দিনেই কাৰো কাকলি, কুকলি, কণ্ঠস্বৰ কোনেও নুশুনে। কেৱল দিনৌ উৰি আহি, গছ-জোপাৰ নিৰ্দ্দিষ্ট ডালটোত পৰি, ইটোৱে সিটোলৈ চাই চাই, নিমাতে নিস্তব্ধে বহু সময় কটাই সন্ধিয়াৰ আগে আগে আকৌ পৰম অনিচ্ছাৰে নিজ নিজ বাহলৈ উৰি যায়। এনেদৰে তিনিটা বছৰ কটোৱাৰ পিছত এদিন দুয়োটা চৰাই বাধ্যত পৰি দুফালে উৰি যায় আৰু কোনো দিনে ঘূৰি নহাৰ দাৰুণ বেদনা বুকুত বান্ধি। দ্বিতীয়টো কাহিনীও ইমানতে শেষ। কাহিনী দুটাৰ এইয়া ক্ৰেমহে। আচল ছবি দুখন আপুনিহে আঁকিব লাগিব।

সম্পাদক হাজৰিকা মৌন হৈ ৰ'ল।

মই প্ৰায় হতভম্ব হোৱাৰ দৰে হ'লো। দৰাচলতে এইয়াতো কাহিনী নহয়। এইয়া দুটা অতি জটিল সাঁথৰ। মই সেই সাঁথৰ দুটাৰ অৰ্থ ভাঙি দিব লাগে প্ৰাঞ্জল ভাষাৰে।

আৰু দুখন তামোল মুখত ভৰাই, গল্প দুটা সোনকালে পোৱাৰ প্ৰতিশ্ৰুতি লৈ হাজৰিকা গ'লগৈ।

মোৰ বাবে হ'ল এয়া এক নতুন পৰীক্ষা। কাহিনীকাৰৰ মনৰ ধোঁৱাহে কোনো দিনে, কোনো কালে নোযোৱা, নেদেখা আনকি ধাৰণাবো বাহিৰৰ ঠাইলৈকো নিমিষতে চুটি মেলিব লাগে। মনৰ ধোঁৱা যিমানেই সক্ৰিয় হয়, কাহিনীও সিমানেই জীৱন্ত, বাস্তৱ। কিন্তু লোকৰ মনৰ ভাৱ নিজৰ মগজুত সুমুৱাই লৈ, উমনি দি, কাহিনীৰ জন্ম দিয়া কথাটো আন কাহিনীকাৰৰ বাবে সহজ হ'লেও মোৰদৰে এটা সাধাৰণ কাহিনীকাৰৰ বাবে অতি দুঃসাধ্য। আনহাতে

মোৰ মনৰ ঘোঁৰাতো জনা বুজা হোৱা অৱস্থাৰে পৰাই কেৱল দুটি আছে নিঃস্বজনৰ অন্ন-বস্ত্ৰৰ যোগাৰ সংক্ৰান্ত হা-হুতাশৰ লগত জড়িত হোৱা কথাবোৰৰ পিছে পিছে। গতিকে প্ৰথম কাহিনীটোৰ ক্ষেত্ৰত হুতাশ হ'বলগীয়া একো কথা নাই। এই পৰিবেশ মোৰ চিনাকিয়েই। মোৰ মন আৰু হৃদয়ৰ পৰিধিৰ ভিতৰৰ কথা। এইটো কাহিনীৰ ফ্ৰেমত মই এখন ভাল ছবিকে ঠাই দিব পাৰিম বুলি মোৰ বিশ্বাস জন্মিছে। কিন্তু দ্বিতীয় কাহিনীটোৰ ফ্ৰেমত মই কি ছবিক ঠাই দিওঁ? হাজৰিকাই বা দ্বিতীয় কাহিনীটোৰ কি অৰ্থ কৰিছে?

ময়ো সেই ৰাতিয়েই কাহিনী দুটা আৰম্ভ কৰি প্ৰথম কাহিনীটোৰ কথাকেইটাৰ বিশ্লেষণ এনেকৈ কৰিলো.—বুঢ়ী হৈছে সৰ্বহাৰা শ্ৰেণীটোৰ জননী। খৰিকেইডাল হৈছে সৰ্বহাৰা শ্ৰেণীটোৰ সংস্থানৰ তথা জীৱিকাৰ প্ৰতীক। মটৰ গাড়ীখন পুঁজিপতিৰ প্ৰতীক। ভাল কাপোৰ কানি পিন্ধা মানুহবোৰ হৈছে পুঁজিপতিৰ গাত ভেজাদি ফুৰা মানুহখিনি। ইটো জৰাজীৰ্ণ মানুহ হৈছে সৰ্বহাৰা শ্ৰেণীটোৰ প্ৰতীক। সৰ্বহাৰা শ্ৰেণীটোক পুঁজিপতিয়েও গাঁতৰপৰা নোতোলে। পুঁজিপতিৰ গাত ভেজাদি ফুৰা শ্ৰেণীটোৱেও নোতোলে। বুঢ়ীক ইটো জৰাজীৰ্ণ মানুহে পাৰলৈ তুলিবলৈ চেষ্টা কৰাৰ অৰ্থ হ'ল, সৰ্বহাৰা শ্ৰেণীটোৱে নিজে নিজেই যুঁজ কৰি গাঁতৰ পৰা উঠিব লাগিব। প্ৰথম কাহিনীটো ইমানতে শেষ।

পৰম উল্লাসেৰে মই দ্বিতীয় কাহিনীটোও জুৰিলো। কল্পনাৰ লেকামডাল ঢিলাই দিয়াৰ লগে লগেই কাহিনীয়ে নিজৰ ৰাস্তা বিচাৰি ল'লে। কাহিনীটোৰ ডেকেৰুৱা চৰাই দুটিক এহাল ল'ৰা-ছোৱালী হিচাপে ধৰি লৈ, ল'ৰাটোক সাৰঙ্গপাণি আৰু ছোৱালী-জনীক গীতাঞ্জলি হিচাপে নামকৰণ কৰিলো। সাৰঙ্গপাণিৰ বয়স সোতৰ আৰু গীতাঞ্জলিৰ বয়স চৈধ্য হিচাপে দেখুৱালো। সাৰঙ্গপাণিক অষ্টম মানত পঢ়া দেখুৱালো আৰু অন্য এখন স্কুলৰ পৰা বদলি হৈ অহা গীতাঞ্জলিক সেইখন স্কুলৰে ষষ্ঠ শ্ৰেণীত নাম লগোৱা দেখুৱাই প্ৰথমে সিহঁতৰ চকুৰ আৰু তাৰ পিছত মনৰ চিনাকি কৰাই দিলো।

আৰু পিছত একেখন স্কুলতে দুয়োকে তিনি বছৰ পঢ়ি থকা দেখুৱালো। কিন্তু কিশোৰ কিশোৰী হালৰ নিষ্পাপ, কোমল হৃদয় দুখনিক গভীৰ আত্মীয়তাৰে গঁঠি দিলো যদিও এই সুদীৰ্ঘ সময়ছোৱাত ভয়াতুৰ কিশোৰ কিশোৰী হালক কোনো দিনেই এটাৰ কাষত আনটোক থিয় হ'বলৈ দিয়া নাই। কোনোটোৱে কণ্ঠস্বৰ কোনোটোকে শুনালো। কোনো এটাৰে হাতৰ আখৰ কোনো এটাকে নেদেখুৱালো। দুয়োটাকে সদায় দূৰে দূৰেই ৰাখি, তিনিটা বছৰৰ মূৰত, ভৱিষ্যতে কোনোদিনেই পুনৰ দেখা-সাক্ষাৎ নোহোৱাৰ করুণ পৰিণতিৰে সাৰঙ্গপাণিক সেই স্কুলৰ পৰা উচ্চ শিক্ষাৰ বাবে বিদায় দি দুয়োটাকে ৰিক্ত হৃদয়ে দুফালে উৰাই পঠাই গল্পটোৰ মোখনি মাৰিলো।

কিন্তু মই সাঁথৰ দুটাক গল্পৰ শাৰীলৈ উঠালো যদিও হাজৰিকাৰ আলোচনীয়ে বিচৰা মতেই হ'ল নে নাই সেই বিষয়ে আশ্বস্ত হ'ব নোৱাৰিলো। মোৰ মগজৰ এই ফচল তেখেতৰ মনঃপুত নহবও পাৰে। বিশেষকৈ দ্বিতীয় গল্পটো এহাল অপৰিপক্ক মনৰ কিশোৰ-কিশোৰীৰ কিছুমান অপৰিপক্ক চিন্তা-ভাৱনা আৰু কৰ্মৰ সমষ্টিহে মাথোঁন। হ'লেও এনে পৰিচয় স্বৰ্গীয় পবিত্ৰ বুলি যুগে যুগে সম্বৰ্দ্ধিত হৈ আহিছে। নিৰ্মল, পবিত্ৰ প্ৰেম শাশ্বতীগঙ্গা। ইয়াক উপেক্ষা কৰাৰ শক্তি কাৰ? মই ভাবো যে পাষাণৰ হৃদয়তো প্ৰেম আছে। নহ'লে জীয়া শিল বাঢ়িব কিয়? সেয়েহে কিশোৰ-কিশোৰী হালৰ কুমলীয়া, নিষ্কলুষ মনৰ গভীৰতালৈ সোমাই গৈ, সিহঁতৰ মনৰ ৰন্ধ্ৰে ৰন্ধ্ৰে তালাচী চলাই, সিহঁতৰ অব্যক্ত ভাবৰ মুকুতাৰ মালাধাৰিক উদ্ধাৰ কৰাৰ প্ৰয়াস কৰিলো মাত্ৰ। কিমানদূৰ কৃতকাৰ্য্যতা লভিলো সেইকথা হাজৰিকাইহে ক'ব পাৰিব।

কিন্তু লিখি শেষ কৰাৰ বাবে যিমানখিনি সময়ৰ প্ৰয়োজন হ'ল, তাতোকৈ বেছি সময়ৰ প্ৰয়োজন হ'ল নামকৰণ কৰোঁতে। মোৰ চিন্তা হ'ল, কাহিনী দুটা কি নামেৰে নামকৰণ কৰো? প্ৰথমটো 'জননী' নামেৰে একে বাৰতে নামকৰণ কৰিলো। কিন্তু

দ্বিতীয়টোৰ কথা চিন্তা কৰোঁতে কৰেঁতে 'বিষন্ন-বেদনা' আৰু 'ব্যতিক্ৰম', এই দুটা নামেই বাৰে বাৰে মনলৈ আহিল।

কিন্তু চিন্তা কৰি পালো যে, বেদনা এনেয়েই বিষণ্ণ। তাতে আকৌ 'বিষণ্ণ' নামৰ মুকুটটো পিন্ধোৱা মানেই বেদনাক আৰু বেছি ঘনীভূত কৰা। কিন্তু 'বিষণ্ণ বেদনা' নামটো হঠাতে মোৰ মনলৈ আহিল যদিও মোৰ মনে প্ৰত্যয় নেমানিলে। কাৰণ এই কাহিনীটোৰ লগত বেদনাশ্ৰু নিহিত হৈ নেথাকিবও পাৰে। নোপোৱাৰ বেদনা মধুৰো হ'ব পাৰে। মধুৰতাৰ সোৱাদ মনত চিৰঞ্জীৱো হ'ব পাৰে। থ'ব জানিলে স্মৃতিৰ মণি-কোঠাত কত কথাই অক্ষয়, অব্যয় হৈ ৰয়। গতিকে মই বিয়োগান্ত নামটোৰে সুন্দৰ কাহিনীটোৰ শ্ৰাদ্ধ কৰো কিয়?

দ্বিতীয়তে 'ব্যতিক্ৰম' নামটো দুটা কাৰণত মোৰ মনলৈ আহিল। তাৰে এটা কাৰণ হ'ল, সম্পাদক হাজৰিকা নিজে এজন দৰিদ্ৰ, জনসেৱক হিচাবে তেওঁৰ সম্পাদিত আলোচনীখনিও নিশ্চয় হ'ব তেওঁৰে মুখপত্ৰ। যদি সেয়েই হয়, তেনেহলে হাজৰিকাই উক্ত আলোচনীৰ বাবে চৰাই হালৰ বিশেষ প্লটটো বাচি ল'লে কিয়? দুয়োটা কথাইচোন বিপৰীতধৰ্মী।

'ব্যতিক্ৰম' নামটো মনলৈ অহাৰ আন এটা কাৰণ হ'ল, উৰিব পৰা, মাত মাতিব পৰা অৱস্থা হৈয়ো হাজৰিকাৰ উক্ত প্লটৰ চৰাই হালে কিয় সদায় দূৰে দূৰে থাকি, সাধাৰণতে এক নোহোৱা নোপজা ঘটনাৰ অৱতাৰণা ক'ৰ গ'ল? প্ৰথম প্ৰেমৰ এনে নিদৰ্শন অসম্ভৱ অবাস্তৱ নহ'লেও নিশ্চয় ই এক উল্লেখযোগ্য ব্যতিক্ৰম। মোৰ লিখনিৰ ভয়াতুৰ কিশোৰ-কিশোৰী হাল তথা সাৰঙ্গপাণি আৰু গীতাঞ্জলিয়ে তিনিটাকৈ বছৰ একেখনি পঢ়াশালিতে পঢ়িও, মনৰ ইমান এটা পবিত্ৰ গভীৰ সংযোগ ঘটা সত্বেও কৈশোৰ অৱস্থাৰ স্বাভাৱিক ভয়ৰ কাৰণেই সিহঁতে এদিনো ইটোৱে সিটোৰ ওচৰ চাপি নেপালে, এদিনো কথা পাতি নেপালে এটাৰো মুখৰ মাত ষাৰি আনটোৱে নুশুনিলে, এটাৰ হাতৰ আখৰো আনটোৱে নেদেখিলে। তিনিটাকৈ

সুদীৰ্ঘ বছৰকাল সিহঁতৰ মনৰ সংযোগৰ একমাত্ৰ সাক্ষী হৈ ৰ'ল কেৱল চকুৰ চাৱনি, চকুৰ ভাষা। গতিকে ই এক ডাঙৰ ব্যতিক্ৰমেই আৰু ময়ো উক্ত দ্বিতীয় গল্পটো 'ব্যতিক্ৰম' নামেৰেই শেষত নামকৰণ কৰিলো।

কিন্তু গল্প দুটাৰ ফৰ্মাচৰ পিছতো প্ৰায় দুবছৰ কাল সম্পাদক হাজৰিকাৰ পৰা কোনো খা-খবৰ নেপাই মোৰ চিন্তাই পোখা মেলিলে। হাজৰিকাৰ ঠিকনা জনা হ'লেও যথা স্থানলৈ গল্প দুটা ডাক যোগেই পঠাই দিলোহেঁতেন। কিন্তু হাজৰিকাৰ পৰা ঠিকনা টুকি ৰাখিবলৈকো মোৰ তেতিয়া হুচেই নহ'ল।

কিন্তু ইয়াৰ কেইদিনমানৰ পিছতে হঠাতে দৈনিক বাতৰি কাকতত প্ৰকাশিত এটা বাতৰি পঢ়ি মই হতভম্ব হলো। বাতৰিটোৰ ঠিক ওপৰতে এখন ফটো। ফটোখনৰ তলত সুভাগমণি হাজৰিকা বুলি এটা নাম। ভিতৰুৱা গাওঁ এখনত অনুষ্ঠিত এক জনসভাত বক্তৃতা দি থাকোঁতে হৃদক্ৰিয়া বন্ধ হৈ মৃত্যু হ'ল বুলি এটা মৰ্মন্তুদ বাতৰি। বিশ্ববিদ্যালয়ৰ উচ্চ ডিগ্ৰী লৈয়ো মানুহজনে এখন মাইনৰ স্কুলৰ শিক্ষকতাৰে জীৱিকা উলিয়াই, দৰিদ্ৰ জনসেৱাৰ কামটোকে বাচি লৈ, লগতে নিঃস্বজনৰ কল্যাণৰ হকে 'জনশক্তি' নামৰ এখন আলোচনীও চলাই, প্ৰকৃততে নিঃস্বজনৰ প্ৰতি থকা তেওঁৰ আস্থাকে কথাই কামে প্ৰকাশ কৰিলে বুলি বাতৰিটোত প্ৰকাশ।

কিন্তু বাতৰি কাকতত ছপা হোৱা উক্ত সুভাগমণি হাজৰিকাৰ ফটোখনে চাৎকৰে মোক মনত পেলাই দিলে সৌ সিদিনা মোৰ ঘৰলৈ আহি আলোচনীৰ বাবে দুটা গল্পৰ ফৰ্মাচ দি যোৱা সম্পাদক কৌস্তুভমণি হাজৰিকাৰ মুখখন। মোৰ চকুযুৰি বিষাদত চলচলীয়া হ'ল। হয়তো আৰু অকণমান পম খেদিলেই বাতৰি কাকতত প্ৰকাশিত এই ফটোতে মই প্ৰথম গল্পৰ নৰ্দ্দমাৰ পৰা বুঢ়াক পাৰলৈ তুলিবলৈ চেষ্টা কৰি থকা জৰাজীৰ্ণ সংগ্ৰামী লোকজনক আৰু দ্বিতীয় গল্পৰ সাৰঙ্গপাণিকে আবিষ্কাৰ কৰিব পাৰিম কিজানি।

[ 'আধুনিক অসমীয়া প্ৰেমৰ গল্প'' নামৰ গল্প সংকলন ইং ১৯৮৯ ]

# ফুল থকা চোলা

ধনীৰামৰ সাত বছৰীয়া মুমলীয়া পুতেক সৰুকণে ওচৰৰ কান-সমনীয়া ল'ৰা ছোৱালীবোৰৰ মুখত খেল পথাৰত হোৱা জাকজমক মেলাখনৰ কথা শুনি তাকো মেলালৈ নিবলৈ কেইবাদিনৰো আগৰে-পৰা বাপেকক কুতুৰি আছিল। কিন্তু সংসাৰৰ মৈখন টানি টানি জুৰুলা হোৱা বাপেকে সদায় কিবা নহয় কিবা এটা অজুহাত দেখুৱাই এৰাই ফুৰিছিল। আজি ধনীৰামে অফিছৰপৰা আহি ঘৰ পায়েই অফিছৰ পোছাকী খাকী চোলাটো খুলি বিৰক্তিৰে চোতালৰ ভাৰ-ডাললৈ দলি মাৰি দি, ধুতীখন টিকাৰ ওচৰলৈকে কোঁচাই লৈ সদায় কৰাৰ দৰে আজিও কুটীকোৰখন হাতত লৈ শাকনি বাৰীখনত সোমাল। বতৰৰ পাচলি কেইডালমান লগাবলৈ পুৱাই চবিয়াই থোৱা মাটিকণত কোৰ কেইগাবমান মাৰিলে। বজাৰত বন-পাচলিৰ দামো জুই চাই হৈ পৰিছে। দৰমহাৰ পইচাৰে চাউলকে কিনিবনে আৰু পাচলিকে কিনিব? ঘৰত দুডালমান পাচলি ওলালেও কিছু সকাহ।

প্ৰায় আধাঘণ্টামান সময় বাৰীখনত সোমাই কোৰ মৰাৰ পিছত ঘৈণীয়েকে যতনাই দিয়া নিমখীয়া ফিকা চাহবাটিৰে পেটৰ খজুৱতিটো মাৰি উঠি সি ঘৰৰ পিৰালিতে বহিলহি।

ৰাস্তাত টাংগুটি খেলি থকা সৰুকণে জপিয়াই জপিয়াই আহি বাপেকৰ ওচৰত হাজিৰ হ'লহি। সি আহিয়েই বাপেকৰ ওচৰত পেঘেনিয়াবলৈ ধৰিলে, পিতাই অ', মেলালৈ যাওঁ ব'ল না। আমাৰ ইয়াৰ সকলোবোৰ ল'ৰা-ছোৱালীয়েই মেলা চালে।

নিৰ্লিপ্ত সুৰত বাপেকেও তাক ক'লে, বাৰু তই আগতে মোৰ পিঠিখন বৰ সুন্দৰকৈ খজুৱাই দেচোন!

কিজানি মেলালৈ নিয়েই, এই আশাত সৰুকণে বাপেকৰ ধামচি উঠি খহুলা ভেকুলীৰ পিঠিৰদৰে দমলা দমল দি উঠা পিঠিখন খজুৱাবলৈ

ধৰিলে আৰু বাপেকেও সুত পাই পৰম তৃপ্তিত চকু দুটা মুদি দিলে। ধনীৰামৰ এইটো যন্ত্ৰণা আছেই। পিঠিখনত চিট্‌চিটনি উঠিলে উপায় নাপাই কেতিয়াবা সি গৰুৱে গোহালিৰ খুঁটাত নাইবা গছতে গলধনৰ খৰ খজুওৱাৰ দৰে কিবা খহটা বস্তুত পিঠিখন ঘঁহাইহে শান্তি পায়। ঘৈণীয়েকে কেইবাদিনো খাৰণি পানীৰে পিঠিখন ধুৱাই দিছিল যদিও ওঁহো, কোনো কামত নাহিল। বৰঞ্চ কুজি বিছাই দঁকাৰদৰে পিঠিখন বেছি বোৰোলাবোৰোল দিহে উঠিল।

ৰাতিপুৱাই শাকনি বাৰীখনত কোৰ মাৰি থাকোঁতেই অতৰ্কিতে পকা দালি চপৰা এটা উফৰি আহি তাৰ সোঁ ভৰিৰ বুঢ়া আঙুলিৰ নখচুকাটোতে পৰাত জীউ উৰি যোৱাৰ দৰে হৈছিল আৰু তেতিয়াহে সি উপলব্ধি কৰিছিল এই অসুখটোৰ কিবা এটা চিকিৎসা কৰোৱাৰ কথা।

তাৰ দুয়োটা বুঢ়া আঙুলিতে নখচুকা হোৱা চাৰিবছৰৰো ওপৰ হ'লহি। আপোনাআপুনি ভাল হ'ব বুলি ভাবি থাকোঁতেই আৰু দুটা বছৰ পাৰ হ'ল। কিন্তু ভাল হোৱা দূৰৰ কথা, ধূলি-মাকতি, বালি-বোকা সোমাই ক্ৰমাত অসুখ বাঢ়িহে গ'ল চিকিৎসা কৰাম কৰাম বুলি ভাবি থাকোঁতেই আৰু দুটা বছৰে মোট সলালে। সিদিনা বেতৰ সুত চাচোঁতে বকটু অকণ জুহালৰ বেৰখনতে খুচি থৈছিল চিকিৎসাটো কৰাব বুলি ভাবিয়েই। আজি নখটো বৰকৈ বিষোৱাত ধনীৰামে পুতেকক ক'লে, পিতৌ, যাচোন জুহালৰ বেৰতে বকটু অকণ খুচি থোৱা আছে বেগতে লৈ আহ। মাৰক খুজি জুই অকণো আনিবি বুজিছ।

সৰুকণে বকটুকণ দেখিছিলেই। সি একেলৰে গৈ বকটুকণ আৰু জ্বলা খৰি এডাল লৈ হাজিৰ। বাপেকে খৰিকা এডালেৰে নখ-চুকাৰ গাঁতত জমা হোৱা ধূলি-মাকতিবোৰ সাৱধানে খুঁকি খুঁকি উলিয়াবলৈ ধৰিলে। ধূলি-মাকতিবোৰ উলিয়াই পেলোৱাৰ পিছত নখেৰে চিকুটি বকটু অকণ ছিঙি, এটা মূৰ সোঁ ভৰিৰ বুঢ়া আঙুলিটোৰ

নখচুকাৰ গাঁতটোত সুমুৱাই, আনটো মূৰত জুই জ্বলাই দি ভৰিৰ পতাখনত হেঁচামাৰি ধৰি জুইৰ তাপটো সহ্য কৰাত লাগিল। দুয়োটা আঙুলিৰ নখচুকাতে এনেকৈ কেইবাবাৰো পুৰি দিয়াৰ পিছত বিষটো অলপ পাতল পাতল লগা যেন পাই, আজিয়েই মেলাখনৰ শেষ দিন বুলি অফিছতে শুনি অহা কথাটোকে খন্তেকপৰ টলকা মাৰি ভাবি, পুতেকক নিৰাশ নকৰিবলৈকে অফিছৰ খাকী চোলাটো পুনৰ গাত সুমুৱাই পুতেকক লগত লৈ মেলা পালেহি।

বাহিৰৰপৰাই মেলাখনৰ আদব কায়দা দেখি পুতেকৰ কথাই নাই, ধনীৰামে নিজেই বিচুৰ্তি খালে। একেবাৰে তাজ্জব কাণ্ড। প্ৰায় আধা মাইল ঠাই জুৰি থকা মেলাৰ চৌহদ। গোটেই মানুহ-নখাই যেন ভাগি আহিছে! টিনপাতৰ বেৰাৰ বাহিৰতো পিয়াপি দি ফুৰিছে শ শ মানুহ। বুঢ়া আদহীয়াৰ বাহিৰেও হৰেক ৰকমৰ পোছাক পিন্ধা ডেকা ডেকেৰী। কিছুমানক ল'ৰানে ছোৱালী ধৰাই টান। মটৰ গাড়ী, মটৰ চাইকেল, অট'ৰিক্সাৰ কোবত সহজ ৰাস্তা পাৰ হ'ব নোৱাৰা অৱস্থা। এইখন চহৰতে ডেৰকুৰিটা বছৰ পাৰ কৰি দিলে যদিও ইমানবোৰ প্ৰজা. ইমানবোৰ মটৰ গাড়ী, ইমানবোৰ বিজুলী চাকি একেলগে দেখা কথাটো ধনীৰামৰ মনত তেনেই নতুন যেনহে লাগিল।

টিকেট কৰা ঘৰত টিকেট কৰি, প্ৰবেশ পথত শাৰী পাতি থিয় হৈ, কইনা খোজেৰে এখুজি দুখুজিকৈ আগবাঢ়ি আহি আহি এসময়ত সিহঁত মেলাৰ ভিতৰত সোমালহি। ভিতৰতো শাৰীপাতি থিয় হৈ, এখুজি দুখুজিকৈ আগবাঢ়ি আহি আহি প্ৰদৰ্শনীৰ ঘৰকোৰত সোমাই, বাপেকে পুতেকক একাষৰপৰা মেলাৰ বস্তুবোৰ দেখুৱাই আহিল।

মেলাত ওলোৱা হৰেক কিচিমৰ বস্তু বেহানিবোৰ চাই আহি আহি এসময়ত সিহঁত আনন্দ মেলাৰ যন্ত্ৰৰ দ্বাৰা ঘূৰোৱা গৰুগাড়ীৰ চাকাৰ আকৃতিৰ বৃহৎ ঘূৰণি কেইখন থকা ঠাইডোখৰ পালেহি।

লোৰ প্ৰকাণ্ড ঘূৰণিকেইখনৰ ঘেৰত আঁৰা ৰঙা-নীলা বিজুলী চাকিৰ চমক লগোৱা খেলা, হিন্দী কথাছবিৰ গানৰ খলকনি, পেপাৰ পেঁ-পোঁ, ভেঁ-ভোঁ, খেয়না পিষ্টলৰ গুলীৰ ধুপধাপ আৰু মেলা বলিয়া হেজাৰ-বিজাৰ দৰ্শকৰ উথপ-থপনিৰে তেতিয়া ঠাইডোখৰ গৰম।

নানা তৰহৰ খোৱা বস্তুৰে ভৰা চাহ মিঠাইৰ দোকানখনলৈ একান্তমনে কিছুপৰ ৰ লাগি চাই থাকি সৰুকণে বাপেকৰ মুখলৈ চাই ক'লে, পিতাই অ', মোকো সৌ তাৰপৰা মিঠাই কিনি দেনা।

কথাগুনি বাপেকৰ বুকুখন ধমহ্ কৰে উঠিল। টপৰাই সি মাত লগালে, সেইবোৰ মিঠাই খালে তোৰ পেট বিষাব অ' সোণ। তোৰচোন মাজে মাজে পেট বিষাই থাকেই। কৈয়েই ধনীৰামে ওচৰতে চানাচুৰ বেচি থকা মানুহটোৰ ওচৰলৈ আগবাঢ়ি গৈ, দহ পইচাৰ ভজাবুট কিনি, 'পেতো, হোঁ ইয়াকে খা' বুলি কাগজৰ সৰু টোপোলাটো পুতেকৰ কণমানি হাতখনত সস্নেহে গুজি দি আন এডোখৰ ঠাইলৈ আহি ভাতে খিয় দিলেহি।

পুতেকে এখন হাতেৰে ভজাবুটৰ টোপোলাটো খামুচি ধৰি, আনখন হাতেৰে এটা দুটাকৈ বুট গলিয়াই গলিয়াই পৰম তৃপ্তিৰে খাই থকা সময়তে ধনীৰামে নিজেও কাণৰ চেপত সযতনে শুমুৱাই ৰখা আধা খোৱা বিড়িৰ টুকুৰাটো উলিয়াই আনি, ওচৰতে ৰৈ থকা মানুহজনক জুই অকণ খুজি জ্বলাই লৈ কেইহোপামান মাৰি গাটো তপাই ল'লে। ভাবিছিল পুতেকে ভজা বুটকেইটা পায়েই সন্তুষ্ট হ'ব। কিন্তু নহ'ল। ওচৰতে পিষ্টলৰ গুলী ফুটাই ৰং তামাচা কৰি থকা প্ৰায় তাৰ বয়সৰে ফিট্‌ফাট্ ল'ৰাকেইটালৈ কিছুপৰ ৰ লাগি চাই থাকি সি বাপেকক কুটুৰিলে, পিতাই অ', মোকো সৌ তেনেকুৱা বন্দুক এটা কিনি দেনা।

বাপেকে খঙৰভাৱ প্ৰকাশ নকৰি শান্ত স্বৰেৰে ক'লে, বোপাই অ', সেইকেইটাচোন তোতকৈ ডাঙৰ ল'ৰা। গুলী ফুটালে খাৰৰ জুয়ে হাত পুৰিব বুলি তই নেজান হ'বলা? ডাঙৰ হ'লে তোকো

কিনি দিব নহয়, বুলি কৈয়েই বাপেকে তাত বৈ থকা নিৰাপদ যেন নেদেখি তাক হাতত ধৰি ধৰি ভিৰৰ মাজে মাজে আন এডোখৰ ঠাইলৈ বুলি লৈ আহিল। আহোঁতে সাৱধান হ'ল, কিজানি পুতেকৰ কুমলীয়া খালী ভৰিহালত কাৰোবাৰ জোতাৰ খচক পৰে! নিজৰো নখচুকাৰ বিকাৰত ভোগা খালী ভৰিৰ বুঢ়া আঙুলিদুটাৰ প্ৰতিও সি সাৱধান হ'ল।

দুয়ো আহি আহি আনন্দমেলাৰ তামাচা দেখুওৱা ঘূৰণি এখনৰ ওচৰতে থমকি ৰ'লহি। মহাকায় ঘূৰণিকেইখনৰ ঘেৰত ওলমোৱা বাকচৰ দৰে আসনবোৰত বহি, সৰু সৰু ল'ৰা-ছোৱালীবোৰ তেতিয়া আনন্দত মতলীয়া।

কিন্তু তালৈ আহিও ধনীৰাম পুনৰ মস্কিলত পৰিলাহি। ঘূৰণিৰ ওপৰত নিজৰ বয়সৰে বহুতো ল'ৰা-ছোৱালী দেখি সৰুকণৰো ঘূৰণিৰ ওপৰত উঠিবলৈ মন লৰ্‌লকাই উঠিল। সি বাপেকক কুটুৰিলে, পিতাই ময়ো তাত উঠো?

শুনি বাপেকৰ কপালৰ গাঁঠি থূপ খালে। পুতেকৰ কথা শুনিও নুশুনাৰ ভাও ধৰি কিছু সময় টলকা মাৰি থাকিল। কিজানি দুবাৰমান কুটুৰাৰ পিছত সঁহাৰি নেপাই সি আপোনা আপুনি শাম কাটেইবা? কিন্তু ধনীৰামে ভবামতে কাম নহ'ল। আকৌ সেই অনুৰোধ, পিতাই অ', ময়ো তাত উঠো!

ধনীৰামৰ মূৰৰ ভিতৰত চিন্তাৰ কিট্‌বোৰে নানা ভাবে কামুৰিবলৈ ধৰিলে।

পইচা নহ'লেযে সংসাৰত কোনো কামেই নিসিজে সেই কথা পুতেকক বুজোৱা টান। সিহঁতৰ কাৰণে বস্তুৰ সুকীয়া দৰদাম নাই। সুকীয়া এখন বজাৰ নাই। লাগ বুলিলেই ল'ছালীক মিঠাই, পিষ্টল কিনি দিব পৰা, আনন্দৰ বাবে চকৰিৰ ওপৰত উঠিবলৈ দিবৰ সমৰ্থ থকা মানুহবোৰৰ যিখন বজাৰ, সিহঁতৰো সেইখন বজাৰেই। মেলাৰ ভিতৰ সোমাওঁতেই দুয়োৰে ভিতৰত ত্ৰিশটা পইচা গ'লেই। দহোটা

পইচা খৰচ কৰি পুতেকক ভজা বুটো কিনি দিলে। ঘৰখনত আছিল মুঠেই এটকা ৰূপ। ঘৈণীয়েকক কুহুলিয়াই কুহুলিয়াই কোনোৰকম আধলি এটা আদায় কৰিছিল।

ঘৰৰপৰা ওলাওঁতেই ধনীৰামৰ মেলামুখী মনটো আনন্দত ৰেঙাই উঠিছিল যদিও সিও খন্তেকলৈহে। হঠাতে ঘৈণীয়েকৰ মুখৰপৰা ওলোৱা এষাৰ বিপদৰ কথাই তাৰ মনৰ সকলো আনন্দ, উৎসাহ ক'লীয়া ডাৱৰে জোনাক ঢকাৰ দৰে ঢাকি পেলাইছিল। কথাষাৰ হৈছে ৰাতিলৈ ঘৰত টেকেলি কাটি। মাত্র এসপ্তাহৰ আগতে বজাৰৰ-পৰা অনা আহুচাউল পাঁচ কিলো এই কেইদিনতে হাতীয়ে খোৱাৰ দৰে খালিহঁক নেকি বুলি ঘৈণীয়েকলৈ খং এছাটি উঠি আহিছিল যদিও যোৱা কালি ঘৈণীয়েকৰ ভাতৰ পাতখনৰ দৃশ্যটো মনলৈ অহাৰ লগে লগেই তাৰ বুকুখন ধমহ্ কৰে উঠিল।

পুতেকক মেলা দেখুৱাই ফুৰিছিল যদিও ভিতৰি ভিতৰি সি ভয়তে পেপুৱা লাগিছিল। মাহ শেষ হ'বলৈ এতিয়াও ছয়টা দিন বাকী আছেই। ঘৈণীয়েকৰ হাততো যিবা ৰূপ এটকা আছিল, আগপিছ নেভাবি তাৰো ছলিশটা পইচা খৰচ কৰি পেলালেহি। বিকিবলৈ বা বন্ধকী থ'বলৈকো ঘৰত যিবা এডোখৰ লামলাকতু আছিল তাকো ছমাহৰ আগতে চোৰে সিন্ধি খানি উধাও কৰিলে।

বাকীকৈ বস্তু আনিবলৈকো সদায় বাকী খোৱা বৰ্মনৰ দোকানলৈ যোৱাৰো ৰাস্তা বন্ধ। আগৰ তিনি মাহৰ বাকীকে পৰিশোধ কৰিব পৰা নাই। এইটো মাহৰ পহিলা তাৰিখতো যেতিয়া সি আগৰ তিনি মাহৰ বাকী মাৰিব নোৱাৰিলে, পিছদিনা পুৱাই বৰ্মন দোকানী ঘৰত হাজিৰ হ'লহি। চোতালতে মাজু জীয়েকজনীক পাই দোকানীয়ে সুধিলে, পিতায়েৰ ঘৰত আছেনে অ' ছোৱালী? জীয়েকে পোনছাটেই পিতাই ঘৰত নাই বুলি উত্তৰ দিলে। পিছে ঘৰৰ পিছফালে গড় এডালতে টিকাটো পেলাই টোম এটা সাজি থকা ধনীৰামে দোকানীৰ পানী লাগি ভগা মাতটো ধৰিব নোৱাৰি

কৌতূহলবশতঃ কোননো বুলি ভূমুকিয়াই চাওঁতেই দোকানীৰ চকুৱে চকুৱে পৰিল। দোকানীয়ে গৰ্জি উঠি ক'লে, অ' তুমি ঘৰতে থাকিও ল'ঙ্খালীক নাই বুলি ক'বলৈ শিকাইছা? বাকী মাৰিবলৈ খবৰ নাই? আজিকালি তুমি বাটেই সলাইছা।

ধনীৰামে হাতযোৰ কৰি অহা মাহৰ পহিলা তাৰিখতে সকলোখিনি দেনা আদায় কৰিব বুলি প্ৰতিশ্ৰুতি দি দোকানীক ঘূৰাই পঠালে। দোকানী ঘূৰি গ'লেও চুবুৰিটোৰ মানুহক শুনাই শুনাই বহুতো কৰ্কথনা কৰি গ'ল।

দোকানী যোৱাত ঘৈণীয়েকে মাজু জীয়েকক, তই কিয় ফাঁকি দিছিলি হঁয় বুলি চুলিকোছাত থাপ মাৰি ধৰি পিঠিত বাঘ চকা এটা শোধালে। ধনীৰামে জীয়েকক একাষলৈ টানি আনি ঘৈণীয়েকক বুজালে, তাইক দোষ দিলে কি হ'ব কচোন? সিদিনা ধাৰৰ সুদ সাধিবলৈ অহা কাবুলিটোক মই ঘৰত থকা সত্বেও তয়েইচোন নাই বুলি কৈছিলি?

সেইদিনা চকুৰ তললৈ জ্বালেই নগ'ল।....

পুতেকে নেৰানেপেৰাকৈ লাগি থকাত বাপেকে বুজনিৰ সুৰত ক'লে, বোপাই অ', তাত উঠিব নেলাগে দে। মূৰ ঘূৰাব। কিন্তু সি নেমানে। সক ল'ৰাৰ মন।

যি বয়সত সাধাৰণতে ল'ৰা-ছোৱালীয়ে মাক-বাপেকৰ ডেউকাৰ তলত থাকি ডাঙৰ-দীঘল হয়, সেই বয়সতে ধনীৰামে এজন বয়সস্থ গৃহস্থৰ দৰে এখন ঘৰৰ সম্পূৰ্ণ দায়িত্ব বহন কৰিছিল। ঘৰত যিবা এডোখৰ খেতিৰ মাটি আছিল, মহাজনৰ চক্ৰান্ততে সিও যোৱাত সিহঁত পথৰ ভিক্ষাৰী হ'ল। কিন্তু তাৰ মনৰ বলৰ বাবেই উটি ভাঁহি নগ'ল। বাপেক মৰাৰ পিছতে সি চাকৰি বিচাৰি চহৰলৈ আহিল। ভাগ্যক্ৰমে পিয়নৰ চাকৰি এটাও পালে। একে অফিছতে কামকৰা ডঙুৰা বাবু তিনিজনৰ মেচত ৰান্ধনি হিচাপে থাকি নিজৰ ভাতকেইটা মোকলাই দৰমহাৰ সমুদায় পইচা ঘৰলৈ পঠালে। ঘৰৰ

পুৰণা ধাৰধুৰবোৰ মাৰি আজৰি হৈ, মাটি চাৰিবিঘা ভায়েকহঁতক কিনি দি সি নগৰতে ঘৰ এখন পতাত মন দিলে। পাহাৰৰ ওপৰৰ এটুকুৰা দখলী মাটিকে খামুচি ধৰি, টোকোৰা পঁজা এটি সাজি তাতে এয়া কুৰিটা বছৰ।

মেলা চাই আছিল যদিও ধনীৰামৰ মনটোৱে ধৰফৰাই আছিল। মেলাৰ এই ৰং ৰহইচ্ আদিয়ে তাক যেন উপলুঙাহে কৰিছে। মূৰে ভৰি কাঢ়িও যাৰ এমুঠি ভাতৰ যোগাৰ নহয়, তিৰোতা, ল'ছালীক মন থাকিলেও কিবা এটা কিনি দিবলৈ যি অসমৰ্থ, সেই মানুহৰ অন্তৰত এই ৰং-ৰহস্যই সোৱাদ লগায়নে সোৱাদ গুচায়? হ'ল বুলি আৰু পেটৰ পোৱালিটোক কিমান ফাঁকি দিব?

ধনীৰামে সোঁহাতখনেৰে জেপৰ ভিতৰতে অৱশিষ্ট দহোটা পইচা লিৰিকি-বিদাৰি, এই দহোটা পইচাৰে যে পুতেকক মিঠাই, পিষ্টল কিনি দিব বা আনন্দ-মেলাৰ ঘূৰণিৰ ওপৰত উঠিবলৈ দিব নোৱাৰি, সেই কথাটোকে মনতে ঘুটি পাগি, বাওঁহাতেৰে পুতেকৰ টাপলি মৰা চোলাটোৰ সিয়নি ডোখৰতে চেনেহৰ পৰশ বুলাই থাকিল। ক'বৰ মন গ'ল, আমাৰ আশাবোৰ বহলুৱা হোৱা মানেই নিজকে কষ্ট দিয়া বুজিছ? কিন্তু নক'লে। এইবোৰ কথাৰ মৰ্ম বুজিবৰ বয়স তাৰ নৌ হয় এখোন। কিন্তু সময়ৰ কথা সময়েই সিহঁতক বুজাই দিব। সেমেকা মাতেৰে মাত্ৰ ক'লে, পিতৌ, মেলা চালি, ভজা বুট খালি, হ'ল আৰু। এতিয়া যাওঁগৈ ব'ল। বৰবাবুৰ ঘৰত সোমাই ধাৰলৈ চাউল কেইটামান নিব নোৱাৰিলে ঘৰত কি খাবি হেঁ। ? অহা বিহুত তোক ফুল থকা বৰ সুন্দৰ চোলা এটা কিনি দিম বুইছ। অহা মাহতেচোন বিহু পৰিলেই।

কথাকেইটা কওঁতে বাপেকৰ মাতটো থোকাথুকি লাগিল।

সৰুকণে চকুপানী টুকি টুকি বাপেকৰ লগত মেলাৰপৰা ওলাই আহিল। কিন্তু হঠাতে কিবা এক ভয়ত ধনীৰামৰ বুকুখন কঁপি

উঠিল। ছদিনৰ পিছতে সেই পহিলা তাৰিখটো পৰিবই আৰু সেইদিনাই সন্ধিয়া বৰ্মনৰ দোকানত তিনিমাহৰ বাকীৰ সমুদায় ধনৰ টোপোলাটোৰে সৈতে উপস্থিত নহ'লে পিছদিনা দোকানীয়ে তাক ঘৰতে কিলাই যাবহি সন্দেহ নাই। কিন্তু পহিলা তাৰিখেই দোকানীৰ ঘৰত সেই বিৰাট অঙ্কটো কৰি উঠাৰ পিছত বিয়োগ ফলটোৰে সৈতে ছয়জনীয়া পৰিয়ালটোৰে সেই বিকৰ মাহটো....?

ধনীৰামে দুই হাতেৰে বুকুখন হেঁচা মাৰি ধৰিলে। ★

[ পলাশবাৰী সাহিত্য সভাৰ মুখপত্ৰ ইং ১৯৭৮ ]

# অস্তিত্ব

চন্দ্ৰদীপ নামৰ বুঢ়া চমাৰজন আজি ঢুকাল। চহৰখনৰ অ'ত-ত'ত সিচৰতি হৈ থকা তেওঁলোকৰ সম্প্ৰদায়ৰ জোতা মেৰামতি কৰি পেট প্ৰৱৰ্তোৱা মানুহকেইজনে চন্দ্ৰদীপৰ বহালৈ আহি মৃত-দেহ সংকাৰ কৰিবৰ বাবে যো-জা কৰিছেহি।

আজিয়েই চহৰখনৰ বিশিষ্ট ব্যক্তি, প্ৰখ্যাত আইনজীৱি হৃদয়ানন্দ ফুকনৰো পৰলোক প্ৰাপ্তি হৈছে। ফুকনদেৱৰ নৰতনুক শেষ শ্ৰদ্ধা জনোৱাৰ বাবে গোটখোৱা লোকেৰে নগৰখনৰ একাংশ লোকাৰণ্য। সকলোৰে মুখত ফুকনদেৱৰ যশ, প্ৰতিপত্তিৰ কথা আখৈ ফুটাদি ফুটিছে আৰু তেওঁৰ বিয়োগত যে ৰাজ্যখনৰ তথা দেশৰে এক অভাৱনীয় ক্ষতি হ'ল, সেই কথা সকলোৰে কথা-বাৰ্তাৰ মাজেদি সদৰী হৈছে।

উক্ত কাৰণতে ৰাস্তাত মানুহৰ ভিৰ অসম্ভৱভাৱে বৃদ্ধি হোৱাৰ ফলতে চন্দ্ৰদীপৰ সম্প্ৰদায়ৰ লোককেইজনে চাঙী এখন তৈয়াৰ কৰিবলৈ বাঁহ এডাল আনি ল'ব পৰা নাই। ৰাস্তাত মানুহৰ ভিৰ যে সহজে কমিব তেনে লক্ষণো নাই। কিন্তু মৃত-দেহ এটা সম্মুখত ৰাখি চিন্তা ভাৱনাত বুৰগৈ থাকিলেই সমস্যাৰ সমাধান নহয়। এতেকে তেওঁলোকে ইয়াকে ঠিৰাং কৰিলে যে তেওঁলোকৰ মাজৰে দুজন লোক নগৰখনৰ সিটো মূৰলৈকে আগবাঢ়ি যাব আৰু তাতে চাঙী এখন তৈয়াৰ কৰি ইয়ালৈকে লৈ আহিব। যেতিয়া হৃদয়ানন্দ ফুকনৰ মৃত-দেহৰ সংকাৰৰ কামফেৰা সমাধা কৰি মানুহ ঘৰাঘৰি যাব, তেতিয়াই তেওঁলোকে চন্দ্ৰদীপৰ মৃত দেহ চাঙীত তুলি লৈ শ্মশানলৈ নিব। কাৰণ নগৰখনৰ এই অঞ্চলত শ্মশান মাত্ৰ সেই একেখনেই। পিছে লেঠা হ'ল, আনুষ্ঠানিকভাৱে হৃদয়ানন্দ ফুকনৰ মৃত-দেহৰ সংকাৰৰ কামফেৰা সমাধা কৰিবলৈ কমেও সাত-আঠ ঘণ্টা সময়ৰ প্ৰয়োজন হ'ব আৰু

তেতিয়াহে চন্দ্ৰদীপৰ নশ্বৰ দেহা সেই শ্মশানলৈ নি পুৰিব পৰা যাব। কিন্তু চন্দ্ৰদীপৰ মৃত্যুৰ বাতৰি সম্প্ৰদায়ৰ লোককেইজনৰ মাজত বিয়পি পৰি সকলোকেইজন লোক গোট-পিট খাওঁতেই ইতিমধ্যে ভালেখিনি সময় পাৰহৈ গৈছেই। এতেকে মৃত-দেহ আৰু অধিক সময় ৰাখি থোৱা কথাটোৱে এক মহা সমস্যাৰূপেহে তেওঁলোকৰ সন্মুখত থিয় দিছেহি।

চন্দ্ৰদীপক ময়ো চিনি পাইছিলোঁ। অকল চিনি-পোৱাই নহয়, তেওঁৰ লগত মোৰ কিছু ঘনিষ্ঠতাও আ'ছল। মোৰ জীৱনত নতুন জোতা কিনি পিন্ধাতকৈ পুৰণা জোতাকে মেৰামতি কৰি দিন অতিক্ৰম কৰাতহে অধিক গুৰুত্ব দিবলগা হৈছিল আৰু সেই কামত মোক আত আন্তৰিকতাৰে সহায় কৰিছিল চন্দ্ৰদীপ নামৰ জোতা মৰামতি কৰি জীৱিকা নিৰ্বাহ কৰা সেই নিজু প্ৰকৃতিৰ মানুহজনে মোৰ জোতাযোৰ মেৰামতিৰ বাবে তেওঁৰ ওচৰলৈ গ'লেই চন্দ্ৰদীপে তেওঁৰ পকা শকট গোঁফকোছাব তলৰ স্বভাৱ সুলভ মিচিকিয়া হাঁহিটোৰে মোলৈ চাই, আজি-কালি নতুন জোতা এযোৰ যোগাব কৰা যে আমাৰ দৰে এবেলা খাই আন বেলাৰ বাবে চিন্তা কৰিব লগা হোৱা মানুহবোৰৰ বাবে কিমান কষ্টসাধ্য কথা, তাকেই দোহাৰিছিল। তেওঁৰ কথাবাৰ্তাত আছিল একান্ত আন্তৰিকতা। মোৰ খালী ভৰি দুখন থ'বলৈ বহল ছামৰা এডোখৰ আস্ত ব্যস্ত কৰি আগবঢ়াই দি, বেজিব খোঁচ নপৰাকৈ অকণো ঠাই বাদ নপৰা আৰু কিনাৰেপৰা ৰঙৰ মুখ নেদেখা মোৰ জোতাযোৰ আগ্ৰহেৰে হাতত তুলি লৈ পিটিকি পিটিকি চাইছিল। উৱলি যোৱা জোতাযোৰ মেৰামতি কৰিবৰ বাবে অধিক সময় খৰছ হৈছিল যদিও কোনোদিনেই তেওঁৰ মুখত বিৰক্তিভাব ফুটি নুঠিছিল।

চন্দ্ৰদীপ তিনি আলিৰ মূৰৰ সেই বুঢ়া আঁহত-জোপাৰ তলতে বহে। পুৱা আঠ বজাৰপৰা আৰম্ভ কৰি পাঁচবজালৈকে তেওঁক লগ পাবপৰা ঠাই সেইকণেই। পুৱাই চাউল এমুঠি আলু-গুটি এটাৰে

সৈতে সিজাই লোণ অকণ লৈ খাই, নিজে তৈয়াৰ কৰি লোৱা চামৰাৰ বেগটোৰ ভিতৰত জোতা চিলাইৰ সকলো সা-সৰঞ্জাম ভৰাই লৈ, ধীৰ-স্থিৰ গতিৰে দিনটোলৈ ওলাই আহে। গছৰ তলৰ নিৰ্দিষ্ট ঠাইডোখৰ লগত নিয়া ত্ৰিপালৰ টুকুৰাটোৰে সাৰি পুঁচি লৈ, ত্ৰিপালৰ টুকুৰাটো পাৰি বেগৰ ভিতৰৰপৰা এটা এটাকৈ বস্তুবোৰ উলিয়াই লৈ ঠায়ে ঠায়ে থৈ বহে।

সাধাৰণতে চন্দ্ৰদীপক মই তিনি আলিৰ মূৰৰ সেই গছজোপাৰ তলতে লগ ধৰোঁ। যদিও এদিন ৰাতি তেওঁক ঘৰতে লগ ধৰিব লগা হৈছিল। পিচদিনা নিচেই পুৱাতে চাকৰিৰ দায়িত্বত মোৰ এফালে যোৱাৰ কথা। চাকৰি আৰু পেটৰ দায়িত্বতে সেইদিনা দিনৰ দিনটো এনেদৰে ব্যস্ত থাকিলোঁ যে জোতাযোৰ মেৰামতি কৰাই লোৱা প্ৰধান কামটোৱে মোৰ কৰিবলৈ থাকি গ'ল। শুদা ভৰিৰে ফুৰা-চকা কৰাৰ স্তৰলৈকো ঘূৰি যাব নোৱাৰি। আনহাতে সেই সময়ত আন এজন জোতাৰ কাৰিকৰ বিচাৰি পোৱাও সম্ভৱ নহয়। গতিকে চন্দ্ৰদীপক ঘৰত বিচাৰি যোৱাৰ বাহিৰে মোৰ গত্যন্তৰ নাছিল। মই যেতিয়া চন্দ্ৰদীপৰ ঘৰ ওলাইছিলোঁগৈ তেওঁ তেতিয়া খাই বই শুবলৈ কাৰবাৰ কৰিছিল। মোক দেখি তেওঁ লৰালৰিকৈ বিছনাখন কোঁচাই থৈ, চুকতে পৰি থকা ভঙা মুঢ়াটো তুলি আনি মোক বহিবলৈ ক'লে। অসময় যদিও তেওঁ অকণো বিৰক্ত নহ'ল। সেই শান্ত মিচিকিয়া হাঁহিটো মাৰি বিনয়েৰে তেওঁ মোক যোৱাৰ উদ্দেশ্যৰ বিষয়েহে সুধিলে।

মোৰ তেতিয়া বৰ পানী পিয়াহ লাগিছিল। কি সকামতনো গৈছোঁ সেই কথাটো কোৱাৰ আগতে পিয়াহটোকে পলুৱাই লওঁ বুলি ভাবি মই চন্দ্ৰদীপক পানী এগিলাচ খুজিছিলোঁ। কিন্তু মোৰ কথা শুনি চন্দ্ৰদীপে চঁক খাইহে উঠিল। খন্তেকপৰ তভক মাৰি কিবা এটা চিন্তা কৰি, থৰক-বৰককৈ উঠি আহি চুকতে পৰি থকা এলুমিনিয়ামৰ গিলাচটো বুটলি আনি, কেইবাবাৰো আওথালি, পানী

এগিলাচ মোৰ ফালে আগবঢ়ালে। পানীৰ গিলাচটো মোৰ আগত থাপি ধৰোতে তেওঁৰ হাতখন কঁপি উঠিছিল। কথাটোৰ গুৰি ক'ত মই ধৰিব পাৰিছিলোঁ। যি কি নহওক, সেই দিনাৰেপৰাই চন্দ্ৰদীপ আৰু মোৰ সম্বন্ধৰ সোঁতাটোৱে গতি সলাইছিল আৰু আজি প্ৰায় সাতোটা বছৰ আমাৰ মনৰ মিলৰ মাজেৰেই অতিবাহিত হৈছিল।

হৃদয়ানন্দ ফুকনৰ গুণমুগ্ধ লোকসকলে আয়োজন কৰা এই শোক-সমদলত যোগদান কৰিবলৈ মই আজি ঘৰৰপৰা ওলোৱা নাছিলোঁ। আজি ৰবিবৰীয়া বন্ধৰ বাবে মই ঘৰৰপৰা ওলাইছিলোঁ দুটা কাৰণত। এটা হ'ল চন্দ্ৰদীপৰ হতুৱাই জোতাযোৰৰ মেৰামতি কৰাই লৈ অন্ততঃ কেইদিনমানৰ কাৰণে নিশ্চিন্ত হোৱা। কিন্তু প্ৰধান কাৰণটো হ'ল, আজি ৰবিবাৰৰ বন্ধৰ দিনটোতে পৰিবাৰৰ চিকিৎসাৰ কাৰণে কাৰো-বাৰপৰা ধাৰলৈ টকাকেইটামান যোগাৰ কৰাহে। প্ৰতিমাহতে চিন্তা কৰো, অহা মাহত যেনেহ'লেও পৰিবাৰৰ চিকিৎসাটো কৰামেই। কিন্তু অহা মাহটো আহি পৰিলেই অংকৰ উত্তৰ মিলাব নোৱাৰা হওঁ। ফলত বেমাৰে পীড়ি পীড়ি শেষ কৰি অনা পৰিবাৰৰ মুখলৈ মূৰ তুলি চাবলৈ সাহ নহয়।

ডাক্তৰৰ ফিজ, ঔষধৰ দাম আৰু ভাতমুঠিকে যোগাৰ নোহোৱা পৰিয়ালৰ ৰোগী, এই তিনিক তিনিটা সংখ্যা হিচাবে ধৰি লৈ, এটা সুন্দৰ অংক কৰাৰ হাবিয়াহ এটা হঠাতে মোৰ মনত জাগি উঠিল। যদিও উক্ত তিনিওৰে মান কেতিয়াও একে হ'ব নোৱাৰে, তথাপিও তিনিওৰে ওপৰত সমান মানকে বহুৱাই লৈ ক্ৰমে প্ৰথম আৰু দ্বিতীয়ৰ যোগফলেৰে তৃতীয়ক হৰণ কৰো, তেনেহ'লে তাৰ ফল কি ওলাব সেই কথা ভাবি মোৰ নিজৰে হাঁহি উঠি গ'ল। আমি আৰু মোৰদৰে পেটত ভোক বাখি চলিব লগা হোৱা মানুহখিনি ক'ত অৱস্থান কৰি আছোঁ, আগ্নেয়গিৰিৰ ওপৰত নে খুবৰ সাঁকোৰ ওপৰত, সেইকথা মোৰ নিজকে সুধি চাবৰ মন গ'ল।

সিংহ-পুৰুষ এই হৃদয়ানন্দ ফুকনেই তেওঁৰ বৰ পুতেকক ত্যাজ্য-পুত্ৰ

কৰিলে। তেওঁৰ অগাধ সম্পত্তিৰ এক ক্ষুদ্ৰাপিক্ষুদ্ৰ অংশ দিবলৈকো বাপেকৰ অন্তৰ কুমলি উঠিল। অসীমৰ প্ৰতি সকৰেপৰাই বাপেকৰ মনত ভাল ভাব নাছিল। কাৰণ সৰুৰেপৰাই অসীম সৰখনৰ ব্যতিক্ৰম। খাবলৈ-পিন্ধিবলৈ নোপোৱা বঞ্চিত মানুহখিনিৰ প্ৰতি অসীমৰ সহানুভূতি আছিল বেছি। আনহাতে নিজৰ ঘৰখনত যিবোৰ ক্ৰিয়াকাণ্ড ঘটিছিল, সেইবোৰ অসীমৰ মুঠেও মনঃপূত নাছিল। অতীষ্ঠ হৈ মাজে মাজে প্ৰতিবাদো কৰিছিল। দায়িত্ব পালে আৰু বয়স হ'লে কিজানি ল'ৰাৰ মনোভাৱ সলনি হয়েই, ইয়াকে ভাবি ফুকনে তেওঁৰ একেটা দাগতে থকা আঠৈশ বিঘা মাটিৰ বিৰাট খাতখন তদাৰক কৰাৰ দায়িত্ব বৰপুতেকৰ হাতত অৰ্পণ কৰিলে। কিন্তু বৰপুত্ৰই ৰায়তক উচটোৱা বুলি এটা জনৰবহে ওলাল আৰু বাপেকেও উক্ত কাৰণতে অসীমক সেই দায়িত্বৰ পৰা অপসাৰণ কৰিলে। ফুকনদেৱে এই কাৰণতে বৰপুতেকক কুলাংগাৰ, ঘৰশত্ৰু আদি নানা বিশেষণেৰে বিভূষিত কৰিছিল।

ত্যাজ্য-পুত্ৰ কৰাৰ প্ৰধান কাৰণ হ'ল, অসীমে সমাজৰ আইন-শৃংখলা ভংগ কৰি, বংশ পৰম্পৰাক তুচ্ছ জ্ঞান কৰি, তথাকথিত এক পিচপৰা শ্ৰেণীৰ অতি নিঃকিন বিধবা এগৰাকীৰ একেজনী ছোৱালীক বিয়া কৰাইছিল। বিয়াৰ আগমুহূৰ্তত প্ৰৱল প্ৰতাপী ফুকনদেৱে সেই বিধবাগৰাকীৰ সম্মুখত দুৰ্জয় ৰূপ ধাৰণ কৰি বিয়া ভাঙিবৰ বাবে চেষ্টা কৰিছিল। তিৰোতা গৰাকীৰ ওচৰ-চুবুৰীয়া হিচাবে আমি কথাটো ভালদৰে জানিছিলোঁ আৰু সেইদিনা ফুকনদেৱৰ সংহাৰ মূৰ্তি দেখি চুবুৰীটোৰ আটাইবোৰ মানুহে প্ৰমাদ গণিছিলোঁ। সেইদিনা ফুকনদেৱে গাড়ীৰে তিৰোতাগৰাকীৰ ঘৰলৈ আহি, হাতৰ বাইডাং ডালেৰে নঙলাত কোবাই কোবাই, গোবোহনি মাৰি তিৰোতাগৰাকীক তিৰস্কাৰ কৰা কথা শুনি আমি ওচৰ চুবুৰীয়া সকলো লোক পদূলিৰ মুখে মুখে জুম বন্ধাত, ফুকনডাঙৰীয়াই তহঁতে কি চাবলৈ আহিছ কুকুৰহঁত বুলি আমাকো গালি পাৰিছিল। টাঙোন জোকাৰিলে কুকুৰে ভয়তে পলাই ফাট মৰাৰ দৰে মানুহবোৰে ভয়তে ত্ৰস্তমানহৈ, সুৰ-

সুৰকৈ ভিতৰ সোমাইছিল। মই ভিতৰ নোসোমোৱা দেখি ফুকন ডাঙৰীয়াই মোলৈ এনেদৰে চাইছিল যেন মোৰ ওপৰত জপিয়াইহে পৰিব।

মই ভিতৰ নোসোমোৱা দেখি বিছনাত পৰি থকা উদফাই বেমাৰী মোৰ আয়েও পৰিবাৰৰ মুখে আদ্যোপান্ত শুনি, শেতেলীৰপৰা থৰক-বৰককৈ উঠি আহি নঙলামুখ পাই মোক ভিতৰলৈ টানি নিবলৈ চেষ্টা কৰিছিল। মই যাবলৈ ইচ্ছা নকৰা দেখি আয়ে ইয়ঁতে মোৰ ল'ৰাটো খাবও এতিয়া, বোপাই অ', ব'ল ভিতৰলৈ ব'ল, নহ'লে মোৰ মূৰকে খা বুলি কান্দি-কাটি হুলস্থুল লগাইছিল।

দিগ্বিজয় কৰিবলৈ অহা ফুকনদেৱৰ গাড়ীৰ ভিতৰত হয়তোৱা বন্দুক-বাৰুদো আছিল। খাতলৈ গ'লেও লগত বন্দুক-বাৰুদ লৈ যোৱাৰ কথা আমি শুনিছিলোঁ। আইহঁতেও এইবোৰ বীৰত্বৰ কথা শুনি আছিছিল আৰু সেয়েহে সেইদিনা ভয় খাইছিল। আইক সন্তুষ্ট কৰিবৰ বাবেই মই ভিতৰ সোমাইছিলোঁ। কিন্তু ওচৰ-চুবুৰীয়া অনাথ বিধবা গৰাকীক সেই ভয়াবহ মুহূৰ্তত একো সহায় কৰিব নোৱাৰি নিজকে বৰ দোষী দোষী যেন লাগিছিল। সেই সামাজিক দায়িত্ব-ফেৰা পালন কৰিব নোৱাৰি মই বৰ অনুতপ্ত হ'লোঁ।

কিন্তু চুবুৰিটোৰ কোনো মানুহেই সেই কথাটোৰ প্ৰতিবাদ কৰিব নোৱাৰিলে। আনকি কুকুৰহঁত বুলি গালিৰে চৈধ্য পুৰুষ উদ্ধাৰ কৰি সন্ত্ৰাসৰ সৃষ্টি কৰা সত্ত্বেও! অথচ সেই মানুহবোৰৰ মাজতে আমাৰ পূজনীয়, পূজনীয়াসকলো আছিল। তেজৰ মঙহৰ সম্বন্ধ নহ'লেও কোনোবাজন আমাৰ বৰদেউতা। কোনোবাজন দদাইদেউ, মোমাইদেউ, কোনোবাগৰাকী ৰবমা, মাহী, জেঠাই। দৰিদ্ৰ, নিঃসহায় এই মানুহখিনিক এনেদৰে দুৰ্ব্যৱহাৰ কৰি সন্ত্ৰাসৰ সৃষ্টি কৰিবপৰা ফুকনদেৱৰ সেই শক্তি, মৰসাহ, যি নামেৰেই ইয়াৰ নামকৰণ নহওক লাগিলে, সেই স্পৰ্দ্ধাৰ কথাই মোৰ মগজুত তেতিয়াই যি কামোৰ বহুৱাইছিল তাৰ বিষ মই এতিয়াও অনুভৱ কৰোঁ। কি কি নহওক

কণিকাৰ এতিয়া কি গতি হ'ব, সেই কথা চিন্তা কৰি সেইদিনা আমি ওচৰ-চুবুৰীয়াবোৰে বৰ দুখ কৰিছিলোঁ। কিন্তু অসীম বৃন্তচ্যুত নহ'ল। অসীমৰ শিক্ষাও আছিল তুলনামূলক ভাৱে কম। কাজেই তেওঁ এটা অফিচত সোমাই জীৱিকা বা জীৱন ৰক্ষাৰ পথ এটি উলিয়াই লৈ, মণিকাৰ সৈতে আজি এয়া এঘাৰটা বছৰ আৰ্থিক দিশত অতি থৰক-বৰককৈ কটাই দিছে। বৰপুত্ৰ হিচাবে হৃদয়ানন্দ ফুকনৰ মুখাগ্নি তেৱেঁইহে কৰিব লাগিছিল। কিন্তু ফুলৰ মালাৰে ঢাকি ৰখা ফুকনদেৱৰ মৃতদেহ নগৰ ভ্ৰমণৰ উদ্দেশ্যে কঢ়িয়াই নিয়া সুসজ্জিত ট্ৰাকখনত যি কেইখন মুখ দেখা পালোঁ, তাৰ ভিতৰত অসীম নাছিল।

মই মোৰ জোতাযোৰ মেৰামতি কৰাবলৈ গৈ আনকালৰ দৰে চন্দ্ৰদীপক গছৰ তলত নাপাই তেওঁৰ থকা ঘৰটোলৈকে পোনালোঁ। কাৰণ মাহৰ শেষ কাৰণে চন্দ্ৰদীপৰ হতুৱাই বাকীকৈ কামটো কৰোৱাৰ বাহিৰে মোৰ গত্যন্তৰ নাই। কিন্তু তেওঁৰ ঘৰলৈ গৈ দেখোঁগৈ যে চন্দ্ৰদীপে আৰু মোৰ জোতা মেৰামতি কৰিবলৈ বৈ থকা নাই। সমাজৰ চাবমৰা পোছাকটি সলাই তেওঁ ইতিমধ্যে অন্য ধামলৈ গতি কৰিছেই।

দৰাচলতে চন্দ্ৰদীপৰ প্ৰতি মোৰ অন্তৰৰ টানটো আছিল বেলেগ সুৰীয়া। সেয়েহে জোতাযোৰ মেৰামতি কৰোৱা সময়কণ তেওঁৰ ওচৰত বহি মই বৰ শান্তি অনুভৱ কৰিছিলোঁ। তেওঁৰ পাবলৈয়ো নাই, হেৰুৱাবলৈয়ো নাই, সহজ-সৰল জঞ্জালহীন সংসাৰখনৰ কথা, তেওঁৰ নিৰীহ আৰু সকলোকে আপোন কৰি ল'ব পৰা স্বভাৱৰ মাজেদি ফুটি উঠা ব্যক্তিত্বপূৰ্ণ ভাৱগতি আৰু মোৰ প্ৰতি তেওঁৰ পুত্ৰসুলভ গভীৰ মৰমৰ অনুভূতিয়ে মোৰ অন্তৰ বৰকৈ চুইছিল। তেওঁৰ ঘৰত বিৰাজ কৰি থকা কেঁচা ছামৰাৰ গোন্ধেও মোৰ অন্তৰত চন্দনৰ গোন্ধৰহে অনুভূতি জগাইছিল। সেয়েহে চন্দ্ৰদীপৰ চেঁচা ভেলটোৰ কাষৰপৰা আঁতৰি অহাৰ ক্ষমতা মোৰ নহ'ল।

মই এক পেকেট ধূপ আৰু অকণমান ঘিঁউ যোগাৰ কৰি আনিলোঁ। হৃদয়ানন্দ ফুকনৰ মৃতদেহক সু-সজ্জিত ট্ৰাকত ভৰাই নগৰ ভ্ৰমণ কৰোৱাৰ পিছত গুণমুগ্ধ লোকসকল শ্মশান অভিমুখে ৰাওনা হ'ল। আমিও সেই সময়তে চন্দ্ৰদীপৰ মৃতদেহ চাঙীত তুলি লৈ সেই একে শ্মশানলৈকে মানুহৰ ভিৰৰ মাজে মাজে আগবাঢ়িলোঁ। চন্দ্ৰদীপৰ সম্প্ৰদায়ৰ লোককেইজনে সেই সময়ত আৰু তেনে পৰিবেশৰ মাজত মৃত দেহ শ্মশানলৈ নিবলৈ ঘোৰ আপত্তি কৰিছিল। বৰঞ্চ আৰু ছয়-সাত ঘণ্টামান সময় ৰোৱাটোৱেই মংগলজনক কাম হ'ব বুলি যুক্তি দৰ্শাইছিল। কিন্তু তেওঁলোকৰ যুক্তিক খণ্ডন কৰি মই বুজাইছিলোঁ এই বুলি যে নিজৰ ৰাস্তা তৈয়াৰ কৰিবলৈ নিজে চেষ্টা কৰিব লাগিবই। কিন্তু তেওঁলোকে সাহ কৰা নাছিল। মই জোৰ কৰা বাবেই তেওঁলোকে শৱদেহ লৈ গৈছিল যদিও মোৰ ওপৰত অসন্তুষ্ট হৈছিল। যেন মই তেওঁলোকৰ কিবা অঘটন ঘটাবৰ বাবেহে কাৰচাজি কৰিছোঁ, এনে এক ভাৱহে তেওঁলোকৰ মুখত ফুটি উঠিছিল।

বিৰ দি বাট নোপোৱা ঠেক ৰাস্তাটোৱেদি আমি অতি সন্তৰ্পনে আগবাঢ়িলোঁ। বাটত আমি বহুতো বাধা-বিঘিনিৰ সন্মুখীন হ'ব লগা হৈছিল। বহুতো লোকে আপত্তি কৰিছিল। মৃত-দেহৰ ওপৰতো ভেদা-ভেদৰ চৌল-মোহৰ মাৰি বহুতো অকথ্য কথা কৈছিল। মই সকলো কথা ধৈৰ্য্যেৰে সহি, যুক্তিৰ ওপৰত ভৰ দি দি সাহসেৰে আমাৰ সমদলটিক আগবঢ়াই লৈ গৈছিলোঁ।

পোৰা খাঁটি ঘিঁউ আৰু পোৰা চন্দন কাঠৰ গোন্ধৰ এক মিশ্ৰনে ফুকনদেৱৰ সৌভাগ্যপূৰ্ণ জীৱনৰ জয়-যাত্ৰাৰ কথাকে সূচনা কৰিছিল। চিতাৰ চৌপাশে পৰিবেষ্টিত হৈ থকা অগণন গুণমুগ্ধকাৰীৰ মুখৰপৰা ওলোৱা মৃতকৰ গুণানুকীৰ্ত্তনে শ্মশানভূমি মুখৰিত কৰি তুলিছিল। আমি শ্মশানৰ সিটো কিনাৰে এডোখৰ ঠাই বাছি লৈছিলোঁ। আমি পোন্ধৰজন মানুহে চিতাৰ চৌপাশে থাকি নীৰৱে সংকাৰৰ কামখিনি সম্পন্ন কৰাত মনোনিৱেশ কৰিলোঁ।

চন্দ্ৰদীপৰ মৃতদেহক মুখাগ্নি কৰিছিল তেওঁৰ দূৰ সম্বন্ধীয় ভায়েক এজনে। মই লগত নিয়া খিউকণ জ্বলি উঠা চিতাগ্নিৰ ওপৰত ঢালি দিছিলো। শ্মশানৰ দুয়োকাষে দুখন জ্বলি উঠা চিতা। একেই জুই, একেই ধোঁৱা আৰু কেঁচা বাঁহ জুইত পৰি ফুটাৰ একেই শব্দ। কিন্তু তাতেই আছিল এক বিৰাট অনৈক্য আৰু মই এই কথাবোৰকে চিন্তা কৰি কৰি কথাৰ আঁত প্ৰায় হেৰুৱাই পেলাইছিলো। চন্দ্ৰদীপে মোক পানী এগিলাচ দিবলৈ সঙ্কোচ কৰা, ফুকনদেৱৰ মৃতদেহৰ সংকাৰৰ সময়ত চমাৰ কেইজনে চন্দ্ৰদীপৰ মৃতদেহ সেই শ্মশানকৈ নিবলৈ ভয় কৰা, চন্দ্ৰদীপৰ মৃত-দেহ শ্মশানলৈ নিওঁতে ফুকনদেৱৰ গুণমুগ্ধ লোক কিছুমানে বাধা প্ৰদান কৰা, এই কথাবোৰে মোৰ মূৰৰ ভিতৰত কিলবিলাই আছিল। সিটো ফালৰ আড়ম্বৰপূৰ্ণ চিতাখনক আগুৰি থকা অগণন লোকসকলৰ ফালে চকু যোৱাত মোৰ মনত এনে এক ধাৰণা হ'ল, যেন সেয়া প্ৰগতিৰ পথটোৰ প্ৰতি উৎসাহী নোহোৱা এখেল লোকৰ দ্বাৰা ৰাস্তাৰ পুৰণি সোলোক-ঢোলক মাইল খুটি এটাৰ গুৰিত মাটি জপাই দি, তাৰ ওপৰত চুণকাম কৰি চিৰযুগমীয়া কৰি ৰখাৰ প্ৰচেষ্টাহে। আৰু আমাৰ নিৰাড়ম্বৰ চিতাখনৰ কামত ব্যস্ত থকা জুকলা চমাৰ কেইজনৰ ফালে লক্ষ্য কৰাত মোৰ মনত এনে ধাৰণা হ'ল যেন জন্মৰেপৰাই সামাজিক অপমানত দগ্ধ এই মহামানৱ কেইজনে তেওঁলোকৰ বয়োবৃদ্ধ, জ্ঞানোবৃদ্ধ এজনক হেৰুৱাব লগা হোৱাৰ বাবে পোৱা শোকতকৈয়ো আন এটা কাৰণতহে বেছি ভাগি পৰিছে। শৱ-দেহ এতিয়াই শ্মশানলৈ আনি তেওঁলোকে যেন আজি এক বিৰাট সামাজিক অপৰাধ কৰিছে আৰু এই অপৰাধৰ ভয়াবহ পৰিণতিৰ কথা চিন্তা কৰি বিপদৰ ক্ষণ গণিছে।

তেওঁলোকক সান্ত্বনা বা বুজনি দিয়াৰ ক্ষমতা মোৰ নহ'ল।

কিন্তু দুয়োখন চিতাৰ মিশ্ৰিত ধোঁৱাৰ কুণ্ডলীৰ ফাঁকে ফাঁকে চাই মই যেন দেখা পালো এক উৎসাহী জনতাৰ মিছিল—অতি দ্ৰুতগতিৰে আমাৰ ফালেই আহি আছে। আমাৰ চিতাৰ কাষ পাবলৈ আৰু বেছি দূৰ নাই।

[ৰামধেনু, ইং ১৯৮০]

# অপেক্ষা

ৰামধনে জাৰত কঁপি কঁপি তলমূৰ কৰি, ঘৰৰ সন্মুখৰ ৰাস্তাটোৰ দাঁতিৰ ৰ'দঘাই ঠাই ডোখৰতে জুপুকা মাৰি বহি আকাশ পাতাল চিন্তিবলৈ ধৰিলে। তাৰ কোলাত হাড় কঁপোৱা জাৰত কঁপি কঁপি, ফেঁকুৰি ফেঁকুৰি, হুচকুত ভৰা ফেচকুৰিৰে দুবছৰীয়া পুতেক ভৰত। কাষতে থিয় হৈ জাৰত কুঁজা হৈ, ঠক্ ঠক্ কৰে কঁপি কঁপি ফেঁকুৰি ফেঁকুৰি, জুটুলা চুলিৰে চাৰি বছৰীয়া জীয়েক তৰা। দুয়োটা শিশুৰ চকু নিবদ্ধ ওচৰৰে গেৰেকণি ডোখৰতে নোকনোকাই নোক-নোকাই গেলা বোকা খুচৰি খুচৰি আপোনমনে খাদ্য বিচাৰি খাই থকা গাহৰি পোৱালি কেইটাৰ ওপৰত। কাষতে হাতত বুঢ়া বাঢ়নীডাল লৈ, খঙত একোনাই হৈ গালি পাৰি থকা অৱস্থাত ঘৈণীয়েক লাখনী।

এহাতেৰে বাৰে বাৰে খহি পৰা ওৰণিখন কোনো দিনে তেল নপৰশা জধলা মূৰটোৰ ওপৰত তুলি তুলি, আনখন হাতেৰে বুঢ়া বাঢ়নীডাল জোকাৰি জোকাৰি, সোঁৱে বাঁৱে একো একোবাৰ পিকাই লাখনীয়ে গিৰিয়েক ৰামধনক গালি পাৰি থাকে। কোনো কোনোবাৰ তাৰ হাড়সৰ্বস্ব দেহাটোকে দুই হাতেৰে খামুচি ধৰি জোকাৰি দিয়ে। কোনোবাৰ আকৌ সি পিন্ধি থকা কাচুতিখনৰ খোঁচোনাটোকে আজুৰি পিজুৰি তাই পৰীক্ষা কৰি চায়। ৰামধনে সকলো সহি যায়। নাই কোনো প্ৰতিক্ৰিয়া নাই কোনো প্ৰতি-বাদ। তাৰ মানস পটত ভাঁহি উঠে আমাডিমা ল'ৰা-ছোৱালীহালৰ আৰু ঘৈণীয়েকৰো প্ৰতিকাৰহীন খালী পেটৰ যন্ত্ৰণাৰ দৃশ্যটো আৰু আগৰাতিৰ ঘটনাৰ কিছুমান মিশ্ৰিত টুকুৰা। কিছুমান স্পষ্ট, কিছুমান অস্পষ্ট।

আগৰাতি অতিপাত জাৰ লগাত সি লগৰ লগত পৰি তাড়ি খাইছিল। ৰাগিয়ে তাক বেহুচ কৰি পেলাইছিল। হুচ থকা অৱস্থাত অনুভূত হোৱা কঠোৰ বাস্তৱতাৰ কথাবোৰ নিচাৰ ৰাগিয়ে সাময়িকভাবে পাহৰাই ৰাখে বাবেই সেই সময়কণতেই মনলৈ সোঁত বয় অফুৰন্ত আনন্দৰ। সেই বেহুচ অৱস্থাৰেই কিবা কিবি বলকি বলকি সি ৰাতি দোভাগত ঘৰ সোমাইছিলহি। প্ৰথমে অধীৰ আগ্ৰহেৰে আৰু পিছলৈ পৰম বিৰক্তিৰে দুৱাৰমুখত অপেক্ষা 'কৰি থকা ঘৈণীয়েক লাখনীয়ে দেখে যে তাক বজাৰ কৰিবলৈ টকা দহোটা দিছিল যদিও সি হাতত কোনো বস্তু অনা নাই আৰু লগতো টকা দহোটা নাই। টকা দহোটা কি হ'ল, সেই কথা তাৰো মনত নাই। কোনোবা টলকত খোঁচোনাৰপৰা সৰিয়েই পৰিল নে -ছেগ চাই লগৰে কোনোবাটোৱে হাত কৰিলে তাকো নাজানে।

এই টকা দহোটাই আছিল সিহঁতৰ ঘৰখনৰ সেই দিনাৰ সম্বল আৰু তাকে লাখনীয়ে খোঁচোনাৰ পৰা সযতনে উলিয়াই তাৰ হাতত দিছিল, দোকানৰপৰা সস্তা দৰৰ চাউল কেইটা আনিবলৈ। দোকানৰ পৰা চাউল কেইটা আনিলেহে ৰাতিলৈ আৰু পিছদিনা পুৱাও চৌকা জ্বলিব। কিন্তু ৰাতি দোভাগত বেহুচৰ ৰাগিয়ে ফপ্লিল কৰি তোলা মনৰ আনন্দতে নানা কথা বলকি বলকি সি শুদা হাতেৰে ঘৰ ওলোৱাত লাখনীৰ খঙে মূৰৰ চুলিৰ আগ পালেগৈ। ল'ৰা-ছোৱালীহালে ভোকতে কান্দি কান্দি শুলে।

লাখনীয়ে বুটী বাঢ়নিডাল জোকাৰি জোকাৰি তাক জেৰা কৰে, তই নিচা খাই টকা কেইটা সাং কৰিলি কিয়? ইমান কষ্টৰ পইচাকেইটা তই স্ফূৰ্তিত উৰালি। তই নিচা খোৱা কাৰণেহে যোৱা ৰাতি চৌকাত জুই নজ্বলিল। আজিও নজ্বলে। কোমল পেটৰ কেচুৱা হালৰ এতিয়া কি গতি হ'ব কচোন। ভুলতো আন কোনোবাই সিহঁতৰ এই কোমল পেটৰ ভিতৰত কি ভয়ানক কাণ্ড

ঘটিব লাগিছে সেই কথা চিন্তা কৰিবনে? বয়সীয়াবোৰৰ কথা বাক বাদেই দিছোঁ। পৰহি বহু কেৰ-জেৰ কৰিহে এঘৰৰ পৰা পাওনা এই টকা দহোটা আদায় কৰিছিলোঁ। ওই কি কৰ কৰ এতিয়া। মোৰ কোনো ৰাস্তা নাই।

লাগ বুলিলেই তাইৰ যে পইচা এটা যোগাৰ কৰাৰ কোনো পথ নাই সেই কথা সিও জানে। লাগ বুলিলে সি নিজেও যে পইচা এটা যোগাৰ কৰিব নোৱাৰে সেই কথা তায়ো জানে। প্ৰতিকাৰ-হীন এই দুয়োৰে হৃদয়ৰ ভাষাবোৰ। মাত্ৰ জীয়াই থাকিবলৈকে কোনো-ৰকম ক্ষুধা নিবাৰণ, লাজ ঢাকিবলৈ কোনোৰকম এডুখৰি বস্ত্ৰৰ যোগাৰ, তাৰ মাজতে স্বাভাৱিক প্ৰেম-প্ৰীতি, বিবাহ, সন্তান জন্ম, ভৰণ-পোষণৰ কাৰণত নানা সংঘাত, নানা ঠেকা-ঠুকলিৰ মাজেদিয়েই চলি গৈ আছে সিহঁতৰ জীৱন। খং উঠিলেহে মানুহজনীৰ এই ৰণচণ্ডী ৰূপ। এনেয়ে তাইৰ দেহত শক্তি বুলিবলৈ একো নোহোৱাৰ দৰেই। তাৰ নিজৰ দেহটোৰ দৰেই তাইৰো দেহা বুলিবলৈ ছালৰ মোনাটোৰ ভিতৰত ওলমি থকা ৰক্ত প্ৰবাহিত শিৰ, ধমনী সমন্বিতে হাড় কেই-ডাল, ছালৰ মাজত ঢুলি থকা জীৱটো আৰু লাওখোলাটোৰ মাজত সোমাই থকা, ভাল-বেয়া, পোৱা-নোপোৱা, হিত-অহিতৰ বিচাৰ কৰিবপৰা এই বিক্ষিপ্ত মনটো।

ৰামধনে চৌকাত জুই জ্বলোৱাৰ পথ বিচাৰি বিব্ৰত হয়। কোনো পথেই তাৰ সন্মুখত হাজিৰ নহয়হি। এফালে ঘৰখনৰ দুটা কুমলীয়া, দুটা বয়সীয়া এই চাৰিটা পেটৰ ভিতৰত ভোকৰ জ্বালা, আনফালে শীতত চাৰিওটাৰে ছালৰ ওপৰত তীব্ৰ যন্ত্ৰণা। উদ্ধাৰৰ পথ নাই। মনটোৱে সহায় বিচাৰি কাৰোবাৰ ওচৰলৈ যাব পৰা, এষাৰ কথা সুধিব পৰা কোনোবা আছে নেকি তাকে চিন্তি, চিন্তাৰ পৰিসীমাৰ ভিতৰত ঘূৰ্ মুটিয়াই ফুৰে যদিও চিন্তাই খোপনি পুতিব পৰাকৈ কোনো এজন লোকৰ প্ৰতিচ্ছবিয়েই মন চকুৰ পৰ্দাত হাজিৰ নহয়হি।

ঘৈণীয়েকৰ জেবাৰ উত্তৰ সি নিদিয়ে যদিও তাৰ উত্তৰটো জিভাৰ আগতে দোলা দি ৰয়। ৰাহিৰ হৈ নোলায়। ঘৈণীয়েকৰ তাৰ, সি আড্ডাত বহি টকা দহোটাই মদ খাই সাং কৰি ঘৰ ওলাইছেহি। কিন্তু নহয়। সি যোৱা ৰাতি তাড়ি খাইছিল লগৰ লগত পৰি, হাড়লৈকে কঁপনি উঠা জাৰটো পলুৱাবলৈহে। সি সন্ধিয়া ঘৰৰপৰা দোকানলৈ বুলি ওলাই যাওঁতেই বাটতে খবৰ পালে, ষ্টেচনত পৰি থকা লাচ এটা আঁতৰ কৰিব লাগে। আনৰ লগত ধৰাধৰিকৈ লাচটো কঢ়িয়াই নিছিল। লাচটোৰ পৰা বাচো ওলাইছিল। গাটো জিকাৰ খাই উঠিছিল তাৰ। অতিপাত ঠাণ্ডা লাগিল তাতেই। সেই ঠাণ্ডা পলুৱাবলৈকে সি লগৰ লগত পৰি তাড়ি খাইছিল। তাকো নিজৰ পইচাৰে নহয়। ঘৈণীয়েকে দিয়া টকা দহোটা সি পিন্ধি থকা কাচুতিখনৰ খোঁচোনাটোতে সুমুৱাই লৈছিল। কিন্তু কি হ'ল তাৰ একো মনত নাই। কিন্তু সি লাচটো কঢ়িওৱা ৰাবেহে ঠেটুৰৈ লগাকৈ জাৰটোৱে ধৰাত তাড়ি খোৱা কথাটো ঘৈণীয়েকক ক'বলৈ ভয় কৰে। তায়োতো বছৰে বছৰে অহা হাড় কঁপোৱা এই জাৰৰ দিনকেইটা কঁপি থাকে দিন ৰাতি সমানে! কিন্তু তাইতো জাৰ পলুৱাবলৈ কোনো দিনেই নিচা খোৱা নাছিল। সি খালে কিয় ?

ৰামধনে পুতেকক কোলাৰপৰা নমাই থয়। আধা খোলা হৈ থকা পোন্দটো ভালদৰে মাৰি, ঘৰৰ ভিতৰ সোমাই, কান্ধত বুঢ়ী কোৰ-খন আৰু হাতত ৰাঢ়নীডাল লৈ, ভঙা ভেটুকাৰ ওপৰত দোপ দি দি সি ৰাস্তা ধৰে চৌকাত জুই জ্বলোৱাৰ উপায়ৰ সন্ধানত। প্ৰথমেই মিউনিচিপেলিটিৰ বাবুজনৰ কথা চিন্তা কৰে। ধৰিলে যোৱা কালি লাচটো কঢ়িওৱাৰ বাবত অফিচৰপৰা পোৱালৈ নবৈ নিজৰ হাতৰ-পৰাই আগতীয়াকৈ কিবা অলপ নিদিবনে ?

[সাদিনীয়া সম্বাদ, শাৰদীয় বিশেষ সংখ্যা, ১৯৯২]

—— ——

# ওজন

খাওঁ খাওঁ মূৰ্তি ধৰা চোৰা ব'দজাক মূৰত লৈ, বৰটোকোলা চৰাইৰ ঠেং সদৃশ হৈ পৰা অস্থি-চৰ্মসাৰ ভৰি দুখনেৰে এক'কাল পানীত নামি, তদ্ৰূপ হাত দুখনেৰে বহু সময় ধৰি জাল বোৱাৰ মূৰত জালত এহতীয়া ৰৰালি মাছটো উঠিল। জালখন সাৱধানে বামলৈ তুলি আনি, ছটফটাই থকা মাছটো অভিজ্ঞ হাত দুখনেৰে কিছুসময় টেপা মাৰি ধৰি থাকি, তলমুৰাকৈ খালৈটোত ভৰাই সোণাৰামে ঠাই সলাই আকৌ জাল বোৱাত মগ্ন হৈ পৰিল। জাল বাই থকাৰ মাজতে সি অনুমান কৰিলে যে আজিৰ বাবে হয়তো তাৰ কপালত এইটোৱেই আছিল। দ্বিতীয়বাৰ পোৱাৰ আশা উজ্বল যেন নালাগিল। সিদ্ধান্ত কৰিলে, নাপালেও এই পোৱাটোকো আজি বিক্ৰী নকৰে বুলি তিৰোতাজনীক ক'বগৈ।

আনকাল মাছ মাৰি আনি চোতালত খালৈটো থোৱাৰ লগে লগেই তিৰোতাজনী আৰু ল'ৰা-ছোৱালীমখাই প্ৰায় উবুৰি খাই পৰি কাওঁ-বাওঁ কৰি কয়, আজি মাছ দুটামান থৈ যা। কিমান দিন যে মাছ অকণ খাবলৈ পোৱা নাই! মাছৰ সোৱাদৰ কথা পাহৰা যেনেই হৈছেগৈ। সিও নানা অজুহাত দেখুৱাই পিছত থৈ যাব বুলি প্ৰতিশ্ৰুতি দিয়ে। কিন্তু দিনৰ পিছত দিন যায়, তেনে প্ৰতিশ্ৰুতি আৰু প্ৰতিশ্ৰুতি হৈয়ে ৰয়। ৰক্ষা কৰিবলৈ শক্তিয়ে নুকুলায়। প্ৰত্যেকদিনেই চাৰিআলিৰ চকত মাছকেইটা বিক্ৰী কৰিবৰ বাবে এমুৰ চিন্তা লৈ এঠাইত জুপুকা মাৰি বহি থাকে। মনত নানা আশা-নিৰাশা, চিন্তা-ভাবনাৰ উজনি ভটিয়নী। মূৰৰ ভিতৰত মিলাব নোৱাৰা হিচাপ-নিকাচৰ টনা-আঁজোৰা। গ্ৰাহকৰ লগত দৰদাম কৰোতে কৰোতে কেতিয়াবা নিজৰ মনতে খিকচিনা

লাগি যায়। এই মাছকেইটা ধৰোতে দেহৰ কিমান কষ্ট হৈছে, এইকেইটাৰ ওপৰত যে খেতিখোলা কৰিবলৈ মাটি এচমকা নথকা, আনকি ভাত ৰন্ধা খৰিকেইডালো লোকৰ বাৰীত সুলুৰিলে নচলা এখন গৃহস্থীৰ ভৰণ-পোষণৰ সকলো কথাই নির্ভৰ কৰিছে, কণামুচৰিৰ দৰে পানীৰ খুঁৱলিত বোকা-পলসত পোত গৈ, ৰ'দ-বৰষুণ মূৰত লৈ ঘণ্টাৰ পিছত ঘণ্টা জুপুকা মাৰি বৈয়ো কেতিয়াবা যে হা-হুমুনিয়াহ সোপাকে বুকুত বান্ধি শুদা হাতেৰেই উভতিব লগা অৱস্থা হয়, সেইদিনা যে তিৰোতাজনী আৰু ল'ৰা-ছোৱালী কেইটাৰ চকুলৈ চাব নোৱাৰে, সেইদিনা আখলত জুই জ্বলাৰ উপায় নাথাকে, ইত্যাদি অনেক বেদনা, অনেক হাঁহাকাৰৰ কথা কোনেও উপলব্ধি কৰিব নোৱাৰে। ভাগ্যকে চিন্তি, এপৰমান বহি, মাছকেইটা বিক্ৰী কৰি সেই পইছাৰে বজাৰৰ নিকৃষ্ট মানৰ উথুৱা চাউল, নিমখ, দোকানৰ ৰাছৰো বাছ লেৰেলা আলুগুটিৰ দ'মৰ মাজৰ পৰা বাছি বাছি কেইটামান আলুগুটি, মিঠাতেল অকণমান আদি নহ'লে নচলা বস্তু-কেইটা কিনি আৰু নিজৰ কুহুৰ কুহুৰ কাহটো দমাই ৰাখিবৰ বাবে খিড়ি এধুপ কিনি, ভোকত হামিয়াই-হামিয়াই আবেলি ঘৰ পায়হি। এনেকৈয়ে চলি গৈ আছে সোণাৰামৰ সংসাৰখন দিনৰ পিছত দিন, মাহৰ পিছত মাহ, বছৰৰ পিছত বছৰ।

আজি এহতীয়া বৰালি মাছটো পাই সোণাৰামে থিৰাং কৰিলে, আজি তিৰোতাজনী আৰু ল'ৰা-ছোৱালীকেইটাক আগতে দিয়া প্ৰতিশ্ৰুতি ৰক্ষা কৰিবই। সিহঁতেও ভাল পাব।

সোণাৰামৰ এতিয়াও মনত পৰে, তাৰ বিধবা মাকজনীয়ে সংসাৰ চাকনৈয়াত পৰি টলংভটং কৰা ঘৰখন উটি-ভাহি যোৱা অৱস্থাৰ পৰা ৰক্ষা কৰিবলৈ কম এখন সংগ্ৰামেই কৰিব লগা নহৈছিল। জকাইখন লৈ গৈ মাছ-পুঠি ধৰি আনি হাট-বজাৰত বিক্ৰী কৰিও দুটা প্ৰাণীৰ জীৱিকা উলিয়াব নোৱাৰি হাঁহাকাৰত দিন কটাব লগাত পৰিছিল। পিন্ধা আৰু জাৰত উৰা কাপোৰ-কানিৰ যোগাৰ, ভগা

ঘৰৰ মেৰামতি, বেমাৰ-আজাৰৰ চিকিৎসা আদি এশ-এবুৰি সমস্যাত জুৰুলা হোৱা মাকে তাক কিবা প্ৰকাৰে এমুঠি খাবলৈ যোগাৰ দি নিজে কিমান সাজ লঘোনে কটাইছিল, সেই কথা সি সৰু আছিল যদিও গম পায়। সি ডাঙৰ হৈ অহাত মাকৰ কান্ধৰ পৰা সংসাৰৰ ভাৰখন নিজৰ কান্ধলৈ তুলি লৈ মাকক বেহাই দিলে। জীয়াই থাকোতেই মাকে তাৰ সংসাৰখনো পাতি দিলে। মাক সিফলীয়া হোৱা প্ৰায় দহ বছৰেই হ'বৰ হ'লছি। কিন্তু, সংসাৰ চলাওঁতে মাকৰ যি নাজল-নাথল অৱস্থা হৈছিল, নিজৰ ক্ষেত্ৰতো হ'ল সেই একেই অৱস্থা। ঘৈণীয়েক, ল'ৰা-ছোৱালীৰ মুখত টোপ একোটা দিয়া, লাজ-সম্মান ৰোৱাকৈ পিন্ধিবলৈ কাপোৰ এডুখৰি দিয়া, মুকখা পাতবেং কেঁচু-কুমটিৰ বিচৰণ নোহোৱা ঘৰ এটাত ৰখা, বেমাৰ-আজাৰত মুখত ঔষধ এপালি দি প্ৰাণ ৰক্ষা কৰা আদি কথাবোৰ তাৰ জীৱনতো অৰণ্যৰোদনৰ দৰেই হৈ ৰ'ল। জীৱনত কত ধৰণৰ সংঘাতৰ থেকেচনি। হলা গছত বাগি কুঠাৰ মৰাৰ কত ৰকমৰ প্ৰচেষ্টা। হেৰাই নোযোৱাকৈ কিবা কৰি বাচি আছে। কেনেকৈ বাচি আছে সেই কথা সি নিজেই নাজানে। সন্মুখত পাৰ দেখা পালেহে সাঁতোৰাৰো ধৈৰ্য্য থাকে। তথাপি সি সাঁতুৰিয়ে আছে। তাৰ দায়বদ্ধতা কেৱল নিজৰ ব্যক্তিগত জীৱনটোতে আবদ্ধ নহয়, এখন গৃহস্থীৰ, এটা পৰিয়ালৰো।

তাৰ এতিয়াও মনত পৰে, সি সৰু হৈ থাকোতেই মাকে জকাই বাই পোৱা বৰালি মাছৰ ছানাকেইটা পেটু গুচাই, লোণ সানি, কলপাতেৰে মেৰিয়াই ধানখেৰৰ জুইত পুৰি ভাতৰ লগত তাক খাবলৈ দিছিল। মাকে জানিছিল, পোৰা মাছ অকণ পালে তাক আৰু একো নেলাগে। আঞ্জা নোহোৱাকৈয়ে সি গোটেইগাল ভাত চুচি-মুচি খাই দিছিল। প্ৰতি মুহূৰ্তে মুহূৰ্তে অস্তিত্ব বিপন্নৰ ধুমুহাৰ মাজতে সাদৰী মাকজনীয়ে কেনেকৈ সি ভালপোৱা বস্তু এটা তাৰ মুখত দিছিল, সেই কথা ভাবিলে মনটো বাউল হৈ

মাকৰ ওচৰলৈ চাপলি মেলে। মাকুজনীৰ অভাৱটো অনুভৱ কৰি সি হতাশ হয়। সি কিন্তু তেনেদৰে নিজৰ ল'ৰা-ছোৱালীক একো এটা মনত লগা বস্তু খুৱাব পৰা নাই। আজি আন নহ'লেও ধৰত মাছটো বাছি, লোণ অকণ সানি কলপাতত মেৰিয়াই ধান-খেৰৰ জুইত পুৰি, ভাতৰ লগত আটায়ে খাব। অন্ততঃ আজিৰ দিনটোৰ সময়খিনিয়েই সিহঁতৰ বাবে অকণমান আনন্দৰ কাৰণ হ'ব।

এনে-এবুৰি চিন্তা মূৰত লৈ বহু সময় জাল বায়ো দ্বিতীয়বাৰৰ বাবে মাছপোৱাৰ লক্ষণ নোদেখি, বেলি চাই সময় নিৰ্ণয় কৰি, জালখন পানীত আওডালি সামৰি-সুতৰি কান্ধত পেলাই লৈ সোণাৰাম ঘৰলৈ ঘূৰি আহে। চোতালত থকা পলটোৰ ওপৰতে জাল-খন আৰু কাষতে খালৈটো থৈ সি ডুখৰি পীৰাখনতে টিকা ছুটা পেলাই কঁকালটো পোনালে। ইমান সময়ে কামৰ ঠেলাত পাহৰি থকা কঁকালৰ বিষটোৱে হঠাৎ ঠাহ মাৰি ধৰাত সি মেচা হৈ পৰে। কঁকালৰ বিষটোৱে লম্ভা প্ৰায় দুবছৰেই হ'বৰ হ'লহি। সেয়া আগতে আছিল মাজে মাজে। কিন্তু আজি-কালি বেমাৰটো ছাঁৰ দৰেই গাতে লাগি থকা হ'ল। মাজে মাজে মজিয়াত পেট পেলাই চিতভোলোঙা খাই পৰি কোনোবাটো ল'ৰা-ছোৱালীক কঁকালৰ ওপৰত কিছুসময় বজুৱাই থৈহে তৰণি পায়।

পীৰাখনত বহি কঁকালটো পোনাই লওঁতেই কোনোবা ফালৰ পৰা আমন-জিমনকৈ সৰুটো পুতেক শশধৰ ওলালহি। আজি সি গোটেইটো জলকা লগা। এনেয়ে সি ভজবজীয়া আৰু ৰঙিয়াল। আনকাল বাপেক মাছৰপৰা অহালৈ সি পদুলিমুখতে থকা গছৰ মূঢ়াটোৰ ওপৰতে উঠি, দূৰলৈ চাই চাই অপেক্ষা কৰি থাকে। বাপেকক দূৰত দেখিলেই আহিছে আহিছে বুলি চিঞৰি চিঞৰি দৌৰি গৈ মাকক খবৰটো দি আকৌ পদুলিমুখত হাজিৰ। বাপেক আহি ওচৰ পালে সি লৰমাৰি গৈ খালৈটোৰ ভিতৰলৈ ভুমুকিয়াই চায়। এই পোৱা-নোপোৱাটোৰ ওপৰতেই যে সিহঁতৰ ঘৰখনৰ জীৱকেইটা

ৰক্ষা হোৱা-নোহোৱা কথাটো নির্ভৰ কৰিছে. সেই কথা তাৰ বুজিবলৈ নৌহয় যদিও খালৈটোৰ ভিতৰলৈ এনেদৰে ভুমুকিয়াই চোৱাটোতে তাৰ আনন্দ। হাতখন খালৈটোৰ ভিতৰলৈ সুমুৱাই দি মাছকেইটা লিৰিকি বিদাৰি চায়। গড়ৈ, চেঙেলী, পাটীমুতুৰা মাছকেইটা সক সক হাত দুখনেৰে খামুচি ধৰোতে আঙুলিৰ ফাঁকেদি পুলুককৈ সৰকি যায়। এইটোও তাৰ এক স্ফূর্তিৰ কাৰণ। খালৈটো হেপোৰ-তেপোৰকৈ হাতত লৈ মাকৰ হাতত দিয়েগৈ। জালখনৰ পাহবোৰত লাগি ধৰা জেং, জাবৰ-জোঁথৰাবোৰ চিকুটি চিকুটি এৰুৱায়। মাকে দাঁৰডালত মেলি দিয়া ভিজা জালখনত ছাঁ পৰিলে সি মাকক চিঞৰি চিঞৰি ৰ'দ পৰা ঠাইলৈ নিয়ায়। দিনে ভিজা জাল দিনে শুকালে সোনকালে পচিব, এইয়া তাৰ চিন্তা। মাক-বাপেকে কেতিয়াবা কেতিয়াবা কোৱাকুই কৰা সি শুনিছিল। সিহঁতৰ দৰে দিন ভিক্ষা প্ৰাণ ৰক্ষাৰ লেখীয়া পৰিয়াল এটাত নতুন জাল এখন ঘটা যে কিমান ডাঙৰ কথা, সেই কথা সি বুজা হোৱা নাই যদিও জালখনেই যে জীৱিকাৰ একমাত্ৰ স্থল, সেই কথা সি বুজা হৈছে। বয়স চাৰি বছৰহে হৈছে যদিও কিছুমান চিন্তা তাৰ বয়সীয়া লোকৰ দৰে পুৰঠ। বাপেক-মাকে কোৱাকুই কৰে, তাৰ খোৱা-জীয়াৰ লক্ষণ আছে। আশা হয়তো ঘৰখনৰ পৰিৱৰ্তন কিবা অকণমান। এই ৰেঙণিতে অলপমান আনন্দ। আজি কিন্তু সি একেবাৰে ওলোটা। সি বাপেকৰ ওচৰলৈ লাহে লাহে আগুৱাই আহে। বস্ত্ৰহীন ফপৰীয়া দেহাটোৰ ঠায়ে ঠায়ে জেঙেৰনে আচোঁৰাৰ দাগ। দুয়োখন কাণৰ ললিত চূণৰ প্ৰলেপ। জননেন্দ্ৰিয়, অণ্ডকোষ আদি দেহৰ বিভিন্ন অংশ উখহি লোধোমা দি উঠিছে।

দেখি সোণাৰামে উৰাউল হৈ সক পুতেকক ধৰি ওচৰ চপাই আনি ইসইসাবলৈ ধৰিলে, বোপাই অ', ইস ইস, তোকচোন বিছাই খাই সাং কৰিলে? ক'ত সোমাইছিলিগৈ? বুলি কৈ বাপেকে তাৰ বিছাই ডকা, দমলা পাতি উঠা টিকা, তপিনা, অণ্ডকোষ, জননেন্দ্ৰিয়ৰ

কোমল অংশবোৰ চুই চুই মৰমেৰে তাক আব্‌দাৰ কৰিবলৈ ধৰিলে।

গাঁওখনৰ সৰহভাগ ল'ৰা-ছোৱালীয়ে ভোকতে আৰু ঘৰৰ তাৰ ঘৰৰ বাৰীয়ে বাৰীয়ে কিবা ফলমূল পায়নেকি বিচাৰি পিতপিতাই ফুৰাৰ দৰে সিও তাৰ লগৰীয়াৰ লগত তলসৰা পকা জলফাই বিচাৰি এৰাবাৰীত সোমাইছিলগৈ। লগৰকেইটাই এটা-দুটাকৈ জলফাই পালে। সিহে নাপালে। তাৰ পৰিশ্ৰমহে সাৰ হ'ল। তাতেই তাক কুঁজী বিছাই ডাকিলে। তেনেকৈয়ে সি আহি ঘৰ ওলোৱাত মাকে কাণৰ লতিত চূণ ঘঁহি দিয়ে।

সক পুতেকক আব্‌দাৰ কৰি থাকোঁতেই সোণাৰামৰ কৰঙণত তেজ খাই থকা চেলাপেটী জোকটো লুতুককৈ মাটিতে সৰি পৰে। দেখি সোণাৰামে জোকটোৱে বহু তেজ খালে ও বুলি ইসইসাই উঠি, তেজ বিয়পি পৰা, ভিজি গাতে শুকুৱা কাছুটিখনৰ অংশটো দাঙি ঠাইডোখৰ খজুৱাবলৈ ধৰিলে। একান্তমনে জাল বাই থাকোঁতেই কোনোবা টলকত জোকটোৱে কৰঙনত কামুৰি ধৰি তেজ খাই আছিল। আনকাল বাপেকৰ গাত লাগি থকা জোক দেখিলেই, সক পুতেক শশধৰৰ সহ্য নহয়। সি আজোৰ মাৰি জোকডাল এক্‌বাই আনি জঁপিয়াই জঁপিয়াই ভিতৰলৈ গৈ আঙুলিৰ আগত চূণ অকণ আনি জোকডালৰ মুখত সানি দি মুখেৰে ভোৰ-ভোৰায়, "মজা পাইছ? খাবি আৰু তেজ? বদমাছ।" কিন্তু আজি বাপেকক জোকডালে খোৱা দেখিও সি নিৰ্বিকাৰ হৈয়ে ৰয়।

সোণাৰামে সক পুতেকক মৰমেৰে ক'লে, বোপাই অ', কল-চোঁচনি এডোখৰ আনগৈ যা। তোৰ ডিঙিত বান্ধি দিওঁ। বিছাই ডকা সোনকালে ভাল হ'ব।

সিও আমন-জিমনকৈ আঠীয়া কলজোপাৰ চুকি পোৱাৰে পৰা চোঁচনি এডোখৰ চিকুটি আনি বাপেকক দিয়েহি। বাপেকে তাৰ ডিঙিত আতৌ-পুতৌকৈ কল-চোঁচনিডাল বান্ধি দিয়ে। বাপেকে বান্ধি থকা অৱস্থাতে সি মাটিত পৰি থকা, তেজ খাই ভুলভুলীয়া

হোৱা জোকটোলৈ টেৰাটেৰিকৈ চাই থাকে। বাপেকৰ বন্ধা হ'লত সি নিমাতে-নিস্তব্ধে ঘৰৰ ভিতৰলৈ সোমাই গৈ, আঙুলিৰ মূৰত চূণ অকণ আনি জোকটোৰ মুখত সানি দিয়ে। আনকালৰ দৰে মুখেৰে ভোৰনোভোৰায়।

সৰু পুতেকক সুধিবৰ মন আছিল সোণাৰামৰ, মাৰে কিবা অকণ খাবলৈ দিছেনে অ' সৰুপোনা? কিন্তু নুসুধিলে। সুধিবলৈ ভয় লাগিল। সৰু পুতেকৰ চেপেটা পেটটো দেখিয়েই সোণাৰামৰ অনুমান হ'ল যে তাৰ পেটত এই ভৰ দুপৰীয়ালৈকে একো এটা আহাৰ পৰা নাই, যেনেকৈ তাৰ নিজৰ পেটতো এই ভৰ দুপৰীয়ালৈকে বিৰিৰ ধোঁৱাকণৰ বাহিৰে আহাৰৰ নামত একো এটা বস্তু পৰা নাই। ডাঙৰ ল'ৰা-ছোৱালীহাল কোনোবাফালে ওলাই গৈছে। সিহঁত থকাহ'লে সিহঁতৰ পেটলৈ চায়েই সোণাৰামে একেটা কথাকে উদ্ঘাটন কৰিব পাৰিলেহেঁতেন। থাউনি নোপোৱা পানীত পৰি ককবকাই থকা যেন লাগিল সোণাৰামৰ।

এনেতে হাতত মাটিকলহ এটা লৈ ভিতৰৰ পৰা ঘৈণীয়েক ওলাই আহিল। এসময়ৰ জোঙা নাকেৰে চকলাকৈ মুখৰ মিঠাবৰণীয়া লোদোৰ-পোদোৰ দেহৰ পৰিবৰ্তে আজি ঘৈণীয়েকৰ এয়া ব'দে দেৱাই নিয়া, লোণ পমাদি পমা, হাড়-ছাল ওলোৱা এটা দেহা। গিৰিয়েকক কেনেকৈ অকণমান সকাহ দিয়ে, এয়েই মানসিকতা তাইৰ সকলো সময়তে। ভূঁই বোৱা, ধান কটাৰ সময়ত ক্ষণ বুজি লোকৰ পথাৰত ভূঁই কই, ধান দাই পোৱা পইছাকেইটা পৰম আন্তৰিকতাৰে তাই গিৰিয়েকৰ হাততে গুঁজি দিয়েছি। মনোহাৰী বস্তু বিক্ৰী কৰা ফেৰিৱালা গাঁৱলৈকে আহে যদিও তাৰে তাই নিজৰ বাবে একো নিকিনে। আৰ তাৰ বাৰীৰ পৰা লাগনী খৰিকেইডাল, ঢেঁকীয়া শাক, মানিমুনি, মাটিকাঁদুৰী, পথাৰৰ পৰা কলমৌ শাকমুঠি তায়েই যোগাৰ কৰে। গিৰিয়েকে খৰিচা ভাল পায় কাৰণেই লোকৰ ঘৰৰ পৰা বাঁহগাজ খুজি আনি ঘৰতে কৰি ভাতৰ পাতত অকণ দিয়ে।

শশধৰৰ জন্মৰ সময়তে লগ দিয়া প্ৰসূতাৰ অসুখে তাইক আজিও এৰা নাই। তাৰেই টাকুৰী ঘূৰাদি ঘৰখন ধৰি ৰাখিবলৈ তাইৰ আপ্ৰাণ চেষ্টা। বিয়াৰ পিছৰে পৰা সি কোনোদিনে তাইক ভাল বস্তু এটা খুৱাব পৰা নাই যদিও, তাইৰ চিকিৎসাটোও কৰাব পৰা নাই যদিও, তাক কোনোদিনে লেকেন থেকেন নকৰা, কোনোদিনে কোনো মুহূৰ্ত্ততে কোনো ধৰণৰ অসন্তুষ্টি, ওজৰ আপত্তিৰ প্ৰতিক্ৰিয়া প্ৰকাশ নকৰা, কথা ভাব বা কামেৰে হিয়া ভেদি যোৱাকৈ কোনোদিনে কোনো ধৰণৰ হান নমৰা, জীৱন-মৰণ, সুখ-দুখৰ প্ৰকৃত লগৰী, অস্থি-চৰ্ম্মসাৰ ঘৈণীয়েকজনীৰ ফালে সি ক্ষণিক ৰ লাগি চাই থাকি ক'লে, শুনিছনে অ' শশধৰৰ মাক, আজি মাছটো নিবিকো দে, ঘৰতে খাম।

এই বুলি কৈ সি পৰম সন্তুষ্টিৰে পলটোৰ ওপৰত ৰখা জালখন আৰু খালৈটো ঘৈণীয়েকৰ ফাললৈ আগবঢ়াই দি, দুই হাতেৰে দুই ভৰিৰ পানীখজুলিবোৰ সুত লগাকৈ খজুৱাবলৈ ধৰিলে। সদায় পানীত নামোতে নামোতে লগ লোৱা ব্যাধি।

এনেতে সেমেকা মাতেৰে ঘৈণীয়েকে ক'লে, ঘৰত চাউলৰ নামত নাই এটা খুদকণ। নাই লোণ আৰু মিঠাতেলো। পুৱাই ক'ম বুলি ভাবিছিলো। কিন্তু তুমিনো লাগ বুলিলেই ক'ৰপৰা বস্তু যোগাৰ কৰিবা? মোৰ আমঠু ক'লা পৰি গৈছে। তোমাৰ দেহাটোতনো বাৰু কিটো আছেগৈ? বুলি কৈ, সেমেকা চকু দুটা চাদৰখনৰ আঁচল-টোৰে মোহাৰি, ঘৈণীয়েকে তিজা জালখন দাঁৰডালত মেলি দি, ভিতৰৰ পৰা অনা মাটিকলহটোৰ অৱশিষ্ট পানীকণ কাঁথিতে থকা কাণভঙা মাটিকলহটোত ঢালি থৈ, কাবলতিৰ তলত কলহটো লৈ নদীঘাটৰ পৰা পানী একলহ আনিবলৈ আগবাঢ়িল।

হমুনিয়াহ এটা কাঢ়ি সোণাৰামে বহাৰ পৰা উঠি ভিতৰৰ পৰা লোণৰ চুঙা আৰু মিঠাতেলৰ চিচাটো উলিয়াই আনি লগত লৈ খালৈটো পুনৰ হাতত লৈ, তললৈ মুৰ কৰি কৰি চাৰিআলিৰ চ'কলৈ

বুলি ধাওনা হ'ল। ভোক, ভাগৰ আৰু এমুৰ অনিশ্চয়তাৰ চিন্তাত ভৰি থৰকবৰক। চাউল, লোণ, মিঠাতেল ইত্যাদি বহু বস্তুৰে প্ৰয়োজন। কিন্তু এই এহতীয়া ৰবালি মাছটোৰে বা ওজন লয় কিমানৰ ?

[ প্ৰকাশ—ইং ১৯৯২]

# হিচাপ

কথাটোকে ভাবি ভাবি মই এনে কিছুমান চিন্তা-ভাৱনাৰ মেৰ-পাকৰ মাজত সোমাই পৰিলোঁ যে তাৰপৰা সহজে ওলাই অহা মোৰ পক্ষে সম্ভৱ নহ'ল। ল'ৰাটোৱে কৈছিল, দিনটোৰ প্ৰতিসাজৰ ভাতৰ বাবে তাক যি পৰিমাণৰ চাউল লাগে, তাৰে আধাকৈ চাউল সি গোটাই থ'ব আৰু ঘৰলৈ যাওঁতে লগত লৈ যাব। ইয়াৰ নিৰ্মল অৰ্থ হ'ল এয়ে যে, সি যিমান দিনলৈকে মোৰ ঘৰত থাকিব, সিমান দিনলৈকে আধাপেটীয়াকৈয়ে থাকিব। সিও তাৰ নিজৰ ইচ্ছা অনুসৰি।

ল'ৰাটোৰ নাম কমলেশ্বৰ। মোৰ ঘৰৰপৰা আঠ কি ন কিলোমিটাৰমান দূৰৈৰ এখন ভিতৰুৱা গাঁৱৰ। বনকৰা ল'ৰা হিচাপে সি মোৰ ঘৰলৈ অহা তিনিমাহ মানহে হৈছে। সাধাৰণতে এঘাৰ-বাৰ বছৰীয়া ল'ৰা এটাই যিমানখিনি পৰিশ্ৰম কৰিব পাৰে, সেই অনুপাতে তাৰ পৰিশ্ৰম কৰাৰ শক্তি আৰু আগ্ৰহ দুয়োটাই বেছি।

ঘৰত বনকৰা ল'ৰা ৰখাৰ অৱস্থা মোৰো নাই। মই স্থানীয় মাইনৰ স্কুলখনৰে সহকাৰী শিক্ষক আছিলোঁ। কিন্তু চাকৰিৰ কাৰ্য্যকাল পূৰা হ'বলৈ আঠ বছৰমান বাকী থাকোঁতেই হঠাতে এনে এটা ৰোগত আক্ৰান্ত হ'লোঁ যে, কেইটামান দিন বেছিকৈ ছুটী লোৱাৰ চেলুতে চাকৰিটো আৰু মোলৈ বৈ নাথাকিল। পাক-চক্ৰ নামৰ চক্ৰটোৰ জন্ম নোহোৱাহ'লে চাকৰিটো যে মই এনেকৈ অকালতে হেৰুৱাব নালাগিলহেঁতেন সেই কথাও অৱশ্যে ঠিক। চাকৰিটো যোৱাত আহত হৈছো ঠিকেই। চাকৰিটো গ'ল যদিও মই হুট যোৱা নাই। তিনিবিঘা মাটি জমি যি আছিল, তাকেই চলাই-কৰি সুখে-দুখে খাই আছোঁ।

ল'ৰাটোৰ ঘৰতো বিধবা মাকজনী আৰু সাত বছৰীয়া নাবালক ভায়েকটো। বস্তিৰ মাটিকণবো বোলে চুকঠাৰপৰা গৈ আধাকঠাতহে পৰিছেগৈ। লোকৰ ঘৰত ধান বানি, চাউল কাৰি, মানুহ-জনীয়ে পেট প্ৰৱৰ্তায়। কিন্তু গাঁৱতো ঘৰে ঘৰে ঢেঁকী, ঘৰে ঘৰে খুন্দনী। গতিকে তেওঁৰো সংসাৰখনৰ অৱস্থা তথৈবচ। এনে এটা ল'ৰাৰে সন্ধান এটা পাই, লগতে পথাৰে-সমাৰে মোকো লাচনি-পাচনিখন কৰি দিবলৈ ল'ৰা এটাৰ প্ৰয়োজন হোৱাত, মাহে ৰূপ দহ টকাৰ বন্দৱস্তত তাক লৈ আহিলোঁগৈ।

ৰাতি পাকঘৰত চাউল-পাচলি কৰি থকাৰ সময়তে সি কথা-বোৰ পৰিবাৰৰ আগত কৈছিল আৰু পৰিবাৰেও টলকা মাৰি সকলো শুনি আছিল।

মই গাঁৱৰে ল'ৰা দুটাক গাইপতি মাহে ৰূপ পাঁচ টকাৰ বন্দৱস্তত টিউছন কৰোঁ। পাঁচতকৈ বেছি দিবলৈ সিহঁত অপাৰগ টনা-আজোৰা অৱস্থা হ'লেও মানুহ হোৱাৰ সিহঁতৰো আশা। ময়ো বাঞ্ছা কৰোঁ, সিহঁত আচল মানুহ হওক। যাৰ হৃদয় মানৱীয় অনুভূতিৰে পৰিপূৰ্ণ হৈ থকা কথা অনুভৱ কৰি নিঃস্ব সকল নিশ্চিন্ত হ'ব পাৰে। আনহাতে দহোটা টকাৰে মোৰো কথমপি লোণ তেলৰ কুৰিদিনৰ খৰচ মিটে।

টিউছনৰ ল'ৰা দুটা পঢ়ি-শুনি এইমাত্ৰ উঠি গৈছেহে। সাক্ষী-স্বৰূপে ধোঁৱাই ধোঁৱাই জ্বলি থকা ৰঙা কেৰাচিনৰ চাকিটো এতিয়াও মেজখনৰ ওপৰতে দণ্ডায়মান হৈ আছে। চাকিটোৱে আন্ধাৰবোৰক দূৰলৈ ঠেলিবলৈ যুদ্ধ এখনকে কৰি আছে আৰু ময়ো জ্বলি থকা চাকিটোৰ ফালেই আশাবাদী দৃষ্টিৰে চাই চাই, ল'ৰাটোৰ কথা কেইটাকে মনতে পাগুলি আছোঁ। এনেতে শুনিলোঁ পাৰবাৰৰ লগত কথা-বতৰা পাতি থকা অৱস্থাত ল'ৰাটোৰ সেই কথাষাৰ।

পৰিবাৰেও কাম কৰি থকাৰ মাজতে এবাৰ তাক সুধিছিল,

তই আধাপেটীয়াকৈ খাই কিমান দিননো থাকিবি? সিও টপৰাই উত্তৰ দিছিল, আমি জনা-বুজা হোৱাৰে পৰাই আধাপেটীয়াকৈয়ে খাই আছোঁ। জনা-বুজা হোৱাৰেপৰা এদিনলৈকো পেট ভৰাই খাবলৈ পোৱা নাই। মাইহঁতেতো প্ৰায়েই লঘোনেই থাকে। আপোনালোকেতো মোক দুই সাজৰ ভাত জোক গুচাই খাবলৈ দিছেই। কিন্তু আগতে যি ঘৰত আছিলো, তেওঁলোকে পেট ভৰাই খাবলৈকে নিদিয়ে। বনবান্দী কৰাত দোষ উলিয়াই কেতিয়াবা ভাতো বন্ধ কৰে। মাৰেও। আপোনালোকে সেইখিনি কৰা নাই। ভাবিছোঁ, মোক প্ৰতিসাজতে যিমানখিনি চাউলৰ ভাত লাগে, সেই গোটেইখিনি চাউলৰ ভাত নাখাই তাৰে আধাকৈ চাউল গোটাই থৈ ঘৰলৈ পঠালে তাৰে পৰাই ভাইটোৱেও খাব পাৰিব। সিটো মোতকৈয়ো সৰু যেতিয়া তাৰ ভাত কম হ'লেও হয়। সি ভোক ৰাখি খায়ো যিখিনি চাউল বাকী ৰ'বগৈ, তাৰে মাজে মাজে মায়েও খাব পাৰিব। ময়ো ঘৰলৈ যাওঁতে ৰাহি হোৱা চাউলৰ টোপোলাটো লৈ যাব পাৰো। নতুবা ঘৰৰপৰা মাইহঁত আহিলে সিহঁতৰ হাতত্তো টোপোলাটো দি পঠাব পাৰো। মায়েও অলপ সকাহ পাব। কোনোবা কোনোবাই মাইক জোকায়ো। মায়ে ঘৰত আহি কান্দে। কয়, মইনো সোনকালে বুঢ়ী হৈ নাযাওঁ কিয়? ল'ৰা দুটা নথকা হ'লে আপোনঘাতী হৈয়ে মৰিলোহেঁতেন। আই, আপোনালোকে জানেই আমি কিমান কষ্ট কৰি জীয়াই আছো। আমাৰ আনন্দ বুলিবলৈ কি আছে?

পৰিবাৰে কোৱা শুনিলোঁ, তোৰনো এতিয়া কিমান বছৰ হৈছে? সিও লগেলগেই উত্তৰ দিলে, যোৱা পুহত এঘাৰ উকলি বাৰত সোমাইছে।

মই মাৰৰহীয়া ঠেঁটুৰৈ লগা জাৰত তিতিব নোৱাৰি, হাতভৰি চকীখনতে ভৰি তুলি বহি, আঠুদুটাৰে বুকুত চেপি ধৰি জাৰটোক ঠেলিবলৈ যুদ্ধ এখনকে কৰি থকা অৱস্থাতেই মনতে এটা হিচাপ

কৰিলোঁ। তাৰমতে গাঁৱৰ ল'ৰা এটাৰ দিনটোত দুয়োসাজ ভাত পেট ভৰাই খাবলৈ হ'লেও অতি কমেও তিনিশ গ্ৰাম চাউলৰ প্ৰয়োজন হয়। তাৰে যদি আধাকৈ চাউল সি সাঁচে তেনেহ'লে মাহেকৰ মূৰত চাৰেচাৰি কিলো চাউল বাহি হ'ব। তাৰ সাত বছৰীয়া ভায়েকটোৱেও দিনটোৰ দুয়ো সাজ ভাত পেট ভৰাই খাবলৈ হ'লে দিনে কমেও দুশগ্ৰাম চাউল লাগিব। গতিকে এই হিচাপত ভায়েকটোৱেও দিনটোত এসাজ পূৰাকৈ অথবা দিনটোত দুয়োসাজ আধাপেটীয়াকৈ খাবলৈ হ'লেও মাহেকত তিনি কিলো চাউল লাগিব। তাৰ বাহি চাউল চাৰে চাৰি কিলোৰ তিনি কিলো বাদ গ'লে থাকিল ডেৰ কিলো। লোকৰ ঘৰৰ কাম বনৰ ওপৰতে নিৰ্ভৰ কৰি, সজাটোৰ ভিতৰত জীৱটো সুমুৱাই ৰাখিবলৈ কথমপিহে সমৰ্থ হোৱা জুকলা মাকজনীয়েও লোকৰ ঘৰত কাম-বন নাপালে এই বাহি ডেৰ কিলো চাউলেৰে মাহটোৰ কেইসাজমান খাই মৰণটোক কেইদিন-মানলৈ এৰাই চলিব পৰিব। ভাবিলোঁ, ল'ৰাটোৱে বেচ ভাল অঙ্ক এটাকে কৰি উলিয়াইছে।

মোৰ মনটো বেছি গধুৰ হৈ আহিবলৈ আৰম্ভ কৰিলে।

ধোঁৱাই ধোঁৱাই ক্লান্ত হৈয়ো আন্ধাৰবোৰ ঠেলিবলৈ পৰাঙ্মুখ নোহোৱা সাহসী চাকিটোৰ শিখাত গোটখোৱা ছাইৰ থোপাটো টোকৰ মাৰি একৰাই, তাক ভালকৈ পোহৰকণ বিলাবলৈ সুচল কৰি দি মনতে আন এটা হিচাপ কৰিলোঁ। সি বোলে তাৰ মনত্তপৰা দিনৰে পৰা এতিয়ালৈকে আধাপেটীয়াকৈয়ে খাই আছে। আচলতেও তাৰ সোপোকা পেট আৰু আঁতগুৰুৱা দেহাটো দেখি মোৰ চিনাকি মনটোৱে তেনে এটা অনুমানকে ঠিকেই কৰিছিল।

সি যি কি নহওক, হঠাতে মোৰ অঙ্কপিপাসী মনটোত এটা অদ্ভুত কথা খেলালে। সি তাৰ সেই জনা বুজা হোৱা, অৰ্থাৎ আধাসজীয়াকৈ খোৱাৰ কথা মনত পৰা সেই বয়সটো বা কিমান আছিল? তাৰ সেই বয়সৰ হিচাপটো উলিয়াবলৈ মোৰ মনটোৱে

খৰখৰ লগালে। তাৰ বয়স এতিয়া ধাৰ। এটা বাৰ বছৰীয়া ল'ৰাই তাৰ অতীত জীৱনলৈ উভতি চালেও তাৰ স্মৃতিয়ে নিশ্চয় দুই-তিনি বছৰ বয়সৰ কথাবোৰ ঢুকি নাপায় গৈ। তথাপিও মই তাৰ সেই অনা-বুজা হোৱা অৰ্থাৎ অতীতৰ কথাবোৰ মনত পৰাৰ বয়স হিচাপে তাৰ চাৰি বছৰ বয়সটোকে ধৰি, মনতে হিচাপ এটা কৰি চাই দেখোঁ যে তাৰ মনত পৰা সুদীৰ্ঘ আঠটা বছৰেই সি এসাজো ভোক গুচাই ভাত খাবলৈ পোৱা নাই। বছৰত তিনিশ পয়ষষ্ঠী দিন হ'লে এই আঠবছৰত হয় গৈ দুহেজাৰ ন শ বিশ দিন। হিচাপটো ওলালত মোৰ নিজৰে মূৰটো ঘূৰুৱা যেন লাগিল।

পৰিবাৰে তাক ক'লে, তোক আধাসজীয়াকৈ ৰাখি আমি জানো কিবা শান্তি পাম?

সিও লগেলগেই উত্তৰ দিলে, আমিতো জীয়াই থাকিব লাগিব আইদেউ। "আমি এনেকৈয়ে ডাঙৰ হৈ ইমানটো হৈছোঁহি। আমাৰ কথা আমিয়েই চিন্তা কৰিব লাগিব।

তাৰ মুখৰ কথাকেইটা শুনি মই বিস্ময়াভিভূত নহৈ নোৱাৰিলোঁ। ল'ৰাটোৱেচোন বহু কথাই জানে! এয়া জীয়াৰ লক্ষণ। নিজৰ চিন্তা যে নিজেই কৰিব লাগিব, সেই কথা ময়ো নাজানিছিলোঁ। আমি মাত্ৰ শুনি, মানি আৰু ভাগ্যকে থিয়াই হে গৈ আছোঁ। কোনোবা চতুৰ মানুহে যোগ্য ভোগ্য বসুন্ধৰা বুলি কিবা কথা লিখি থৈ যাব, সুবিধাবাদীবোৰে তাকেই ভাটৌৰ দৰে আওঁৰাই ভোগ্য বস্তু আহৰণ কৰিবলৈ যিকোনো পথ অৱলম্বন কৰি, এচামক ঘুণীয়া কৰি, সংসাৰৰ গড়খাৱৈত লেংমাৰি পেলাই থৈ যাব, যোগ্যৰ ঘৰতহে যোগ্যৰ সৃষ্টি হ'ব, এই মজাৰ কথাবোৰ টওকে কৰিব পৰা নাছিলোঁ ইমানদিনে। ল'ৰাটোৰ কথাকেইটাইহে মোৰ এই দিশৰ চকু মোকোলাই দিলে। এটা বাৰ বছৰীয়া শিশুৰ চিন্তাটো ইমান গভীৰ আৰু ব্যাপক হ'ব পাৰে বুলি মই ভাবিব পৰা নাছিলোঁ। সঁচাকৈয়ে ময়ো জানো ভোক গুচাই খাবলৈ আৰু জাৰ পলুৱাই পিন্ধিবলৈ

পাইছোঁ ? একালে তিনিবিঘা মাটিৰ খেতিৰ আয় আৰু আনফালে তিনিটা ল'ৰাছোৱালীৰে আমি মাক বাপেকহাল আৰু এই বনকৰা ল'ৰাটো। পাঁচোখন সমান্তৰালভাৱে ৰ'বলে কোনোবা একালে বেছিকৈ দবিৰ ? আমাৰতো বেছিৰো প্ৰয়োজন নাছিল ! ডাঙৰ ল'ৰাহালেও পইচা খৰচ কৰিব পাৰিলেহে পাবপৰা চাকৰিটোকে সাৰ কৰি নাথাকি, লাজ নকৰি, ফাকে ফাকে ছেগ বুজি হাটলৈ বিকিবলৈ বুলি বাৰীৰ আৰু গাওঁ অঞ্চলৰ পৰা গোটোৱা দুই এপদ বস্তু নিনিয়াহ'লে আৰু মৰো ছেগ বুজি বাৰীচুকতে সোমাই ইটো সিটো খুচৰি নথকাহ'লে ঘৰখনৰ যে ভিকাছনেই ভাগিলহেঁতেন তাত অকণো সন্দেহ নাই। মোৰতো এইকণেই আছে। কিন্তু বহুতৰে নাই যে নাই একোৱেই নাই।

দিনটোত দুয়োসাজ ভাত আধাপেটীয়াকৈ খোৱা, অথবা দিনটোত এসাজ ভাত পুৰাকৈ খাই এসাজ সম্পূৰ্ণ লঘোনে থকা কথা প্ৰায় একেটাই। সাত আৰু বাৰ বছৰীয়া এই শিশুহালে, ডাঙৰটোৱে তাৰ মনত পৰাৰেপৰা আজিলৈকে এই দুহেজাৰ ন-শ বিশ বেলা লঘোনে থকা, ভৰ গাভৰু অৱস্থাতে বিধবা হোৱা, দিনৰ ভদ্ৰলোক কিছুমানে সহায় কৰাৰ নামত বেয়া নজৰ পেলোৱা বিধবা মাকজনীয়েও উক্ত সময়ছোৱাৰ অধিকাংশই লঘোনত কটোৱা, এই কথাবোৰ কেৱল এখন ঘৰৰহে মোটামুটি হিচাপ। অথচ তাৰ মোৰ সংখ্যাই সৰ্বাধিক। এই হিচাপেই সৰ্বাত্মক।

কথাটো চিন্তা কৰি আৰু বেছি দলৈ যাবলৈ মোৰ শক্তি ন'হল। ঢিমিকঢামাককৈ জ্বলি থকা চাকিটোৰ মুৰত টুকুৰিয়াই তাত জমা হোৱা ছাইৰ থোপাটো একৰাই দি, আন্ধাৰবোৰ ঠেলিবলৈ চাকিটোক ভালদৰে সুচল কৰি দিয়াত চাকিটো ভালদৰে জ্বলি উঠিল। ইতিমধ্যে মোৰ মনটোৱেও যে এটা সুস্থিৰ চিন্তাত গোজা মাৰি ৰ'লগৈ সেই কথাও সত্য। সিদ্ধান্তটো তাৰে। সেইয়া হ'ল, নিজৰ চিন্তা নিজেই কৰিব লাগিব। ইহে অব্যৰ্থ। লাখুটিয়ে কণাক বাট দেখুৱাই দেখুৱাই লৈ যোৱাৰ দৰেই ই হে মূঢ় মূকবোৰকো বাট-পথৰ সন্ধান দি

দি আগবঢ়াই লৈ যাব। ধৰিলেহে লাখুটিৰ গুণ। থিতাৰিলেহে পথ। সি সক হ'লেও তাৰ চিন্তাটো পুৰঠ। অৱশ্যে তাক আধাপেটীয়াকৈ ৰখাৰ প্ৰশ্ন উঠে। আমি পুৰাকৈ খালে সিও খাব। যৰলৈ যাওঁতেও বা মাকহঁত আহোঁতেও কিবা এটা টোপোলা যে হাতত দিয়া হ'বই সেইটোও ধ্ৰুৱসত্য। যেনেকৈ আগতে থকা ল'ৰা কেইটাকো দিয়া হৈছিল, ঠিক তেনেদৰেই।

[ পলাশী— ইং ১৯৮৬ ]

# দধীচি

পুৱা গুৱাহাটীলৈ যোৱা চৰকাৰী বাচখন ধৰিবৰ বাবে মই স্থানীয় বাচষ্টেচনটোতে অপেক্ষা কৰি আছো। বাচখন সাত বজাত এইখিনি পায়হি। এতিয়া পাঁচ বাজিছেহে। গতিকে বাচ আহি পাবলৈ এতিয়াও প্ৰায় দুঘণ্টা সময়েই বাকী আছে। মই বাচ ষ্টেচনটোৰ বাৰাণ্ডাতে পাৰি থোৱা বেঞ্চখনতে বহি লৈ পুৰণি দিনৰ কথাবোৰকে পাগুলি আছো। পুৰণি দিনৰ কথামানে মোৰ নিজৰে অতীতৰ অৰ্থাৎ লৰালিকালৰ কথাবোৰ। মই এইখন চহৰমুখী ঠাইৰে নিকটবৰ্ত্তী এখন পিচপৰা গাৱঁৰ এটা পৰিয়ালৰ ল'ৰা। ইয়াৰে হাৱাপানী খাই ডাঙৰ দীঘল হৈ ইয়াৰে হাইস্কুলৰ পৰা প্ৰৱেশিকা পৰীক্ষাৰ ডেওনাখন পাৰ হৈ বৰ্ত্তমান ইয়াৰ পৰা বাঠী-মাইল দূৰৰ সৌ গুৱাহাটী মহানগৰত চাকৰি কৰি আছো।

হওঁতে আধা ৰাতিতেই শোৱাৰ পৰা উঠি, চাৰিমাইল বাট খচকি আহি, বাচ আহি পোৱাৰ দুঘণ্টাৰ আগতে ইয়াত উপস্থিত হৈ বোন্দাপৰ দি থাকিব লগা হোৱাৰ গুৰিতে মোৰ এটা উদ্দেশ্য নথকাও নহয়। এই সক চহৰমুখী ঠাইখনৰ বাবে গুৱাহাটীলৈ দুটা চীট আচুতীয়াকৈ ৰখাৰ নিয়ম এটা বিভাগীয় কৰ্ত্তৃপক্ষই বান্ধি দিছে। গতিকে যি আগতে আহি টিকেট কাউণ্টাৰৰ সন্মুখত হাজিৰ হয়হি, তাৰে টিকেট পোৱাৰ সম্ভাৱনা উজ্জল।

মই বেঞ্চিখনতে বহি আছো যদিও অতি সতৰ্কভাৱে ইফালে সিফালে লক্ষ্য কৰি আছো। কাৰণ কোন টলকত আন যাত্ৰী আহি কাউণ্টাৰৰ সন্মুখৰ ঠাইডোখৰ দখল কৰি লয়হি ঠিকনা নাই। প্ৰতিযোগতে হুঁচিয়াৰ নহলে উজুতিখোৱাৰে সম্ভাৱনা প্ৰচুৰ। গতিকে মযো এনে কায়দাৰে বহি আছো যে নাতিদূৰত কোনোবা

যাত্ৰী যেন লগা মানুহ চকুত পৰিলেই যাতে সাউৎকৰে উঠি গৈ কাউণ্টাৰৰ সন্মুখত থিয় হৈ প্ৰথমটো টিকেট দাবী কৰিব পাৰো।

মাছ ধৰিবলৈ বিলৰ পাৰত চোপাদি থকা কনামুচৰিৰ দৰে ময়ো টিকেটৰ বাবে ইমান সময় খাপপিতি থাকিবলগীয়া হোৱাতো আমনি পোৱা নাই। কাৰণ বৰ্ত্তমান যুগৰ কিউ বোলা নিয়মটোৰ লগত বৰ বেচি পৰিমানে ঘনিষ্ঠ হৈ পৰিছো। ৰেছনৰ দোকানতেই হওক বা ভোটদিয়া ঠাইতেই হওক, কিউক উপেক্ষা কৰি চলাৰ অধিকাৰ আজিকালিৰ নাগৰিকৰ নাই। গতিকে কিউৰ ধৈৰ্য্যৰে গাৰঁৰপৰা প্ৰমোছন পোৱা এইখন পোৱালি চহৰৰ এই সৰু বাচষ্টেচনটোতে মই বাচ অহালৈ বাট চাই টিকেট এখন যে পামেই এনে এটা আশাবাদী মন লৈ ইফালে সিফালে চাই থাকোতেই হঠাতে সন্মুখত হাজিৰ হ'লহি পানীৰাম আৰু লগত ছয় কি সাত বছৰীয়া এটা নঙঠা ল'ৰা।

বাপুটি বুলি পানীৰামে তেওঁৰ সেই স্বভাৱসুলভ বিনয়ী ভঙ্গিমাৰে সম্বোধন কৰি, সোঁহাতখন কপালৰ ওচৰলৈ তুলি নি মোক নমস্কাৰ এটা দিলে আৰু মোৰ ওচৰতে মাটিত লেপেটাকাঢ়ি বহিলহি। ময়ো এ পানীৰাম কাই দেখোন বুলি মাতষাৰ দি, আনন্দৰ ভাব প্ৰকাশ কৰি, পানীৰামক আদৰ সম্ভাষণ জনালো আৰু ইমান দিনৰ মূৰত তেওঁক দেখি মই যে সঁচাকৈয়ে আনন্দিত হৈছো, সেই ভাব প্ৰকাশ স্বয়ংক্ৰিয় ভাবে মোৰ অন্তৰৰ পৰা ওলাই আহিল। পানীৰামেও সমানে আনন্দিত হৈ, বিগলিত কণ্ঠেৰে ক'লে যে মোক দূৰতে দেখি মাতষাৰ লগাই যাবলৈকে তেওঁ আহিছে।

পানীৰামক আজি কিমান দিনৰ মূৰত দেখা পালো, সেই হিচাপটো হঠাতে কৰি পেলোৱা মোৰ পক্ষে সম্ভৱ নহ'ল। কিন্তু বাৰ বছৰৰ যে অধিক কাল হৈছে সেই হিচাপত লেখমাত্ৰও আনমিল নাই তেওঁৰ চিৰি চেহেৰাৰ ইমানেই অৱনতি ঘটিছে যে মোক আগধৰি মাতষাৰ নিদিয়াহ'লে তেওঁক চিনি পোৱা মোৰ পক্ষে সম্ভৱেই নহ'লহেঁতেন।

চিৰি চেহেৰা আগতেও চকুৰোৱা বিধৰ নাছিল যদিও যৌৱন নামৰ বায়ুটোৱে দেহাটো কিছু জীপাল কৰি ৰাখিছিল। আজি যি দেখিলো, সেই যৌৱনৰ পখিলাই ৰৱ আগতীয়াকৈ তেওঁৰ দেহৰ পৰা বিদায় লৈছে। বুকুৰ কামিহাড় কেইডালিয়ে যেন গাৰ মঙহ গাতে হেৰাই যোৱাৰ প্ৰতিবাদত জেং জেং কৰি ওলাই আহি প্ৰত্যাহ্বান জনাইছে। কঁকালত তিৰোতা মানুহৰ চাদৰ জাতীয় মদকৰা বৰণ ধৰা কাপোৰৰ এটা টুকুৰা। সেই ফটা টুকুৰাটোৰ মাজেদি টিকাৰ এবখলা ওলাই আছে।

এসময়ত পানীৰাম বন্ধুৱা হিচাবে আমাৰ ঘৰতে আছিল। সেয়া পোন্ধৰ কি ষোল বছৰৰ আগৰ কথা। খেতি খোলাৰ পৰা আৰম্ভ কৰি পাকঘৰৰ বাবে লাগনী খৰি আছেনে নাই সেই খবৰ ৰখালৈকে ঘৰখনৰ সকলো দায়িত্ব আছিল পানীৰামৰ ওপৰতে। পানীৰামেও কোনো কথাতে বাগি নধৰি বা কাম বনত গাফিলি নকৰি, ঘৰখন নিজৰ বুলি গণ্য কৰি গৃহস্থৰ যাতে উন্নতি হয় তাৰ হে চিন্তা কৰিছিল। পানীৰামৰ আদৰ চেনেহত আমিও এনেদৰে আপ্লুত হৈ পৰিছিলো যে, তেওঁ যে পৰৰ মানুহ সেই কথা ভাবিবলৈকে নোৱাৰিছিলো। কিন্তু সংসাৰৰ জটিল সমস্যাই হঠাতে আমাৰ ঘৰৰ লাইখুঁটা এনেদৰে সোলোক ঢোলোক কৰি পেলালে যে ঘৰত মানুহ ৰাখি খেতিবাতি কৰোৱাৰ সমৰ্থতো আমাৰ নোহোৱা হ'লেই, আনকি সংসাৰত তিষ্ঠি থকাও আমাৰ পক্ষে টান হৈ পৰিল। ফলত তেওঁ এদিন আমাৰ ঘৰৰ পৰাও আঁতৰি যাব লগা হ'ল।

মাজে সময়ে মই ঘৰলৈ আহিলে কথা প্ৰসঙ্গত কেতিয়াবা পানীৰামৰ কথা ওলায়। এবাৰ ঘৰলৈ আহোঁতে শুনিছিলো, পানীৰামে বোলে ক'ৰবাত পতিত মাটি ভাঙি খেতি কৰিছে। শুনি সন্তোষ পাইছিলো। হওক তেওঁ, মানুহ ঘৰৰ থিতাপি লগাৰ পথ এটা ওলাইছে। বাপেকেও পৰৰ ঘৰে ঘৰে গেৰাৰী খাটি ল'ৰা-ছোৱালীক লালন পালন কৰিছিল।

বাচষ্টেচনটোৰ চকীদাৰজনে লুপি থকা বিৰিটোৰ জুইৰে নিজৰ কাণৰ চেপত সযতনে মুমুৱাই বখা আধাখোৱা বিৰিৰ টুকুৰাটো জ্বলাই পানীৰামে মোক সুধিলে, আপুনি কেতিয়া আহিলা?

ব্যাকৰণৰ ফালৰ পৰা বাক্যটো অশুদ্ধ যদিও অৰ্থবাহক। হঠাতে মোৰ মনত পৰিল হাইস্কুলত পঢ়োতে পোৱা নিপাতনে সিদ্ধ বোলা বিধিটোৰ কথা আৰু সেই বিধিটো সহজে হৃদয়ঙ্গম কৰিব নোৱাৰাৰ কাৰণে ৰবা চাৰৰ কৰ্কৰ্থনাৰ কথা।

মই ঘৰলৈ কেতিয়া আহিছিলো, বৰ্তমান ক'ত আছো, কি কৰিছো, তাৰে এটা থুলমূল বৰ্ণনা তেওঁৰ আগত দাঙি ধৰিলো। পানীৰামেও বৰ আগ্ৰহেৰে মোৰ কথাবোৰ শুনিলে, শলাগিলে আৰু সৰলভাৱে কথাবোৰৰ ওপৰত একো একোটা মন্তব্য দি গ'ল। মই সুধিলো, তুমিনো এতিয়া কি কৰি খাইছা? তেওঁ ক'লে, কি কৰিনো খাম বাপুটি? হাজিৰা কৰিয়েই কোনোৰকম চলিছো। ইফালে দৈনিক লাগে ছকিলো চাউল। লোণ তেল কাপোৰ কানি বাদেই। তাতে সদায় হাজিৰা নাপায়োঁ। হাজিৰা বিচৰা মানুহৰো সংখ্যা বাঢ়িল। চহকী কিষৰে বছৰ দিনীয়াকৈ চাকৰেই ৰাখে। সিদিনা এম্‌ ভিৰ মাষ্টৰণী এজনীয়ে টাটী এখন দিবলৈ আৰু খৰি অলপ ফালি দিবলৈ খবৰ দিছিল। কালি টাটীখন দি শেষ কৰিলো। আজি খৰিখিনি ফালি দিব লাগে।

তুমি বোলে ক'ৰবাত মাটি ভাঙি খেতি কৰিছিলা? মোৰ প্ৰশ্নটো শুনি তেওঁ যেন অলপ থতমত খালে। তাৰপিচত ভললৈ মূৰ কৰি ক'লে, কৰিছিলো বাপুটি। ডাঠ হাবি ভাঙি, প্ৰকাণ্ড গছৰ মূঢ়া ভগাই ফুপুৰা মাটি উলিয়াইছিলো। খেতিও কৰিছিলো। পিচে ইভিচন হ'ল। কথাকেইটা তেওঁ বৰ ধৈৰ্য্যৰে কোৱা যেন লাগিল।

পানীৰামে লিখাপঢ়া নেজানে। কিন্তু কিছুমান ইংৰাজী শব্দ জানে। যেনে এম ভি, ইভিক্‌চন, গভৰ্ণমেণ্ট, কণ্ট্ৰোল, ভোট, ব্লেকমাৰ্কেট ইত্যাদি। অৱশ্যে সেই শব্দমালাৰ উচ্চাৰণৰ বেদিকা পানীৰামৰ কিছু-

কথা নিজা। আমি শুনাখোৱে পোনাই পজৰাই লৈ যাব লাগে।

বিৰিৰ টুকুৰাটো দূৰলৈ দলিয়াই দি, চকু দুটা মুদি পানীৰামে কিবা ভাবিলে। মোৰ এনে ধাৰণা হ'ল যেন বিৰিটোৰ ধোঁৱাকণৰ বাহিৰে পানীৰামৰ পেটত তেতিয়ালৈকে একো এটি বস্তু পৰা নাই!

অলপ পিচতে পানীৰামে উত্তেজিতৰ সুৰত ক'লে, বাপুটি, বিদ্ধা মৰাত হ'লে কোনো নাই · আমাৰ খেতিও নাই। পৰাবোৰে খাইছে, নোৱাৰা-বোৰে পেট শুকাই মৰিছে। পেটত গাঁঠি দিয়াবোৰৰ বাবে চিন্তা কৰে কোনে? কৈ পানীৰামে হাতৰ কুঠাৰখনেৰে মাটিতে এনে এটা ঘাপ মাৰিলে যে দেখি মই তবধ মানিলো। আগৰ পানী হেন পানীৰাম চোন এতিয়া একেবাৰে পৰশুৰাম? হ'বই। সকলো কথা সময়ৰে দান। তেওঁৰ দেহাটোৰ ভিতৰত সোমাই থকা শুকান হাড় কেইডালৰ কল্পনাই হঠাতে মোৰ মনটোক সেই পুৰাণৰ দধীচি মুনিৰ ওচৰলৈহে টানি লৈ গ'ল।

পানীৰামে ৰাস্তাৰ কিনাৰতে মাটিত বিভিন্ন নক্সা আঁকি থকা তেওঁৰ ছয় কি সাত বছৰীয়া ল'ৰাটোক ওচৰলৈ মাতি আনি মোক চিনাকি কৰি দি ক'লে যে এইটো তেওঁৰ দুমলীয়া পুতেক। কামলৈ গ'লে লগতে লৈ যায়। সিহঁতেও হাজিৰা কৰিয়েই খাব লাগিব। গতিকে এতিয়াৰে পৰাই অভ্যাস এটা থকাটো ভাল। এয়া পানীৰামৰ যুক্তি। তেওঁবিলাকৰ উত্তৰ পুৰুষৰ ভৱিষ্যতৰ ইঙ্গিত।

পানীৰামে মোক নমস্কাৰ দিবলৈ পুতেকক নিৰ্দেশ দিলে। কিন্তু সি নমস্কাৰ দিয়ক চাৰি মোলৈ খোপাকৈহে চালে। উচ্ছেদৰ সময়ত সি নিশ্চয় মোৰদৰে ঠেঙা পটলুন পিন্ধা মানুহকে দেখিছিল। বুজিলো, মোৰ ওপৰতো তাৰ সন্দেহ আছে। মই তাক সুধিলো, তোৰ নাম কি অ' বাপু?

ত্ৰাহিৰাম। কঠুৱা সুৰত সি উত্তৰ দিলে।

ত্ৰাহিৰাম? তাৰ উত্তৰতেই মই নামৰ সাৰ্থকতা বিচাৰি পালো। পানীৰামেও পুতেকৰ নাম মাটিৰাম বা সাধিৰাম নিদিলে যে? পিচে পানীৰামহঁতৰ সন্তানৰ নাম মাটিৰাম জাতিৰাম সাধিৰাম হ'লেও

কামত যে ত্ৰাহিৰাম নাইবা পৰশুৰাম হ'বই তাত অকণো সন্দেহ নাই। সময়ৰ চাহিদা সময়েই পূৰাই ল'ব।

পানীৰামে মোক সুধিলে, বাপুটি, সাত বাজিবৰ হ'লেই হ'বপায়?

মই ঘড়ীটোলৈ চাই দেখো যে সাত বাজিবলৈ মুঠেই তিনি মিনিট সময় বাকী। তেওঁৰ সময়ৰ বুজটো দেখি মই আচৰিত হ'লো। পানীৰামে ক'লে, সাত বজাৰ পৰা কাম আৰম্ভ। বাৰবজাত এঘণ্টা ছুটী। তাৰ পিচত একেবাৰে পাঁচবজাত ছুটী। দিনটোৰ কামৰ হিচাপটো পানীৰামে মোক দিলে।

মোক নমস্কাৰ এটা দি, কুঠাৰখন কান্ধত লৈ পানীৰাম গ'লগৈ। কান্ধত দাখন লৈ পিছে পিছে একে খোজতে আগবাঢ়িল পুতেক ত্ৰাহিৰাম দুয়োৰে খোজ কাটলৰ গতি, কান্ধত দা কুঠাৰ লোৱাৰ ভঙ্গী একেই। বাপেকৰ দেহত বস্ত্ৰৰ নামত কঁকালৰ পৰা এমুঠন মান তললৈ নমা, লাজকণো সম্পূৰ্ণ ঢাকিবলৈ অক্ষম তোৰা ফটা কাপোৰৰ এটা টুকুৰা। পুতেক সম্পূৰ্ণ জন্মৰ পোছাকতে। চকুৰ আঁৰ নোহোৱালৈকে মই একেথৰে পেটেপিঠিয়ে লগা, পীড়নৰ চৰম পৰিণতিৰ সাক্ষী স্বৰূপ পিতা-পুত্ৰ সম্বন্ধৰ এই চলন্ত জকা দুটালৈকে চাই ৰ'লো। পুতেকে ঘূৰি ঘূৰি কেইবাবাৰো মোৰফালে চাই গ'ল। তাৰদৃষ্টি দেখিয়েই মই অনুভৱ কৰিলো যে তাৰ দেহাটো কোমল যদিও চাৱনি তীক্ষ্ণ। বাচত আহোঁতেও গোটেই বাটছোৱা পানীৰাম আৰু ত্ৰাহিৰামৰ চিন্তাৰ বাহিৰে মোৰ আন চিন্তা নাছিল। মোৰ মনত তেতিয়া আন চিন্তাই ঠাই নোপোৱাটোৱেই আছিল স্বাভাৱিক কথা। কাৰণ পানীৰামৰ কুঠাৰৰ সেই ঘা, পুতেক ত্ৰাহিৰামৰ সেই তীক্ষ্ণ চাৱনি, এই কথাবোৰ অৰ্থহীন বুলি ক'ব নোৱাৰি॥ ★

[ মোৰদেশ, বিশেষ গল্প সংখ্যা ইং ১৯৭৮ ]

## ঈশ্বৰ মহন্তৰ প্ৰকাশিত পুথি

১। মৰহি যোৱা কঁহুৱা ফুল (১৫৬ পৃষ্ঠাৰ সামাজিক উপন্যাস)
প্ৰথম প্ৰকাশ ১৯৫৬
২। হাতৰ বন ঘৰৰ ধন (উপন্যাসিকা, সদ্য সাক্ষৰৰ বাবে) ঐ ১৯৫৭
৩। অৰণ্য ( ১৯৭ পৃষ্ঠাৰ সামাজিক উপন্যাস) ঐ ১৯৬২
৪। ধূলি আৰু ধৰণী (৩০০ পৃষ্ঠাৰ সামাজিক উপন্যাস ) ঐ ১৯৬৫
৫। উত্তৰ পথ ( ৭৪ পৃষ্ঠাৰ সামাজিক উপন্যাস ) ঐ ১৯৮১
৬। সাধুৰ সুৰভি (শিশু সাহিত্য) ঐ ১৯৮৩
৭। কালকণ্ঠ (৯২ পৃষ্ঠাৰ চুটি গল্প সংকলন, ) ঐ ১৯৮৫
৮। বসুগৰ্ভা (১০৬ পৃষ্ঠাৰ সামাজিক উপন্যাস ) ঐ ১৯৮৬
৯। জ্ঞানী বগলীৰ সাধু (শিশু সাহিত্য) ঐ ১৯৮৮
১০। শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰৱৰ্তিত ধৰ্ম ( ২১৪ পৃষ্ঠাৰ আলোচনামূলক গ্ৰন্থ ) ঐ ১৯৯০
১১। চিলা আৰু সোণমণি (শিশু সাহিত্য) ঐ ১৯৯২
১২। অনন্ত আকাশৰ তলত (চুটি গল্প সংকলন, পৃষ্ঠা ২৪০) ঐ ১৯৯৪